● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আনে যেতিয়া কথা ক'ব, তাক সম্পূৰ্ণকৈ শুনক। আপুনি কি ক'ব সেয়া ভাবি নাথাকিব। বেছিভাগ মানুহেই কেতিয়াও নুশুনে।

আৰ্নেষ্ট হেমিংৱে
*মাৰ্কিন ঔপন্যাসিক*



৭ টাইৱানৰ বিৰুদ্ধে সুনিৰ্দিষ্ট সামৰিক অভিযানৰ ভাবুকি চীনৰ
১৫ কমনৱেলথৰ ফাইনেলত ভাৰতৰ পুৰুষ হকী দল
৪ প্ৰৱৰ্তক সঞ্চালকালয়ৰ অপৰিসীম ক্ষমতা


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯৭তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২০ শাওণ ১৪২৯ ভাস্কৰাব্দ ৬ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 6 August 2022 মূল্য ঃ ৯.০০ টকা

## ১৭ আগষ্টত অসম বিধানসভাৰ বিশেষ অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ প্ৰাক্কক্ষণত এক বিশেষ অধিৱেশন অহা ১৭ আগষ্টত অনুষ্ঠিত হ'ব। উক্ত দিনা পুৱা ৯.৩০ বজাৰ পৰা দিছপুৰস্থিত বিধানসভাৰ কক্ষত এই বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব বুলি অসম বিধানসভা সচিবালয়ে এক অধিসূচনাযোগে সদৰী কৰিছে।

■ মুদ্ৰাস্ফীতিত লেকাম টানিবলৈ জুনৰ পৰা একেৰাহে তৃতীয়বাৰলৈ বৃদ্ধি সুতৰ হাৰ ■ 'অৰ্থনৈতিক স্থিতিশীলতা বজাই ৰাখিবলৈ জৰুৰী'

## পুনৰ বৃদ্ধি ৰেপ' ৰেট ঃ মধ্যবিত্তৰ জেপত পৰিব চাপ, বাঢ়িব ইএমআই



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ আগষ্ট ঃ** দেশত একেৰাহে তৃতীয়বাৰলৈ বৃদ্ধি হ'ল ৰেপ' ৰেট। ইয়াৰ ফলত মধ্যবিত্তৰ জেপত অধিক চাপ পৰাটো নিশ্চিত। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই আজি ৫০ বেছিছ পইণ্ট ৰেপ' ৰেট বৃদ্ধি কৰাৰ ফলত ইয়াৰ হাৰ ৪.৯ শতাংশৰ পৰা বৃদ্ধি হৈ ৫.৪ শতাংশ হ'ল। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে এই বৃদ্ধিৰ বিষয়ে ঘোষণা কৰে। সাধাৰণ ভাষাত ব্যাখ্যা *১০ পৃষ্ঠাত চাওক*

■ ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ তিথিত ৰাজ্যজুৰি লোক কল্যাণ দিৱস পালন ■ ৰাজ্যিক পৰ্যায়ত ১০ অ-ৰাজপত্ৰিত বিষয়া-কৰ্মচাৰীক 'লোকসেৱা বঁটা' প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## দুই অক্টোবৰৰ পৰা নাথাকে কাগজৰ ফাইল

ৰাজ্যিক সচিবালয়লৈ অহা অতিথিক চৰকাৰী খৰচত চাহ খুৱাব পাৰিব কৰ্মচাৰীয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** যোৱা ১০ বছৰত অসম সচিবালয়ৰ তৃতীয় বৰ্গৰ পদত যিসকলে নিযুক্তি লাভ কৰিছে, সেই কৰ্মচাৰীসকলৰ মেধা আৰু দক্ষতা ৰাকেশ পালৰ কাৰ্যকালত নিযুক্তি লাভ কৰা তথা সম্প্ৰতি সচিবালয়ত কৰ্মৰত প্ৰশাসনিক বিষয়াসকলতকৈ বহু ওপৰত। আজি এই মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭২ সংখ্যক তিথি উপলক্ষে আজি ৰাজ্যজুৰি উদ্‌যাপিত লোক কল্যাণ দিৱসৰ স'তে সংগতি ৰাখি দিছপুৰ খেলপথাৰত *১০ পৃষ্ঠাত চাওক*

■ অসমত ব্যৰ্থ হ'ল পিএমইজিপি ■ পাঁচ বছৰতো লক্ষ্য পূৰণ নহ'ল ■ নিৰ্ধাৰিত ২৪ হেজাৰৰ পৰিৱৰ্তে ১৫ হেজাৰতে সীমাবদ্ধ যুৱ উদ্যোগী ■ ৰাজ্য চৰকাৰৰ হেঁচাকো গুৰুত্ব নিদিয়ে বেংকে

# বেংকে মাধমাৰ দিছে ৰাজ্যৰ নিবনুৱাক

বেংকৰ অসহযোগিতাত ব্যৰ্থ অভিলাষী আঁচনি ■ ঋণ প্ৰদানত নানান অজুহাত উলিয়াইছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** ৰাজ্যত নিৰ্ধাৰিত লক্ষ্য পূৰণত ব্যৰ্থ হৈছে কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনি প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচী (পিএমইজিপি)। ২০১৫ৰ পৰা ২০২১লৈ প্ৰথম পাঁচ বছৰত আঁচখিনৰ অধীনত অসমত চাৰে ২৪ হেজাৰ যুৱ উদ্যোগী সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰি লোৱা হয়; কিন্তু সেই সংখ্যা মাত্ৰ ১৫ হেজাৰতে সীমাবদ্ধ হৈ ৰয়। ৰাজ্য চৰকাৰৰ সূত্ৰত প্ৰকাশ যে বেংকৰ অসহযোগিতাৰ বাবেই অসমত ব্যৰ্থ হৈছে কেন্দ্ৰৰ অন্যতম অভিলাষী আঁচনিখন। উল্লেখ্য যে এই আঁচনিৰ অধীনত হিতাধিকাৰীয়ে লাভ কৰা ঋণৰ পৰিমাণৰ বিপৰীতে চৰকাৰে সৰ্বোচ্চ ৩৫ শতাংশলৈ ৰাজসাহায্য প্ৰদান কৰে। অভিযোগ অনুসৰি অসমত ব্যৱসায় চলোৱা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অধিকাংশ বেংকেই ৰাজ্যখনৰ উন্নয়নমূলক যিকোনো কামত পিঠি দি আহিছে। পৰিস্থিতি এনে পৰ্যায়লৈ গৈছে যে একমাত্ৰ বেংকবোৰৰ আওকণীয়া মনোভাবৰ বাবেই ইয়াত চৰকাৰৰ অভিলাষী আঁচনিও ব্যৰ্থ হোৱাৰ দিশে আগবাঢ়িছে। ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিও বেংকবোৰৰ তেনে ভূমিকাৰ বলি হৈছে। আনহাতে, আঁচনি ৰূপায়ণৰ অগ্ৰগতি সন্তোষজনক নোহোৱাত কেন্দ্ৰৰ দ্বাৰা বাৰম্বাৰ জবাবদিহি হ'বলগীয়া হৈছে ৰাজ্য চৰকাৰ। কেন্দ্ৰৰ হেঁচাৰ ফলত ৰাজ্য চৰকাৰে দায়িত্ব পালনত হেমাহি নকৰিবলৈ *১০ পৃষ্ঠাত চাওক*

## ক্ষেত্ৰীৰ উলুবামত ৰেলৰ খুন্দাত নিহত দম্পতী

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৫ আগষ্ট ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ সেনাবৰৰ নিচেই কাষতে থকা ৰেলপথত আজি বিয়লি ৪-৩০ বজাত এক দম্পতীৰ মৃত্যুৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলায়। নামনিমুৱা কলং কপিলী এক্সপ্ৰেছৰ খুন্দাত নিহত হোৱা দম্পতী ক্ষেত্ৰীস্থ দুই নম্বৰ সেনাবৰৰ ৰাজীৱ পাহাৰীয়া ওৰফে টেতুন (২৭) আৰু চন্দ্ৰমা ছেত্ৰী (২৫)। ঘটনাৰ সন্দৰ্ভত অৰশ্যে এয়া দুৰ্ঘটনা নে আত্মহত্যা *আঠ পৃষ্ঠাত চাওক*



■ মূল্যবৃদ্ধি-জিএছটি-নিবনুৱা সমস্যাৰ বিৰুদ্ধে দেশজুৰি কংগ্ৰেছৰ তুমুল বিক্ষোভ ■ ক'লা পোছাক পৰিধান কৰি আহিল সাংসদসকল

## দিল্লীত সংসদৰ পৰাই ৰাষ্ট্ৰপতি ভৱন ঘেৰাও কাৰ্যসূচী, নেতৃত্বক আটক

■ বিজেপিয়ে স্বৈৰাচাৰী শাসন চলোৱা বুলি ৰাহুলৰ অভিযোগ ■ কংগ্ৰেছত গণতন্ত্ৰ আছে নেকি বুলি ওলোটাই প্ৰশ্ন বিজেপিৰ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ আগষ্ট ঃ** মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আৰু অত্যাৱশ্যকীয় সামগ্ৰীত জিএছটি (সামগ্ৰী আৰু সেৱা কৰ) প্ৰৱৰ্তনৰ বিৰুদ্ধে আজি প্ৰতিবাদী সমদল উলিওৱা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীসহ কে'বাজনো শীৰ্ষস্থানীয় কংগ্ৰেছ নেতাক আজি দিল্লী আৰক্ষীয়ে আটক কৰে। দিল্লীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ বাহিৰত বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ মাজৰে পৰাই কংগ্ৰেছ নেতাসকলক গ্ৰেপ্তাৰ কৰা হয়। সাংসদৰ এটি সমদলসহ সংসদৰ পৰা ৰাষ্ট্ৰপতি ভৱনলৈ তুমুল বিক্ষোভ প্ৰদৰ্শন কৰি গৈ থকাৰ সময়তে আটকাধীন হয় ৰাহুল। আজি সংসদ ভৱনত কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীয়েও বিক্ষোভ প্ৰদৰ্শন কৰে। দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰিছে কংগ্ৰেছে। *১০ পৃষ্ঠাত চাওক*

## খিলঞ্জীয়া ঘোষিত হোৱাৰ পাছতো বঞ্চিত জোলহা মুছলিম হোৱা বাবেই অংগনৱাড়ী সাক্ষাৎকাৰৰ পৰা বহিষ্কৃত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৫ আগষ্ট ঃ** অলপতে ৰাজ্য চৰকাৰে গৰিয়া-মৰিয়া-জোলহা-দেশী-চৈয়দ প্ৰমুখ্যে ৰাজ্যৰ পাঁচটা মুছলমান সম্প্ৰদায়ক 'খিলঞ্জীয়া' ঘোষণা কৰিলে; কিন্তু ৰাজনৈতিক সদিচ্ছা নাথাকিলে, কেৱল 'খিলঞ্জীয়া' ঘোষণাৰে যে কাৰো কল্যাণ সাধন নহয়, তাৰ প্ৰমাণ আজি পোহৰলৈ আহিছে। ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ *আঠ পৃষ্ঠাত চাওক*

## ৰাজভৱন অভিমুখী কংগ্ৰেছৰ প্ৰতিবাদকাৰীক আৰক্ষীৰ বাধা

উত্তপ্ত পৰিস্থিতি ঃ আটক সভাপতিসহ শতাধিকক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, নিত্য ব্যৱহৃত খাদ্য সামগ্ৰীৰ ওপৰত অধিক হাৰত জিএছটি আৰোপ আদি বিষয়বোৰৰ বিৰুদ্ধে আজি সমগ্ৰ দেশতে প্ৰতিবাদ *১০ পৃষ্ঠাত চাওক*

বেংক বিষয়া বুলি পৰিচয় দি ফোন কলেৰে চাইবাৰ অপৰাধীৰ লাখ লাখ টকা লুণ্ঠন

## প্ৰবক্তাক প্ৰৱঞ্চনা কৰি জালত ঝাৰখণ্ডৰ প্ৰৱঞ্চক



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী/জালাহ, ৫ আগষ্ট ঃ** বেংকৰ বিষয়া বুলি পৰিচয় দি ফোন কলেৰে এজন কলেজ শিক্ষকৰ পৰা কৌশলেৰে ২২,৫০০ টকা সৰকাই অৱশেষত আৰক্ষীৰ জালত পৰিল ঝাড়খণ্ডৰ তিনিজনকৈ চাইবাৰ অপৰাধী। বাগ্‌সা জিলাৰ জালাহস্থিত বি বি কিষাণ *১০ পৃষ্ঠাত চাওক*

## ডিব্ৰুগড়ৰ ডন বস্ক' স্কুলত ছাত্ৰৰ দুটা ফৈদৰ মাজত প্ৰচণ্ড মাৰপিট

২২ আঘাতপ্ৰাপ্ত ঃ ২৯ শিক্ষাৰ্থীক বহিষ্কাৰ ঃ এদিন বন্ধ শিক্ষানুষ্ঠান

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড়ৰ ডন বস্ক' উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংঘটিত এক শিহৰণকাৰী ঘটনাই সচেতন মহলৰ চকু কপালত তুলিছে। শ্ৰেণীকোঠাৰ বাহিৰত প্ৰচণ্ড মাৰপিটত গুৰুতৰভাৱে আহত হ'ল ২২ জনৰো অধিক ছাত্ৰ। বিদ্যালয়ৰ কৰ্তৃপক্ষ, *১০ পৃষ্ঠাত চাওক*

■ নৃত্য-চিত্ৰ ভাস্কৰ্য আদিৰ ক্ষেত্ৰত অবাধ দখল আছিল ■ সত্ৰীয়া নৃত্যক নতুন ৰূপ দি অধিক জনপ্ৰিয়তাকৰণত ভূমিকা লৈছিল

## প্ৰবীণ নৃত্য পটিয়সী গৰিমা হাজৰিকাৰ দেহাৱসানত গভীৰ শোক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** কেৱল নৃত্য পটীয়সীয়েই নহয়, কলা জগতখনৰ একাধিক উপাদানৰ অসামান্য শিল্পী গৰিমা হাজৰিকাৰ যোৱা নিশা মহানগৰীৰ উলুবাৰীস্থিত বাসভৱনত দেহাৱসান ঘটে। তেওঁৰ মৃত্যু ভাৰতীয় শিল্প-সংস্কৃতিৰ সমাজৰ বাবে এক অপূৰণীয় ক্ষতি। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। যদিও তেওঁৰ প্ৰথম পৰিচয় নৃত্য পটীয়সী, চিত্ৰ ভাস্কৰ্য আদি ক্ষেত্ৰতো আছিল গৰিমা হাজৰিকাৰ অবাধ দখল। বিগত ২০০৬ত সংখ্য গীত নাটক একাডেমীৰ বঁটা লাভ কৰা হাজৰিকাই নৃত্য পৰিচালিকা, গীতি আলেখ্য লেখিকাৰূপেও সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই গৈছে। সত্ৰীয়া নৃত্যক স্বকীয়তাৰ মাজত ৰাখিও তাত নিজৰ সৃষ্টিশীলতা প্ৰয়োগেৰে গৰিমা হাজৰিকাই প্ৰথমে নতুন ৰূপ দিছিল। নৱগ্ৰহ শ্মশানত আজি তেওঁৰ শেষকৃত্য সম্পন্ন হয়। *আঠ পৃষ্ঠাত চাওক*

## অস্থায়ী কৰ্মী লোহিত দাসৰ আত্মহত্যা

## গোৱালপাৰাৰ সত্ৰ ন্যায়াধীশৰ বিৰুদ্ধে মুখ্য ন্যায়াধীশক অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৫ আগষ্ট ঃ** গোৱালপাৰা আদালতৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী লোহিত দাসৰ আত্মহত্যাৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীৰে আজি বিভিন্ন দল-সংগঠনৰ সঁজাতী দলৰ স'তে ভুক্তভোগীৰ পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক লিখিত অভিযোগ দাখিল কৰে। *আঠ পৃষ্ঠাত চাওক*


■ 'জৰুৰী বিষয় আনফালে ঢাল খুৱাইছে'

## বিধায়কক জেহাদীৰে তুলনা মন্ত্ৰীৰ ঃ বিধানসভা চৌহদত এআইইউডিএফৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** এআইইউডিএফৰ দুজন বিধায়কক জেহাদীৰ স'তে তুলনা কৰা অসম চৰকাৰৰ দুই মন্ত্ৰী ক্ৰমে পীযুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱাৰ বিৰুদ্ধে আজি অসম বিধানসভা সচিবালয় চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে দলটোৰ বিধায়কসকলে। বিধায়ক হাফিজ ৰফিকুল ইছলাম আৰু আমিনুল ইছলামক জেহাদীৰে তুলনা কৰা দুই মন্ত্ৰীৰ বিৰুদ্ধে এআইইউডিএফৰ বিধায়কসকলে হাতত প্লেকাৰ্ড লৈ *১০ পৃষ্ঠাত চাওক*

## আলফাৰে যোগাযোগ ঃ এইবাৰ আৰক্ষী জোৱান আটক


**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ৫ আগষ্ট ঃ** সামাজিক মাধ্যমত নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা(স্বাধীন)ৰ সমৰ্থনত সামাজিক মাধ্যমত প'ষ্ট দি কে'বাজনো যুৱক-যুৱতী অসম আৰক্ষীৰ জালত পৰাৰ পাছত আলফাৰ শীৰ্ষ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৬° |
| দিল্লী | ৩১° | ২৭° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৪° | ১৯° |
| শ্বিলং | ২৪° | ১৮° |

*৫ আগষ্ট, ২০২২*

## চেঙা তেল



*বেয়া নাপাব, ৰাজনীতিহে! আগলৈ সময়-সুবিধা মতে আকৌ স্বাগতম জনোৱা হ'ব!*

■ দোৱা কৰক যাতে আল্লাই ই ডিৰ পৰা বচাই ৰাখে! ঃ আজমল

## ৰাজীৱ ভৱনক কটাক্ষ ঃ 'নিচে পাণ কী দোকান, ওপৰ গোৰী কা মকান'

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ আগষ্ট ঃ** 'ই ডিৰ কথা নাপাতিব। ভয় খাই আছো মই। সকলোৰে দোৱা কৰক যাতে আল্লাই যিকোনো জাতি-ধৰ্ম বা ৰাজনৈতিক দল সকলোকে ই ডিৰ পৰা বচাই ৰাখে।' ই ডি (প্ৰৱৰ্তক সঞ্চালকালয়) ক লৈ শংকাত ভুগি থকাৰ কথা আজি এইদৰে প্ৰকাশ কৰিলে এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলে। কেইদিনমান পূৰ্বে আজমলৰ ঘৰত ই ডিয়ে অভিযান চলোৱা বুলি প্ৰকাশিত বাতৰিক নাকচ কৰি *১০ পৃষ্ঠাত চাওক*



কাকপথাৰৰ অংগনৱাড়ী কেন্দ্ৰত অঘটন ■ অসুস্থ হৈ পৰা নটি শিশুক তিনিচুকীয়ালৈ প্ৰেৰণ

## গাখীৰ বুলি ভুলতে ফেনাইল খুৱালে শিশুক



**কাকপথাৰ, ৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। কণ কণ শিশুক গাখীৰৰ নামত ফেনাইল সদৃশ বিষাক্ত দ্ৰব্য মিহলাই খাদ্য খুওৱাৰ ঘটনাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কাকপথাৰৰ ন-মাইঠং গাঁৱৰ এটা অংগনৱাড়ী কেন্দ্ৰত সংঘটিত হৈছে এই ঘটনা। বিশ্ব স্তনপান সপ্তাহ উপলক্ষে কেন্দ্ৰটোৰ অভিভাৱকসকলক লৈ এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছতে কেন্দ্ৰটোৰ কণ কণ শিশুসকলৰ অভিভাৱিকাসকলে মিলিজুলি শিশুসকলৰ বাবে চুজি ৰান্ধে। খাদ্য ৰন্ধা কোঠাটোতে এটা গাখীৰৰ বটলৰ স'তে মজুত আছিল ফেনাইলসদৃশ এটা বিষাক্ত দ্ৰব্যৰ বটল। কেন্দ্ৰটোৰ অংগনৱাড়ী কৰ্মীগৰাকীয়ে জনোৱা মতে, ভুলবশতঃ গাখীৰৰ সলনি কোনো অভিভাৱিকাই শিশুসকলক খাবলৈ দিয়া চুজিত মিহলাই দিয়ে বিষাক্ত দ্ৰব্য। যাৰ ফলত তৎক্ষণাত অসুস্থ হৈ *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ আগষ্ট, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

## চৰকাৰ বিৰোধী প্ৰতিবাদৰ দিনটোতে তিতাবৰত কংগ্ৰেছ নেতা-কৰ্মীৰৰ বিজেপিত যোগদান

**তিতাবৰ, ৫ আগষ্ট ঃ** এসময়ত কংগ্ৰেছৰ দুৰ্গৰূপে ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ দৃষ্টিনিবদ্ধ হৈ থকা তিতাবৰত এতিয়া কংগ্ৰেছৰ ৰাহুদশা আৰম্ভ হৈছে। বিধানসভা নিৰ্বাচনত ২০০১ৰ পৰা বৰ্তমানলৈকে পাঁচটা কাৰ্যকাললৈকে দলটোৰ ভেটি অক্ষুণ্ণ আছিল। কিন্তু ক্ষমতাৰ বাঘজৰী অনন্ত কালৰ বাবে ধৰি ৰাখিব বিচৰা বিজেপি বিৰোধীশূন্য নীতিৰ ধুমুহাজাকে এতিয়া কোবাই গৈছে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে প্ৰতিনিধিত্ব কৰি যোৱা তিতাবৰক। যিজন তৰুণ গগৈয়ে নিজৰ ৰাজনৈতিক বিচক্ষণতাৰে প্ৰতিনিধিত্ব কৰি তিতাবৰক ৰাজ্য তথা দেশৰ ভিতৰতে অন্য সুকীয়া মাত্ৰা প্ৰদান কৰিছিল, সেই তৰুণ গগৈৰ গাৰ ছয় পৃষ্ঠাত চাওক

## ঢেকিয়াজুলিৰ ৰঙাগড়াত সপ্তম শ্ৰেণীৰ ছাত্ৰীক যৌন নিৰ্যাতন

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৫ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত সংঘটিত হ'ল জঘন্য কিশোৰী ধৰ্ষণ কাণ্ড। এই ঘটনা সংঘটিত হয় দুই নম্বৰ ৰঙাগড়াত। এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰীক গাঁৱৰে যুৱক এৰ্ছাদ আলীয়ে বিভিন্ন ভয়-ভাবুকিৰে নানান প্ৰলোভন দি নিজৰ ভাইবোৱাৰীয়েকৰ দ্বাৰা ঘৰত কাম কৰিবলৈ মতাই নি কেবাদিনো যৌন নিৰ্যাতন চলাহ ছয় পৃষ্ঠাত চাওক

## যোৰহাট দৃষ্টিহীন বিদ্যালয়ত শিক্ষাৰ্থীয়ে বিচৰা বাদ্যযন্ত্ৰ প্ৰদান মন্ত্ৰী হাজৰিকাৰ



**যোৰহাট, ৫ আগষ্ট ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই বুধবাৰে যোৰহাট দৃষ্টিহীন বিদ্যালয় পৰিদৰ্শন কৰাৰ পাছত আজি পুৱা পুনৰ বিদ্যালয়খনত উপস্থিত হয় আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিশ্ৰুতি দিয়া অনুসৰি বিভিন্ন বাদ্যযন্ত্ৰ আৰু আন সামগ্ৰী প্ৰদান কৰে। বুধবাৰে মন্ত্ৰীজনে বিদ্যালয়খন পৰিদৰ্শন কৰোতে একাংশ ছাত্ৰ-ছাত্ৰীয়ে খোল, তবলা, হাৰমনিয়াম, গিটাৰ, কী ব'ৰ্ড আদি বাদ্যযন্ত্ৰৰ অভাৱ থকাৰ কথা প্ৰকাশ কৰিছিল। মন্ত্ৰীজনে ব্যক্তিগত প্ৰচেষ্টাত শীঘ্ৰে এই সামগ্ৰীসমূহ প্ৰদান কৰিম বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছত প্ৰায় ২০ ঘণ্টাৰ ভিতৰতে সকলো বাদ্যযন্ত্ৰ আৰু আন প্ৰয়োজনীয় সামগ্ৰীসহ বিদ্যালয়খনৰ ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ লোক কল্যাণ দিৱসত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত

# গোপীনাথ বৰদলৈৰ দৃঢ়তাৰ বাবে অসম ৰক্ষা পৰিল

বিশেষ সংবাদদাতা

**নগাঁও, ৫ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে আজি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আধুনিক অসমৰ নিৰ্মাতা ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ সোঁৱৰণত লোক কল্যাণ দিৱস পালন কৰা হয়। এই উপলক্ষে নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয়, 'গোপীনাথ বৰদলৈকে ধৰি অসমৰ বহু কেইজন বিশিষ্ট ব্যক্তিয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। জাতিৰ পিতা মহাত্মা গান্ধীৰ সদিচ্ছা আৰু গোপীনাথ বৰদলৈৰ দৃঢ়তাৰ বাবেই অসম ৰক্ষা পৰিল। এইজন গোপীনাথ বৰদলৈক কংগ্ৰেছ চৰকাৰৰ দিনত স্বীকৃতি দিয়া হোৱা নাছিল। দেশে স্বাধীনতা লাভ কৰা ৫০ বছৰ পূব হোৱাৰ সময়ত অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গোপীনাথ বৰদলৈক ভাৰতৰত্ন প্ৰদান কৰিছিল। সেই সময়ৰ অসমৰ আঞ্চলিক দলৰ চৰকাৰে এই ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। কংগ্ৰেছ চৰকাৰৰ দিনত যেনেদৰে বৰদলৈক স্বীকৃতি দিব লাগিছিল, সেয়া নকৰিলে। হয়তো সেই সময়ত কেন্দ্ৰত থকা চৰকাৰে এয়া বিচৰা নাছিল। যিজন ব্যক্তিয়ে সৰ্বস্ব ত্যাগ কৰি দেশ-জাতিক ৰক্ষা কৰিলে, সেইজন ব্যক্তিক ৰাষ্ট্ৰই স্বীকৃতি দিবলৈ ৫০ বছৰ লাগিল।' গোপীনাথ বৰদলৈৰ বাবেই অসম ৰক্ষা পৰিল বুলি মন্তব্য কৰি মন্ত্ৰী মহন্তই আৰু কয়, 'লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অহোপুৰুষাৰ্থৰ ফলত আজি আমি মুকলি আকাশৰ তলত সমবেত হ'ব পাৰিছো। জয় আই অসম বুলি ক'ব পাৰিছো। ভাৰত মাতা কি জয় বুলি মুকলি মনেৰে ধ্বনি দিব পাৰিছো। বৰদলৈৰ বাবেই আমি স্বাধীনতা দিৱস উদ্‌যাপন কৰিব পাৰিছো। ১৯৪৬ৰ কেবিনেট মিছন অসমলৈ অহাৰ সময়ত মহাত্মা গান্ধীৰ সদিচ্ছা লাভ কৰি বৰদলৈয়ে দৃঢ়তাৰে অসমক ৰক্ষা কৰিলে। সেই গোপীনাথ বৰদলৈ অসমৰ জাতীয় পিতৃ। অসমীয়া জাতিৰ পিতৃ।' মহান দেশপ্ৰেমীক লোকপ্ৰিয় গোপীনাথ বৰদলৈক স্বীকৃতি দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা পদক্ষেপক প্ৰশংসা কৰি মন্ত্ৰীজনে কয়, 'বৰ্তমানৰ চৰকাৰৰ প্ৰথমখন কেবিনেট সভাত গোপীনাথ বৰদলৈক স্বীকৃতি ছয় পৃষ্ঠাত চাওক



### বৰমাত এবছু-বড়ো সাহিত্য সভাৰ সজাগতা সভা

## কেবিনেটৰ ২৮ জুলাইৰ সিদ্ধান্ত ৰাইজৰ ইচ্ছাৰ পৰিৱৰ্তে হ'ব ঃ সভাপতি বড়ো

**বৰমা, ৫ আগষ্ট ঃ** বৰমাত আজি নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ উদ্যোগত তৃতীয়- চতুৰ্থৰ পৰাই দ্বাদশ শ্ৰেণীলৈ গণিত আৰু বিজ্ঞান বিষয়টো ইংৰাজীত পঢ়ুওৱাৰ সিদ্ধান্ত আৰু বিটিআৰ চুক্তিৰ ৬.৩ দফা ৰূপায়ণৰ সন্দৰ্ভত এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োৱে যোৱা ১৭,২০,২২ আৰু ২৮ তাৰিখৰ কেবিনেটৰ যিটো সিদ্ধান্ত লোৱা হৈছিল সেয়া ছয় পৃষ্ঠাত চাওক



## বৰপেটা জিলাৰ চেঙাত মণ্ডলৰ আত্মহত্যা

বিশেষ সংবাদদাতা

**বৰপেটা, ৫ আগষ্ট ঃ** বৰপেটা জিলাৰ চেঙাত এগৰাকী লাট মণ্ডলে যোৱা নিশা আত্মহত্যা কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ লাট মণ্ডল তথা মণ্ডল কাননগো সত্যজিৎ বায়ন (৫৫)-এ এইদৰে আত্মহত্যা কৰাৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। নিজ ঘৰতে নিশা আত্মহত্যা কৰে লাট মণ্ডলজনে। আত্মহত্যা কৰা লাট মণ্ডল বায়নৰ ঘৰ নিজ চেঙা গাঁৱৰ বৰচেঙাপাৰাত। মৰণোত্তৰ পৰীক্ষাৰ বাবে তাৰাবাৰী আৰক্ষীয়ে বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ তেওঁৰ মৃতদেহ প্ৰেৰণ কৰা হয়। অৱশ্যে লাট মণ্ডলজনৰ আত্মহত্যাৰ কাৰণ এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

## ৰূপহী মহাবিদ্যালয়ত ভৰ্তি মাচুলৰ সেউজ প্ৰমাণপত্ৰৰ নামত অনিয়ম

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ৫ আগষ্ট ঃ** এইবাৰ ৰূপহী মহাবিদ্যালয় কতৃপক্ষৰ বিৰুদ্ধে ভৰ্তি মাছুলৰ সেউজ প্ৰমাণ পত্ৰৰ নামত ব্যাপক অনিয়ম আৰু খেলিমেলি সংঘটিত হোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। চলিত শৈক্ষিক বৰ্ষত মহাবিদ্যালয়খনত স্নাতক প্ৰথম, তৃতীয় ষান্মাসিকৰ পৰা আদি কৰি চলি থকা সকলো ধৰণৰ ভৰ্তিৰ ক্ষেত্ৰত সেউজ প্ৰমাণ পত্ৰ প্ৰদানৰ নামত মহাবিদ্যালয় কৰ্তৃপক্ষই ব্যাপক মইমতালিত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰতিজন নতুন ছাত্ৰ-ছাত্ৰীৰ পৰা ভৰ্তি মাছুল হিচাপে ৬৫০ টকাকৈ সংগ্ৰহ কৰিছে যদিও কেৱল চাৰিশ টকাৰহে প্ৰাপ্তি ৰছিদ প্ৰদান কৰি থকাৰ অভিযোগ উঠিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই সেউজ প্ৰমাণ পত্ৰ নামত দুশ টকাকৈ সংগ্ৰহ কৰিলেও প্ৰাপ্তি ৰছিদ প্ৰদান কৰাৰ পৰা ৰহস্যজনক ভাৱে বিৰত আছে। স্থানীয় সচেতন মহলে মহাবিদ্যালয় কৰ্তৃপক্ষৰ এনে মইমতালিক তীব্ৰ ভাষাৰে সমালোচনা কৰা পৰিলক্ষিত হৈছে। উচ্চ শিক্ষা প্ৰতিষ্ঠানত এনে কাৰ্য অব্যাহত থকা ঘটনাক ৰাইজে সহজভাৱে ল'ব পৰা নাই। উল্লেখ্য যে মহাবিদ্যালয়খনত বিগত দিনত সেউজ প্ৰমাণপত্ৰৰ ছয় পৃষ্ঠাত চাওক

## যোৰাবাটত জব্দ আঠোটাকৈ চোৰাং গৰু



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ৫ আগষ্ট ঃ** ৰাজ্যত অব্যাহত আছে চোৰাং গৰুৰ ৰমৰমীয়া বেহা। যোৱানিশা মাজবাট আৰক্ষীৰ অভিযানত পুনৰ জব্দ হ'ল আঠটাকৈ গোধনৰ লগতে সৰবৰাহত ব্যৱহাৰ কৰা এখন ডি আই বাহন। আৰক্ষীয়ে সদৰী কৰা মতে সৰবৰাহকাৰীয়ে এ এছ ০২ চি চি ৯৭৬৭ নম্বৰৰ ডি আই বাহনখনেৰে নগাঁও ৰূপহীৰ পৰা মেঘালয়লৈ বুলি গো-ধনসমূহ আনি আছিল। এই তথ্য লাভ কৰাৰ পাছতে যোৰাবাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত যোৱা ছয় পৃষ্ঠাত চাওক

## হোজাইত ড্ৰাগছ গাঞ্জাসহ আটক তিনি

অগ্ৰদূত বাৰ্তা

**হোজাই, ৫ আগষ্ট ঃ** হোজাইত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। একে দিনাই আৰক্ষীয়ে ড্ৰাগছ আৰু গাঞ্জাসহ তিনিজনক গ্ৰেপ্তাৰ কৰে। কালি হোজাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তপন মেধিয়ে এক বিশেষ সূত্ৰৰ পমখেদি হোজাই টেঙেৰিপাৰৰ পৰা ড্ৰাগছ সৰবৰাহ কৰা এখন টাটা নেন' গাড়ীসহ দুজনক আটক কৰে। আৰক্ষীয়ে নিজাম উদ্দীন আৰু নাচিৰ উদ্দীন নামৰ দুজন ড্ৰাগছ সেৱনকাৰিক আটক কৰি এনডিপিএছৰ অধীনত গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰে। উল্লেখ্য যে তেওঁলোকৰ পৰা ১২ টাকৈ ড্ৰাগছ ভৰ্তি কন্টেইনাৰ জব্দ কৰে। ইফালে, কালি সন্ধিয়া হোজাই ৰেল আৰক্ষীয়ে গাঞ্জাসহ এজনক আটক কৰে। সন্ধিয়া গুৱাহাটী অভিমুখী জন শতাব্দী ৰেলৰ পৰা জব্দ কৰে ১০ কিলোগ্ৰামকৈ গাঞ্জা। নিষিদ্ধ সামগ্ৰীখিনিৰ লগত হোজাই লংকাৰ সুভাষ নগৰ নিবাসী শংকৰ দে নামৰ লোকজনক আটক কৰে ৰেল আৰক্ষীয়ে। জব্দকৃত গাঞ্জাখিনিৰ বজাৰ মূল্য প্ৰায় এক লাখ টকাৰ মূল্যৰ।

## অন্তঃসত্ত্বা কিশোৰীৰ মৃত্যুক লৈ ডিমাকুছিত তীব্ৰ চাঞ্চল্য

### হাৰিয়ানাত বিক্ৰী কৰা কিশোৰীগৰাকী কিছুদিন পূৰ্বে উপস্থিত হৈছিল নিজ মাতৃগৃহত

অগ্ৰদূত বাৰ্তা

**টংলা, ৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ ডিমাকুছি থানাৰ অন্তৰ্গত ধৰমজুলি চাহ বাগিচাত এগৰাকী অন্তঃসত্ত্বা কিশোৰীৰ মৃত্যুক লৈ এতিয়া সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। উল্লেখ্য যে বিগত ছমাহ পূৰ্বে কিশোৰীগৰাকীক বামুণজুলিৰ দুই লম্পটে কাম দিয়াৰ প্ৰলোভনেৰে ঝাৰখণ্ডলৈ নি হাৰিয়ানাৰ এগৰাকী ব্যক্তিৰ হাতত বিক্ৰী কৰি দিছিল। বিক্ৰী কৰাৰ পাছতে কিশোৰীগৰাকী মালিক পক্ষৰ দ্বাৰা যৌন নিৰ্যাতনৰ বলি হয়। যাৰ ফলত কিশোৰীগৰাকী ছমাহৰ অন্তঃসত্ত্বা হৈছিল। মালিকৰ অত্যাচাৰত উপায়ান্তৰ হৈ কিশোৰীগৰাকীয়ে পলায়ন কৰি হাৰিয়ানাৰ এখন আৰক্ষী থানাত উপস্থিত হয়। তাৰ পৰাই আৰক্ষীৰ সহযোগত কিছুদিন পূৰ্বে ভুক্তভোগী কিশোৰীগৰাকী উপস্থিত হয় ডিমাকুছি বৰঙাজুলিৰ নিজ মাতৃগৃহত। মাতৃগৃহৰ পৰা ধৰমজুলি চাহ বাগিচাৰ আইতাকৰ ঘৰত আশ্ৰয় লয় কিশোৰীগৰাকীয়ে। আইতাকৰ ঘৰত কিছুদিন থকাৰ পাছত কিশোৰীগৰাকীয়ে তীব্ৰ পেটৰ বিষত ভোগাত পৰিয়ালে বৰঙাজুলি চাহ বাগিচা হাস্পতালত ভৰ্তি কৰাই যদিও ইয়াতে ৰহস্যজনকভাৱে মৃত্যু হয় কিশোৰীগৰাকীৰ। পাছত পৰিয়ালৰ লোকে কি কাৰণত আৰক্ষীক খবৰ নিদিয়াকৈ নিশাই কিশোৰীগৰাকীৰ মৃতদেহ সমাধিস্থ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি ছয় পৃষ্ঠাত চাওক

### বীৰ লাচিত সেনাৰ জোঁৰ সমদল

## আৰক্ষীৰ পৃষ্ঠপোষকতাত ডিগবৈত ড্ৰাগছৰ বেহা

**ডিগবৈ, ৫ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ ওচৰত হাৰ মানিলে তিনিচুকীয়া আৰক্ষীয়ে। যোৱা দুই আগষ্টত ডিগবৈ আঞ্চলিক বীৰ লাচিত সেনাই বাহিৰ কৰা ড্ৰাগছ বিৰোধী জোঁৰ সমদলত আৰক্ষীয়ে লাঠিচালনা কৰি দুজন নেতা ক্ৰমে বিপ্লৱ গগৈ আৰু উজ্জ্বল দিহিঙীয়াক গ্ৰেপ্তাৰৰ অন্তত কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল ।

কালি বীৰ লাচিত সেনাৰ ডিগবৈ আঞ্চলিকৰ কাৰ্যালয়ত শৃংখল চলিহাসহ কেন্দ্ৰীয় নেতৃবৰ্গই এখন সংবাদমেল সম্বোধন কৰি চৰকাৰক কঠোৰ সমালোচনা কৰি অসম বন্ধ কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ প্ৰদান কৰাৰ লগতে মাৰ্ঘেৰিটা মহকুমা আৰক্ষী বিষয়া হেমন্ত বড়ো আৰু তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে চৰকাৰ তথা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। সংবাদমেল সম্বোধন কৰাৰ মাত্ৰ দুঘন্টাৰ পাছতে অসম আৰক্ষীয়ে নটাকৈ ধাৰা ৰুজু কৰা আটকাধীন দুই নেতাক মুকলি কৰি দিয়ে। মুকলি হৈ আহিয়েই ডিগবৈ চহৰত উপস্থিত হৈ তিনিচুকীয়া জিলা সমিতিৰ যুটীয়া সচিব বিপ্লৱ গগৈয়ে ডিগবৈ পুলিচৰ বিৰুদ্ধে বিস্ফোৰক মন্তব্য আগবঢ়ায়। ডিগবৈত ডিগবৈ আৰক্ষীৰ পৃষ্ঠপোষকতাত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলিছে বুলি সজোৰে দাবী কৰে।

## বিশ্বনাথৰ শনি মন্দিৰত চুৰি কাণ্ড

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ আগষ্ট ঃ** বিশ্বনাথত পুনৰ ধৰ্মীয় অনুষ্ঠানত সংঘটিত হ'ল চুৰি কাণ্ড। চোৰে চাফাই অভিযান চলালে বিশ্বনাথৰ ফলফলিস্থিত শনি মন্দিৰত। আজি পুৱা পোহৰলৈ আহে এই ঘটনা। উল্লেখ্য যে যোৱা নিশা বিশ্বনাথৰ ফলফলিস্থিত শনি মন্দিৰৰ মূল মন্দিৰৰ তলা ভাঙিবলৈ চেষ্টা কৰে যদিও বিফল হয়। যাৰ বাবে চোৰে মন্দিৰৰ গুদাম ঘৰৰ পকাৰ ভেণ্টিলেচন ভাঙি লৈ যায় চিচি টিভিৰ মণিটৰৰ লগতে ডি ভি আৰ। ইতিমধ্যে বিশ্বনাথ চাৰিআলি আৰক্ষী থানাৰ আৰক্ষী দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। আনহাতে, চোৰে মন্দিৰত চুৰি কৰাৰ পূৰ্বে চাকি- বন্তিও জ্বলায়।

## হাজোত নৱ নিৰ্মাণৰত ফ'ৰলেনযুক্ত পথৰ ভূমিৰ জোখ-মাখক লৈ উত্তেজনা

অগ্ৰদূত বাৰ্তা

**হাজো, ৫ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত অভয়পুৰ-ভেলামাৰী দামপুৰ আমদলা হৈ জালুকবাৰী সমষ্টিৰ বংশৰলৈ নতুনকৈ নিৰ্মাণ আৰম্ভ কৰা ফ'ৰলেনযুক্ত ঘাই পথৰ ভূমি জোখ-মাপ কৰাক লৈ আজি আমডলাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। তথ্য মতে, কামৰূপৰ বংশৰৰ পৰা হাজোৰ আমদলাৰ মাজেৰে নিৰ্মাণ কৰি থকা ফ'ৰলেনযুক্ত ঘাইপথৰ জোখ-মাপৰ বাবে আজি হাজোৰ চক্ৰ বিষয়া স্নেহা ভৰালী, হাজো লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ এটা দল দামপুৰৰ আমডলাত উপস্থিত হয়। আমডলাৰ মাজেৰে ফ'ৰলেনযুক্ত পথ নিৰ্মাণৰ বাবে জোখ-মাপ লোৱাৰ সময়তে একাংশ ৰাইজে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। একাংশ ৰাইজৰ অভিযোগ অনুসৰি, বিভাগীয়ভাৱে ঘাইপথছোৱাৰ পশ্চিম দিশে থকা পাহাৰৰ নামনিত চৰকাৰী ভূমি থকাৰ থকাৰ পাছতো মূল পথৰ বিপৰীত দিশত থকা ভূমিহে জোখ-মাপ কৰিছে বিভাগীয় কৰ্তৃপক্ষই। ফলত অঞ্চলটোৰ কে'বাটাও পৰিয়ালৰ ঘৰ উচ্ছেদ হোৱাৰ আশাংকাই দেখা দিছে। ইয়াকে লৈ স্থানীয় ৰাইজ আৰু বিভাগীয় কৰ্তৃপক্ষৰ মাজত কথাৰ কটাকটি হয়। ইয়াৰ মাজতে এগৰাকী মহিলাই হুকহুকাই কান্দি কান্দি প্ৰয়োজন হ'লে চৰকাৰে আমাক জেলত ভৰাই থওক তথাপি আমাৰ ঘৰ ভাঙিবলৈ দিয়া নহ'ব বুলি বিভাগীয় বিষয়া-কৰ্মচাৰীৰ সন্মুখতে সজোৰে প্ৰকাশ কৰে। ইতিমধ্যে এই সন্দৰ্ভত স্থানীয় ৰাইজে কামৰূপ জিলাৰ উপায়ুক্তৰ লগতে হাজো ৰাজহ চক্ৰ বিষয়াক লিখিতভাৱে অৱগত কৰা বুলি প্ৰকাশ কৰিছে। আনহাতে, হাজো ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে সদৰী কৰা মতে, বিগত দুবছৰ ধৰি জোখ-মাপৰ বাবে ঘাইপথ নিৰ্মাণৰ কাম আগবাঢ়িব পৰা নাই। ঘাইপথ নিৰ্মাণৰ আঁসোৱাহ দূৰ কৰা আৰু ৰাইজৰ ওজৰ-আপত্তিৰ বাবে ৰাইজৰ লগত আলোচনা কৰা হ'ব বুলি তেওঁ সদৰী কৰে।।

## মৰিগাঁৱত সন্দেহযুক্ত বাংলাদেশীক আটক

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৫ আগষ্ট ঃ** মৰিগাঁৱত আজি এজন সন্দেহযুক্ত বাংলাদেশী নাগৰিকক আটক কৰা হয়। আৰক্ষীয়ে আটক কৰা লোকজনৰ নাম নুৰুজ জামান। তথ্য মতে সম্পূৰ্ণ বৈধ নথিৰ জৰিয়তে বাংলাদেশৰ পৰা অহা নুৰুজ জামান নামৰ লোকজন গৰু সৰবৰাহৰ লগত জড়িত থকা সন্দেহত আৰক্ষী গ্ৰেপ্তাৰ কৰে। বৰ্তমানে মৰিগাঁও সদৰ থানাত সোধপোছ অব্যাহত ৰখা বাংলাদেশী লোকজনে ব্যৱহাৰ কৰা এএছ-০২ এম-৮২৪৯ নম্বৰ এখন বাহনো আৰক্ষীয়ে আটক কৰে। আৰক্ষীয়ে বাংলাদেশী লোকজনক নিশা গৰৈমাৰীৰ পৰা আটক কৰে।

## ডিগবৈত ড্ৰাগছ বিৰোধী অভিযান ঃ কৰায়ত্ত সাতজনকৈ যুৱক

অগ্ৰদূত বাৰ্তা

**ডিগবৈ, ৫ আগষ্ট ঃ** ৰাজ্যত অসম আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি ৰাখিছে যদিও সামাজিকভাৱে নিষিদ্ধ বৰবিহ ড্ৰাগছৰ কবলৰ পৰা যেন উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী প্ৰশাসন। ক্ৰমান্বয়ে দিনক দিনে বৃদ্ধিপাবলৈ ধৰা ড্ৰাগছৰ কবলত পৰি এচাম যুৱ প্ৰজন্মই জীৱনলৈ কাল অমানিশা নমাই আনিছে। বিশেষকৈ তিনিচুকীয়া জিলা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত চহৰ-নগৰ, গাঁৱে-ভূঞে বৰবিহ ড্ৰাগছৰ অবাধ ৰমৰমীয়া বেহা মুকলিকৈ চলাই যোৱা পৰিলক্ষিতি হৈছে। ডিগবৈ আৰক্ষীৰ মৌন ভূমিকাত ড্ৰাগছৰ ব্যৱসায়ীয়ে নিৰ্বিকাৰে ৰমৰমীয়া ব্যৱসায় চলাই যাবলৈ সক্ষম হোৱা ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে সচেতন মহল আৰু গঞা ৰাইজে। কালি ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত লক্ষীপথাৰ মামৰমি গাঁওত মামৰণি যুৱক সংঘৰ উদ্যোগত, জাতীয় জনগোষ্ঠীয় দল-সংগঠন মামৰণিবাসী ৰাইজৰ সহযোগত মামৰমি গাঁৱকত ড্ৰাগছ বিৰোধী এক অভিযান চলায়। অভিযান মামৰণি গাঁওবাসীয়ে ছয় পৃষ্ঠাত চাওক

## বিহপুৰীয়াৰ বিশিষ্ট শিক্ষাবিদ ড° তৰুণ শৰ্মাৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৫ আগষ্ট ঃ** বিহপুৰীয়া নগৰৰ ন নম্বৰ ৱাৰ্ডস্থিত ব্ৰাহ্মণগাঁও নিবাসী বিশিষ্ট শিক্ষাবিদ, সংস্কৃত পণ্ডিত তথা সমাজকৰ্মী ড° তৰুণ শৰ্মাৰ আজি বিয়লি চেন্নাইৰ এপ'লো হাস্পতালত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটাত সমগ্ৰ বিহপুৰীয়াত শোকৰ ছাঁ পৰিছে। ধুবুৰীৰ কন্যা মহাবিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলা শৰ্মাই ১৯৭৩ত মাজুলী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপকৰূপে যোগদান কৰি ২০০৫ত অৱসৰ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত তেওঁ বিহপুৰীয়া স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি বিহপুৰীয়াৰ শৈক্ষিক ক্ষেত্ৰলৈ বৰঙণি আগবঢ়ায়। তদুপৰি তেওঁ চন্দ্ৰেশ্বৰ বৰুৱা স্মৃতি বিহপুৰীয়া জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমান পৰ্যন্ত পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বিহপুৰীয়াৰ পূব ডিক্ৰং মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা ড° তৰুণ শৰ্মা বিহপুৰীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। লখিমপুৰ ছয় পৃষ্ঠাত চাওক

### বিটিআৰ চুক্তি ৰূপায়ণ কৰিব নোৱাৰিলে ৰাইজে দ্বিতীয় সুযোগ নিদিব ঃ উৰ্খাও

## প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিকাশ আৰু উন্নয়ন সাধনেই ইউপিপিএলৰ প্ৰধান লক্ষ্য



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৫ আগষ্ট ঃ** কোকৰাঝাৰ সদৰ চহৰৰ সমীপৱৰ্তী চন্দ্ৰপাৰা এম ই স্কুল খেলপথাৰত কালিৰে পৰা উদ্‌যাপন কৰা হৈছে ইউনাইটেড পিপুলছ পাৰ্টী লিবাৰেল চমুকৈ ইউপিপিএলৰ সপ্তম প্ৰতিষ্ঠা দিৱস। কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা প্ৰতিষ্ঠা দিৱসৰ দ্বিতীয় তথা অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি, আজি দলৰ পতাকা উত্তোলন কৰে ইউপিপিএলৰ সভাপতি তথা বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। ইয়াৰ পাছতে ছহিদ বেদীত পুস্পাঞ্জলি অৰ্পণ কৰে ছয় পৃষ্ঠাত চাওক

## মুকলি আকাশৰ তললৈ উশ্বু খেলুৱৈ, বক্সাৰ প্ৰণীতা

অগ্ৰদূত বাৰ্তা

**সোণাৰি/মৰাণ, ৫ আগষ্ট ঃ** অৱশেষত মুকলি আকাশৰ তললৈ আহিল চৰাইদেউ জিলাৰ সম্ভাৱনাময় উশ্বু খেলুৱৈ, বক্সাৰ প্ৰণীতা চুতীয়া। উল্লেখ্য যে বিদ্ৰোহী সংগঠনলৈ যোৱাৰ মানসেৰে সামাজিক মাধ্যমত প'ষ্ট দিয়াৰ অপৰাধতে অসম আৰক্ষীয়ে প্ৰণীতাক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। বিগত প্ৰায় ডেৰ মাহকাল আইনী যুঁজৰ লগতে সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমযোগে ৰাজ্যজুৰি মুক্তিৰ দাবীত হোৱা প্ৰতিবাদৰ অন্ততঃ আজি জামিন লাভ কৰে প্ৰতিশ্ৰুতিসম্পন্ন খেলুৱৈগৰাকীয়ে। আজি খেলুৱৈগৰাকীক চৰাইদেউ জিলা সত্ৰ ন্যায়াধীশৰ আদালতে জামিন মঞ্জুৰ কৰে। ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ (বি)/১২১/১২১ (এ) আৰু ইউএ (পি) আইনৰ ধাৰা ১০/১৩/১৮ (বি)ৰ লগতে তথ্য প্ৰযুক্তি আইনৰ ধাৰা ৬৭১ অধীনত ৩৬/২০২২ নম্বৰত বিচাৰাধীন গোচৰৰ ভিত্তিত অধিবক্তা জাকিৰ হুছেইনৰ তত্ত্বাৱধানত চৰাইদেউ জিলা সত্ৰ ন্যায়াধীশ আবু চালেহ পৰ্তুজা লস্কৰ আদালতত ৰায়ৰ অন্তত আজি প্ৰণীতাৰ জামিনৰ পথ প্ৰশস্ত হয়। উল্লেখ্য যে মৰাণৰ প্ৰতিশ্ৰুতিসম্পন্ন বক্সিং, উশ্বু খেলুৱৈ প্ৰণীতা চুতীয়াই সামাজিক মাধ্যম ফেইচবুকৰ এটা প'ষ্টত 'আলফাৰ লিংক পালে মৰো যাম আলফাত, আই লাভ আলফা' বুলি এটা মন্তব্য কৰাৰ পাছত চৰাইদেউ আৰক্ষীয়ে ১৭ জুনত ঘৰৰ পৰাই আটক কৰি নিছিল ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত

গুৱাহাটী শনিবাৰ ২০ শাওণ ১৪২৯ ভাস্কৰাব্দ ৬ আগষ্ট ২০২২

# খোৱাপানীও যদি বিহ

কেন্দ্ৰৰ চৰকাৰে ৰাজ্যসভাত দাখিল কৰা তথ্য অনুসৰি, সম্প্ৰতি ভাৰতত অধিকাংশ নাগৰিকে পানীৰ নামত বিহহে পান কৰি আহিছে। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰণালয়ৰ তথ্যত উল্লেখ কৰা মতে, দেশৰ প্ৰতিখন ৰাজ্যৰে প্ৰায় সকলোবোৰ জিলাত ভূগৰ্ভৰ পানীত বিষাক্ত উপাদান লাভ কৰা হৈছে। চৰকাৰৰ তৰফৰ পৰা কোৱা হৈছে যে দেশৰ ২৫খন ৰাজ্যৰ ২০৯ খন জিলাত ভূগৰ্ভৰ পানীত প্ৰতি লিটাৰত ০.০১ মিলিগ্ৰামৰো অধিক আৰ্ছেনিক আছে। ২৯ ৰাজ্যৰ ৪৯১ খন জিলাৰ পানীত প্ৰতি লিটাৰত নিহিত থকা লোৰ পৰিমাণ হৈছে এক মিলিগ্ৰামৰো অধিক। আনহাতে, দেশৰ ১৬খন ৰাজ্যৰ ৬২ খন জিলাত ভূগৰ্ভৰ পানীত প্ৰতি লিটাৰত ০.০৫ মিলিগ্ৰামৰো অধিক কেডমিয়াম আছে। একেদৰে ১৮ ৰাজ্যৰ ১৫২খন জিলাৰ পানীত প্ৰতি লিটাৰত নিহিত হৈ আছে ০.০৩ মিলিগ্ৰামৰো অধিক ইউৰেনিয়াম। এই তথ্যৰ পৰাই বুজিব পাৰি ভূগৰ্ভৰ জল সম্প্ৰতি কিমান বিষাক্ত হ'বলৈ ধৰিছে। জলশক্তি মন্ত্ৰণালয়ে লগতে সদনত তথ্য দাখিল কৰি কৈছে যে দেশৰ ৮৪ শতাংশ লোকেই খোৱাপানীৰ বাবে ভুগৰ্ৰ পানীত নিৰ্ভৰ কৰে। ভূগৰ্ভৰ পানীত অধিক পৰিমাণত মানৱ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক উপাদান নিহিত থকাৰ ফলত দেশৰ সংখ্যাগৰিষ্ঠ নাগৰিকে সম্প্ৰতি পানীৰ নামত বিহ পান কৰিছে বুলি জলশক্তি মন্ত্ৰণালয়ে উচ্চ সদনত তথ্য দাখিল কৰিছে।

চৰকাৰী তথ্যত উল্লেখ কৰা মতে, বিষাক্ত পানী সেৱনৰ সমস্যাটোৱে চহৰ অঞ্চলতকৈ গ্ৰামাঞ্চলত অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। কিয়নো গ্ৰামাঞ্চলত খোৱাপানীৰ বাবে মানুহে টিউৱৱেল, কুঁৱা, নদী আৰু পুখুৰীৰ পানীতে নিৰ্ভৰ কৰে। তদুপৰি পানী শোধনৰ ব্যৱস্থা অৱলম্বন নকৰাৰ ফলতো গ্ৰামাঞ্চলৰ বাসিন্দাই সাধাৰণতে বিষাক্ত পানী পান কৰিব লগা হয়। খোৱাপানীৰ সন্দৰ্ভত কেন্দ্ৰই সদনত যি তথ্য সদৰী কৰিলে, সেয়া সঁচাকৈয়ে চিন্তনীয়। পিয়াহৰ তাড়নাত দেশবাসীয়ে এতিয়া অজানিতে বিষাক্ত পানী পান কৰিব লগা হৈছে। আমাৰ অসমৰো প্ৰায়বোৰ অঞ্চলৰ ভূগৰ্ভৰ পানী দূষিত হোৱাৰ তথ্য সময়ে সময়ে প্ৰকাশ পাই আহিছে। গুৱাহাটীৰ বহু অঞ্চলৰে ভূগৰ্ভৰ পানীত অত্যধিক পৰিমাণত লো, আৰ্ছেনিক, ইউৰেনিয়ামৰ দৰে মানৱ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক উপাদান নিহিত থকাৰ প্ৰমাণো ভূজল গৱেষণা বিভাগে নিশ্চিত কৰিছে; কিন্তু ৰাইজে উপায়হীন হৈ এনে বিহৰূপী পানীয়ে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। দৰাচলতে, চৰকাৰে নাগৰিকক বিশুদ্ধ খোৱাপানীৰ যোগান ধৰাত সামান্যও গুৰুত্ব নিদিয়াৰ ফলতে ৰাইজে বিষাক্ত ভূগৰ্ভৰ জল ব্যৱহাৰ কৰি আহিছে। সন্দেহ নাই যে দীৰ্ঘদিন ধৰি অত্যধিক লো, আৰ্ছেনিক, কেডমিয়াম, ইউৰেনিয়ামৰ দৰে ভয়াৱহ দ্ৰব্য মিহলি পানী পান কৰাৰ ফলত মানুহৰ মাজত নানা ধৰণৰ ৰোগ-ব্যাধিৰ প্ৰকোপ বৃদ্ধি পাবলৈ ধৰিছে। খোৱাপানী টুপিয়েই এতিয়া মানৱ স্বাস্থ্যৰ বাবে মূল বিপদৰ কাৰকত পৰিণত হৈছে।

খোৱাপানীৰ এই ভয়াৱহ সমস্যাটোৰ সমাধানত চৰকাৰে সৰ্বাধিক গুৰুত্ব দিয়াটো অতি জৰুৰী। জনসাধাৰণক নিৰ্মল খোৱাপানীৰ যোগান ধৰাটো প্ৰতিখন ৰাজ্যৰে চৰকাৰৰ এক দায়িত্ব; কিন্তু অসমলৈকে চালে দেখা যাব যে খোৱাপানীৰ যোগানত চৰকাৰে আজিকোপতি কোনো ইতিবাচক নিদৰ্শন দাঙি ধৰিবলৈ সফল নহ'ল। ৰাজ্যত নামত পানী যোগানৰ বিভাগ আৰু আঁচনি আছে যদিও বাস্তৱত ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান এক স্বপ্ন হৈয়ে আছে। গ্ৰামাঞ্চলৰ কথা বাদেই, গুৱাহাটী মহানগৰীতে আজিলৈকে সকলো অঞ্চলতে চৰকাৰে পানী যোগান ধৰিবলৈ সক্ষমতা অৰ্জন কৰিব নোৱাৰিলে। চৰকাৰী পানী যোগানৰ অভাৱত আৰু ভূগৰ্ভৰ পানী ব্যৱহাৰৰ উপযোগী নোহোৱাত মহানগৰবাসীয়ে পানী ক্ৰয় কৰি দৈনন্দিন জীৱন যাপন কৰিব লগা হৈছে। নদ-নদীৰে ভৰি থকা ৰাজ্য এখনত চৰকাৰে পানী শোধন কৰি জনসাধাৰণক সুলভ মূল্যত খোৱাপানীৰ যোগান ধৰিব নোৱৰাৰ কাৰণ কি? চৰকাৰী পানী যোগানৰ আঁচনিবোৰ ৰাজ্যত কিয় সদায় প্ৰহসনত পৰিণত হৈ আহিছে? কেন্দ্ৰীয় চৰকাৰে নিৰ্মল জল যোগানৰ নানা আঁচনি গ্ৰহণ কৰাৰ পাছতো কিয় দেশৰ ৮৪ শতাংশ নাগৰিকে পানীৰ নামত বিহ পান কৰিব লগা হৈছে? খোৱাপানীটুপিও যদি বিহ হয়, তেন্তে জনস্বাস্থ্যৰ বাবে ইয়াতকৈ ভয়াৱহ আন কি হ'ব পাৰে?

## খো লা ম ঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**'অগ্ৰদূত'** নামটো অৰ্থপূৰ্ণ আৰু সংবাদজগতৰ লগত থাপ খোৱা। নামটো যেনেকুৱা তাৰ কৰ্মৰাজিও তেনেকুৱা। 'অগ্ৰদূত' সম্পৰ্কে ধাৰণা কৰাৰ পূৰ্বে এজন ব্যক্তিৰ প্ৰতিচ্ছবি ভাঁহি উঠে, যিজন ব্যক্তিৰ সৃজনশীলতা, মনোভাৱ, কৰ্মদক্ষতা, অদম্য সাহস, দেশ, জাতি আৰু দহৰ মংগলৰ বাবে কিবা কৰাৰ চিন্তা আৰু অশেষ ত্যাগ আৰু কষ্টৰ ফলস্বৰূপে 'অগ্ৰদূত' নামৰ বাতৰি কাকতখনৰ জন্ম হয় ১৯৭১ত। সেইজন ব্যক্তি হ'ল অসমৰ জনসাধাৰণৰ পৰিচিত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, 'অগ্ৰদূত'ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু বৰ্তমান 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সম্পাদক কনকসেন ডেকা। তেওঁৰ ব্যক্তিত্ব, নিৰপেক্ষতা, গুৰু গম্ভীৰ বচন, জ্ঞানৰ গভীৰতা আৰু মধুৰ বচনে মোৰ হৃদয়ত এক মচিব নোৱাৰা সাঁচ বহুৱাইছে।

এখন বাতৰি কাকত প্ৰকাশৰ যোগ্য কৰি তুলিবলৈ শকত মূলধন আৰু লগতে অদম্য সাহসৰ প্ৰয়োজন। ডেকাই সাহস আৰু ধৈৰ্য সহকাৰে নানা ঘাত-প্ৰতিঘাত, বাধা-বিঘিনি, নেওচি 'অগ্ৰদূত'ক আজিৰ অৱস্থাত উপনীত কৰাইছে।

**জ্যোতিষ চন্দ্ৰ দত্ত,** লেখক

'অগ্ৰদূত'ৰ বৰ্তমান বয়স ৫২ বছৰ। এই সময়ছোৱাৰ ভিতৰত এপদ এপদকৈ অলংকাৰ পিন্ধাই নতুন সাজেৰে 'দৈনিক অগ্ৰদূত' ৰাইজলৈ আগবঢ়াই সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই যাত্ৰাত সহায়ৰ হাত আগবঢ়াইছে লেখক-লেখিকা আৰু তেওঁক ভালপোৱা শুভাকাংক্ষীসকলৰ লগতে তেওঁৰ সহধৰ্মিনী আৰু পৰিয়ালৰ সদস্যসকলে।

এখন বাতৰি কাকতৰ জনপ্ৰিয়তা নিৰ্ভৰ কৰে গুণগত বাতৰি পৰিৱেশনৰ মানৰ ওপৰত। অতিৰঞ্জিত, পক্ষপাতিত্বমূলক, আক্ৰমণাত্মক, অসত্য বাতৰি পৰিৱেশনে কাকতৰ মৰ্যাদা হানি কৰে। 'অগ্ৰদূত'ৰ সাংবাদিকসকল এই সংক্ৰান্তত সদায় সচেতন। 'অগ্ৰদূত'-এ সদায় নিৰপেক্ষ, দেশৰ আৰু দহৰ হিত চিন্তা কৰি সত্যনিষ্ঠ বাতৰি পৰিৱেশনত গুৰুত্ব দি আহিছে। আশা কৰিছো ভৱিষ্যতেও এই কথা মনত ৰাখি সত্যনিষ্ঠ বাতৰি পৰিৱেশন কৰি 'অগ্ৰদূত'ৰ মৰ্যাদা অটুট ৰাখিব। 'অগ্ৰদূত'ৰ আটাইতকৈ প্ৰশংসনীয় পদক্ষেপ হ'ল বাতৰি পৰিৱেশনত মাৰ্জিত শব্দৰ সংযোজন।

'দৈনিক অগ্ৰদূত'ৰ 'খোলামঞ্চ' শিতানৰ সংযোজন এক সঠিক আৰু ফলপ্ৰসূ সিদ্ধান্ত। এই শিতানৰ জৰিয়তে নতুন নতুন লেখক-লেখিকা সৃষ্টি কৰাৰ উপৰি নতুন প্ৰজন্মৰ মনোভাৱ জানিবৰ বাবে চেষ্টা অব্যাহত ৰখা হৈছে। ইতিমধ্যে 'খোলা মঞ্চ' শিতানটো জনপ্ৰিয় হৈ উঠিছে। 'জীৱন জিজ্ঞাসা' শিতানৰ জৰিয়তে বিভিন্ন তত্ত্বগধুৰ সমস্যা দাঙি ধৰি, সেই সমস্যাৰাজি সমাধানৰ পথ দেখুৱাই উন্নয়ন আৰু প্ৰগতিৰ প্ৰচেষ্টা হাতত লৈছে। মুঠৰ ওপৰত পঢ়ুৱৈৰ ৰুচি অনুযায়ী গল্প, প্ৰবন্ধ, কবিতা, আধ্যাত্মিক চিন্তা, ৰসিকতা, খেলৰ বাতৰি আদি নৱ ৰসেৰে পৰিপূৰ্ণ বাতৰি কাকত 'অগ্ৰদূত'। এইবোৰ কাৰণতে দিনে দিনে 'দৈনিক অগ্ৰদূত'ৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাইছে। এনেকৈ থাকিলে অসমৰ প্ৰতিঘৰ মানুহৰ ঘৰত অগ্ৰদূতে শোভাবৰ্দ্ধন কৰিব।

'দৈনিক অগ্ৰদূত'ৰ ভৱিষ্যৎ উজ্বল বুলি মই অনুভৱ কৰিছোঁ। বৰ্তমানৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ লিখনিত তাৰ আভাষ পোৱা গৈছে। যিসমূহ লিখনি ইতিমধ্যে প্ৰকাশ পাইছে, সেই লিখনিসমূহে জনসাধাৰণক আকৰ্ষণ কৰিছে। 'দৈনিক অগ্ৰদূত'ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

*ফোন : ৯৮৫৪০৪১৮০৫*

# ভ্ৰষ্টাচাৰৰ পাহাৰত এখুন্দা

# প্ৰৱৰ্তক সঞ্চালকালয়ৰ অপৰিসীম ক্ষমতা


**ক'লাধন উদ্ধাৰ কৰাৰ উদ্দেশ্যৰে ২০০২ত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'পিএমএলএ' নামৰ এই কঠোৰ আইনখনৰ সংশোধন ঘটাইছিল মোদী চৰকাৰে; কিন্তু উক্ত সংশোধনী অসাংবিধানিক বুলি ন্যায়ালয়ে ঘোষণা কৰিছিল; পাছত চৰকাৰে আইনখন সকলো শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতে সমদৃষ্টিৰে প্ৰয়োগ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছত ২০১৮ৰ পৰা আইনখন সমগ্ৰ দেশতে বলৱৎ হৈ আছে**

দেশৰ কে'বাখনো ৰাজ্যত ভ্ৰষ্টাচাৰী তথা লুণ্ঠনকাৰী নেতাৰ বিৰুদ্ধে প্ৰৱৰ্তক সঞ্চালকালয়ে (Enforcement Directorate) তীব্ৰ অভিযান চলাই থকাৰ সময়তে সৰ্বোচ্চ ন্যায়ালয়ে লুণ্ঠনকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ আৱশ্যকতা দোহাৰিলে। তিনিজনীয়া খণ্ডপীঠে মন্তব্য কৰিছে, ধন-সম্পত্তিৰ লুণ্ঠন এটা ঘৃণনীয় অপৰাধ আৰু ই সন্ত্ৰাসবাদতকৈও বেছি মাৰাত্মক। সেয়েহে 'ধন-সম্পত্তি লুণ্ঠন-প্ৰতিৰোধী' (PMLA) আইনৰ আধাৰত তদন্ত চলাই থকা 'ED'-এ স্বতন্ত্ৰ ক্ষমতা লাভ কৰা উচিত।

ভাৰতীয় ন্যায়পালিকাৰ ইতিহাসত ৰায়টো যুগান্তকাৰী বুলি বিবেচিত হৈছে। কাৰণ এতিয়া এগৰাকী লোকক কোনটো গোচৰত অভিযুক্ত কৰা হৈছে বা কি অপৰাধ সংঘটিত কৰাৰ বাবে তেওঁৰ সম্পত্তি বাজেয়াপ্ত কৰা হ'ল, সেই বিষয়ে তদন্তকাৰী সংস্থাটোৱে আগতীয়াকৈ নজনালেও হ'ব। দুৰ্নীতি আৰু আন অপৰাধ সংঘটিত কৰি যে তেওঁ সা-সম্পত্তিৰ পাহাৰ গঢ়ি তোলা নাই, সেইটো প্ৰমাণ কৰাৰ দায়বদ্ধতা অভিযুক্তৰ। তদুপৰি 'ED'-এ গ্ৰেপ্তাৰ কৰা অভিযুক্তই চৰকাৰী উকীলৰ সন্মতি অবিহনে জামিন পাব নোৱাৰে।

উল্লেখযোগ্য যে ক'লাধন উদ্ধাৰ কৰাৰ উদ্দেশ্যৰে ২০০২ত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'PMLA' নামৰ এই কঠোৰ আইনখনৰ সংশোধন ঘটাইছিল মোদী চৰকাৰে; কিন্তু উক্ত সংশোধনী অসাংবিধানিক বুলি ন্যায়ালয়ে ঘোষণা কৰিছিল; পাছত চৰকাৰে আইনখন সকলো শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতে সমদৃষ্টিৰে প্ৰয়োগ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছত ২০১৮ৰ পৰা আইনখন সমগ্ৰ দেশতে বলৱৎ হৈ আছে। এতিয়া ২০২২ৰ ২৭ জুলাইৰ ৰায়টোৰে প্ৰৱৰ্তক সঞ্চালকালয়ক অপৰিসীম ক্ষমতা দিয়াৰ পাছত লুণ্ঠনকাৰীৰ সম্পত্তি বাজেয়াপ্ত কৰাটো সহজসাধ্য হৈ পৰিল। এতিয়ালৈকে এই আইনৰ আধাৰত মুঠতে ৬৪,০০০ কোটি টকাৰ সা-সম্পত্তি জব্দ কৰা হৈছে। সম্পত্তিৰ উৎস সম্পৰ্কে সঠিক তথ্য দিব নোৱাৰিলে জব্দ হোৱা সম্পত্তি অভিযুক্তই ঘূৰাই পাব নোৱাৰে। দৰাচলতে আইনখন ভ্ৰষ্টাচাৰৰ পাহাৰত এটা প্ৰচণ্ড আঘাত।

পিছে ন্যায়পালিকাৰ কঠোৰ দৃষ্টিভংগীয়ে বিৰোধী পক্ষক বাৰুকৈয়ে অসন্তুষ্ট কৰি তুলিছে। তাৰ কাৰণ হ'ল, শাসনত থকাৰ সুযোগ লৈ একাংশ বিৰোধী নেতাই কোৰোণাৰে ধন চপাই সম্পত্তিৰ পাহাৰ গঢ়ি তুলিছিল। এতিয়া তেওঁলোক প্ৰৱৰ্তক সঞ্চালকালয়ৰ তদন্তৰ সন্মুখীন হৈ চকুৰে ধোঁৱা-কোৱা দেখিছে। উদাহৰণ স্বৰূপে আম আদমী পাৰ্টিৰ নেতা তথা অৰবিন্দ কেজৰিৱালৰ ঘনিষ্ঠ নেতা সত্যেন্দ্ৰ জৈনে তেওঁ লাভ কৰা কোটি কোটি টকাৰ উৎস সম্পৰ্কে জনাব পৰা নাই। তেওঁ এতিয়া কাৰাগাৰত। আকৌ মহাৰাষ্ট্ৰৰ দুজন ভূতপূৰ্ব মন্ত্ৰী ক্ৰমে নবাব মালিক আৰু অনিল দেশমুখ পূৰ্বৰে পৰা জেলত আছে। এতিয়া উদ্ধৱ থাকৰেৰ



**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

অতি ঘনিষ্ঠ নেতা তথা ৰাজ্যসভাৰ সদস্য সঞ্জয় ৰাউটো জেলত সোমাল। তিনিওগৰাকীৰ বিৰুদ্ধে একেটা অভিযোগ, তেওঁলোকে ক্ষমতাৰ অপপ্ৰয়োগ কৰি অবৈধ লেনদেনৰ জৰিয়তে বিপুল ধন-সম্পত্তি আহৰণ কৰিছে।

পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছ চৰকাৰৰ কেবিনেট মন্ত্ৰী আছিল পাৰ্থ চেটাৰ্জী; কিন্তু অলপতে পাৰ্থ আৰু তেওঁৰ বান্ধৱীৰ নামত থকা এডজনতকৈও অধিক ফ্লেটৰ সন্ধান লাভ কৰিছে 'ই-ডি'য়ে। প্ৰতিটো ফ্লেটতে উদ্ধাৰ হৈছে কোটি কোটি টকা, সোণৰ গহনা আৰু বেংকৰ জমা ৰছিদ। পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ জৰিয়তে তেওঁলোকে বিপুল ধন-সম্পত্তিৰ মালিক হৈ পৰিছিল। তাৎপৰ্যপূৰ্ণ যে 'ই ডি'ৰ অভিযান এতিয়াও চলি থকা অৱস্থাতে কাৰাগাৰৰ ভিতৰৰ পৰাই পাৰ্থ চেটাৰ্জীয়ে মন্তব্য দিছে, 'ই ডি'- এ উদ্ধাৰ কৰা ধন-সম্পত্তিৰ প্ৰকৃত গৰাকী হেনো তেওঁ নহয়।

একাংশ সমালোচকে ক'বলৈ লৈছে— এতিয়া দেখোন আইনৰ শাসন বুলিবলৈ একোৱেই নাই; আনকি আদালতৰো হস্তক্ষেপ কৰাৰ অৱকাশ নাইকিয়া হ'ল। প্ৰৱৰ্তক সঞ্চালকালয়ে নিজ ইচ্ছামতে চলাই গৈছে সা-সম্পত্তি জব্দ কৰাৰ অভিযান। একাংশ বিৰোধী নেতায়ো প্ৰৱৰ্তক সঞ্চালকালয়ক 'মোদী চৰকাৰৰ আজ্ঞাৱহ এজেন্ট' বুলি ক'বলৈ সংকোচ কৰা নাই। ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীক 'নেছনেল হেৰাল্ড' কেলেংকাৰিত জড়িত থকাৰ অভিযোগত 'ই ডি'-এ মাৰাথন জেৰা কৰাৰ প্ৰতিবাদত কংগ্ৰেছ কৰ্মীয়ে অ'ত-ত'ত পুলিচৰ ওপৰত শিলাবৰ্ষণ কৰি ক্ষোভ প্ৰকাশ কৰিছে, সেয়া হেনো সত্যাগ্ৰহ।

সি যিয়েই নহওক, ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীৰ বিৰুদ্ধে ৰাজহুৱা সম্পত্তিৰ লুণ্ঠন আৰু অনামী উৎসৰ পৰা পুঁজি সংগ্ৰহৰ অভিযোগে সুকীয়া তাৎপৰ্য বহন কৰিছে। প্ৰকৃততে দুবছৰমান পূৰ্বে ভাজপা নেতা সুব্ৰমণিয়ন স্বামীয়েহে গোচৰটোৰ পঞ্জীয়ন কৰিছিল। অভিযোগ কৰা হৈছিল, নেছনেল হেৰাল্ড সংবাদপত্ৰৰ প্ৰকাশক 'এছ'ছিয়েটেড জাৰ্ণাল লিমিটেড' প্ৰতিষ্ঠানৰ মালিকীস্বত্ব ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ দ্বাৰা নিয়ন্ত্ৰিত 'ইয়ং ইণ্ডিয়া লিমিটেড'লৈ হস্তান্তৰিত কৰা হৈছে আৰু এই অবৈধ কাৰ্যকলাপত বিপুল পৰিমাণৰ ক'লা ধনৰ লেনদেন সম্পন্ন হৈছে। এই সন্দৰ্ভত অভিযোগৰ যথাৰ্থতা স্বীকাৰ কৰি আদালতে ৰাহুল গান্ধী আৰু ছোনিয়াক গ্ৰেপ্তাৰ কৰিবলৈ আদেশো দিছিল। দিল্লী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰা বাবেহে ইমানদিনে তেওঁলোক মুকলি আকাশৰ তলত চলা-ফুৰা কৰি থাকিব পাৰিছে; কিন্তু 'ই ডি'ৰ শেহতীয়া জেৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে।

উল্লেখযোগ্য যে প্ৰৱৰ্তক সঞ্চালকালয়ে বিগত মাহটোত ৰাহুল গান্ধীক মুঠতে ৫৫ ঘণ্টা আৰু ছোনিয়া গান্ধীক ১১ ঘণ্টা জেৰা কৰিছে। এতিয়া আকৌ জেৰাৰ সন্মুখীন হৈছে ৰাজ্যসভাৰ বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গে। প্ৰশ্নটো হ'ল, এটা ৰাজহুৱা প্ৰতিষ্ঠানৰ সম্পত্তি ব্যক্তিগত মালিকানাৰ সম্পত্তিলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়াত ক'ত, কেনেদৰে আৰু কিমান টকাৰ লেনদেন হৈছিল? ইতিমধ্যে 'হেৰাল্ড হাউছ'ত সাময়িকভাৱে তলা লগোৱা হৈছে আৰু ৰাজধানীৰ দহ স্থানত 'ই ডি'-এ তালাচী অভিযান চলাইছে। আশা কৰা হৈছে, সোনকালেই এই সন্দৰ্ভত অভিযোগনামা দাখিল কৰা হ'ব।



'আনকি যুদ্ধক্ষেত্ৰতো মহিলা, অসুখীয়া আৰু বয়সস্থ লোকৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰা হয়; তেনেস্থলত ভাৰত চৰকাৰৰ সংস্থা এটাই ছোনিয়া গান্ধীৰ ওপৰত অহৰহ মানসিক তথা শাৰীৰিক চাপৰ সৃষ্টি কৰি মানৱতাবিৰোধী ভূমিকাৰ পৰিচয় দিছে।' এই অভিযোগ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গোলম নবী আজাদৰ। পিছে ড° সুব্ৰমণিয়াম স্বামীয়ে দাবী কৰিছে, গান্ধী পৰিয়ালৰ দুয়োগৰাকী সদস্যক কাৰাদণ্ডিত হোৱাৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে। কাৰণ তেওঁলোকে সম্পত্তি আহৰণ কৰাৰ স্বাৰ্থত অবৈধ ধনৰ লেনদেনত লিপ্ত হোৱাই নহয়; আয়কৰ অধিনিয়মৰো উলংঘা কৰিছিল।

এইটো সঁচা যে নেহৰু-গান্ধী পৰিয়ালৰ দুৰ্নীতিৰ বিষয়টো নতুন কথা নহয়। ১৯৪৮ৰ প্ৰতিৰক্ষা বিভাগৰ জীপ ক্ৰয় কেলেংকাৰিত প্ৰত্যক্ষভাৱে লিপ্ত হোৱা কৃষ্ণ মেনন আছিল নেহৰুৰ ঘনিষ্ঠ বন্ধু। কেলেংকাৰিটোৰ মুখ্য নায়ক কৃষ্ণ মেনন বুলি সংসদীয় তদন্ত সমিতিয়ে জগৰীয়া কৰা সত্বেও প্ৰধানমন্ত্ৰী নেহৰুৱে তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাটো দূৰৰ কথা, প্ৰতিৰক্ষামন্ত্ৰীৰূপে পুৰস্কৃতহে কৰিছিল। পাছত ইন্দিৰা গান্ধীও অজস্ৰ দুৰ্নীতিত লিপ্ত হৈ পৰিছিল। জৰ্জ ফাৰ্নাণ্ডেজে সদনত তেওঁলৈ আঙুলি টোঁৱাই কৈছিল— 'মহোদয়া, আপুনিয়েই দুৰ্নীতিৰ সম্ৰাজ্ঞী।' উল্লেখযোগ্য যে লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বত গঢ়ি উঠা 'সৰ্বাত্মক বিপ্লৱ' জনজাগৰণৰ পটভূমিও আছিল ইন্দিৰা গান্ধীৰ আমোলত সংঘটিত দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ক্ষোভ।

ৰাজীৱ গান্ধীৰ ছত্ৰছায়াত সংঘটিত 'বফৰ্ছ বৰটোপ ক্ৰয়' কেলেংকাৰিত জড়িত আছিল অট্টাভিঅ' কোৱাট্ৰেছী নামৰ ছোনিয়া গান্ধীৰ বিশিষ্ট বন্ধুজন। তেওঁৰ বিৰুদ্ধে চি বি আয়ে অভিযোগনামা দাখিল কৰাৰ লগে লগে চৰকাৰৰ সহযোগত কোৱাট্ৰেছী পলাই যায়। তাৎপৰ্যপূৰ্ণ যে ছোনিয়া গান্ধীয়ে কোৱাট্ৰেছীক বফৰ্ছৰ বিৰুদ্ধেহে গোচৰ তৰিবলৈ পৰামৰ্শ দিছিল। বফৰ্ছ কেলেংকাৰিয়ে ৰাজীৱ-ছোনিয়াৰ ভাৱমূৰ্তিত কালিমা সানিছিল; পৰৱৰ্তী কালতো সেই কলংক মচ খোৱা নাই।

ছোনিয়া গান্ধীৰ অধ্যক্ষতাত পৰিচালিত ইউ পি এ চৰকাৰৰ কাৰ্যকালতেই সংঘটিত হৈছে দেশৰ সৰ্বাধিক সংখ্যক লুণ্ঠন-কাণ্ড। স্পেক্ট্ৰাম কেলেংকাৰি, কমনৱেলথ্ গেমছ কেলেংকাৰি, কয়লা কেলেংকাৰি আদিকে ধৰি বিয়াগোম বিয়াগোম ভ্ৰষ্টাচাৰৰ গোচৰত ভালেসংখ্যক লুণ্ঠনকাৰী কাৰাদণ্ডিত হৈছে; কিন্তু কোনো ক্ষেত্ৰতে 'ই ডি'-এ সম্পত্তি বাজেয়াপ্ত কৰিব পৰা নাছিল। তাৰ বিপৰীতে 'PMLA' আইনখন কঠোৰ ৰূপত সংশোধিত হোৱাৰ ফলস্বৰূপে নীৰৱ মোদী, বিজয় মালিয়া আদিৰ দৰে লুণ্ঠনকাৰীৰ সমস্ত ধন-সম্পত্তি 'ই ডি'-এ বাজেয়াপ্ত কৰিব পাৰিছে।

এইটো সঁচা যে দুৰ্নীতিবিৰোধী আইনৰ আধাৰতে লালুপ্ৰসাদ, জয়ললিতা, ওম প্ৰকাশ চৌতালা, সুখৰাম আদিৰ দৰে অনেক ভ্ৰষ্টাচাৰী নেতাই কাৰাবাস খাটিছে; কিন্তু সেইটোৱেই যথেষ্ট নহয়। সাম্প্ৰতিক কালত লুণ্ঠিত ধন-সম্পত্তি উদ্ধাৰ কৰিবলৈ লাগে এখন কঠোৰ আইন আৰু তাৰ বাবে তদন্তকাৰী সংস্থা ই ডিক অপৰিসীম ক্ষমতা প্ৰদান আৱশ্যকীয়। বিৰোধী শিবিৰে 'PMLA' আইনখন চৰকাৰে ৰাজনৈতিক প্ৰতিপক্ষৰ বিৰুদ্ধে প্ৰয়োগ কৰা বুলি অপপ্ৰচাৰ চলাই থাকিলেও এইটো লুকাই থকা নাই যে প্ৰৱৰ্তক সঞ্চালকালয়ে শতাধিক উচ্চ পদবীধাৰী চৰকাৰী বিষয়া আৰু অনেক ব্যৱসায়ীৰ অবৈধ ধন-সম্পত্তি বাজেয়াপ্ত কৰিবলৈ সক্ষম হৈছে এইখন আইনৰ বলতে।

প্ৰৱৰ্তক সঞ্চালকালয়ে লুণ্ঠনকাৰীক সোধা সৰল প্ৰশ্নটো হ'ল— তুমি ইমান ধন-সম্পত্তি ক'ৰ পৰা, কি উপায়েৰে গোটাব পাৰিলা কোৱা; যদি বিশাল সা-সম্পত্তি ক'ৰ পৰা আহিল তুমি নাজানাই, তেনেহ'লে সদ্যহতে তুমি কাৰাগাৰত থাকা আৰু সা-সম্পত্তিও থাকক চৰকাৰৰ হাতত। এই প্ৰশ্নৰ ন্যায্যতা সৰ্বোচ্চ ন্যায়ালয়ে স্বীকাৰ কৰিছে। পিছে লুণ্ঠনকাৰীৰ প্ৰতিনিধিসকল এই স্থিতিৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে; আনকি সদনতো তাৰ বিৰুদ্ধাচাৰণ কৰিছে কংগ্ৰেছ, আম আদমী পাৰ্টি আৰু তৃণমূল কংগ্ৰেছ দলে।

বুধবাৰে (তিনি আগষ্ট) সোতৰটা দলৰ যুটীয়া বিবৃতিত কোৱা হৈছে— 'সৰ্বোচ্চ ন্যায়ালয়ৰ ২৭ জুলাই তাৰিখৰ ৰায়টোৱে আমাৰ মনত 'PMLA' আইনখনৰ দীৰ্ঘকালীন প্ৰতিক্ৰিয়া সন্দৰ্ভত গভীৰ শংকাৰ সৃষ্টি কৰিছে। ৰায়টোৱে চৰকাৰক বিৰোধীৰ বিপক্ষে দমনমূলক নীতি গ্ৰহণ কৰাত উদগনি দিব। আমি আশা কৰো, ব্যৱস্থাটো দীঘলীয়া কালৰ বাবে প্ৰযোজ্য নহ'ব আৰু সোনকালেই সাংবিধানিক অধিকাৰসমূহ পুনৰস্থাপিত হ'ব।'

নক'লেও হয় যে প্ৰস্তাৱটোৰ উদ্যোক্তা অৰবিন্দ কেজৰিৱাল, মমতা বেনাৰ্জী আৰু মাল্লিকাৰ্জুন খাৰ্গে। তেওঁলোক চিন্তিত হোৱাৰে কথা। কাৰণ সত্যেন্দ্ৰ জৈন, পাৰ্থ চেটাৰ্জী আৰু গান্ধী পৰিয়ালৰ ছোনিয়া আৰু ৰাহুলক 'ই ডি'ৰ কবলৰ পৰা মুক্ত কৰাটো এটা কঠিন প্ৰত্যাহ্বান। পিছে তেওঁলোকৰ বিবৃতিটোত সৰ্বোচ্চ ন্যায়ালয়ে নাগৰিকৰ সাংবিধানিক অধিকাৰ উলংঘা কৰি ৰায় দিয়া বুলি ইংগিত দিয়াটোহে হাস্যস্পদ হৈছে। প্ৰকৃততে সৰ্বোচ্চ ন্যায়ালয়েই সংবিধানৰ সংৰক্ষক আৰু হাৱালাৰ ধনেৰে সা-সম্পত্তিৰ পাহাৰ গঢ়ি তোলাটোও নাগৰিকৰ সাংবিধানিক অধিকাৰ নহয়। *ফোন : ৯৪৩৫৫-৫৪২০৫*

**অসমৰ** চৰকাৰী বিদ্যালয়সমূহত চৰকাৰে গণিত আৰু বিজ্ঞান বিভাগটো ইংৰাজী ভাষাৰে শিকাবলৈ লোৱা সিদ্ধান্তত কিছু দল আৰু ছাত্ৰ সংগঠনসমূহে জাঙুৰ খাই উঠিছে আৰু ইয়াৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰো দিছে। অৱশ্যে অসমত 'তীব্ৰ আন্দোলনৰ হুংকাৰ' বোলা বাক্যষাৰে চাৰি দশক পাৰ কৰিলে যদিও অসমবাসীয়ে এই বাক্যটোৰ পৰা কিবা সুফল পোৱাৰ কথা মনত নপৰে। সেয়া হ'লেও এই বাক্যটোৰ ক্ষমতাও নথকা নহয়। কাৰণ এই বাক্যটোক অনুসৰণ কৰি চলিবলৈ শিকিলে ভৱিষ্যতে নেতা, মন্ত্ৰী হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰি।

যি নহওক উক্ত সংগঠনসমূহে চৰকাৰী সিদ্ধান্তৰ যি বিৰোধিতা কৰিছে সেয়া আমিও সমৰ্থন কৰো। কাৰণ অসমীয়া ভাষাটোৰ পৰিচয়ৰে আমি অসমীয়া। যদি ভাষাটোৱে নাথাকে তেনেহ'লে আমি কিহেৰে পৰিচয় দিম? নাইবা আমাৰ পৰিচয় কি হ'ব?

এতিয়া মূল প্ৰশ্নটো হ'ল— অসমীয়া ভাষাটোক জীয়াই ৰাখিব কোনে? আমি যিমান দূৰ জানো আজি অসমীয়া মাধ্যমত যিবোৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰি আহিছে সেইসকলৰ ৯৫ শতাংশ ল'ৰা-ছোৱালীয়ে নিম্ন মধ্যবিত্ত পৰিয়ালৰ অথবা তাতোকৈ তলৰ। আকৌ যিসকল ল'ৰা-ছোৱালীয়ে ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ অভিজাত স্কুলত পঢ়া-শুনা কৰে, সেইসকল ল'ৰা-ছোৱালীৰ অভিভাৱকসকলৰ প্ৰায় ভাগেই মধ্যবিত্ত আৰু উচ্চ বিত্ত পৰিয়ালৰ। এইসকল ল'ৰা-ছোৱালীক শিক্ষা দিয়া হয় পৰিকল্পিত ভাৱে। সেয়ে তেওঁলোকৰ কোনোবা কম বুদ্ধি-বৃত্তিৰ হ'লেও কৌশলগত শিক্ষাদানৰ ফলত পৰীক্ষাত ভাল ফলাফলো দেখুওৱাবলৈ সক্ষম হয়। স্বাভাৱিকতে চৰকাৰী চাকৰি-বাকৰিৰ প্ৰায় ভাগেই মেধাৰ ভিত্তিতে হোৱা দেখা যায়, যিটো অতি স্বাভাৱিক। ইয়াত কাৰো আপত্তিৰো কাৰণ থাকিব নোৱাৰে। আনহাতে, যিসকল অসমীয়া মাধ্যমত পঢ়ি কোনোমতে মেট্ৰিক, তাৰ পাছত ডিগ্ৰী পাছ কৰে, তেওঁলোকৰ ভিতৰত আঙুলিৰ মূৰত গণিব পৰাকৈহে ভাল ফলাফল লাভ কৰা দেখা যায়। সেই ভাল ফলাফল দেখুওৱা ল'ৰা-ছোৱালীখিনিৰ দুই-চাৰিজনে চৰকাৰী চাকৰি পোৱাও দেখা যায়। ৰৈ যায় কেৱল কোনোমতে মেট্ৰিক বা ডিগ্ৰী লোৱা ল'ৰা-ছোৱালীখিনিয়েহে। তেওঁলোকেই ৰাজ্যখনৰ বাবে বোজা হৈ পৰে। এতিয়া এনে ল'ৰা-ছোৱালীৰ সংখ্যা আমাৰ ৰাজ্যখনত ৫০ লক্ষতকৈও অধিক। এই নিবনুৱা যুৱক-যুৱতীখিনিক লৈয়ে ৰাজ্য চৰকাৰৰ সমস্যা। অৱশ্যে ইয়াৰ

## অসমীয়া মাধ্যমত ইংৰাজীৰে শিক্ষা

মাজতো কথা এটা থাকি যায়। ধৰি লোৱা হ'ল এই ল'ৰা-ছোৱালীখিনিও ইংৰাজী বা অসমীয়া মাধ্যমত পঢ়ি পৰীক্ষাত খুউব ভাল ফলাফল দেখুৱালে। অৰ্থাৎ ৮০ শতাংশ বা ৯০ শতাংশ নম্বৰ লৈ কৃতিত্ব কঢ়িয়ালে; কিন্তু অসম চৰকাৰে চাকৰি দিব ক'ত? আমি কাকতে-পত্ৰই পঢ়ি জানিব পৰামতে আমাৰ ৰাজ্যখনত হেনো কেৱল পাঁচ লাখমান চৰকাৰী চাকৰিৰহে সুবিধা আছে। গতিকে এই বিষয়টো অনুধাৱন কৰি সকলোৱে মিলি বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা প্ৰচলন কৰাৰ ওপৰতহে জোৰ দিয়া উচিত। অৱশ্যে এই বিষয়টো নিবন্ধটোৰ বিষয় বস্তু নহয় বাবে ইয়াতে সামৰি অসমীয়া মাধ্যমৰ বিষয়লৈ উভতি আহিছো।

যিসকল দল সংগঠনে অসমীয়া মাধ্যমৰ বিদ্যালয়ত ইংৰাজী শিক্ষাৰ প্ৰচলনৰ তীব্ৰ বিৰোধিতা কৰিছে বা কৰিবলৈ আৰম্ভ কৰিছে, তেওঁলোকে বহু ধৰণৰ যুক্তি আৰু সাংবিধানিক নীতি-নিয়মৰ উদ্ধৃতি দিছে। সেইবোৰ আমিও মানো; কিন্তু অকল এই দুখীয়া অভিভাৱকৰ ল'ৰা-ছোৱালীখিনিক লৈ অসমীয়া ভাষাটো জীয়াই ৰখাৰ কৌশল অৱলম্বন নকৰি অসমত ব্যক্তিগত খণ্ডত গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষাটো প্ৰচলন কৰাৰ বাবে তীব্ৰ আন্দোলন গঢ়ি নোতোলে কিয়? অৱশ্যে লোকক দেখুৱাই আন্দোলন গঢ়ি তুলিলেই নহ'ব। তাক কাৰ্যকৰী কৰি তুলিব লাগিব। আমি জনামতে ভাৰতৰ আন ৰাজ্যত চাকৰি-বাকৰি কৰিলে সেই ৰাজ্যৰ ভাষা জনাটো আৱশ্যক; নহ'লে তাত চাকৰি কৰাৰ সুবিধাকণকে নাপায়।

আমাৰ অসমীয়া সংস্কৃতি ৰক্ষা কৰিবলৈ স'ততে ৰাজপথত আন্দোলন কৰি পৰিৱেশ উত্তাল কৰি ৰখাসকলে এই সাধাৰণ সত্যটো বুজি পোৱা নাই কিয়? এইসকলে বুজি পোৱা উচিত যে আজিৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাত ইংৰাজী ভাষাটো অপৰিহাৰ্য হৈ পৰিছে। যিহেতু চৰকাৰী চাকৰিৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিবলৈ ধৰিছে, তেনেক্ষেত্ৰত শিক্ষিত ল'ৰা-ছোৱালীসকলে চৰকাৰী চাকৰিৰ মোহ ত্যাগ কৰি বাধ্য হৈ কোনোবা কোম্পানীত কাম কৰিবলৈ গৈছে। কোম্পানীত কৰ্ম সংস্থান পাব লাগিলে ইংৰাজী আৰু হিন্দী ভাষা জনাটো অতি আৱশ্যক। ইয়াৰ ব্যতিৰেকে কোম্পানীত কাম পোৱাটো অসম্ভৱ। যিহেতু অসমীয়া মালিকৰ তেনে কোনো কোম্পানী নাই।

অপ্ৰিয় হ'লেও সত্য যে আজিৰ অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক জ্ঞানী কৰি গঢ়ি তোলাতকৈ এটি চাকৰি পোৱাকৈহে গঢ়ি তুলিবলৈ বিচাৰে। আমি সেই চৰম সত্যটোক আওকাণ কৰি চলিবলৈ যত্ন কৰিলে ফল হ'ব বিষময়। অৱশ্যে এই পৰিৱৰ্তিত সমাজ ব্যৱস্থাতো অসমীয়া ভাষাত শিক্ষাগ্ৰহণ কৰিবলৈ ল'ৰা-ছোৱালীৰ লগতে অভিভাৱকসকলো আগ্ৰহী হৈ উঠিব যদিহে অসমীয়া ভাষাত শিক্ষা গ্ৰহণ কৰিলেই কৰ্ম সংস্থানৰ পথ মুকলি হৈ পৰে।

এতিয়া ইয়াৰে কিমানখিনি কৰিব পাৰি, কিমানখিনি নোৱাৰি সমাজ বিজ্ঞানীসকলে নজনা নহয়। সম্ভৱত অসম চৰকাৰে নিজৰ অসমৰ্থতা লুকুৱাবলৈ যত্ন কৰি গাঁৱৰ গৰিব শ্ৰেণীৰ ল'ৰা-ছোৱালীখিনিকো পৰিকল্পিতভাৱে অলপ ইংৰাজী ভাষাৰ জ্ঞান দিবলৈ যত্ন কৰা যেন লাগে। আমিও এই ল'ৰা-ছোৱালীসকল ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়াসকলৰ দৰেই ইংৰাজী ভাষাৰ ক্ষেত্ৰত পাৰ্গত হৈ উঠাটো মনে-প্ৰাণে কামনা কৰো। অসম চৰকাৰে যদি এই দিশটোত সফলতা অৰ্জন কৰিবলৈ সক্ষম হয় তেনেহ'লে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমত পঢ়ুওৱা অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালীক চৰকাৰী খণ্ডলৈ ওভোতাই আনিবলৈ আগ্ৰহ প্ৰকাশ কৰিব পাৰে।



মুঠ কথা চৰকাৰী খণ্ডৰ অসমীয়া বিদ্যালয়ত পঢ়া-ল'ৰা-ছোৱালীখিনিকে অসমীয়া ভাষা ৰক্ষা কৰাৰ দায়িত্ব এৰি দি বহি থাকিলে অসমীয়া ভাষা ৰক্ষা নপৰে। আমি অসমত বাস কৰা সকলো শ্ৰেণীৰ লোকে অসমীয়া ভাষাটোৰ প্ৰতি দায়বদ্ধ হ'লে সি ৰক্ষা পৰিব। সেয়ে আমাৰ মানসিকতা সলনি কৰিবৰ হ'ল।

**স্বৰ্ণলতা পাঠক**

*ফোন : ৮৪৮৬৮২৭৭২৮*

## অসমৰ ভাষা আইনখন ধোঁৱাচাঙত উঠিব নেকি?

**অভিমত**

**চাওলুং** চুকাফাই আহোম ৰাজ্য প্ৰতিষ্ঠাৰে গঢ় দিছিল বৃহত্তৰ অসমীয়া জাতি। বিদেশী শত্ৰুক পদানত কৰি শৌৰ্য বীৰ্যৰ প্ৰমাণ দিয়া অসমীয়া জাতি। অসমীয়া জাতিটো ভাষাভিত্তিক জাতি। ভাষা থাকিলে হে জাতি থাকিব। অসমৰ বাহিৰে পৃথিৱীৰ ক'তো অসমীয়া ভাষাৰ প্ৰচলন নাই। গতিকে নিজৰ জন্মভূতিত নিজৰ মাতৃভাষাক কোনেনো গুৰুত্ব নিদিব? শেহতীয়াকৈ অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি চৰকাৰী বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষা ইংৰাজী ভাষাত দিয়াৰ যি পৰিকল্পনা হাতত লৈছে, সেই লৈ এতিয়া বহুত বিতৰ্ক হৈ আছে।

ভাল হৈছে নে বেয়া হৈছে এক কথাত ক'বলৈ টান। কিন্তু কথাটো হ'ল সকলোতকৈ শ্ৰেষ্ঠ নিজৰ মা, মাতৃভাষা আৰু মাতৃভূমি। আৱেগতকৈ বিবেকৰ যুক্তিৰে কথাবোৰ ভাবিবই লাগিব। মুখ্যমন্ত্ৰীকে ধৰি সমগ্ৰ শাসকীয় পক্ষৰ যুক্তি যে ইংৰাজী মাধ্যমত বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ পাঠ্যক্ৰমত সহায় কৰিব আৰু সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবেও সহায়ক হ'ব। আচল কথাটো হ'ল শিক্ষণ প্ৰণালীৰ গুণগত মান উন্নত হ'লেহে শিক্ষাৰ্থীয়ে ভৱিষ্যতৰ যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ নিজকে সাজু কৰিব পাৰিব।

বিশ্বায়নৰ যুগত ফেৰ মাৰিবলৈ হ'লে ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা আছে। সেইবুলি মাতৃভাষাক এলাগী কৰি নহয়। বিজ্ঞান আৰু গণিতৰ জ্ঞান অৰ্জন কৰিবলৈ হ'লে তাৰ সূত্ৰসমূহ ছাত্ৰ-ছাত্ৰীক বুজোৱাৰ প্ৰতিহে গুৰুত্ব দিব লাগে, মাধ্যমৰ প্ৰতি নহয়। জ্ঞান অবিহনে যিকোনো মাধ্যমৰ শিক্ষাই মূল্যহীন। এই জ্ঞানৰ অংকুৰণ ঘটে শৈশৱতেই। মাতৃভাষাক এলাগী কৰি ইংৰাজী ভাষাক গুৰুত্ব দি আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাবনে? মাতৃভাষাত বুনিয়াদী শিক্ষাৰ আৱশ্যকতা সমগ্ৰ বিশ্বই মানি লৈছে। মাতৃভাষা মাধ্যমৰ স্কুলত ইংৰাজী ভাষা কামত অহাকৈ ভালদৰে শিকোৱাটো শিক্ষকৰ কৰ্তব্য। তাৰ বাবে দক্ষ আৰু অভিজ্ঞ শিক্ষকৰহে প্ৰয়োজন।

বিখ্যাত গণিতজ্ঞ ৰামানুজনে কৈছিল--'অংক আৰু বিজ্ঞানক ছাত্ৰ-ছাত্ৰীৰ কাষ চপাবলৈ হ'লে মাতৃভাষাত ইয়াৰ শিক্ষা দিব লাগিব। অপ্ৰিয় হ'লেও সচাঁ-- অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ অৱস্থা যথেষ্ট পুতৌলগা। সাধাৰণতে নিম্নবিত্ত আৰু মধ্যবিত্ত পৰিয়ালৰ সন্তান-সন্ততিহে চৰকাৰী বিদ্যালয়সমূহত অধ্যয়ন কৰে। চৰকাৰী স্কুলত পঢ়ি থকা বহু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক-সকলে ইংৰাজী নাজানে। তেওঁলোকে নিজৰ সন্তানক কিবা এটা বুজাবলগীয়া হ'লে ইংৰাজীত কিবা এটা বুজাই দিব নোৱাৰে। নিজৰ সন্তানক এক উন্নত মানৰ শিক্ষা দিয়াৰ নতুবা ভালৰো ভালটো আনি দিয়াৰ কাৰনো হেঁপাহ নাই? প্ৰতিগৰাকী পিতৃ-মাতৃৰ তেনে হাবিয়াস নিশ্চয় আছে। গতিকে এনে সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে শাসকগোষ্ঠীয়ে চৰকাৰী বিদ্যালয়সমূহত ইংৰাজী বিষয়ত দক্ষ অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়াৰ লগতে আন্তঃগাঁথনিৰ ওপৰত অধিক গুৰুত্ব দিয়ক।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সময়ত বিভিন্ন ভাষাৰ জ্ঞান আহৰণ কৰাটো গুৰুত্বপূৰ্ণ। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ তুলনাত চৰকাৰী খণ্ডৰ শৈক্ষিক ফলাফল আজিৰ তাৰিখত সন্তোষজনক নহয়। অসমত অসমীয়া মাধ্যমেৰে শিক্ষা প্ৰদানৰ পাছতো চৰকাৰী শিক্ষানুষ্ঠানৰ দুখজনক অৱস্থাৰ মাজতে ইংৰাজী মাধ্যমেৰে শিক্ষা প্ৰদান কৰিলে তাৰ ফলাফল কেনে হ'ব সেয়া সকলোৱে নিশ্চয় বুজি পাইছে। যি সময়ত বিভিন্ন ৰাজ্যৰ লোকসেৱা আয়োগৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্যিক ভাষা বাধ্যতামূলক, সেই সময়তে অসম চৰকাৰে অসম লোকসেৱাৰ নিযুক্তিৰ বাবে অসমীয়া ভাষাৰ নলগাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। এয়া অতি দুৰ্ভাগ্যজনক।

**ৰমিছা বেগম,** ফোন : ৮৬৩৮১৪৬৫৪৬

# গুৱাহাটীৰ কৃত্ৰিম বান আৰু পৰিত্ৰাণৰ উপায়

**নবীন চন্দ্ৰ শৰ্মা**

*যিবিলাক নলা-নৰ্দমা, জান-জুৰি নৈ ইত্যাদিৰ নিৰ্বাচিত অঞ্চলসমূহত খনন কাৰ্য সম্পূৰ্ণ হৈ গ'ল সেই নলা-নৰ্দমা জান-জুৰি, নৈ ইত্যাদিত এঢলীয়াটো বজাই ৰাখিবৰ বাবে উজাই আৰু ভটিয়াই প্ৰয়োজনমতে খনন কৰিব লাগিব আৰু পাৰবোৰ বান্ধি যাব লাগিব*

**প্ৰস্তাৱনা ঃ** মই ১৯৬০ৰ পৰাই গুৱাহাটীখন দেখিছো। তেতিয়া গুৱাহাটীখন আয়তনত বহুত সৰু আছিল। মোৰ ঘৰ মৰাণহাটত। মই প্ৰথম ১৯৬০ত গুৱাহাটীলৈ আহিছিলো, তাৰ পাছত ১৯৬৬ আৰু ১৯৬৮ত এবাৰকৈ আৰু ১৯৭৫ত চাকৰি সূত্ৰে একেবাৰে নিগাজিকৈ গুৱাহাটীলৈ গুচি আহিলো। যাঠিৰ দশকততো গুৱাহাটীখনৰ পৰিসীমা আছিল মাত্ৰ এনেধৰণৰ— এফালে নুনমাটিৰ পৰা মালিগাঁও, পাণ্ডু আৰু আনফালে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ পৰা উলুবাৰীলৈ। সেই সময়ত গণেশগুৰি দিছপুৰ, নাৰেংগী, চন্দ্ৰপুৰ আৰু জালুকবাৰী-উত্তৰ গুৱাহাটী চহৰৰ পৰা বহুত বাহিৰত আছিল। সেই হিচাপে গুৱাহাটীৰ জনসংখ্যাও বহুত কম আছিল। সেই সময়ত গুৱাহাটীত অসংখ্য জলাশয় আছিল আৰু গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধন কৰা পাহাৰসমূহ প্ৰায় বেদখলযুক্ত আছিল। গতিকে সেই সময়ত গুৱাহাটীত কৃত্ৰিম বানপানীৰ কোনো ধাৰণাই নাছিল।

ইয়াৰ আগলৈকে শ্বিলঙেই অসমৰ ৰাজধানী আছিল আৰু খাচি-জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ মাত্ৰ অসমৰ দুখন জিলাহে আছিল। ১৯৬৯ত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত শ ৰৎ চন্দ্ৰ সিংহৰ কাৰ্যকালতে অসমৰ ৰাজধানী গুৱাহাটীলৈ তুলি অনাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই সূত্ৰেই ১৯৭২ত অসমৰ ৰাজধানী শ্বিলঙৰ পৰা তুলি আনি গুৱাহাটীৰ দক্ষিণে দিছপুৰত স্থাপন কৰা হয়। যিহেতু আগতীয়া কোনো ধৰণৰ পৰিকল্পনা নাছিল, গতিকে সম্পূৰ্ণ অস্থায়ীভাৱে অস্থায়ী ঘৰ কিছুমানতে ৰাজধানীখন পাতিবলগীয়া হ'ল। তাৰ লগে লগে ৰাজধানীৰ বিষয়া-কৰ্মচাৰীবৃন্দ আৰু সংলগ্ন ব্যৱসায়-বাণিজ্যৰ ওপৰত নিৰ্ভৰশীল লোকসকলেও ৰাজধানী দিছপুৰৰ ওচৰে-পাঁজৰে আৰু গুৱাহাটীৰ অ'ত- ত'ত ঘৰ-দুৱাৰ সাজি থাকিবলৈ ল'লে। ইয়াৰ উপৰি উত্তৰ-পূবৰ অন্যান্য ৰাজ্যসমূহৰ পৰা আৰু লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰাও অসংখ্য লোক শিক্ষা-দীক্ষা, চাকৰি-বাকৰি আৰু ব্যৱসায়-বাণিজ্যৰ বাবেও হোৱাহোৱে গুৱাহাটীলৈ আহিবলৈ ল'লে আৰু ইয়াতে ঘৰ-দুৱাৰ সাজি থাকিবলৈ ল'লে। দেখা গ'ল যে এই লোকসকলে গুৱাহাটীৰ জলাশয়-পিটনিবোৰ পুতি মেলি তাতে ঘৰ সাজিবলৈ ল'লে আৰু জান-জুৰিবোৰো সংকুচিত কৰি আনিলে আৰু ফলস্বৰূপে গুৱাহাটীৰ পৰা ওলাই যাব লগা অতিৰিক্ত পানীখিনি ধাৰণ কৰিব পৰা অঞ্চলসমূহ সংকুচিত হৈ আহিল। ইয়াৰ ফলাফল কি হৈছে আজি সকলোৱে দেখিছে। তাৰ উপৰি গুৱাহাটীৰ পাহাৰবোৰো বেদখলকাৰীয়ে তেওঁলোকৰ ঘৰ-দুৱাৰ সজাৰ কামত ব্যৱহাৰ কৰিছে আৰু যাৰ বাবে গুৱাহাটীৰ সৌন্দৰ্যত আঘাত পৰাৰ উপৰি আজি কেইবছৰমানৰ পৰা পাহাৰত হোৱা ভূমিস্খলনৰ বাবে অজস্ৰ ধনজনৰ হানি হৈছে।

মেঘালয়ত হোৱা বৰষুণৰ ফলত মেঘালয়ৰ পৰা নামি অহা ধলে বাহিনী নৈ, বশিষ্ঠ নৈ আদি নৈসমূহৰ যোগেদি মহানগৰীৰ বিভিন্ন অঞ্চললৈ সোমাই আহি সেই অঞ্চলসমূহত কৃত্ৰিম বানপানীৰ সৃষ্টি কৰিছে। মেঘালয়ৰ পৰা নামি অহা ধলৰ লগত লৈ অহা বালি-মাটিখিনিয়ে মহানগৰীৰ অঞ্চল বিশেষৰ নলা-নৰ্দমা, জান-জুৰি, নৈ-বিল ইত্যাদিবোৰ পুতি পেলায় আৰু ইয়াৰ ফলত এইসমূহৰ পানী বহন ক্ষমতা হ্ৰাস কৰি পেলায় আৰু ফলস্বৰূপে অলপ বৰষুণ হ'লেই কৃত্ৰিম বানপানীৰ সৃষ্টি হয়।

**নিৰাময়ৰ উপায় ঃ** কৃত্ৰিম বানপানী নিৰাময়ৰ বাবে আমাৰ মনলৈ কিছু উপায়ৰ বিষয়ে চিন্তা-চৰ্চা আহিছে, তাকেই সকলোৱে জ্ঞাতাৰ্থে বেকত কৰিলো। যদিও আমি এই ক্ষেত্ৰত কোনো বিশেষজ্ঞ নহয় তথাপি অসম চৰকাৰৰ জলসম্পদ বিভাগৰ এজন অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তাৰূপে সঞ্চিত অভিজ্ঞতাৰ ফালৰ পৰা নিম্নলিখিত পৰামৰ্শসমূহ সকলোৱে জ্ঞাতাৰ্থে আগবঢ়ালো।

**পৰামৰ্শ-১ ঃ** যেনেকৈ কোনো এটা বেমাৰ হ'লে বেমাৰৰ কাৰণটোনো কি আমি সেইটো প্ৰথমেই বিচাৰ কৰি ল'ব লাগে আৰু তাৰ পাছতহে বেমাৰৰ ঔষধ প্ৰয়োগ কৰিব লাগে, ঠিক সেইদৰে গুৱাহাটীৰ বিভিন্ন অঞ্চলত হোৱা কৃত্ৰিম বানপানীৰ কাৰণসমূহ অধ্যয়ন কৰি তাৰ পাছতহে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ বাবে পাঁচ-ছয়জনীয়াকৈ কে'বাটাও গোট গঠন কৰিব লাগিব।

প্ৰথম গোটটোৰ কাম হ'ব মহানগৰীৰ যি যি অঞ্চলত বৰষুণ দিলেই সঘনাই পানী জমা হয় নতুবা কৃত্ৰিম বানপানী হয় আৰু সোনকালে পানীখিনি ওলাই যাব নোৱাৰে, তেনেকুৱা অঞ্চলসমূহ চিনাক্ত কৰাটো। লগতে এই চিনাক্ত হোৱা অঞ্চলসমূহৰ এখন তালিকা প্ৰস্তুত কৰি ল'ব লাগিব। এতিয়া এই অঞ্চলসমূহৰ অতি ওচৰত থকা নলা-নৰ্দমা, জান-জুৰি, সৰু নৈ, মজলীয়া নৈ, ডাঙৰ নৈ আদিসমূহ চিনাক্ত কৰি তাৰ মাজৰ দূৰত্ব অৰ্থাৎ পানী আৱদ্ধ হোৱা ঠাইৰ পৰা নলা-নৰ্দনা, জান-জুৰি আদিলৈ দূৰত্ব নিৰ্ণয় কৰি ল'ব লাগিব। ইয়াৰ সমান্তৰালকৈ প্ৰতিটো নলা-নৰ্দমা জান-জুৰি, নৈ-ইত্যাদি সংলগ্ন হোৱা নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিৰ তালিকা প্ৰস্তুত কৰিব লাগিব। লগতে এই অঞ্চলসমূহৰ পৰা ব্ৰহ্মপুত্ৰৰ দূৰত্ব নিৰ্ণয় কৰি আন এখন তালিকা প্ৰস্তুত কৰিব লাগিব।

দ্বিতীয় গোটটোৰ কাম হ'ব মহানগৰৰ ভিতৰত থকা নতুবা একেবাৰে ওচৰত থকা বিলসমূহৰ তালিকা প্ৰস্তুত কৰা, কাৰণ এই বিলসমূহৰেই পানী ধাৰণ কৰাৰ ক্ষমতা সকলোতকৈ বেছি। এই তালিকাত বিলসমূহৰ বৰ্তমান আয়তন, গভীৰতা আদিৰ বিষয়ে উল্লেখ থাকিব লাগিব।

**পৰামৰ্শ-২ ঃ** এতিয়া আমি ওপৰত উল্লেখ কৰা নলা-নৰ্দমা-জান-জুৰি-নৈ ইত্যাদি আৰু বিলসমূহৰ খনন প্ৰক্ৰিয়াটোৰেদি কামত আগবাঢ়িব লাগিব। এই কামটোৰ বাবে আমাক যথেষ্ট সংখ্যক আধুনিক যন্ত্ৰপাতিৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে তৃতীয় এটা গোট গঠন কৰিব লাগিব। এই গোটটোৰ কাম হ'ব ওপৰোক্ত কামটোৰ বাবে কি কি আৰু কিমানখিনি যন্ত্ৰপাতিৰ প্ৰয়োজন হ'ব তাৰে অনুসন্ধান কৰি এখন তালিকা প্ৰস্তুত কৰা। এই তালিকাত উল্লেখ থকা যন্ত্ৰপাতিবোৰ ক'ত সহজে উপলব্ধ হ'ব সেইটোও তেওঁলোকে অনুসন্ধান কৰি তালিকাভুক্ত কৰিব লাগিব। এই যন্ত্ৰপাতিবোৰৰ মাজেৰে কিছু সংখ্যক সহজে আৰু স্থানীয়ভাৱে উপলব্ধ হ'লে ভাড়াত অনাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ উপৰি যন্ত্ৰপাতিখিনি কিনাৰ ব্যৱস্থা কৰিব লাগিব। যিহেতু যন্ত্ৰপাতিবোৰ কিনিবলৈ যথেষ্ট ধনৰ প্ৰয়োজন হ'ব, গতিকে কিছুসংখ্যক যন্ত্ৰপাতি সহজে আৰু স্থানীয়ভাৱে উপলব্ধ হ'লে আৰু ভাড়াত অনাৰ ব্যৱস্থা কৰিব পাৰিলে প্ৰকল্প ব্যয় কমি যাব। গতিকে যন্ত্ৰপাতিবোৰ আমাৰ কামৰ কাৰণে আনোতে হ'ব লগা খৰচপাতিৰ এখন তালিকা প্ৰস্তুত কৰিব লাগিব।

**এই কামটোৰ বাবে প্ৰয়োজন হ'ব পৰা যন্ত্ৰপাতিবোৰ এনেধৰণৰ ঃ**

১। এক্সকেভেটৰ (চুটি, মজলীয়া আৰু দীঘল বুম থকা)

২। জেচিবি আৰু সেই জাতীয় যন্ত্ৰ

৩। ওপৰত উল্লেখ থকা এক্সকেভেটৰসমূহ ধাৰণ কৰিব পৰা, লোহাৰে নিৰ্মিত আৰু পানীত ওপঙি থাকিব পৰা বিভিন্ন আয়তনৰ বাৰ্জ

৪। ডাম্পাৰ (সৰু, মজলীয়া আৰু ডাঙৰ)

৫। ৰাটাৰমাষ্টাৰ (ফিনলেণ্ডত নিৰ্মাণ কৰা) (ডাঙৰ আৰু সৰু দুইবিধ)

৬। মেটেকা গুচোৱা আৰু পানীত ওপঙি থাকিবপৰা যন্ত্ৰ

৭। নদীৰ মাজত খনন কৰোতে ওলোৱা গেদসমূহ ৰাখিবৰ বাবে ডাঙৰ ডাঙৰ লোহাৰে নিৰ্মিত আৰু পানীত ওপঙি থাকিব পৰা বাৰ্জ

৮। নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিত পাৰ বান্ধিবৰ বাবে খুঁটা পুতিবলৈ আৱশ্যক হোৱা মেচিন।

৯। কংক্ৰীট ভল্যুট পাম্প

**পৰামৰ্শ-৩ ঃ** নলা-নৰ্দমা জান জুৰি নৈ ইত্যাদি আৰু বিলসমূহ খননৰ পাছত ইয়াৰ পৰা ওলোৱা গেদসমূহ পেলাবৰ বাবে উপযুক্ত ঠাই বাছনি কৰি ল'ব লাগিব। এই কামৰ বাবেও এটা গোট গঠন কৰিব লাগিব। এই গোটটোৰ কাম হ'ব গুৱাহাটীৰ ওচৰে-পাঁজৰে ক'ত ক'ত এই গেদসমূহ পেলাবৰ বাবে উপযুক্ত স্থান পোৱা যায় তাৰে এখন তালিকা প্ৰস্তুত কৰা।

পৰামৰ্শ-৪ ঃ খনন কাৰ্য কৰি থকাৰ সমান্তৰালকৈ নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিৰ পাৰবোৰ যাতে খহি নাযায় তাৰো আগতীয়া ব্যৱস্থা কৰি ল'ব লাগিব। সেই উদ্দেশ্যে খুঁটা পুতিব পৰা মেচিন আৰু বিভিন্ন খুঁটাসমূহ যোগাৰ কৰি ৰাখিব লাগিব। ইয়াত মাটিত পুতিব পৰা খুঁটাসমূহ হ'ব—বাঁহৰ খুঁটা, কাঠৰ খুঁটা, আৰ চিচি খুঁটা, লোহা জইষ্টৰ খুঁটা, পাইপৰ খুঁটা (ইয়াৰ ভিতৰত চিমেণ্ট বালিৰ মিশ্ৰণ ভৰাব লাগিব) ইত্যাদি।

পৰামৰ্শ-৫ ঃ ইয়াৰ সমান্তৰালকৈ আমি আৰু এটা বস্তুত চকু দিব লাগিব আৰু সেইটো হৈছে আমাৰ নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিত পাহাৰৰ পৰা নামি অহা



বালি-মাটিখিন আৰু নাগৰিকসকলে পেলোৱা জাবৰ-জোঁথৰবোৰ যাতে সঘনাই পৰিষ্কাৰ কৰি থকা হয়। ইয়াৰ ওপৰত চকু দি থাকিবলৈ এটা গোট গঠন কৰিব লাগিব।

**পৰামৰ্শ-৬ ঃ** এইবোৰ পৰামৰ্শ অনুসৰি আমি খনন প্ৰক্ৰিয়াটো তলত দিয়া ধৰণেৰে আৰম্ভ কৰিব লাগিব ঃ

(ক) প্ৰথমেই যিবিলাক অঞ্চলত অলপ বৰষুণ দিলেই কৃত্ৰিম বানপানী হয় আৰু পানীখিনি সহজে ওলাই যাব নোৱাৰে, আমি সেইবিলাক অঞ্চলত কাম কৰিব লাগিব। পানী জমা হোৱা ঠাইৰ পৰা অতি ওচৰত থকা নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিত প্ৰয়োজনমতে খনন কৰিব পৰাকৈ যান্ত্ৰিক সঁজুলি (এক্সকেভেটৰ) আৰু প্ৰয়োজনমতে একাধিক যান্ত্ৰিক সঁজুলি ব্যৱহাৰ কৰিব লাগিব। খনন যথেষ্ট দ' কৈ কৰিব লাগিব যাতে কাষত আৱদ্ধ হ'ব পৰা পানীখিনি ভৱিষ্যতেও কোনো বাধা নোহোৱাকৈ সহজেই সেই নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিত পৰিব পাৰে। এই খননত ওলোৱা গেদ বা মাটিখিনি ডাম্পাৰৰ যোগেদি পূৰ্বতে ঠিক কৰি থোৱা ঠাইলৈ নি তাত পেলাব লাগিব। এই কামটো সম্পূৰ্ণ হোৱাৰ পাছত প্ৰয়োজন অনুপাতে খনন কৰা নলা-নৰ্দমা,জান-জুৰি-নৈ ইত্যাদিত পাৰবোৰ বান্ধিবৰ কাৰণে খুঁটাবোৰ শাৰী শাৰীকৈ আৰু মাজত অকণো সুৰুঙা নোহোৱাকৈ পুতিব লাগিব। এনেদৰেই সকলোবোৰ পানী জমা হোৱা ঠাইৰ পৰা অতি ওচৰত থকা নলা-নৰ্দমা,জান-জুৰি-নৈ ইত্যাদিত খনন কাৰ্য সম্পূৰ্ণ কৰিব লাগিব আৰু চাব লাগিব যাতে কোনো অঞ্চলতে কামটো বাদ পৰি নাযায়।

(খ) এতিয়া যিবিলাক নলা-নৰ্দমা জান-জুৰি-নৈ ইত্যাদিৰ নিৰ্বাচিত অঞ্চলসমূহত খনন কাৰ্য সম্পূৰ্ণ হৈ গ'ল সেই নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিত এঢলীয়াটো বজাই ৰাখিবৰ বাবে উজাই আৰু ভটিয়াই প্ৰয়োজনমতে খনন কৰিব লাগিব আৰু পাৰবোৰ বান্ধি যাব লাগিব।

(গ) ইয়াৰ সমান্তৰালভাৱে গুৱাহাটীৰ ভিতৰৰ আৰু ওচৰে-পাঁজৰে থকা বিলসমূহ ওপৰত উল্লেখ কৰা যন্ত্ৰসমূহৰ দ্বাৰা যিমান পাৰি দ'কৈ খনন কৰিব লাগিব। ইয়াত পৰাপক্ষত ৰাটাৰমাষ্টাৰৰ সহায়েৰে খনন কৰিব পাৰিলে বেছি ফলপ্ৰসু হ'ব। বিলসমূহ বেছি দ'লৈ খনন কৰিলে পানী ধাৰণ ক্ষমতা বহুগুণে বাঢ়ি যাব। ইয়াৰ সমান্তৰালকৈ মেটেকা চাফা কৰা যন্ত্ৰেৰে বিলসমূহৰ উপৰিভাগ চাফা কৰিব লাগিব।

(ঘ) এইখিনি কাম কৰি থাকোতে অন্যান্য নলা-নৰ্দমা, জান-জুৰি-নৈ ইত্যাদিতো একেধৰণেৰে খনন কাৰ্য চলাই থাকিব লাগিব আৰু প্ৰয়োজন অনুসৰি খনন কৰা অঞ্চলৰ পাৰবোৰো বান্ধি যাব লাগিব।

**পৰামৰ্শ-৭ঃ** গুৱাহাটীৰ পাহাৰবোৰ বৰ্তমান সময়ত বেদখলকাৰীয়ে অধিকাৰ কৰি জধে-মধে গছ-গছনিবোৰ কাটি মেলি আৰু পাহাৰবোৰ খহাই ইয়াৰ সৌন্দৰ্য হানি কৰিছে। বৰষুণৰ সময়ত এই পাহাৰবোৰৰ পৰা পানীৰ ধলৰ লগত বালি-মাটিবোৰো আহি নলা-নৰ্দমা জান-জুৰি-নৈবোৰো সম্পূৰ্ণভাৱে ঢাকি পেলাইছে। গুৱাহাটীত কৃত্ৰিম বান হোৱাৰ ইয়ো এটা মুখ্য কাৰণ।

গতিকে গুৱাহাটীৰ কৃত্ৰিম বানৰ নিৰাময়ৰ বাবে চৰকাৰী পক্ষ আৰু ৰাইজৰ ফালৰ পৰাও কৰিবলগীয়া বহুত আছে। পাহাৰবিলাকত এতিয়ালৈকে যিখিনি মানুহ বহিল তেওঁলোকক যিহেতু উচ্ছেদ কৰাটো অসম্ভৱ। গতিকে ইয়াৰ পাছত যাতে আৰু কোনো মানুহে পাহাৰত মাটি ল'ব নোৱাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। দৰকাৰ হ'লে নতুনকৈ আইন-প্ৰণয়ন কৰি হ'লেও ইয়াত বাধা দিব লাগিব। এয়া চৰকাৰৰ সদিচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰিব । লগতে ৰাইজৰ ফালৰ পৰাও চাব লাগিব যাতে নতুনকৈ কোনো মানুহে পাহাৰত মাটি ল'ব নোৱাৰে আৰু যাতে কোনো বেলেগ মানুহ আহি পাহাৰত মাটি আৰু গছ-গছনি কাটিব নোৱাৰে। দৰকাৰ হ'লে ইয়াত বাধা দিবৰ কাৰণে তেওঁলোকে চৰকাৰৰ সহায় ল'ব লাগিব।

**পৰামৰ্শ-৮ ঃ** এজাক বৰষুণ দিলেই পাহাৰৰ পৰা ধল নামি আহে আৰু ইয়াৰ লগত পাহাৰৰ পৰা বালি-মাটিখিনিও তললৈ নামি আহে। এই বালি-মাটিবোৰে আহি নলা-নৰ্দমা, জান-জুৰি-নৈবোৰ সম্পূৰ্ণভাৱে ঢাকি পেলায় আৰু তেতিয়া পাৰৰ অঞ্চলসমূহত কৃত্ৰিম বানপানীৰ সৃষ্টি হয়।

**ইয়াৰ নিৰাময়ৰ বাবে এইকেইটা কাম কৰিব লাগিব**

প্ৰথমতে, বৰষুণ হোৱাৰ দিনাই বা তাৰ লগে লগে এক্সকেভেটৰৰ যোগেদি নলাসমূহ (য'ত য'ত বালি-মাটি ভৰ্তি হৈ গৈছে বা হ'বৰ উপক্ৰম হৈছে) খান্দি পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু নলাৰ পৰা উঠোৱা বালি-মাটিখিনি লগে লগেই ডাম্পাৰত উঠাই নিৰ্দিষ্ট কৰি থোৱা ঠাইত পেলাবগৈ লাগিব। এই কামখিনি তদাৰক কৰিবৰ বাবে আন এটা গোটক দায়িত্ব দিব লাগিব।

**এই সমস্যাটো সমাধানৰ বাবে আৰু এটা কাম কৰিব পাৰিলে ভাল হয়, যিটোৱে সসস্যাটোৰ অলপ হ'লেও স্থায়ী সমাধান দিব পাৰে ঃ**

যিবিলাক পাহাৰৰ পৰা বৰষুণ দিলেই বালি-মাটি সঘনাই নামি আহে, তেনেকুৱা পাহাৰবিলাকৰ নামনিত একোটাকৈ দ', দীঘল আৰু বহল নলা (আহোম ৰজাৰ দিনৰ গড়খাৰৈৰ দৰে) বনাব লাগিব। বৰষুণৰ সময়ত পাহাৰৰ পৰা নামি অহা ধলৰ লগত অহা বালি-মাটিখিনি এই নলা হৈ পাৰ হৈ যাব আৰু তেতিয়া এই নলাবোৰতে বালি-মাটিৰ পলসবোৰ ৰৈ যাব আৰু খুব কম পৰিমাণৰ গেদ লৈহে পানীখিনি ইয়াৰ ওপৰেদি পাৰ হৈ যাব। তেতিয়া এক্সকেভেটৰৰ যোগেদি নলাটোত জমা হৈ থকা পলসখিনি উঠাই নিৰ্দিষ্ট ঠাইত পেলাব পৰা যাব। এই কামটো সুকলমে কৰিব পাৰিলে ই এটা স্থায়ী সমাধানৰ বাট মোকলাই দিব (৭০ৰ দশকৰ শেষৰ ফালে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ আয়োগৰ সেই সময়ৰ নিৰ্মাণ বিভাগৰ সদস্য প্ৰয়াত অমূল্য কুমাৰ ভট্টাচাৰ্যই এই পৰামৰ্শটো চৰকাৰক দিছিল, কিন্তু কাৰ্যকৰী হ'লনে নাই গম পোৱা নগ'ল)।

তদুপৰি মেঘালয়ত হোৱা বৰষুণৰ ফলত মেঘালয়ৰ পৰা নামি অহা ধলে বাহিনী নৈ, বশিষ্ঠ নৈ আদিৰ যোগেদি মহানগৰীৰ বিভিন্ন অঞ্চললৈ সোমাই আহি সেই অঞ্চলসমূহত কৃত্ৰিম বানপানীৰ সৃষ্টি কৰে। মেঘালয়ৰ পৰা নামি অহা ধলৰ লগত লৈ অহা বালি মাটিখিনিয়ে মহানগৰীৰ অঞ্চল বিশেষৰ নলা-নৰ্দমা, জান-জুৰি, নৈ-বিল ইত্যাদিবোৰ পুতি পেলায় আৰু ইয়াৰ ফলত এই সমূহৰ পানী বহন ক্ষমতা হ্ৰাস কৰি পেলায় আৰু ফলস্বৰূপে অলপ বৰষুণ হ'লেই কৃত্ৰিম বানপানীৰ সৃষ্টি হয়।

বৰষুণৰ সময়ত মেঘালয়ৰ পৰা নামি অহা ধল মহানগৰীত সোমোৱাৰ আগেয়েই যাতে মহানগৰীত সোমাব নোৱাৰে তাৰো এটা স্থায়ী ব্যৱস্থা কৰিব লাগিব। এই উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণপাৰে ওপৰত উল্লেখ কৰা ধৰণে এটা গড়খাৰৈ বনাব লাগিব। এই গড়খাৰৈটো যথেষ্ট দ' আৰু বহল হ'ব লাগিব। যেতিয়া মেঘালয়ৰ পৰা বালি-মাটি মিহলি পানীৰ ধল তললৈ নামি আহিব, তেতিয়া সেই বালি-মাটি মিহলি পানীখিনি এই গড়খাৰৈটোত পৰিব আৰু গেদখিনি তাতে এৰি পানীখিনি নলাটোৰেদি আগলৈ বৈ গৈ থাকিব আৰু গুৱাহাটী মহানগৰীত মেঘালয়ৰ পানীখিনি নোসোমালেই বানপানীৰ প্ৰকোপটো কমি আহিব। ইয়াতে লক্ষ্য কৰিব লাগিব যাতে নলাত জমা হোৱা গেদখিনি সঘনাই পৰিষ্কাৰ কৰি থকা হয়। এই নলাটো খানাপাৰাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে নি বশিষ্ঠ নৈত পেলাব লাগিব আৰু প্ৰয়োজন সাপেক্ষে আগলৈ নি দীপৰ বিলত পেলোৱাৰো ব্যৱস্থা কৰিব পাৰিলে ভাল হ'ব। এই কামটো সুকলমে কৰিব পাৰিলে মেঘালয়ৰ পৰা নামি অহা পানীৰ পৰা গুৱাহাটীত হোৱা কৃত্ৰিম বানপানীৰ পৰা যথেষ্ট সকাহ পোৱা যাব।

এই কামটো কৰিবৰ বাবে আন এটা গোটক দায়িত্ব দিব লাগিব (এই ধৰণৰ এটা প্ৰস্তাৱ ইতিমধ্যে অভিযন্তা-বিল্ডাৰ জে এন খাটনীয়াৰে চৰকাৰৰ ওচৰত দাখিল কৰিছিল, কিন্তু এই প্ৰকল্পৰ কাম এতিয়া কি পৰ্যায়ত আছে গম পোৱা নগ'ল)।

বৰষুণৰ সময়ত যি যি অঞ্চলত প্ৰায়ে পানী জমা হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি হয় সেই অঞ্চলৰ পৰা খৰতকীয়াকৈ পানীখিনি আঁতৰ কৰিবৰ বাবে সেই অঞ্চলত 'Concrete Volute Pump' একোটাকৈ বহুওৱাৰ ব্যৱস্থা কৰিব পৰা যায়। এই কামটো কৰিবৰ বাবে 'Concrete Volute Pump' টো যি ঠাইৰ পৰা পানী সিঁচাৰ ব্যৱস্থা কৰা হয় তাত বহুৱাব লাগিব আৰু পানী জমা হোৱা ঠাইৰ পৰা মাটিৰ তলেদি পাম্পটোলৈ পাইপেৰে সংযোগ কৰিব লাগিব। বৰষুণ দিয়াৰ পাছত জমা হোৱা পানীখিনি এই পাম্পৰ যোগেদি অতি সোনকালে নাইকিয়া কৰিব পৰা যাব। এই পদ্ধতিটো বহুকেইখন উন্নত দেশৰ এনেদৰে কৃত্ৰিম বানপানী হোৱা চহৰবিলাকত ব্যৱহাৰ কৰা হৈছে আৰু যথেষ্ট ভাল ফল পোৱা গৈছে।

সামৰণি ঃ অসমত ওপৰত উল্লেখ কৰা কামসমূহ কৰিবৰ বাবে মাত্ৰ ছমাহহে (অক্টোবৰৰ পৰা মাৰ্চলৈ) সময় পোৱা যাব। গতিকে পূৰ্বতে সময় নিৰ্ধাৰণ কৰি এই কামসমূহ পহিলা অক্টোবৰৰ পৰাই আৰম্ভ কৰিব লাগিব আৰু ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। এই কামখিনিৰ বাবে চৰকাৰী অনুমোদন, ওপৰত উল্লেখ কৰা ধৰণে জৰীপ, যন্ত্ৰপাতি আৰু বিভিন্ন খুঁটাবোৰ সংগ্ৰহ, কামত ব্যয় হ'ব লগা ধন আদি এপ্ৰিলৰ পৰা ছেপ্টেম্বৰলৈকে যোগাৰ কৰিব লাগিব। তেতিয়াহে কামত সফল হ'ব পৰা যাব।


ওপৰোক্ত কামখিনি যদি সুকলমে, সময়মতে আৰু নিস্বাৰ্থভাৱে কৰিব পৰা যায়, তেন্তে গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সমস্যা বহু পৰিমাণে লাঘৱ হ'ব।

*লেখক জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা (যান্ত্ৰিক), ফোন ঃ ৯৪৩৫৩৪৩৭২২*

# জ্ঞান, জ্ঞানী আৰু বিদ্বান

## বিজ্ঞানে সত্যৰ পিছত যিমান লাগি থাকে জ্ঞানে সিমান লাগি নাথাকে





**যি বুজিছো**

**কৈলাশ চন্দ্ৰ শৰ্মা**

**যিকোনো** বিষয় সম্পৰ্কত ব্যক্তিৰ সম্যক ধাৰণাক জ্ঞান বোলা হয়। ধাৰণা আৰু তথ্য একে নহয়। সহজ অৰ্থত ভাল বেয়া চিন্তা কৰিব পৰাটোৱেই জ্ঞান। জীৱ মাত্ৰেই জ্ঞান আছে। মানুহক জীৱশ্ৰেষ্ঠ বোলা হয়। কিয়নো মানুহৰ জ্ঞান শ্ৰেষ্ঠ। সভ্যতাৰ বিৱৰ্তনে জ্ঞানৰ সংজ্ঞা সলনি কৰি থাকে। ব্যক্তিৰ সামূহিক জ্ঞানক মানুহৰ জ্ঞান বোলা হয়। তথ্য আৰু বিশ্লেষণ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি ধাৰণাৰ সৃষ্টি হয় আৰু এইদৰেই এটা সময়ত ই জ্ঞানৰ ৰূপ লয়। বিশ্লেষণ পদ্ধতিৰ নিজস্ব স্বাধীনতা থাকে কাৰণেই ব্যক্তি ভেদে বিশ্লেষণৰ বিবিধতা দেখা যায়। জ্ঞান যিহেতু তথ্য ভিত্তিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, সেয়েহে যিকোনো বিষয় সম্পৰ্কত ব্যক্তিৰ তথ্য সমৃদ্ধ ধাৰণাই তেওঁৰ জ্ঞান বুলি স্বীকৃতি পায়। তথ্য বিবাদমুক্ত হ'ব লাগিব যদিও জ্ঞান শুদ্ধ বা অশুদ্ধ যিকোনো হ'ব পাৰে। জ্ঞান শুদ্ধ হ'লেই জ্ঞানী হ'ব নোৱাৰে বা জ্ঞান অশুদ্ধ হ'লেও অজ্ঞানী হৈ নাযায়। জ্ঞানৰ শুদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰি কেৱল জ্ঞান থকা-নথকাটোহে নিৰ্ধাৰিত হয়। শুদ্ধ আৰু সত্য একে নহয়। শুদ্ধ কথাই এক দীঘলীয়া সময়ৰ অন্তত সত্যৰ স্বীকৃতি পায়। ভুল বা অশুদ্ধ বুলি প্ৰমাণিত নোহোৱালৈকে জ্ঞানক শুদ্ধ বা সত্য বুলি গণ্য কৰা হয়। তথ্য সত্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু জ্ঞান তথ্যৰ ওপৰত নিৰ্ভৰশীল যদিও কেৱল তথ্যৰ ফুলজাৰি জ্ঞান হ'ব নোৱাৰে। জ্ঞান দুই প্ৰকাৰৰ— সাধাৰণ জ্ঞান আৰু বিষয় ভিত্তিক জ্ঞান। কিমান জানিলে তেওঁৰ বিষয় ভিত্তিক জ্ঞান থকা বুলি ধৰা হ'ব সেইটো নিৰ্দিষ্ট কৰি থোৱা আছে যদিও সাধাৰণ জ্ঞানৰ ক্ষেত্ৰত এনেধৰণৰ নিৰ্দিষ্ট মাপ নাই। জ্ঞান যেনেকুৱাই নহওক, জ্ঞান থাকিলেই জ্ঞানী হ'ব নোৱাৰে। জ্ঞান কামত লগাব পাৰিলেহে জ্ঞানী হ'ব পাৰে। জ্ঞান অৰ্জনত প্ৰয়োজনতকৈ অধিক মনোনিৱেশ কৰিলেও জ্ঞানী হোৱা সম্ভৱ নহয়। বিষয় ভিত্তিক জ্ঞানত শ্ৰেষ্ঠত্ব অৰ্জন কৰিব পৰা সকলক বিদ্বান বোলা হয়। সকলো বিদ্বান জ্ঞানী নহ'বও পাৰে আৰু জ্ঞানী হ'বলৈ বিদ্বান হোৱাটো বাধ্যতামূলক নহয়। জ্ঞান অৰ্জন সহজলভ্য হোৱাৰে পৰা বিদ্বানৰ সংখ্যা বাঢ়িছে। বিদ্বান হোৱাটো যিমান সহজ, জ্ঞানী হোৱাটো সিমান সহজ নহয়। জ্ঞানী ব্যক্তিৰ দ্বাৰা সমাজ উপকৃত হয় যদিও বিদ্বান লোকেৰে সমাজ ভৰি থাকিলেও সমাজ উপকৃত নহ'বও পাৰে। জ্ঞানীৰ জ্ঞান সৰ্বদিশত কিন্তু বিদ্বানৰ জ্ঞান বিশেষ ক্ষেত্ৰত। বিদ্বান লোক নিজৰ ক্ষেত্ৰৰ বাহিৰত ঠগ-প্ৰৱঞ্চকৰ কবলত পৰাটো সাধাৰণ ঘটনা। বিদ্যা দদাতি বিনয়ম কাৰণে বিদ্বানলোকে সাধাৰণতে ৰক্ষণাত্মক অৱস্থাত অৱস্থান নকৰে। ভাৰতীয় সমাজ ব্যৱস্থা শিক্ষিত-অশিক্ষিত ঠগ-প্ৰৱঞ্চকৰ ৰম্যভূমি। আমাৰ ইয়াত ঠগ-প্ৰৱঞ্চকক বুধিয়ক বুলি গণ্য কৰাৰ বিপৰীতে ঠগ খোৱাজনক বুৰ্ব্বক বুলি কৈ সকলো দোষ জাপি দিয়া হয়।

কিছুমান ক্ষেত্ৰত বিদ্বানৰ জ্ঞান জ্ঞানীতকৈও ওপৰ খাপৰ হোৱা বাবে বিদ্বানবোৰক অহংভাৱে আগুৰি থাকে। এই অহং ভাৱে এওঁলোকক জ্ঞানী হোৱাত বাধা প্ৰদান কৰে। সৰহ সংখ্যক বিদ্বান স্বভাৱজাতভাৱে ৰক্ষণশীল আৰু সকলো কথাতে তৰ্ক কৰিবলৈ উদ্যত হয়। ৰক্ষ্মণশীল হোৱা বাবে এওঁলোকে সৰু হ'ব নোৱাৰে যদিও কৈ ফুৰে সৰু হ'ব নোখোজা বুলি। নোৱাৰা আৰু নোখোজা একে কথা নহয়। নোৱাৰাবোৰে ইচ্ছা থাকিলেও নোৱাৰে কিন্তু নোখোজাবোৰে নিজৰ স্বাৰ্থত সকলো পাৰে। গতিকে ঘূৰি পকি দেখা গ'ল যে জ্ঞানী হ'ব পৰাটোহে উত্তম ব্যক্তিত্ব। সেয়েহে জ্ঞানী হ'ব খোজাটো মনুষ্যৰ স্বাভাৱিক প্ৰবৃত্তি। জ্ঞান থকা বুলি নিজে ভবাত বাধা নাই যদিও হও বুলি জ্ঞানী হোৱাটো সম্ভৱ নহয়, কিয়নো জ্ঞানী হ'বলৈ কোনো নিৰ্দিষ্ট পৰীক্ষা বা প্ৰতিযোগিতাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক নহয়। জ্ঞানীৰ স্বীকৃতি সমাজে দিয়ে। সমাজৰ স্বীকৃতি স্থায়ী নহয় আৰু সমাজে কি ভিত্তিত এইটো বিবেচনা কৰে সেইটোও সমাজ ভেদে ভিন্ন। এটা সময়ত জ্ঞান থকাজনকে জ্ঞানী বোলা হৈছিল। যিয়ে জ্ঞান কামত লগাব পাৰে বা পাৰিছে তাকেই জ্ঞানী বোলা হয়। জীৱন্ত সমাজ চলমান অৱস্থাত থাকে সেয়েহে সমাজৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী। সামাজিক ভাৰসাম্য ভংগ নোহোৱাকৈ সমাজৰ পৰিৱৰ্তন সকলোৱে কাম্য। শ্ৰোতাতকৈ যিদৰে বক্তা বেছি হ'ব নোৱাৰে, বেমাৰীতকৈ যিদৰে চিকিৎসক বেছি হ'ব নোৱাৰে, ঠিক তেনেদৰে যিমানেই উন্নত সমাজ ব্যৱস্থা নহওক কিয় জ্ঞানীৰ সংখ্যা এক নিৰ্দিষ্ট সীমা অতিক্ৰম কৰিব নোৱাৰে। প্ৰয়োজন হ'লে জ্ঞানীৰ সংজ্ঞা নতুনকৈ নিৰূপণ কৰি হ'লেও এই সংখ্যাই এক নিৰ্দিষ্ট সীমাৰ ভিতৰত ৰাখিবলৈ বাধ্য। এটা উদাহৰণ দিলে বিষয়টো অধিক স্পষ্ট হ'ব। ধৰি লোৱা হ'ল আপুনি নিজৰ গাড়ীৰে গুৱাহাটীৰ পৰা নলবাৰীলৈ গৈ আছে। এটা সময়ত বাইহাটা চাৰিআলি পাওঁতে আপোনাৰ খেলি-মেলি লাগিল। নলবাৰীলৈ বাওঁফালে ঘূৰিবলৈ কৈছিল নে সোঁফালে ঘূৰিবলে কৈছিল। নিজেই গাড়ী লৈ যাব পৰা ব্যক্তি এজন যিহেতু জ্ঞান শূন্য নহয় সেয়েহে গাড়ীৰ পৰা নামি ওচৰৰ দোকান এখনত সোমাই দোকানীজনক সোধোতে দোকানীজনে ক'লে যে তেওঁ নতুনকৈ আহিছে গতিকে নাজানে। গতিকে দোকানীজন এই বিষয়ত জ্ঞান নথকা ব্যক্তি হ'ব। ইয়াৰ পাছত এজনক সোধোতে তেওঁ দেখুৱাই দিয়া বাটেৰে গৈ এটা সময়ত গম পালে যে তেওঁ নলবাৰীৰ পৰিৱৰ্তে মঙলদৈৰ ফালেহে গৈ আছে। যিহেতু মানুহজনে ভুল পথ দেখুৱাই দিছিল সেয়েহে তেওঁ হ'ব অজ্ঞানী। গাড়ী ওভতাই এজন ব্যক্তিৰ লগত দিহা-পৰামৰ্শ কৰি গম পালে যে বাইহাটা চাৰিআলিত সোঁহাতে ঘূৰাৰ পৰিৱৰ্তে বাওঁহাতে ঘূৰিব লাগিছিল। অৰ্থাৎ কোনোফালে ঘূৰা-ঘূৰি নকৰি এতিয়া বাইহাটা চাৰিআলিৰ পৰা পোনে পোনে গ'লে নলবাৰী পাব। মঙলদৈৰ পৰা উভতি আহি বাইহাটা চাৰিআলিত মঙলদৈৰ মানুহজনে দিয়া পৰামৰ্শ নিশ্চিত কৰিবলৈ আৰু এজনক সোধোতে এইফালে গ'লেই নলবাৰী পাব বুলি ক'লে যদিও আগত এখন দলঙৰ কাম চলি আছে গতিকে আপোনালোকে এইফালে যাব নোৱাৰিব। আপোনালোকে এইফালে অলপ ঘূৰি পোনে পোনে গ'লে নলবাৰী পাব। এটা সময়ত দেখুৱাই দিয়া পথেৰে আহি নলবাৰী পালে। সেয়েহে মঙলদৈৰ মানুহজন হ'ব জ্ঞান থকা ব্যক্তি আৰু শেষত লগ পোৱা মানুহজন হ'ব জ্ঞানী ব্যক্তি যিয়ে নিজৰ জ্ঞান কামত লগাই আপোনাৰ সমস্যা সমাধানৰ বাট দেখুৱাই দিছিল। ঠিক তেনেদৰে ১৯৪৭ৰ ১৫ আগষ্টত ভাৰত স্বাধীন হৈছিল, যিটো আমি সকলোৱে জানো। সেই সময়ত পণ্ডিত নেহৰু কংগ্ৰেছৰ সভাপতি আছিল। লৰ্ড মাউণ্টবেটেন ভাৰতৰ গবৰ্ণৰ জেনেৰেল আছিল ইত্যাদি ইত্যাদি। এইবোৰ হৈছে তথ্য, যিটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত। বৃটিছে কি পৰিস্থিতিত পৰি ভাৰতক স্বাধীনতা দিবলৈ বাধ্য হৈছিল, স্বাধীনতা দিয়াৰ নামত দেশ বিভাজিত কিয় কৰিব লগা হৈছিল, কংগ্ৰেছে দেশ বিভাজনৰ বিৰুদ্ধে কিয় নৰম স্থিতি গ্ৰহণ কৰিছিল, বিভাজন নকৰাকৈ স্বাধীনতা দিয়া হ'লে কি পৰিস্থিতিৰ উদ্ভৱ হ'লহেঁতেন ইত্যাদিবোৰ জনা বা জনাৰ উৎসুকতাক জ্ঞান বোলা হয়। এইবোৰ বিষয়ৰ প্ৰকৃত সত্য কোনেও নাজানে। জ্ঞানৰ ওপৰ খাপৰ স্তৰটোক বিজ্ঞান বোলা হয়। বিজ্ঞানৰ সত্য অন্বেষণৰ পদ্ধতি জ্ঞানৰ ক্ষেত্ৰতো প্ৰযোজ্য। পাৰ্থক্য এইটোৱেই যে বিজ্ঞানে সত্যৰ পিছত যিমান লাগি থাকে জ্ঞানে সিমান লাগি নাথাকে। গতিকে দেশ কিয় বিভাজিত হৈছিল সেইটো জনা সকলে নিজৰ জ্ঞান কামত লগায় আৰু এনে কি কৰিলে ভৱিষ্যতে পুনৰ দেশ বিভাজন নহয় বুলি ক'ব পৰা জনকে জ্ঞানী বোলা হয়।

কি জ্ঞান কিদৰে কামত লগায় জ্ঞানী হ'ব পাৰি সেইটো কোনো কিতাপত পোৱা নাযায়। ইয়াৰ উপৰি আমাৰ সমাজত জ্ঞানবৰ্দ্ধক বিষয় সমূহ আলোচনা কৰা নহয়। পশ্চিমীয় চিন্তাবিদসকলৰ মতে জ্ঞান কামত লগাই অৰ্থ উপাৰ্জন কৰিব পৰা জনকহে জ্ঞানী বোলা হয়। আমাৰ ইয়াত জ্ঞান বিলাই জ্ঞানী হ'ব খোজে; কিয়নো ধন অৰ্জনৰ কৌশল আনেও জানি লাভবান হ'ব বুলি ৰাজহুৱা কৰা নহয়। আমাৰ ইয়াত মিথ্যাচাৰ জ্ঞানৰ অংগ বুলি গণ্য কৰা হয়। সেয়েহে কোনো জ্ঞানীয়ে ঘৰ আৰু পৰত একে কথা নকয়।

সত্যৰ সদায় জয়, যত্ন কৰিলে ৰত্ন পায় ইত্যাদিবোৰ সমাজত কোৱা কথা কিবা প্ৰসংগত ঘৰতো ক'লে বিপদ অনিবাৰ্য। ল'ৰা-ছোৱালীক মাতৃভাষাত পঢ়াব লাগে বুলি সমাজত কোৱা সকলে নিজৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বিপৰীত স্থিতি অৱস্থান কৰাটো জ্ঞানীৰ লক্ষণ বুলি দাবী কৰে। নিজৰ কু-কীৰ্তি ঢাকিবলৈ ঋণ লৈ গাড়ী-ফ্লেট কিনা বুলি কৈ ফুৰা জ্ঞানীৰ দৰমহা কিমান সেইটো ক'বলৈ অপাৰগতা প্ৰকাশ কৰি হাতযোৰ কৰাটো আমাৰ সমাজত সহজলভ্য ঘটনা বুলি বিবেচিত হৈছে।

*লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা, গুৱাহাটী*
*ফোন ঃ ৬০০১৬৭৫২২৩*

# ওপজা দিনত শিল্পী মুনিন দত্তক সুঁৱৰি

**ভাস্কৰ ফুকন**



**সাধাৰণ** সাজপাৰ পৰিহিত, ধুনীয়া চেহেৰাৰ এজন অতি সৰবৰহী ডেকা। ডিব্ৰুগড় চহৰখনত তেওঁৰ অচিনাকি যেন কোনো নাই। বাটে বাটে বন্ধু। চিনাকি-অচিনাকি সকলোলৈকে তেওঁৰ সেই একেই উষ্ণ আৰু উৎফুল্ল সম্ভাষণ। এইজনেই সুৰকাৰ, গীতিকাৰ, তবলা বাদক, গায়ক আৰু অতি উন্নত দক্ষতা সম্পন্ন হাৰমণিয়াম বাদক মুনীন দত্ত। পাছলৈ তেওঁৰ পৰিচয় হৈছিলগৈ এজন পেৰডী গায়কৰূপে। এয়াই আছিল মাত্ৰ ৩৯ বছৰ বয়সতে হেৰাই যোৱা অসমৰ সংগীত জগতৰ এটা মাণিক। আধুনিক, বিহুগীত, গজল, পেৰডী গীত সকলোতে মুনীন দত্তৰ গায়কী অৰ্থাৎ গীত গোৱা শৈলী আছিল অনন্য। এজন শিল্পীৰ থাকিব লগা সকলোখিনি গুণ মুনীন দত্তৰ মাজত আছিল। তদুপৰি তেওঁৰ আছিল এক স্বকীয় ৰসবোধ। ডিব্ৰুগড় চহৰখনেই যেন তেওঁৰ ঘৰ আছিল। কাৰোবাৰ ঘৰত আয়োজন কৰা জলসা, বিহুমঞ্চত বিহুগীতেই হওক, পেৰডী গীতেই হওক বা আধুনিক গীত অথবা কোনো মিলাদৰ মেহফিলত গজল, সকলোতে দত্তই সমান আন্তৰিকতা আৰু আবেগৰে গীত পৰিৱেশন কৰিছিল।

সুন্দৰ চেহেৰা, সুন্দৰ ব্যৱহাৰ আৰু সুন্দৰ এটা কণ্ঠৰ অধিকাৰী দত্তৰ শিল্পী জীৱন আৰম্ভ হৈছিল তবলা বাদক ৰূপে। ১১ বছৰ বয়সতে সদৌ অসম ভিত্তিত আয়োজিত তবলা বাদন প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল। ১৯ বছৰ বয়সতে প্ৰথমখন গ্ৰামোফোন ৰেকৰ্ডত তেওঁৰ গীত বাণীবদ্ধ হৈছিল এইছএমভি কোম্পানীৰ দ্বাৰা। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ তেওঁ আছিল এজন গায়ক, সুৰকাৰ, গীতিকাৰ আৰু বাদ্যযন্ত্ৰী। স্কুলীয়া ছাত্ৰ অৱস্থাত ডিব্ৰুগড়ত অনুষ্ঠিত এক সংগীতানুষ্ঠানত ভূপেন হাজৰিকাৰ লগত একেখন মঞ্চতে তেওঁ পৰিৱেশন কৰিছিল। ভূপেন হাজৰিকাই তেওঁক দৰ্শকৰ আগত অসমৰ এটা মাণিক বুলি পৰিচয় কৰাই দিছিল।

এজন পেৰডী গায়কৰূপে দত্তৰ খ্যাতি আৰু জনপ্ৰিয়তা আছিল অসমৰ প্ৰথমজন পেৰডী গায়ক দোস্ত হবিবুৰ ৰহমানৰ সমপৰ্যায়ৰ 'মণি তুমি নাকান্দিবা, মাম্মি ঘৰত নাই', 'চেনিচম্পা নহয় ই ভীমকল', 'ৰামলীলা চাবলৈ' আদি তেওঁৰ শ্ৰেষ্ঠ পেৰডী গীতবোৰৰ দুটা আধুনিক ৰোমাণ্টিক গীতৰ ভিতৰত 'জিৰি জিৰি নিজৰা বব', 'কণমানি ভণ্টি তই ডাঙৰ হলি', 'তোমাক ধুনীয়া বুলি কোৱাত আকাশৰ জোনলৈ চালা' আদি। দত্তৰ গীতত আৰু পেৰডীত সমাজৰ ৰুচি বোধৰ পৰিৱৰ্তন, অসমীয়া জাতীয় জীৱনত বিজতৰিয়া সংস্কৃতিৰ প্ৰভাৱ, দেশৰ মাটি পানী আৰু অসমীয়া জনজীৱনৰ বাৰেৰহণীয়া সামাজিক সাংস্কৃতিক প্ৰতিচ্ছবি ফুটাই তোলাৰ প্ৰচেষ্টা দেখা যায়।' হিটছ অৱ মুনীন দত্ত' আৰু 'সোণজনী' এই দুই কেছেটে মুনীন দত্তৰ গীতবোৰ জীয়াই ৰাখিছে। ১৯৮৭ৰ ১৫ জুলাইত ডিব্ৰুগড়ৰ ৰাধাগোবিন্দ বৰুৱা স্মৃতি ৰক্ষা সমিতিয়ে দত্তক পেৰডী সম্ৰাট উপাধি প্ৰদান কৰিছিল। তাৰ এবছৰ পাছতে ১৯৮৮ৰ ন অক্টোবৰত মাত্ৰ ৩৯ বছৰ বয়সত এই গুণী শিল্পীজনে যকৃতৰ ৰোগত ভুগি মৃত্যু মুখত পৰে। মোৰ স্কুলীয়া দিনৰ অন্তৰংগ সংগী মুনীন দত্ত নামৰ এই প্ৰতিভাশালী ব্যক্তিত্বৰ জীৱন অকালতে নিঃশেষ হৈ গ'ল।

আনন্দৰ কথা তেওঁৰ একমাত্ৰ কন্যা সন্তান কেয়া দত্ত এগৰাকী গুণী আৰু সৃষ্টিশীল ব্যক্তিৰূপে পৰিচিত। কথাছবি নিৰ্মাতা আৰু লেখিকা হিচাপে কেয়া দত্তই নিজকে প্ৰতিষ্ঠা কৰিছে আৰু তেওঁৰ কে'বাখনো চুটি ছবিয়ে আন্তৰ্জাতিক বোলছবি মহোৎসৱত প্ৰতিযোগী ছবি হিচাপে অংশগ্ৰহণ কৰিছে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ছপা মাধ্যমত কেয়াৰ ইংৰাজীত লিখা গল্প, কাহিনী আদি প্ৰকাশ পাই আহিছে। আজি ছয় আগষ্ট হ'ল মুনীন দত্তৰ জন্মদিন। পাহৰণিৰ গৰ্ভত হেৰাই যোৱা এজন প্ৰকৃত শিল্পীক সৃষ্টিকামী লক্ষজনৰ মাজত পুনৰ পৰিচিত কৰাই মোৰ এই লেখাৰ উদ্দেশ্য। ওপজা দিনটোত মুনীন দত্তৰ প্ৰতি মোৰ শ্ৰদ্ধা ভৰা মৰম জনালো।

*ফোন ঃ ৯৮৬৪০৬৩৫৮৪*

# যোৰহাট দৃষ্টিহীন বিদ্যালয়ত শিক্ষাৰ্থীয়ে

*তিনি পৃষ্ঠাৰ পৰা* ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰে। মন্ত্ৰীজনে প্ৰদান কৰা বাদ্যযন্ত্ৰৰ সহায়ত কে'বাগৰাকীও দিব্যাংগ শিক্ষাৰ্থীয়ে গীত পৰিৱেশন কৰি মন্ত্ৰীজনৰ লগতে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰে। বিদ্যালয়খনতে মন্ত্ৰী হাজৰিকাই আন এগৰাকী দিব্যাংগ কিশোৰীক চিকিৎসাৰ বাবে কিছু আৰ্থিক সাহায্য প্ৰদান কৰে। মন্ত্ৰীজনে যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰ লগতে সকলো দিব্যাংগ শিক্ষাৰ্থীৰে উজ্জ্বল ভৱিষ্যতৰ বাবে শুভকামনা জনায় আৰু বিভাগীয় মন্ত্ৰীৰূপে তথা ব্যক্তিগত পৰ্যায়তো যিমানখিনি পাৰি সকলোখিনি কাম কৰিবলৈ প্ৰয়াস কৰিব বুলি উল্লেখ কৰে। বিদ্যালয়খন পৰিদৰ্শনৰ সময়ত আজি মন্ত্ৰীজনক মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যুৱ সমাজকৰ্মী সিদ্ধাংকু অংকুৰ বৰুৱা আৰু বহুকেইজন বিশিষ্ট ব্যক্তিয়ে সংগ দিয়ে।

# মুকলি আকাশৰ তলৈলৈ উশ্বু খেলুৱৈ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰণিতাক। মৰাণহাট থানাৰ ৩৬/২২ নম্বৰৰ গোচৰৰ ভিত্তিত প্ৰণীতাক পাছদিনাই গ্ৰেপ্তাৰ কৰি শিৱসাগৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। ইফালে, প্ৰণীতাৰ জেল যাত্ৰাৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি প্ৰণীতাৰ মুক্তিৰ দাবীত সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমযোগে প্ৰতিবাদৰ জোৱাৰ উঠে। ইফালে, প্ৰণীতাই জেলত থকাৰ সময়তে সাত আৰু আঠ আগষ্টত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম আন্তঃজিলা ছিনিয়ৰ উশ্বু চেম্পিয়নশ্বিপৰ বাবে নিৰ্বাচিত হোৱাৰ খবৰ পৰিয়ালে লাভ কৰিছিল। উক্ত প্ৰতিযোগিতাখনত প্ৰণীতাই অংশগ্ৰহণ কৰিব পাৰিব নে নোৱাৰে এই লৈ পৰিয়ালৰ লোক সন্দিহান হৈ পৰিছিল। সেয়ে প্ৰণীতাৰ পিতৃ-মাতৃয়ে সংবাদ মাধ্যমযোগে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰণীতাক মুকলি কৰি দিবলৈ কাতৰ আহ্বান জনাইছিল। বিভিন্ন দল-সংগঠনেও প্ৰতিভাসম্পন্ন খেলুৱৈগৰাকীক শীঘ্ৰে মুক্তিৰ দাবী জনাইছিল। উল্লেখ্য যে চৰাইদেউ জিলাৰ মৰাণ ৰাইদঙীয়াৰ নিৱাসী পদ্ম চুতীয়া আৰু পূৰ্ণিমা চুতীয়াৰ দ্বিতীয়া কন্যা প্ৰণীতাই ২০১৫ৰ পৰা বক্সিং আৰু উশ্বু খেলত জড়িত হৈ ইতিমধ্যেই ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱাৰ লগতে দুদিনৰ পাছত গুৱাহাটীত অনুষ্ঠিতব্য সদৌ অসম আন্তঃজিলা ছিনিয়ৰ উশ্বু চেম্পিয়নশ্বিপৰ বাবে নিৰ্বাচিত হৈছে।

# অন্তঃসত্ত্বা কিশোৰীৰ মৃত্যুক লৈ

*তিনি পৃষ্ঠাৰ পৰা* কৰে। ঘটনা সন্দৰ্ভত ডিমাকুছি আৰক্ষী অৱগত হৈ দণ্ডাধীশৰ উপস্থিতিত শুকুৰবাৰে মৃতদেহ খান্দি উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰিলৈ প্ৰেৰণ কৰে। উক্ত ঘটনা সন্দৰ্ভত ভুক্তভোগী কিশোৰীগৰাকী মাতৃ গৃহত যেতিয়া আহে তেতিয়াই ওদালগুৰি জিলা চাইল্ড লাইন টীমে কিশোৰীগৰাকীক ওদালগুৰি জিলা শিশু সুৰক্ষা সমিতিত হাজিৰ কৰে যদিও পৰিয়ালৰ লোকে চাইল্ড লাইন টীমক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ কৰে সংগঠনটিৰে। ইফালে কিশোৰীগৰাকীক ফুচুলাই নি বিক্ৰী কৰা লম্পট চুনু আৰু দেচী নামৰ মহিলাগৰাকীক কঠোৰ শাস্তি বিহাৰ দাবী তুলিছে চাইল্ড লাইন, শিশু সুৰক্ষা সমিতি, জিলা আইন সেৱা প্ৰাধিকৰণ আৰু আছাকে ধৰি বিভিন্ন দল-সংগঠনে। কিন্তু আৰক্ষীৰ ভূমিকা পুতৌজনক অৱস্থাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, সাংবাদিকে বাতৰি কৰিবলৈ যোৱাত ডিমাকুছি আৰক্ষীয়ে দুৰ্ব্যৱহাৰ কৰে। ডিমাকুছি প্ৰেছ ক্লাব, ওদালগুৰি জিলা আপকুকে ধৰি বিভিন্ন দল-সংগঠনে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকক অসৎ ব্যৱহাৰ কৰা কাৰ্যক ডিমাকুছি আৰক্ষী থানাক তীব্ৰ গৰিহণা জনাইছে।

# গোপীনাথ বৰদলৈৰ দৃঢ়তাৰ বাবে অসম

*তিনি পৃষ্ঠাৰ পৰা* দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে নিয়মানুৱৰ্তিতা আৰু সততাৰে কৰ্তব্য সম্পাদন কৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীক লোকসেৱা বঁটা প্ৰদানৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি আজি অনুষ্ঠিত লোক কল্যাণ দিৱসত ৰাজ্যখনৰ ৯৯জন কৰ্মচাৰীক লোকসেৱা বঁটা প্ৰদান কৰা হয় । ইয়াৰ ভিতৰত নগাঁও জিলাৰ পাঁচগৰাকী কৰ্মচাৰী আছে।' মন্ত্ৰীজনে এই কৰ্মচাৰীসকলক লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আদৰ্শৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। নগাঁও জিলা উপায়ুক্ত নৱেন্দ্ৰ কুমাৰ শ্বাহে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয়, 'লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ বাবেহে আজি আমি স্বাধীন ভাৰতত মুক্ত মনেৰে কথা ক'ব পাৰিছো।' তেওঁ নৱপ্ৰজন্মক লোকপ্ৰিয়ৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণত আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° মিলন নেওগে কয়, 'লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে মূল্যবোধৰ ৰাজনীতি কৰিছিল। বিভিন্ন প্ৰত্যাহ্বান নেওচি দৃঢ়তাৰে অসমক ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। চৰকাৰে গোপীনাথ বৰদলৈক স্বীকৃতি দিয়াৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া প্ৰশংসনীয়।'

অনুষ্ঠানত জিলাখনৰ পাঁচগৰাকী কৰ্মচাৰী ক্ৰমে- অনু শইকীয়া, জয়ন্ত শৰ্মা, মমতাজ আনচাৰী, সীমান্ত হাজৰিকা আৰু পবিত্ৰ লাড়ুক লোকসেৱা বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিত নাথ, নগাঁও জিলা অগপৰ সম্পাদক যতীন নাথৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আদিয়ে অংশগ্ৰহণ কৰে। সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিৰ সমূখত বন্তি প্ৰজ্বলন কৰা হয়।

# চৰকাৰ বিৰোধী প্ৰতিবাদৰ দিনটোতে

*তিনি পৃষ্ঠাৰ পৰা* ছাঁৰ দৰে ৰাজনৈতিক ক্ষেত্ৰখনত খোজ পেলোৱা এহাতে এতিয়া সকলো নীতি-আদৰ্শ বিসৰ্জন দি গেৰুৱামুখী হোৱাত দলৰ মজিয়াত মৃদু জোকাৰণিৰ সৃষ্টি কৰিছে। বিজেপি চৰকাৰৰ মূল্যবৃদ্ধি, নিবনুৱা সমস্যা সমাধান, সাধাৰণ জনতাৰ ওপৰত জি এছ টিৰ মাধ্যমত অতিৰিক্ত কৰৰ বোজা জাপি দিয়াৰ প্ৰতিবাদ জনাই কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা দিনটোতেই তিতাবৰৰ একাংশ মুখাগ্ৰ কংগ্ৰেছীয়ে গেৰুৱা বসন পিন্ধি কংগ্ৰেছৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰিবলৈও ধৃষ্টতাবোধ নকৰিলে। ৰাজনৈতিক ক্ষেত্ৰখনৰ জৰিয়তে সমাজসেৱাৰ নামত পঞ্চায়ত পৰ্যায়ত অবাধ দুৰ্নীতিত নিমজ্জিত এইসকলে নিজৰ কুকীৰ্তি ঢাকিবলৈকে বিজেপিৰ শৰণাপন্ন হোৱা বুলিও চৰ্চা লাভ কৰিছে। কংগ্ৰেছৰ সকলো নীতি-আদৰ্শ বিসৰ্জন দি আজি যোৰহাট থিয়েটাৰ হ'লত অনুষ্ঠিত বিজেপিৰ সাংগঠনিক সভাত তিতাবৰৰ ৮৭ নম্বৰ মাধপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা ফুকন সহিতে পঞ্চায়তখনৰ আন চাৰিগৰাকী ৱাৰ্ড সদস্যই বিজেপিত যোগদান কৰে। দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ উপস্থিতিত বিজেপিত যোগদান কৰা ৱাৰ্ড সদস্যসকলৰ ভিতৰত তিনি নম্বৰ ৱাৰ্ডৰ নিৰ্বাচিত সদস্য বৃষ্টিপৰ্ণা সোণোৱাল বৰা, চাৰি নম্বৰ ৱাৰ্ডৰ মামণি দত্ত বাৰ্লো, সাত নম্বৰ ৱাৰ্ডৰ দিপীকা বৰা আৰু আঠ নম্বৰ ৱাৰ্ডৰ বিকাশ ওৰাং। আনহাতে, ৭৬ নম্বৰ বেবেজীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী গীতাঞ্জলী ৰাজখোৱাই এগৰাকীও সমৰ্থকক লগত নোলোৱাকৈ বিজেপিত যোগদান কৰে। ইয়াৰোপৰি তিতাবৰ ব্লক কংগ্ৰেছৰ অনুসূচীত জাতি মহিলা মৰ্চাৰ পবিতৰা দাসেও কংগ্ৰেছৰ পৰা বিজেপিলৈ লুটিবাগৰ সলাইছে। কংগ্ৰেছৰ পৰা বিজেপিলৈ দল সলনি কৰাৰ আজি সমগ্ৰ পৰিকল্পনা প্ৰস্তুত কৰে ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰী আৰু কাৰ্যবাহী সদস্য শ্যামলকৃষ্ণ বড়াই। প্ৰাপ্ত তথ্য অনুসৰি অনতিপলমে তিতাবৰ বিধানসভাৰ মেলমাটি, তুৰং আৰু ৰঙাজান গাঁও পঞ্চায়তৰ সভাপতি সহিতে অন্য বহু দলীয় নেতাই বিজেপিত যোগদান কৰিবলৈ ভিতৰুৱাকৈ বুজাপৰা অব্যাহত ৰাখিছে যদিও কৌশলগত কাৰণতেই বিজেপিয়ে ৰাজহুৱা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা নাই। তৎসত্বেও দলটোক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাত বিফলতা প্ৰদৰ্শন কৰা তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই আজি ব্লক কংগ্ৰেছৰ অন্যান্য বিষয়ববীয়াসকলক লগত লৈ দলীয় প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। বিধায়কৰ নেতৃত্বত মুষ্টিমেয় কেইগৰাকীমান দলীয় নেতা-পালিনেতাই হাতে হাতে চৰকাৰ বিৰোধী প্লেকাৰ্ড-ফেষ্টুন লৈ বিজেপি চৰকাৰখনে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত বিফল হোৱা, নিবনুৱা সমস্যা সমাধানত চূড়ান্ত বিফলতা হোৱা আৰু সাধাৰণ জনতাৰ ওপৰত জি এছ টিৰ অত্যধিক হেঁচাৰ প্ৰতিবাদ জনাই চৰকাৰ বিৰোধী শ্ল'গান দিয়ে। তিতাবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত অৱস্থান গ্ৰহণ কৰি কংগ্ৰেছৰ প্ৰতিবাদী সমদলটোৱে ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ ৰাজ্যপালৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰে। তাৎপৰ্যপূৰ্ণভাৱে আজিৰ যোগদান কাৰ্যসূচীত তিতাবৰ বিৰিণাশায়েক পঞ্চায়তৰ অন্তৰ্গত তথা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলাৰ প্ৰাক্তন সভাপতি দেৱজিত হাজৰিকাৰ লগতে তিতাবৰ জিলা চুতীয়া জাতি সন্মিলনৰ সম্পাদক যদুমনি বৰাইও আনুষ্ঠানিকভাৱে গেৰুৱা বসন পৰিধান কৰে। উল্লেখ্য যে বিগত 'কা' আন্দোলনৰ সময়ত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলাৰ সভাপতিৰূপে জাতীয়তাবাদী নেতৃত্বক বলিষ্ঠ নেতৃত্ব দিয়া দেৱজিত হাজৰিকাৰ পৰৱৰ্তী সময়ত জাতীয়তাবাদী মঞ্চত মতবিৰোধ হোৱাত বিগত এটা বছৰে সংঘাতে চূড়ান্ত ৰূপ পাইছিল। পৰিশেষত যুৱ ছাত্ৰ পৰিষদৰ মঞ্চৰ পৰাও আঁতৰি আহিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল।

# প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিকাশ আৰু

*তিনি পৃষ্ঠাৰ পৰা* ইউপিপিএলৰ প্ৰতিষ্ঠাপক সভাপতি তথা ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই।

ইপিনে, সংবাদমাধ্যমৰ আগত দলৰ সপ্তম প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰমোদ বড়োৱে দলৰ প্ৰতিষ্ঠাপক সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কাৰ্যকাৰী সভাপতি ৰৌনগীৰা নাৰ্জাৰীকে ধৰি দলৰ সকলো নেতা-কৰ্মীলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। বিটিআৰ অঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিকাশ আৰু উন্নয়ন সাধনেই ইউপিপিএলৰ প্ৰধান লক্ষ্য মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে সকলোৱে কঠিন পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত ইউপিপিএলে আজিৰ পৰ্যায় পাবলৈ সক্ষম হৈছে। ইপিনে, সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত বড়োৱে বিপিএফক কঠোৰ সমালোচনা কৰে। বিজেপিৰ গাড়ীত বিপিএফে উঠিছিল আৰু পাছত নামি গৈ কংগ্ৰছৰ গাড়ীত উঠিছিল আৰু এতিয়া যদি পুনৰাই বিজেপিৰ গাড়ীত উঠিব বিচাৰে সেই সন্দৰ্ভত তেওঁ জ্ঞাত নহয় বুলি মন্তব্য কৰে। ইপিনে, ইউপিপিএলৰ প্ৰতিষ্ঠাপক সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ব্ৰহ্মাই বিটিআৰ চুক্তি ৰূপায়ণ কৰিব নোৱাৰিলে পাছত ৰাইজে পুনৰাই তেওঁলোকক দ্বিতীয় সুযোগ নিদিয়ে মন্তব্য কৰিছে। বিটিআৰ চুক্তিৰ দফাসমূহ ৰূপায়ণ কৰিব লাগিব আৰু যিবোৰ দফা ৰূপায়ণৰ বাবে দীঘলীয়া সময়ৰ প্ৰয়োজন সেয়া আৰম্ভ কৰিব লাগিব বুলি মন্তব্য কৰিছে মন্ত্ৰী ব্ৰহ্মাই। উল্লেখ্য যে আজিৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত বিধায়ক তথা ইউপিপিএলৰ কোকৰাঝাৰ জিলা সভাপতি লৰেঞ্চ ইছলাৰী, কাৰ্যবাহী সদস্য নীলুৎ স্বৰ্গীয়াৰী, ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰী, উপ-সভানেত্ৰী প্ৰতিভা ব্ৰহ্ম, বিজেপিৰ নেতা তথা কাৰ্যবাহী সদস্য ৰেওৱেৰা নাৰ্জিহাৰী, বিটিআৰ বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, কোকৰাঝাৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক সুৰজ মুছাহাৰীসহ ইউপিপিএলৰ কে'বাগৰাকী কেন্দ্ৰীয় আৰু জিলাপৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থাকে। প্ৰণিধানযোগ্য যে ইউপিপিএলৰ প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি আজি চন্দ্ৰপাৰা খেল পথাৰত এক প্ৰীতি ফুটবল খেলৰ আয়োজন কৰা হয়।

**বিটিআৰৰ বিভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ খালি পদৰ বিপৰীতে ১৪১ শিক্ষকক নিযুক্তিপত্ৰ বিতৰণ**

বিটিআৰৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ত খালী হৈ থকা পদৰ বিপৰীতে আজি বিটিআৰ চৰকাৰে ১৪১ গৰাকী শিক্ষকক নিযুক্তিপত্ৰ বিতৰণ কৰে। আজি বিটিআৰ বিধান পৰিষদীয় ভৱনৰ প্ৰেক্ষাগৃহত এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানৰ যোগেদি বিটিআৰ চৰকাৰৰ শিক্ষা বিভাগে আনুষ্ঠানিক স্নাতকোত্তৰ শিক্ষক (পিজিটি) ৯৫ গৰাকী, সহকাৰী প্ৰৱক্তা ২০ গৰাকী, উপাধ্যক্ষ ২০ গৰাকী আৰু প্ৰধান শিক্ষক হিচাপে ছয় গৰাকী শিক্ষকক নিযুক্তিপত্ৰ প্ৰদান কৰে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে। ইপিনে নিযুক্তিপত্ৰ প্ৰদান কৰাৰ পাছত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে শিক্ষকসকল মনপুতি নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছে। বিটিআৰত থকা ৪,৪৪২ খন প্ৰাথমিক বিদ্যালয়ৰ বাবে ৫০০ জন এডাপ্টৰ বাচনি কৰা হৈছে আৰু সেয়া অহা ১৫ আগষ্টত ঘোষণা কৰা হ'ব। আনহাতে, ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয় আৰু বিবি ইঞ্জিনীয়াৰিং কলেজৰ বাবে নতুনকৈ বাছ ক্ৰয় কৰা হ'ব বুলি সদৰী কৰিছে।

উল্লেখ্য যে আজিৰ নিযুক্তিপত্ৰ বিতৰণী অনুষ্ঠানত বড়োলেণ্ড বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য ক্ৰমে অৰূপ কুমাৰ দে', ৰেওৱেৰা নাৰ্জাৰী, ৰনেন্দ্ৰ নাৰ্জাৰী, ঘনশ্যাম দাস, ধনঞ্জয় বসুমতাৰী আৰু বিটিআৰৰ পাৰিষদ ক্ৰমে মাধৱ ছেত্ৰী, সজল দাস আৰু বিটিআৰৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্ম উপস্থিত থাকে।

# সৃজনগ্ৰামত চৰকাৰী কাৰ্যালয়ে-কাৰ্যালয়ে ৰাষ্ট্ৰীয় পতাকাৰ বিক্ৰী কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৫ আগষ্ট ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ প্ৰতিঘৰৰ লগতে চৰকাৰী, বেচৰকাৰী, কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান আদিত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাইছে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাঁও জিলাৰ আত্মসহায়ক গোটসমূহে। বৃহৎ সংখ্যক ৰাষ্ট্ৰীয় পতাকাৰ চাহিদা পুৰাবলৈকে জিলাখনৰ সৃজনগ্ৰামস্থিত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত ১৭ টা আত্মসহায়ক গোটে ভাগে-ভাগে ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰি অঞ্চলটোৰ চৰকাৰী কাৰ্যালয় আদিত বিক্ৰীৰ বাবে উলিয়াই দিছে। জীৱিকা সখী জয়মতী ৰায়ৰ নেতৃত্বত এক নম্বৰ চিল্ল্যাপাৰা গ্ৰাম্য সংগঠনটোৱে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকা আজি অঞ্চলটোৰ সৃজনগ্ৰাম উন্নয়ন খণ্ড, শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ উপৰি সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বিক্ৰীৰ বাবে মুকলি কৰে। এই উপলক্ষে সৃজনগ্ৰামৰ ভাৰপ্ৰাপ্ত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মনুজ ফুকনে কাৰ্যালয় চৌহদত ৰাষ্ট্ৰীয় পতাকাৰ বিক্ৰী কেন্দ্ৰটো মুকলি কৰে ।

## ইউপিপিএল দলৰ সপ্তম বৰ্ষপূৰ্তি উপলক্ষে তামুলপুৰত গছপুলি ৰোপণ

# আঠ লক্ষাধিক গছপুলি ৰোপণ কৰা হ'ব বিটিআৰত ঃ বড়ো

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৫ আগষ্ট ঃ** ইউপিপিএলৰ সপ্তম প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি তামুলপুৰ জিলা ইউপিপিএলৰ উদ্যোগত আৰু গয়বাৰী ব্লক ইউপিপিএলৰ সহযোগত তামুলপুৰ জিলাৰ বৰখোপা, এঘাৰ মাইল, সৌৰাগুৰি আদি ঠাইত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তামুলপুৰৰ বৰখোপাত গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। গছপুলি ৰোপণ কৰি তেওঁ কয়, 'পাঁচ আগষ্টত ইউপিপিএলৰ সপ্তম বৰ্ষপূৰ্তি উপলক্ষে ৪-৫ আগষ্টত বিটিআৰত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব। আমি এখন সেউজীয়া, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু শান্তিপূৰ্ণ বিটিআৰ গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰি লৈছো। এই লক্ষ্য আগত ৰাখিয়েই আমি ইউপিপিএলৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰাক ক্ষণত ১০ লক্ষাধিক গছপুলি ৰোপণৰ দিহা কৰিছো।' বিটিআৰ প্ৰধানজনে কয় যে জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ প্ৰতিটো ৰাজহুৱা অনুষ্ঠানত গছপুলি

# যোৰাবাটত জব্দ আঠোটাকৈ

*তিনি পৃষ্ঠাৰ পৰা* আৰক্ষী দলটোৱে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথতে বাহনখনৰ লগতে আঠোটাকৈ চোৰাং গো-ধন জব্দ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে প্ৰশান্ত দাস (৩০) আৰু পংকজ সিং (২৮) নামৰ দুজন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে।

# ৰূপহী মহাবিদ্যালয়ত ভৰ্তি

*তিনি পৃষ্ঠাৰ পৰা* নামত সংগৃহীত পুঁজি কি দৰে ব্যয় কৰা হৈছিল, সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। কাৰণ আৰ টি আইৰ অধীনত মহাবিদ্যালয়ৰ পুঁজি ব্যয়ৰ নথি পত্ৰ বিচাৰি কেবাগৰাকী লোকে আবেদন দাখিল কৰাৰ পিছতো কৰ্তৃপক্ষই মাহৰ পিছত মাহ ধৰি কোনো তথ্য প্ৰদান নকৰা ঘটনাই অধিক ৰহস্যৰ সৃষ্টি কৰিছে।

# ঢেকিয়াজুলিৰ ৰঙাগড়াত সপ্তম

*তিনি পৃষ্ঠাৰ পৰা* থকা বুলি অভিযোগ কৰে নিৰ্যাতিতাৰ লগতে পৰিয়ালৰ লোকে। এৰ্ছাদে ভয়-ভাবুকি দি এই কথা ঘৰত নক'বলৈ সকীয়নী দিয়ে কিশোৰীগৰাকীক। পিছত কিশোৰীগৰাকীৰ মাতৃয়ে এই কথা জানিব পাৰি ওচৰ-চুবুৰীয়া ৰাইজক কথাটো অৱগত কৰে আৰু বুধবাৰে নিশা ঘটনা সংক্ৰান্তত কিশোৰীগৰাকীৰ পৰিয়ালৰ লোকে ঢেকিয়াজুলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ধৰ্ষণ কাণ্ডৰ দৰে এক ঘৃণনীয় কাণ্ড সংঘটিত কৰা যুৱকজনক উচিত শাস্তি দিবলৈ প্ৰশাসনক দাবী জনাইছে কিশোৰীগৰাকীৰ পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। বৰ্তমান পৰ্যন্ত অভিযুক্ত এৰ্ছাদক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।

# ডিগবৈত ড্ৰাগছ বিৰোধী

*তিনি পৃষ্ঠাৰ পৰা* সাতজন যুৱকক ড্ৰাগছ সেৱন কৰি থকাৰ অৱস্থাত হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱক কেইজন ক্ৰমে ডিগবৈ এক নম্বৰ নাজিৰাটিংৰ নিবাসী শশী ছেত্ৰী (৩৮), মাকুম গান্ধী নগৰৰ নিবাসী সঞ্জু পানিকি (২৪), তিনি নম্বৰ হেবেটা গাঁওৰ নিবাসীক্ৰমে অকশ্চয় মুড়া (২২) আৰু মঙল মুড়াৰ পুত্ৰ কালু মুড়া (২৯), মাকুম চটপটিৰ নিবাসী শাকিব আলী (২৪)। গাঁওবাসীৰ প্ৰচেষ্টাত কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা যুৱক কেইজনক ৰাইজে কাণত ধৰাই আঠুকাঢ়াই, উত্তম-মধ্যম শোধাই ডিগবৈ আৰক্ষীক গতাই দিয়ে। আটকাধীন আটাইকেইজন যুৱকৰ বিৰুদ্ধে ১৪৬/২০২২ত ইউ/এছ ২১ (এ) এনডিপিএছ গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে।

# বিহপুৰীয়াৰ বিশিষ্ট শিক্ষাবিদ

*তিনি পৃষ্ঠাৰ পৰা* জিলা ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সভাপতি শৰ্মা অসম ব্ৰাহ্মণ সমাজৰো উপদেষ্টা আছিল। তেওঁৰ মৃত্যুত বিহপুৰীয়া সন্মিলিত নাট্য সমাজ, বিহপুৰীয়া জাতীয় বিদ্যালয়, লখিমপুৰ জিলা ব্ৰাহ্মণ সমাজ, পূবডিক্ৰুং মহাবিদ্যালয়, স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পৰিয়ালবৰ্গক ইহসংসাৰত এৰি যায়। কাইলৈ বিয়লি তেওঁৰ মৃতদেহ নিজা বাসগৃহত সৎকাৰ কৰা হ'ব।

# কেবিনেটৰ ২৮ জুলাইৰ সিদ্ধান্ত

*তিনি পৃষ্ঠাৰ পৰা* কোনোপধ্যেই মানি ল'ব নোৱাৰে। তেওঁ লগতে ৬.৩ ত স্পষ্টকৈ লিখা থকা ভেঞ্চাৰ স্কুল, কলেজ সকলোবোৰ প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে যদি ইয়াক বাহাল ৰাখে তেতিয়া হ'লে গোটেই বিষয়টো মষিমুৰ হ'ব বুলি কয়। তেওঁ লগতে অহা ছয় আগষ্টত বিষয়টো সন্দৰ্ভত ১৬ টা সংগঠনকে ধৰি বুদ্ধিজীৱী লোকসকলকলৈ গুৱাহাটীৰ হোটেল প্ৰাগকন্টিনেন্টেলত এক বৈঠকৰ আয়োজন কৰা হৈছে বুলি সদৰী কৰে আৰু যদি স্কুলসমূহ চৰকাৰে প্ৰাদেশিকীকৰণ নকৰে তেন্তে সেই শিক্ষকসকলৰ অৱস্থা কি হ'ব বুলিও প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ চৰকাৰে যদি ২৮ জুলাইৰ যিটো সিদ্ধান্ত সেইটোকে শুদ্ধ হ'ব বুলি ভাবে তেতিয়া ৰাইজৰ ইচ্ছাৰ পৰিৱৰ্তে হ'ব বুলি কয়। তেওঁ বিটিচিৰ শিক্ষকৰ সমস্যা সন্দৰ্ভত ইতিমধ্যে বিটিআৰ চৰকাৰৰ শিক্ষা বিভাগক জনোৱা বুলি কয়। সভাপতি বড়োৱে গণিত আৰু বিজ্ঞান বিষয়টো ইংৰাজী ভাষাত পঢ়ুওৱাৰ সিদ্ধান্তক বিৰোধিতা কৰি কয় যে বড়ো সাহিত্য সভা আৰু এবছুই জিলাই জিলাই গৈ সজাগতা সভা অনুষ্ঠিত কৰাৰ কথা দোহাৰে সভাপতিজনে। তেওঁ লগতে কেবিনেটত লোৱা এই সিদ্ধান্ত উঠাই ল'বলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। সভাত এবছুৰ সভাপতি দ্বীপেন বড়োৱে ইংৰাজীত পঢ়ুওৱাৰ সিদ্ধান্তটো চৰকাৰে বাতিল কৰিব লাগে বুলি কোৱাৰ লগতে তেওঁ বলপূৰ্বক ইংৰাজী ভাষা জাপি দিব নালাগে বুলি মন্তব্য কৰে। তেওঁ চৰকাৰৰ এনে সিদ্ধান্তক কোনো কাৰণতে মানি লোৱা নহ'ব বুলি কয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে তামুলপুৰ জিলা বড়ো সাহিত্য সভাৰ সভাপতি খনিন্দ্ৰ নাৰ্জাৰী, শালবাৰী জিলা বড়ো সাহিত্য সভাৰ সভাপতি ডুম্বৰুধৰ বসুমতাৰী, বাগ্সা জিলা বড়ো সাহিত্য সভাৰ সভাপতি শৰত চন্দ্ৰ ৰামছিয়াৰী, বড়ো সাহিত্য সভাৰ শাখা আৰু কেন্দ্ৰীয় সমিতিৰ নেতৃবৃন্দৰ লগতে এবছুৰ বিষয়ববীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত ফলমূল উৎসৱ আৰু প্ৰদৰ্শনীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৫ আগষ্ট ঃ** বতৰৰ সু-স্বাদু ফল-মূল আৰু সেইবোৰৰ উপকাৰিতা সম্পৰ্কে সজাগতা বৃদ্ধিৰ বাবে তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত আজি এক ফল-মূল উৎসৱ আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হয় । বতৰৰ বিভিন্ন সু-স্বাদু আৰু স্বাস্থ্যকৰ ফলসমূহৰ চিনাকি কৰাই দিয়াৰ লগতে সেইবোৰৰ উপকাৰিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱাৰ উদ্দেশ্যে আজি বিদ্যালয়খনৰ জিৰণি কোঠাত অনুষ্ঠিত ফল-মূল উৎসৱ তথা প্ৰদৰ্শনীখন ফিটা কাটি মুকলি কৰে তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ গুৰুপদ তালুকদাৰে। আজিৰ ফল-মূল উৎসৱ তথা প্ৰদৰ্শনীত মধুৰিআম, আম, অমিতা, আনাৰস, আপেল, আঙুৰ, নাচপতি, ডালিম, তৰমুজ, কল , নাৰিকল আদি বিভিন্ন বতৰৰ ফল-মূল আদি প্ৰদৰ্শন কৰি সেইবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিনাকি কৰাই দিয়াৰ লগতে আমাৰ অঞ্চলত পোৱা পুষ্টিকৰ ফল-মূলসমূহৰ উপকাৰিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে বিদ্যালয়খনৰ অধ্যক্ষ তথা শিক্ষকসকলে। আজিৰ অনুষ্ঠানতে বিদ্যালয়খনৰ চৌহদত ৰোপণ কৰা মধুৰিআম গছৰ মধুৰিআমো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয়। বিদ্যালয়খনত অনুষ্ঠিত ফল-মূল উৎসৱ তথা প্ৰদৰ্শনীয়ে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত কৰা পৰিলক্ষিত হয় । বিদ্যালয়খনত আয়োজিত ফল-মূল উৎসৱ তথা প্ৰদৰ্শনী আয়োজন কৰা সম্পৰ্কত অধ্যক্ষ গুৰুপদ তালুকদাৰে কয়, 'তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত পাঠ্যপুথিৰ প্ৰণালীবদ্ধ শিক্ষাদানৰ সমান্তৰালভাৱে অন্যান্য বিষয়তো শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে । যাতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশ বৃদ্ধি হয়। তাৰ অংশৰূপে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে বতৰৰ ফল-মূলসমূহ বতৰত চিনি পায়, কোনবিধ ফলত কি কি খনিজ পদাৰ্থ থাকে আৰু সেইবোৰৰ উপকাৰিতা সম্পৰ্কে সজাগতা আনিবলৈ আজিৰ এই উৎসৱৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে বিদ্যালয়খনৰ অধ্যক্ষ গুৰুপদ তালুকদাৰৰ বিশেষ উদ্যোগত ইতিমধ্যে বিদ্যালয়খনৰ চৌহদত মধুৰিআম, অমিতা, কল আদি ফলৰ গছ ৰোপণ কৰা হৈছিল। সম্প্ৰতি সেই গছসমূহত ফল ধৰিবলৈ লোৱাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে সেই ফলৰ সোৱাদ ল'বলৈও সক্ষম হৈছে। তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ গুৰুপদ তালুকদাৰৰ বিশেষ উদ্যোগত, বিদ্যালয়খনৰ প্ৰাথমিক শিক্ষক হনুমান প্ৰসাদ মীনা আৰু অৰুন যাদৱৰ সহযোগত আয়োজিত আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাথমিক শিক্ষক সুস্মিতা দত্ত, কিশোৰ কুমাৰ, অৰুণ ভৰত দাস আৰু যতীন উপস্থিত থাকে।

# বঙাইগাঁৱত লোক কল্যাণ দিৱসত বঁটা প্ৰদান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৫ আগষ্ট ঃ** বঙাইগাঁও জিলাত আজি জিলা প্ৰশাসনৰ উদ্যোগত বীৰঝৰা পাব্লিক লাইব্ৰেৰীত 'লোক কল্যাণ দিৱস' পালন কৰা হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুৰ দিন পাঁচ আগষ্টত অসম চৰকাৰে কেবিনেট বৈঠকত 'লোক কল্যাণ দিৱস'ৰূপে পালন কৰাৰ সিদ্ধান্ত লোৱা অনুসৰি এই দিৱসৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ কৰ্মচাৰীক উৎকৃষ্ট সেৱাৰ বাবে 'লোক সেৱা পুৰস্কাৰ' দিয়াৰো সিদ্ধান্ত লোৱা হয়। উল্লেখ্য যে পূৰ্বতে অসম চৰকাৰৰ কৰ্মচাৰীক পুৰস্কাৰ দিয়া হৈছিল যদিও সেয়া 'কৰ্মচাৰী বঁটা'ৰূপে দিয়া হৈছিল। আজি বঙাইগাঁৱৰ বীৰঝৰা পাব্লিক লাইব্ৰেৰীত উদ্‌যাপিত এই লোক কল্যাণ দিৱসৰ অনুষ্ঠানত জিলা উপায়ুক্ত নৱদ্বীপ পাঠকে আদৰণি ভাষণ দিয়ে। সভাত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে 'লোক কল্যাণ দিৱস' পাতিবলৈ সিদ্ধান্ত লোৱা বাবে চৰকাৰক ধন্যবাদ জনায় আৰু বহু পলমকৈ হ'লেও লোকপ্ৰিয় গোপীনাথ বৰদলৈক সন্মান জনোৱা কাৰ্যটোক আদৰণি জনায়। সভাত বঙাইগাঁও জিলাত জিলা পৰ্যায়ত আৱৰ্ত ভৱনত নিয়োজিত কৰ্মচাৰী বিক্ৰম আচাৰ্যক বিধায়ক চৌধুৰীয়ে 'লোকসেৱা বঁটা' প্ৰদান কৰে।

# লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু বাৰ্ষিকী

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৫ আগষ্ট ঃ** অসমৰ প্ৰথম মুখ্যমন্ত্ৰীৰ মৃত্যু বাৰ্ষিকীৰ দিনটো আজি বৰপেটা জিলা প্ৰশাসনে লোক কল্যাণ দিৱসৰূপে পালন কৰে। বৰপেটা জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উদ্‌যাপন কৰা হয় লোক কল্যাণ দিৱস। উপায়ুক্তসহ জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় বিশিষ্ট নাগৰিকসকলে লোক কল্যাণ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। লোক কল্যাণ দিৱসৰ লগত সংগতি ৰাখি বৰপেটা জিলাৰ দুই কৰ্মচাৰীক প্ৰদান কৰা হয় অসমৰ চৰকাৰৰ লোকসেৱা বঁটা। সমৰ্পিত সেৱা, নিয়মানুৱৰ্তিতা আৰু সততাৰে কৰ্তব্য সমাপন কৰা বাবে বৰপেটা কোষাগাৰ প্ৰাধিকাৰী কাৰ্যালয়ৰ গাণনিক প্ৰদীপ কুমাৰ পাঠক আৰু উপায়ুক্ত কাৰ্যালয়ৰ পৰ্যবেক্ষণ সহায়ক চালেহা বেগমক প্ৰদান কৰা হয় লোকসেৱা বঁটা। উল্লেখ্য যে অসমৰ জিলা পৰ্যায়ত ৮৯ জন আৰু ৰাজ্যিক পৰ্যায়ত ১০ জন অ-ৰাজপত্ৰিত বিষয়া-কৰ্মচাৰীক আজি এই বঁটা প্ৰদান কৰা হয়।

# উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত যুৱক সংঘ উন্নয়ন অভিযানৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৫ আগষ্ট ঃ** বিহপুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত বহু গাঁৱত পূৰ্বতে শতাধিক যুৱক সংঘ আৰু মহিলা সমিতিৰ গঠন হৈছিল যদিও সৱল নেতৃত্ব দিব পৰা লোকৰ অভাৱত বৰ্তমান যুৱক সংঘ আৰু মহিলা সমিতিসমূহ নিষ্ক্ৰিয় হৈ আছে। সেয়ে উক্ত যুৱক সংঘ আৰু মহিলা সমিতিসমূহক পুনৰ সক্ৰিয় কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষৰ উপলক্ষে আয়োজিত 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি পাঁচদিনীয়াকৈ বিহপুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত অৰ্ধশতাধিক গঁৱত 'যুৱক সংঘ উন্নয়ন অভিযান' নামৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নেহৰু যুৱ কেন্দ্ৰৰ দ্বাৰা বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বহু মৃতপ্ৰায়, পঞ্জীয়ন ম্যাদ উকলি যোৱা আৰু পঞ্জীয়ন কৰাত বিফল হোৱা যুৱক সংঘ আৰু মহিলা সমিতিক সক্ৰিয় কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ লগতে বহু সক্ৰিয় যুৱক সংঘ আৰু মহিলা সমিতিক অধিক সক্ৰিয়তাৰে আগবঢ়াই নিবলৈ আৰু চৰকাৰী বিভিন্ন আঁচনিৰ অংশীদাৰ হ'বলৈ পৰামৰ্শ প্ৰদান কৰা হয়। ইয়াৰ উপৰি যুৱক সংঘসমূহক প্ৰতিটো ক্ষেত্ৰতে নেহৰু যুৱ কেন্দ্ৰৰ ফালৰ পৰা সৎ পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি বিহপুৰীয়া উন্নয়ন খণ্ডত যোৱা তিনিদিন ধৰি চলা 'যুৱক সংঘ উন্নয়ন অভিযান' কাৰ্যসূচী সামৰণি পৰে। উক্ত কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ যুৱ সমন্বয়ক বিষয়া সুজাতা ভৌমিক, ৰূপমজ্যোতি চেতিয়া, উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক গোবিন্দ কলিতা, ডিক্ৰং গাঁও পঞ্চায়তৰ ভগৱান ছেত্ৰী আৰু দুলু মহন্ত।

## তিনি কৰ্মচাৰীক বঁটা প্ৰদান জিলা প্ৰশাসনৰ


# ধুবুৰীত লোক কল্যাণ দিৱস পালন

**ধুবুৰী, ৫ আগষ্ট ঃ** ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত আজি ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অসমৰ প্ৰথমজন মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি 'লোককল্যাণ দিৱস'ৰূপে পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। 'লোককল্যাণ দিৱস'ৰ কাৰ্যসূচীত ধুবুৰী জিলাৰ তিনিগৰাকী অ-ৰাজপত্ৰিত কৰ্মচাৰী ক্ৰমে ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক সঞ্জীৱ পাল চৌধুৰী, ধুবুৰী অতিৰিক্ত চিকিৎসা আৰু স্বাস্থ্য বিষয়া কাৰ্যালয়ৰ নগৰ সম্প্ৰসাৰণ শিক্ষাবিদ (আৰবান এক্সটেনছন এডুকেটৰ) পম্পী ৰাণী সাহা আৰু ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ অফিচ পিয়ন কাঞ্চন কুমাৰক আনুষ্ঠানিকভাৱে 'লোকসেৱা বঁটা' প্ৰদান কৰা হয়। সমৰ্পিত সেৱা, নিয়মানুৱৰ্তিতা আৰু সততাৰে কৰ্তব্য পালন কৰা বাবে তেওঁলোকক লোকসেৱা বঁটাৰ বাবে বাছনি কৰা হৈছে। এই বঁটাত আছে নগদ ২৫ হেজাৰ টকা, প্ৰমাণপত্ৰ আৰু এবছৰ চাকৰি কাৰ্যকাল বৃদ্ধি। অনুষ্ঠানত জিলা উপায়ুক্ত অন্বামুথন এম পিয়ে আদৰণি ভাষণ প্ৰদান কৰি কয় যে অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে আধুনিক অসমৰ ভেটি নিৰ্মাতা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি লোককল্যাণ দিৱসৰূপে পালন কৰা হৈছে। এনেদৰে আমাৰ দেশ আৰু সমাজ গঢ়াত অপৰিসীম বৰঙণি যোগোৱা মহান ব্যক্তিসকলক কৰা স্মৰণে আমাক আৰু নৱ প্ৰজন্মক নতুন উদ্যমেৰে কাম কৰাৰ প্ৰতি উৎসাহিত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা বিশিষ্ট সমাজকৰ্মী তথা ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় স্যান্যালে ভাৰতৰত্ন গোপীনাথ বৰদলৈয়ে অসমৰ উন্নতি, অসমীয়াৰ স্বাৰ্থ ৰক্ষা আৰু এখন শক্তিশালী ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ প্ৰসংগ উল্লেখ কৰে। লোকসেৱা বঁটা প্ৰাপক ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক সঞ্জীৱ পাল চৌধুৰীয়ে ভাষণ প্ৰদান কৰি তেওঁৰ কামৰ স্বীকৃতি দিয়া বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে আৰু আগলৈও অধিক নিষ্ঠা আৰু সততাৰে কাম কৰি যাব বুলি কয়। অনুষ্ঠানত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বহুসংখ্যক ৰাইজ উপস্থিত থাকে।



যগ্ৰাপাৰত ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা।

## পুনৰ টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ চীনৰ জেট বিমানৰ




**নিউজ ব্যুৰ', টাইপে, ৫ আগষ্ট ঃ** টাইৱানৰ নিচেই সমীপত চীনে অব্যাহত ৰাখিছে সামৰিক অনুশীলন। আজি একেৰাহে দ্বিতীয় দিনৰ বাবে চীনৰ যুঁজাৰু বিমানে টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ কৰে। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, শুকুৰবাৰে পুৱাতে ২০ খন চীনা যুঁজাৰু জেট বিমানে অবৈধভাৱে টাইৱানৰ আকাশমাৰ্গত প্ৰৱেশ কৰিছিল। তদুপৰি টাইৱানৰ নিচেই কাষতে সমুদ্ৰত ১০ খন চীনা ৰণতৰীয়ে সামৰিক অনুশীলন অব্যাহত ৰাখিছে। চীনৰ সামৰিক বাহিনীয়ে উদ্দেশ্য প্ৰণোদিতভাৱে টাইৱান প্ৰণালীত অনুপ্ৰৱেশ কৰা বুলি টাইৱানে অভিযোগ কৰিছে।

## কেৱল নিজা বিমানে নহয়, বিমানকোঠো নিৰ্মাণ কৰিব মাস্কে




নিউজ ব্যুৰ', টেক্সাছ, ৫ আগষ্ট ঃ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা-স্পেচ এক্সৰ স্বত্বাধিকাৰী এলন মাস্কে এইবাৰ তৈয়াৰ কৰিব নিজাববীয়া বিমানকোঠ। গিগাফেক্টৰি টেক্সাছৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত অংশ লৈ এই কথা প্ৰকাশ কৰিলে অৰ্বুদপতিৰ তালিকাত প্ৰথম স্থানত থকা মাস্কে। নিজাববীয়া বিমানকোঠ নিৰ্মাণৰ সিদ্ধান্তৰ সন্দৰ্ভত মাস্কে কয় যে তেওঁৰ মালিকনাধীন দুটা প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যালয় টেক্সাছত যদিও এই দুটা কাৰ্যালয়ৰ আশে-পাশে যিকেইটা আন্তৰ্জাতিক বিমানকোঠ আছে, তাৰ দূৰত্ব অধিক। ফলত যাতায়াতৰ ক্ষেত্ৰত অসুবিধা হৈ আহিছে। মাস্কে ২০১৫ গাল্ফষ্ট্ৰিম জি ৬৫০ বিমানৰে যাতায়াত কৰি আহিছে। অলপতে নিজৰ বাবে এখন ব্যক্তিগত জেট বিমানো মাস্কে ক্ৰয় কৰিছিল। নিজাববীয়াকৈ বিমান নিৰ্মাণৰ পাছত এইবাৰ মাস্কে ব্যক্তিগত বিমানকোঠ নিৰ্মাণ কৰিব।

## টাইৱান ভ্ৰমণৰ পাছত মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষা পেল'চিৰ বিৰুদ্ধে নিষেধাজ্ঞা চীনৰ




**নিউজ ব্যুৰ', বেইজিং, ৫ আগষ্ট ঃ** মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ কথা ঘোষণা কৰিলে চীনে। দুদিন পূৰ্বে মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষাগৰাকীয়ে স্বশাসিত দ্বীপৰাষ্ট্ৰ টাইৱান ভ্ৰমণ কৰিছিল। চীনে পেল'চিৰ টাইৱান ভ্ৰমণৰ তীব্ৰ বিৰোধিতা কৰিছিল। কিন্তু বেইজিঙৰ আপত্তিৰ পাছতো পেল'চিয়ে টাইৱান ভ্ৰমণসূচী সম্পন্ন কৰাৰ পাছত ক্ষুব্ধ চীনে মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষাৰ প্ৰৱেশ চীনত নিষিদ্ধ ঘোষণা কৰিলে। উল্লেখ্য যে চীনে টাইৱান নিজ দেশৰ অংশ বুলি দাবী কৰি আহিছে। আজি বেইজিঙে পেল'চি আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ কথা ঘোষণা কৰে। 'চীনৰ তীব্ৰ আপত্তি আৰু বিৰোধিতাৰ পাছতো পেল'চিয়ে টাইৱান ভ্ৰমণ কৰি চীনৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিলে। সেয়েহে পেল'চি আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ চীনত প্ৰৱেশ নিষিদ্ধকৰণৰ সিদ্ধান্ত লোৱা হ'ল।' চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰই আজি এইদৰে কয়।

## পুনৰ এদিনত ক'ভিডত সংক্ৰমিত হ'ল ২০,৫৫১ জন লোক, মৃত্যু ৭০ জনৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ৫ আগষ্ট ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ ২০,৫৫১ জনলৈ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি শুকুৰবাৰে দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধি পালে ১,৩৫,৩৬৪ জনলৈ। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ ফলত ৭০ জন লোকৰ মৃত্যু হ'ল। আনহাতে, বিগত এদিনত দেশত ২১,৫৯৫ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল।



## সোণৰ মূল্য ৪৭,৮০০ টকা হ'ল, চাৰি হেজাৰ টকা সস্তা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ আগষ্ট ঃ** সপ্তাহটোৰ অন্তিম বাণিজ্যিক দিনত আজি পুনৰ সোণৰ মূল্য কিছু হ্ৰাস পালে। এম চি এক্সত আজি পুৰা ২৪ কেৰেটৰ বিশুদ্ধ সোণৰ প্ৰতি ১০ গ্ৰামৰ মূল্য ৫২,১৪৩.০০ টকালৈ অৱনমিত হৈছিল। সম্প্ৰতি দেশৰ বজাৰত সোণ সৰ্বাধিক মূল্যৰ পৰা প্ৰায় ৪,০৮০ টকা সস্তা হৈছে। ইফালে আজি পুৰা ২২ কেৰেটৰ প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য দিল্লীৰ বজাৰত ৪৭,৮০০ টকা হয়। আনহাতে, দিল্লীৰ বজাৰত প্ৰতি কিলো ৰূপৰ মূল্য আজি ৫৮,০৭৫.০০ টকা হ'ল।

## এইবাৰ আতংক লাম্পি ভাইৰাছৰ, ৰাজস্থানত চাৰি হেজাৰ পশুৰ মৃত্যু



**নিউজ ব্যুৰ', জয়পুৰ, ৫ আগষ্ট ঃ** কৰ'না আৰু মংকী ভাইৰাছৰ সংক্ৰমণে দেশত আতংক অব্যাহত ৰখাৰ সময়তে এইবাৰ লাম্পি নামৰ আন এবিধ ভাইৰাছৰ সংক্ৰমণে চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি বৰ্তমানলৈকে ৰাজস্থানত লাম্পি ভাইৰাছৰ সংক্ৰমণত চাৰি হেজাৰৰো অধিক পোহনীয়া পশুৰ মৃত্যু হৈছে। তদুপৰি এই ভাইৰাছত আক্ৰান্ত হৈছে কমেও ৯৪ হেজাৰ পশু। ৰাজস্থানৰ ১৬ খন জিলাত লাম্পি চৰ্মৰোগত আক্ৰান্ত হৈছে ঘৰচীয়া জীৱ-জন্তু। বিশেষকৈ গৰু, ম'হ আদি এই ভাইৰাছত অধিক সংক্ৰমিত হৈছে। ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰে লাম্পি ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।

### টাইৱানৰ বিৰুদ্ধে সুনিৰ্দিষ্ট সামৰিক অভিযানৰ ভাবুকি দিলে চীনে

# চীনা যুঁজাৰু বিমানৰ শংকাত টাইৱানৰ আকাশমাৰ্গ পৰিহাৰ বিভিন্ন দেশৰ, বাতিল বহু বিমানৰ উৰণ

**নিউজ ব্যুৰ' টাইপে, ৫ আগষ্ট ঃ** চীনা যুঁজাৰু বিমানৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত টাইৱানৰ আকাশমাৰ্গত প্ৰৱেশৰ ক্ষেত্ৰত শংকিত হৈছে বিভিন্ন দেশৰ অসামৰিক বিমান। এনে পৰিস্থিতিত টাইপেৰ ছংছান বিমানকোঠৰ পৰা এখন এখনকৈ বিদেশী বিমানে প্ৰত্যাৱৰ্তন অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা মঙলবাৰে নিশা মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চি



টাইৱানত উপস্থিত হোৱাৰ পাছতে টাইৱান প্ৰণালীত চীনৰ যুঁজাৰু বিমানে সামৰিক অনুশীলন আৰম্ভ কৰিছিল। চীনে ইতিমধ্যে টাইৱানৰ বিৰুদ্ধে সুনিৰ্দিষ্ট সামৰিক অভিযানৰ ভাবুকিও দিছে।


আজিও চীনৰ যুঁজাৰু বিমানে আকৌ এবাৰ টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ কৰিলে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বহু দেশৰ বিমান পৰিবহণ সংস্থাই টাইৱানৰ আকাশমাৰ্গেদি বিমানৰ উৰণ বাতিল কৰিছে। দক্ষিণ কোৰিয়াৰ বিমান সংস্থাই আজি আৰু কাইলৈ টাইপেৰ বিমান বাতিলৰ কথা ঘোষণা কৰিলে। এছিয়া আৰু ইউৰোপৰ কে'বাখনো দেশে বৰ্তমানে টাইৱানৰ আকাশমাৰ্গ ব্যৱহাৰৰ পৰা বিৰত আছে। নিৰাপত্তাৰ কাৰণতে বিমান পৰিবহণ সংস্থাসমূহে টাইৱানৰ এয়াৰ ট্ৰেফিক কণ্ট্ৰ'ল নিয়ন্ত্ৰিত আকাশপথ সম্প্ৰতি বৰ্জন কৰিছে। ছিংগাপুৰ এয়াৰলাইন্সে প্ৰকাশ কৰা অনুসৰি টাইৱানৰ সতৰ্ক বাৰ্তা লাভৰ পাছতে সম্প্ৰতি বন্ধ ৰখা হৈছে বিমানৰ উৰণ। এই পৰিস্থিতি অব্যাহত থাকিলে আৰ্থিক ক্ষতিৰ সন্মুখীন হ'ব পাৰে টাইৱানৰ চৰকাৰ।



## নেপালত ২০ নৱেম্বৰত অনুষ্ঠিত হ'ব সাধাৰণ নিৰ্বাচন

**নিউজ ব্যুৰ' কাঠমাণ্ডু, ৫ আগষ্ট ঃ** নেপালত অহা ২০ নৱেম্বৰত সাধাৰণ নিৰ্বাচনত অনুষ্ঠিত হ'ব। নেপালৰ প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবাৰ নেতৃত্বত অনুষ্ঠিত হোৱা মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰিলে। ২০ নৱেম্বৰত এটা পৰ্যায়তে দেশখনত ভোটগ্ৰহণ কৰা হ'ব। নেপালৰ সদনত ২৭৫ আসন আছে আৰু ইয়াৰে ১৬৫ আসনৰ বাবে প্ৰাৰ্থীক নিৰ্বাচন।

## পুনৰ গুৰুত্বপূৰ্ণ বিতৰ্ক সভাত প্ৰতিদ্বন্দ্বী লীজক হৰুৱালে ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদপ্ৰাৰ্থী ঋষিয়ে




**নিউজ ব্যুৰ', লণ্ডন, ৫ আগষ্ট ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী ভাৰতীয় মূলৰ কনজাৰভেটিভ নেতা ঋষি ছুনকে যোৱা নিশা এখন গুৰুত্বপূৰ্ণ বিতৰ্ক সভাত প্ৰতিদ্বন্দ্বী লীজ ট্ৰাছক পৰাভূত কৰিলে। কনজাৰভেটিভ দলৰ সৰহ সংখ্যক সদস্যৰ সমৰ্থন লীজৰ পক্ষত থকা বুলি ব্ৰিটিছ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাই আহিছে যদিও বৃহস্পতিবাৰৰ নিশা বিতৰ্ক সভাত ঋষিৰ পুনৰ জয়ে প্ৰধানমন্ত্ৰী পদপ্ৰাৰ্থী হিচাপে তেওঁৰ প্ৰতিদ্বন্দ্বিতাত আশাৰ সঞ্চাৰ কৰিলে। স্কাই নিউজ টেলিভিছন চেনেলত অনুষ্ঠিত বিতৰ্ক সভাত সঞ্চালক কে বাৰ্লেৰ এটাৰ পাছত আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ দিলে ঋষি আৰু লীজে। টেলিভিছন বিতৰ্কৰ সমাপ্তিত প্ৰত্যক্ষ হোৱা অনুসৰি লীজতকৈ অধিক সমৰ্থন লাভ কৰিলে ঋষিয়ে। আনকি বিতৰ্ক সভাৰ ফলাফলৰ সন্দৰ্ভত স্বয়ং সঞ্চালক বাৰ্লেয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ক'লে, 'আমি এয়া আশা কৰা নাছিলো।' ঋষিয়ে বিতৰ্ক সভাত স্পষ্টভাৱে উত্তৰ দিয়াৰ বিপৰীতে প্ৰতিদ্বন্দ্বী লীজে একাধিকবাৰ উত্তৰ দিবলৈ গৈ অস্বস্তি প্ৰকাশ কৰিছিল। অন্তিম পৰ্যায়ত উপস্থিত দৰ্শকৰ ভোটগ্ৰহণত স্পষ্ট হয় যে এই বিতৰ্কত ঋষি উত্তীৰ্ণ হ'ল। অৱশ্যে অহা পাঁচ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা কনজাৰভেটিভ দলৰ নেতা নিৰ্বাচনৰ ভোটগ্ৰহণতহে ঋষি আৰু লীজৰ ভাগ্য নিৰ্ণয় হ'ব।

## কৰ্মক্ষেত্ৰত সুৰক্ষাৰ অভাৱত দৈনিক ছয় হেজাৰ লোকৰ মৃত্যু ভাৰতত

**নিউজ ব্যুৰ', কলকাতা, ৫ আগষ্ট ঃ** ভাৰতত কৰ্মক্ষেত্ৰত সুৰক্ষাৰ অভাৱত দৈনিক গড়ে ছয় হেজাৰ লোকৰ মৃত্যু হৈ আহিছে। বাণিজ্যিক সংস্থা চি আই আইৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত এই চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে নেচনেল ছেফটি কাউন্সিলৰ সঞ্চালক প্ৰধান ললিত গাভানে। এই পৰিসংখ্যা দাঙি ধৰি গাভানে কয় যে ভাৰতৰ বিভিন্ন কৰ্মক্ষেত্ৰত কৰ্মীসকলৰ বাবে এতিয়াও নিৰাপত্তাৰ বিশেষ অভাৱ প্ৰত্যক্ষ হৈ আহিছে। গাভানে কয়, 'কৰ্মক্ষেত্ৰত কৰ্মীক সুৰক্ষিত ৰখাৰ বিষয়টো কিমান গুৰুত্বপূৰ্ণ সেয়া এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি। নিৰাপত্তা ৰক্ষাৰ বাবে কেৱল কৰ্মীক নিয়োগ কৰিলেই নহ'ব, বিষয়টো যাতে



অধিক দক্ষতাৰে তেওঁ চোৱা-চিতা কৰিব পাৰে সেই সুযোগো দিব লাগিব। কৰ্মক্ষেত্ৰত সুৰক্ষাৰ দিশটো বাৰে বাৰে পৰীক্ষা কৰিব লাগিব। কৰ্মীসকলকো সুৰক্ষা বিষয়ক প্ৰশিক্ষণ ধাৰাবাহিকভাৱে প্ৰদান কৰাৰ প্ৰয়োজন আছে।'



## থাইলেণ্ডৰ নৈশ ক্লাবত ভয়ানক অগ্নিকাণ্ডত কমেও ১৪ জনৰ মৃত্যু

**নিউজ ব্যুৰ', বেংকক, ৫ আগষ্ট ঃ** দক্ষিণ পূব থাইলেণ্ডৰ চনবুৰি প্ৰদেশত এটা নৈশ ক্লাবত সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনাত কমেও ১৪ জন লোকৰ প্ৰাণহানি হ'ল। এই ঘটনাত আন ৪১ জন লোক আহত হৈছে। আহতৰ কে'বাজনৰো অৱস্থা সংকটজনক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যাৰ বৃদ্ধিৰ সম্ভাৱনা আছে। যোৱা নিশা ১১-৩০ বজাত মাউণ্টেইন বি নাইট স্পট নামৰ নৈশ ক্লাবটোত হঠাতে অগ্নিকাণ্ড সংঘটিত হৈছিল। প্ৰায় দুঘণ্টাৰ প্ৰচেষ্টাৰ অন্তত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নুমুৱাবলৈ সফল হৈছিল। কেনেকৈ এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হ'ল সেই সন্দৰ্ভত এতিয়াও আৰক্ষীয়ে তথ্য লাভ কৰা নাই।

## প্ৰমাণৰ পাছতো অৰ্পিতাক হেনো চিনিয়ে নাপায় পাৰ্থই ঃ ই ডিৰ জেৰাত দাবী

**নিউজ ব্যুৰ' কলকাতা, ৫ আগষ্ট ঃ** পৰ্যাপ্ত তথ্য-প্ৰমাণ থকাৰ পাছতো পশ্চিমবংগৰ প্ৰাক্তন মন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা পাৰ্থ চেটাৰ্জীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জেৰাত অস্বীকাৰ কৰিলে। ই ডিৰ সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি পাৰ্থই তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰাৰ লগতে ই ডিৰ জেৰাত কথা পাহৰি যোৱাৰ ভাও ধৰিছে। শান্তি নিকেতনত থকা যৌথ সম্পত্তিৰ তথ্যপাতি ই ডিয়ে প্ৰদৰ্শন কৰাত প্ৰাক্তন মন্ত্ৰীজনে মৌনতা অৱলম্বন কৰিছিল বুলিও কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৰে সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে। উল্লেখ্য যে পাৰ্থক গ্ৰেপ্তাৰ কৰাৰ পাছতে তেওঁৰ স'তে ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীক ই ডিয়ে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে অৰ্পিতাৰ স'তে একেলগে উঠা পাৰ্থৰ ফটোৰ লগতে দুয়োৰে যৌথ বেংক একাউণ্ট, স্থাৱৰ সম্পত্তিৰ



লগতে জীৱন বীমা পলিচিৰ তথ্যপাতিও ই ডিয়ে উদ্ধাৰ কৰে। কিন্তু ইমানবোৰ তথ্য-প্ৰমাণ উপলব্ধ হোৱাৰ পাছতো ই ডিৰ আগত পাৰ্থই অৰ্পিতাক ভালদৰে চিনি নাপায় বুলি দাবী কৰিলে। বৃহস্পতিবাৰে অৰ্পিতা আৰু পাৰ্থক একেলগে বহুৱাই ই ডিয়ে জেৰা কৰাৰ সময়ত তদন্তকাৰী সংস্থাটোৰ বিষয়াই পাৰ্থক 'অৰ্পিতাক আপুনি চিনি পায় নে?' বুলি প্ৰশ্ন কৰাত পাৰ্থই কৈছিল, 'ভালদৰে চিনি নাপাও। মোৰ ওচৰলৈ বহু লোক আহে। সেয়েহে দেখা পাইছিলো। নাকতলাৰ পূজাতো দেখা পাইছিলো।' অৰ্পিতাৰ ফ্লেটৰ পৰা উদ্ধাৰ হোৱা ধনৰ প্ৰসংগত ই ডিৰ প্ৰশ্নৰ উত্তৰত পাৰ্থই কয়, 'শুনা পাইছিলো, কিন্তু সেই ধন মোৰ নহয়।'

## মংকীপক্সৰ সংক্ৰমণত জনস্বাস্থ্যৰ বাবে জৰুৰী অৱস্থা ঘোষণা আমেৰিকাত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৫ আগষ্ট ঃ** বিশ্বৰ একাধিক দেশত সম্প্ৰতি মংকীপক্সৰ সংক্ৰমণে আতংকৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতিতে মংকীপক্সৰ সংক্ৰমণ সন্দৰ্ভত জনস্বাস্থ্যৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰিলে আমেৰিকাই। বৰ্তমানলৈকে আমেৰিকাত ৭,১০০ৰো অধিক লোক মংকীপক্সত আক্ৰান্ত হৈছে। আমেৰিকাৰ স্বাস্থ্য আৰু মানৱ সেৱা বিভাগৰ মুৰব্বী জেভিয়াৰ বেছৰাই দেশখনত জনস্বাস্থ্যৰ জৰুৰী অৱস্থা প্ৰৱৰ্তনৰ কথা ঘোষণা কৰি কয়, 'এই ভাইৰাছৰ বিৰুদ্ধে যুঁজ অন্য স্তৰলৈ নিয়াৰ সময় উপস্থিত হ'ল। প্ৰত্যেক মাৰ্কিন নাগৰিকে মংকীপক্সক গুৰুত্ব সহকাৰে ল'বলৈ মই অনুৰোধ জনাইছো।' উল্লেখ্য যে বিশ্বৰ প্ৰায় ৭৫ খন দেশত মংকীপক্সৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে।

## আলিগড় মুছলিম বিশ্ববিদ্যালয়ত পঢ়িব পাৰিব সনাতন ধৰ্মৰ পাঠ্যক্ৰম



**নিউজ ব্যুৰ', আলিগড়, ৫ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ আলিগড়ত থকা আলিগড় মুছলিম বিশ্ববিদ্যালয় (এ এম ইউ)ত আগন্তুক শিক্ষাবৰ্ষৰ পৰা ধৰ্ম বিষয়ক এক নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি নতুন শিক্ষাবৰ্ষৰ পৰা আন ধৰ্মৰ বিষয়ে অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব ছাত্ৰ-ছাত্ৰীয়ে। ইমানদিনে এ এম ইউত ইছলামিক বিষয়ৰ অধ্যয়নৰ সুবিধা শিক্ষাৰ্থীয়ে লাভ কৰিছিল। কিন্তু নতুন শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনত শিক্ষাৰ্থীয়ে সনাতন ধৰ্মৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰিব। বেদ, পুৰাণ, উপনিষদ, ৰামায়ণ, গীতাৰ পৰা আৰম্ভ কৰি সনাতন ধৰ্মৰ বিভিন্ন বিষয় অধ্যয়নৰ সুযোগৰ লগতে শিক্ষাৰ্থীয়ে বৌদ্ধ, জৈন, শিখ আৰু আন ধৰ্মৰ বিষয়তো এ এম ইউত অধ্যয়নৰ ব্যৱস্থা থাকিব। স্নাতকোত্তৰ পৰ্যায়ত আগন্তুক শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনত এই নতুন পাঠ্যক্ৰমৰ সংযোজন কৰা হ'ব বুলি এ এম ইউৰ মুখপাত্ৰ এম ছেফলি কিডৱাইয়ে জানিবলৈ দিয়ে। ইতিমধ্যে এই পাঠ্যক্ৰম প্ৰৱৰ্তনৰ প্ৰস্তাৱ বিশ্ববিদ্যালয়খনৰ ইছলামিক ষ্টাডিজ বিভাগৰ মুৰব্বীয়ে আগবঢ়াইছে বুলিও মুখপাত্ৰজনে প্ৰকাশ কৰে।




## চুক্তি ভংগৰ অভিযোগ মিছ ইউনিভাৰ্ছ হৰনাজৰ বিৰুদ্ধে

**নিউজ ব্যুৰ' চণ্ডীগড়, ৫ আগষ্ট ঃ** বিপদৰ সন্মুখীন হ'ল মিছ ইউনিভাৰ্ছ হৰনাজ সিন্ধু। হৰনাজৰ বিৰুদ্ধে আদালতত গোচৰ তৰিলে পঞ্জাৱী ছবিৰ প্ৰযোজক উপাসনা সিঙে। প্ৰযোজকৰ দাবী অনুসৰি মোটা ধনৰ পাৰিশ্ৰমিক গ্ৰহণ কৰি হৰনাজে চুক্তি ভংগ কৰিলে। ফলত প্ৰযোজক উপাসনাই তেওঁৰ ছবিৰ প্ৰচাৰৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। উপাসনাই কয়, 'মিছ ইউনিভাৰ্ছ নিৰ্বাচিত হোৱাৰ পূৰ্বে হৰনাজে মোৰ ছবিত অভিনয়ৰ সুযোগ লাভ কৰিছিল। তেওঁ ছবিখনত নায়িকাৰ ভূমিকাত অভিনয় কৰিছে আৰু ইয়াৰ বাবে যথেষ্ট পাৰিশ্ৰমিক গ্ৰহণ কৰিছিল। কিন্তু এতিয়া তেওঁ ছবিৰ প্ৰচাৰত অংশ লোৱা নাই আৰু আনকি ভাৰ্চুৱেল প্ৰচাৰতো অংশ নল'লে। এই কাৰণতে চুক্তি ভংগৰ অভিযোগত হৰনাজৰ বিৰুদ্ধে মই আদালতৰ কাষ চাপিবলৈ বাধ্য হ'লো।'

## এতিয়াই সামৰিক অনুশীলন বন্ধ কৰক চীনে ঃ কঠোৰ বাৰ্তা জাপানৰ

**নিউজ ব্যুৰ', টকিঅ', ৫ আগষ্ট ঃ** অতি শীঘ্ৰে টাইৱান সীমান্তত সামৰিক অনুশীলন বন্ধ কৰক চীনে। চীনা সেনা বাহিনীয়ে টাইৱান সীমান্তত অব্যাহত থকা সামৰিক অনুশীলনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনালে জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশ্বিদাই। উল্লেখ্য যে বৃহস্পতিবাৰে চীনে নিক্ষেপ কৰা বেলিষ্টিক ক্ষেপণাস্ত্ৰই জাপানৰ বিশেষ অৰ্থনৈতিক ক্ষেত্ৰত আঘাত হানিছিল। এই ঘটনাৰ আজি তীব্ৰ নিন্দা কৰিলে জাপান চৰকাৰে। আজি আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিৰ স'তে এই বৈঠকত অংশ লোৱাৰ পাছত জাপানৰ প্ৰধানমন্ত্ৰী কিশ্বিদাই দাবী জনাই কয় যে অবিলম্বে টাইৱানক ভাবুকি দি অব্যাহত ৰখা সামৰিক অনুশীলন বন্ধ কৰিব লাগিব চীনে।



সাংবাদিকৰ আগত জাপানৰ প্ৰধানমন্ত্ৰীয়ে কয়, 'এইবাৰ চীনে যি ধৰণৰ আচৰণ প্ৰদৰ্শন কৰিছে, তাৰ ফলত শান্তিপূৰ্ণ পৰিৱেশ নষ্ট কৰিছে। চীনৰ আগ্ৰাসী নীতিয়ে আমাৰ আঞ্চলিক স্থিতাৱস্থাক প্ৰভাৱিত কৰিছে। আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষাক মই কৈছো যে এতিয়াই চীনৰ সামৰিক অনুশীলন বন্ধ কৰিব লাগিব।' উল্লেখ্য যে আজিও টাইৱান সীমান্তত চীনৰ যুঁজাৰু বিমানে সামৰিক অনুশীলন অব্যাহত ৰাখে। বৃহস্পতিবাৰে চীনে নিক্ষেপ কৰা পাঁচটাকৈ ক্ষেপণাস্ত্ৰ জাপানৰ সমুদ্ৰত পৰিছিল। লক্ষ্যভ্ৰষ্ট হোৱাৰ ফলত এই ঘটনা সংঘটিত হৈছিল নে চীনে উদ্দেশ্য প্ৰণোদিতভাৱে জাপান সাগৰলৈ ক্ষেপণাস্ত্ৰকেইটা নিক্ষেপ কৰিছিল তাক লৈ টকিঅ'ই অনুসন্ধান অব্যাহত ৰাখিছে।

## ভূমি কেলেংকাৰিৰ অভিযোগত এইবাৰ সঞ্জয় পত্নী বৰ্ষালৈ চমন ই ডিৰ



**নিউজ ব্যুৰ', মুম্বাই, ৫ আগষ্ট ঃ** পাত্ৰ চাওল আৰু ভূমি অনিয়মৰ কেলেংকাৰিৰ গোচৰত এইবাৰ শিৱসেনাৰ নেতা তথা সাংসদ সঞ্জয় ৰাউটৰ পত্নী বৰ্ষা ৰাউটলৈ চমন জাৰি কৰিলে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। উল্লেখ্য যে যোৱা দেওবাৰে মাজনিশা একেটা গোচৰত ই ডিয়ে শিৱসেনাৰ নেতাজনক গ্ৰেপ্তাৰ কৰিছিল। পাত্ৰ চাওল গোচৰত এইবাৰ ই ডিৰ জেৰাৰ সন্মুখীন হ'ব সঞ্জয় পত্নী বৰ্ষা। উল্লেখ্য যে যোৱা জানুৱাৰীত পি এম চি বেংকৰ জালিয়াতি কাণ্ডতো ই ডিয়ে বৰ্ষাক সোধা-পোছা কৰিছিল। মাধুৰী প্ৰবীণ ৰাউটৰ একাউণ্টৰ পৰা বৰ্ষাৰ একাউণ্টলৈ কিয় ৫৫ লাখ টকা ট্ৰান্সফাৰ কৰা হৈছিল সেই বিষয়ত ই ডিয়ে সঞ্জয় পত্নীক পূৰ্বে জেৰা কৰিছিল।



## জৱাহিৰিৰ মৃত্যুৰ প্ৰসংগত কি ক'লে তালিবানে?

**নিউজ ব্যুৰ', কাবুল, ৫ আগষ্ট ঃ** অৱশেষত অল কায়দাৰ মুৰব্বী আয়মান আল-জৱাহিৰিৰ মৃত্যুৰ সন্দৰ্ভত মুখ খুলিলে তালিবানে। যোৱা নিশা এক বিবৃতি জাৰি কৰি আফগানিস্তানৰ তালিবান চৰকাৰে দাবী কৰা অনুসৰি কাবুলত জৱাহিৰিয়ে বাস কৰাৰ সন্দৰ্ভত কোনো তথ্য চৰকাৰে লাভ কৰা নাছিল। ২০১১ত অ'ছামা বিন লাডেনৰ মৃত্যুৰ পাছত অলকায়দাৰ নেতৃত্ব গ্ৰহণ কৰিছিল জৱাহিৰিয়ে। যোৱা দেওবাৰে আমেৰিকাৰ এক ড্ৰ'ন আক্ৰমণৰ ঘটনাত সন্ত্ৰাসবাদী সংগঠনটোৰ মুৰব্বী জৱাহিৰিৰ মৃত্যু হৈছিল। জৱাহিৰিৰ মৃত্যুৰ বাবে আন্তৰ্জাতিক সংবাদ মাধ্যমে তালিবানক জগৰীয়া কৰিছিল। ড'হা চুক্তি উলংঘন কৰি জৱাহিৰিক তালিবানে আফগানিস্তানত আশ্ৰয় দিয়াৰ অভিযোগো উত্থাপিত হৈছিল। এনে পৰিস্থিতিতে বিবৃতি জাৰি কৰি তালিবান চৰকাৰে দাবী কৰি ক'লে, 'কাবুলত অলকায়দাৰ মুৰব্বী আয়মান আল-জৱাহিৰিৰ উপস্থিতি সন্দৰ্ভত কোনো তথ্য আফগানিস্তানৰ ইছলামিক আমিৰশ্বাহিয়ে লাভ কৰা নাছিল। এই সন্দৰ্ভত আমি চোৱাংচোৱা সংস্থাক তদন্তৰ বাবে নিৰ্দেশ দিছো।' তালিবানে লগতে অভিযোগ কৰি কয় যে কাবুলত ড্ৰ'ন আক্ৰমণ চলাই আমেৰিকাই আন্তৰ্জাতিক চুক্তি ভংগ কৰিলে। ইয়াৰ ফল আমেৰিকাই ভুগিব লাগিব বুলিও বিবৃতিৰ জৰিয়তে তালিবানে সকীয়াই দিছে।

# বঙাইগাঁও শোধনাগাৰৰ সামাজিক দায়িত্ববোধ আঁচনি

## বৰপেটা জিলালৈ দুটা এম্বুলেঞ্চ- স্বাস্থ্য সেৱাৰ সঁজুলি অৰ্পণ কৰে

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৫ আগষ্ট ঃ** বঙাইগাঁও শোধনাগাৰে বিভিন্ন চিএছআৰ পদক্ষেপৰ জৰিয়তে নিজৰ ওচৰৰ জনগোষ্ঠীসমূহৰ উত্থানৰ দিশত নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে। ভাৰতীয় তেল নিগমৰ মুল মূল্য ‘কেয়াৰ’ৰ স’তে সংগতি ৰাখি বঙাইগাঁও শোধনাগাৰে নিটি আয়োগে চিনাক্ত কৰা মতে বৰপেটা জিলালৈ আকাংক্ষিত জিলাৰূপে গ্ৰহণ কৰিছে আৰু বঙাইগাঁও শোধনাগাৰে বিএলএছ এম্বুলেন্স, মেট্ৰেছৰ স’তে চিকিৎসালয়ৰ বিছনা, ডেলিভাৰী বেড, মেট্ৰেছৰ স’তে টেবুল, হুইল চেয়াৰ অৰ্পণ কৰাৰ চিএছআৰ প্ৰকল্প হাতত লৈছে আৰু জৰুৰীকালীন উদ্ধাৰ ট্ৰলীসহ আনুমানিক ৯৪.১৮ লাখ টকা ব্যয়েৰে বৰপেটা জিলালৈ এইসমূহ সঁজুলি প্ৰদান কৰে।

বঙাইগাঁও শোধনাগাৰৰ মুৰব্বী নয়ন কুমাৰ বৰুৱাই যোৱা পাঁচ আগষ্টত বৰপেটাৰ এচিএছ আৰু জিলা উন্নয়ন আয়ুক্ত নবজ্যোতি ওঝাক এম্বুলেন্সসমূহ অৰ্পণ কৰে। হস্তান্তৰ অনুষ্ঠানত বৰপেটা মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ পৰেশ কলিতা, চিজিএম (টিএছ,এইছএণ্ডই)ৰ এছ বি লখৰ, চি জি এম (টি এছ, এইছ এছ এণ্ড ই), জে জে দাস, চি জি এম (টি), কে ভি এছ সুবুধি, চি জি এম (বিত্ত), চন্দ্ৰিমা উপস্থিত থাকে সৰমাহ, জি এম আই চি (এইছ আৰ), এছ এম এছ ইছলাম জি এম (এম এছ,এল এণ্ড ডি), ড° দিগন্ত কুমাৰ দাস, জি এম (মেডিকেল এণ্ড এইছ এণ্ড এছ ই), আই অ’ এ-বি জি আৰ ইউনিটৰ সদস্য আৰু বি জি আৰ ই ইউৰ লগতে বি জি আৰ আৰু বৰপেটা জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। স্বাস্থ্য সেৱা সঁজুলিসমূহ অৰ্পণ কৰাৰ পূৰ্বে আই অ’ চি এল আৰু বৰপেটা জিলা প্ৰশাসনৰ মাজত এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হয় উন্নয়নমুলক কামৰ বাবে।

# ক্ষেত্ৰীৰ উলুবামত ৰেলৰ খুন্দাত নিহত

*এক পৃষ্ঠাৰ পৰা* এই বাতৰি প্ৰস্তুত কৰাৰ সময়লৈ স্পষ্ট হোৱা নাই। ঘটনাস্থলীত স্থানীয় ক্ষেত্ৰী আৰক্ষীৰ লগতে ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# জোলহা মুছলিম হোৱা বাবেই

*এক পৃষ্ঠাৰ পৰা* সভাপতি ৰবচন মুণ্ডা, প্ৰঃ সম্পাদক ধিৰেন মানকি আৰু অসম মজুৰি শ্ৰমিক ইউনিয়নৰ সভাপতি বিপুল হাজৰিকা আৰু কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত গগৈয়ে আজি এক বিবৃতিত জনাইছে যে জোলহা সম্প্ৰদায়ৰ এগৰাকী মহিলাক শেহতীয়াকৈ চৰম অপমান আৰু বঞ্চনাৰ চিকাৰ কৰা হৈছে। গোলাঘাট জিলাৰ নেঘেৰীটিং বাগানৰ বৰলাইনৰ বাবুজান হুছেইন আৰু জেবুন্নিছাৰ কন্যা আৰু (চিনামৰা) মুৰমুৰিয়া বাগিচাৰ চান্দাম হুছেইনৰ পত্নী পম্পি বেগমে অংগনৱাড়ী কৰ্মীৰ চাকৰিৰ বাবে আৱেদন কৰিছিল আৰু সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণো পাইছিল। সেইমৰ্মে যোৱা দুই আগষ্টত তেওঁ যোৰহাটৰ আই চি ডি এছৰ কাৰ্যালয়ত সাক্ষাৎকাৰত উপস্থিত থাকে। সাক্ষাৎগ্ৰহণকাৰী বিষয়াই তেওঁ ‘বেগম’ লিখে বাবে চাহ বাগিচাৰ মজদুৰ (টি.জি.এল.) হ’ব নোৱাৰে বুলি ঘোষণা কৰে। তেওঁ পিতৃ আৰু স্বামীৰ ঘৰ বাগিচাৰ মজদুৰ পৰিয়ালৰ, তেওঁলোক জোলহা; তেওঁলোকৰ জাতিগত প্ৰমাণপত্ৰ, ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণপত্ৰ সকলো আছে বুলি কৈ সেইবোৰ দেখুৱাব খোজাতো বিষয়াজনে সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি তেওঁক সাক্ষাৎকাৰ প্ৰক্ৰিয়াৰ পৰা উলিয়াই পঠিয়ায়। স্বয়ং মুখ্যমন্ত্ৰীয়ে ‘খিলঞ্জীয়া’ ঘোষণা কৰাৰ পাছতো চাহমজদুৰ পৰিয়ালৰ হোৱাৰ পাছতো পম্পি বেগমৰ প্ৰতি এই অপমান বঞ্চনা তেওঁৰ ব্যক্তিগত নহয় বা কেৱল জোলহা সমাজৰে নহয়, সমগ্ৰ সমাজৰ বাবেই অপমানজনক। সংগঠন দুটাই মুখ্যমন্ত্ৰী আৰু তেওঁৰ দলক শ্ৰমিকসকলক ন্যায় দিবৰ বাবে দাবী জনায়। এই সাম্প্ৰদায়িক ঘটনাক লৈ ইতিমধ্যে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া হৈছে আৰু খিলঞ্জীয়া তত্বৰ তলি উদং হৈ পৰিছে বুলি তেওঁলোকে বিবৃতিত কয়।

# গোৱালপাৰাৰ সত্ৰ ন্যায়াধীশৰ বিৰুদ্ধে

*এক পৃষ্ঠাৰ পৰা* মৃত দাসৰ পত্নী ভূপালী দাস আৰু বামপন্থী নেতা ননী দাসে উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়কক সাক্ষাৎ কৰি মুখ্য ন্যায়াধীশলৈ প্ৰেৰণ কৰা অভিযোগ পত্ৰত উল্লেখ কৰে যে দাসে গোৱালপাৰা সত্ৰ ন্যায়াধীশৰ আদালতত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে প্ৰায় ন বছৰ ধৰি কৰ্মৰত হৈ আছিল। বৰ্তমানৰ সত্ৰ ন্যায়াধীশ শৰ্মীলা ভূঞাই দাসক নিয়ম বহিৰ্ভূতভাৱে প্ৰায় পুৱা সাত বজাৰ পৰা নিশালৈকে তেওঁৰ চৰকাৰী বাসভৱনত তেওঁৰ নিজা কামত খটুৱাইছিল বুলি অভিযোগ পত্ৰত উল্লেখ কৰা হৈছে। ভূপালী দাসে দাখিল কৰা অভিযোগত উল্লেখ কৰা মতে তেওঁলোকৰ দুবছৰীয়া সন্তানটোৰ কেতিয়াবা অসুখ-বিসুখ হ’লেও চিকিৎসাৰ কাৰণে ডাক্তৰৰ ওচৰলৈ নিয়াৰ বাবেও আহৰি দিয়া নাছিল। ভূপালীয়ে কয়, ‘শৰ্মীলা ভূঞাই মোৰ স্বামীক প্ৰায়েই মানসিক আতিশয্য চলাইছিল বুলি তেওঁ জীৱিত কালতে মোক জনাইছিল। আন দিনাৰ দৰে যোৱা ১১ জুলাইৰ পুৱা সাত বজাত মোৰ স্বামী লোহিত দাসে কামৰ বাবে শৰ্মীলা ভূঞাৰ বাসভৱনলৈ ওলাই যায় আৰু পুৱা ১০ বজাত ঘৰলৈ আহি চাহ খাই পুনৰ কামলৈ ওলাই যায়। উক্ত সময়ত মোৰ এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে আজি বহুত কাম কৰিব লাগিব অন্যথা তেওঁৰ চাকৰি খোৱাৰ ভাবুকি প্ৰদান কৰিছে শৰ্মীলা ভূঞাই। আবেলি পৰলৈকে ভাত খাবলৈ ঘৰলৈ নহাৰ বাবে মই ন্যায়াধীশগৰাকীৰ বাসভৱনত মোৰ স্বামীৰ খবৰ ল’বলৈ যাওঁ যদিও ন্যায়াধীশগৰাকীয়ে মোক সাক্ষাৎ নিদিলে। মোৰ স্বামীক বিচাৰি পিছদিনা পুৱা সাত বজাত পুনৰ ন্যায়াধীশৰ বাসভৱনত উপস্থিত হোৱাৰ সময়ত ন্যায়াধীশগৰাকীয়ে খিৰিকীৰে মুখ উলিয়াই কয়—‘এইটো তোমালোকৰ ঘৰুৱা সমস্যা। গতিকে মোক দিগদাৰ নকৰিবা আৰু তেওঁক তোমালোকে বিচাৰি উলিওৱা।’ তদুপৰি মৃত দাসৰ পত্নীয়ে কয় যে যোৱা ১৩ জুলাইত গোৱালপাৰা চহৰৰ কাছাৰীঘাটত তেওঁৰ স্বামীয়ে ব্যৱহাৰ কৰা চেণ্ডেল, পিন্ধা কাপোৰ, চাইকেল আৰু এটি আত্মহত্যাৰ টোকা উদ্ধাৰ হয়। ‘উক্ত আত্মহত্যাৰ টোকাত মোৰ স্বামীয়ে স্পষ্টভাৱে লিখিছিল যে ন্যায়াধীশ শৰ্মীলা ভূঞাৰ মানসিক অত্যাচাৰৰ বাবেই তেওঁ আত্মহত্যাৰ পথ বাছি লৈছে।’ এইদৰে কয় ভূপালীয়ে।

এই সন্দৰ্ভত গোৱালপাৰা চহৰ আৰক্ষী চকীত ভাৰতীয় দণ্ড বিধিৰ ৩০৬ ধাৰাত ১৫৬/২০২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰিছে। উল্লেখ্য যে যোৱা ২৫ জুলাইত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বিভিন্ন দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ পাছত জিলা উপায়ুক্তৰ জৰিয়তে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ভূপালীয়ে লগতে কয়, ‘মই এগৰাকী অনুসূচিত জাতিৰ লোক। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী মোৰ স্বামীৰ মৃত্যুৰ পাছত আমাৰ পৰিয়ালটোলৈ ঘোৰ অন্ধকাৰ নামি আহিছে।’ স্বামীৰ আত্মহত্যাৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি ন্যায়াধীশ শৰ্মীলা ভূঞাৰ বিৰুদ্ধে আইনগত বিহিত ব্যৱস্থা গ্ৰহণৰ লগতে পৰিয়ালটোক আৰ্থিক সাহায্য প্ৰদান আৰু চৰকাৰী কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিবলৈ মুখ্য ন্যায়াধীশক অনুৰোধ জনাইছে ভুক্তভোগী ভূপালী দাসে।

# প্ৰবীণ নৃত্য পটিয়সী গৰিমা হাজৰিকাৰ

*এক পৃষ্ঠাৰ পৰা*

### জন্ম-শিক্ষা

১৯৩৯ৰ ২৭ এপ্ৰিলত গুৱাহাটীত গৰিমা হাজৰিকাৰ জন্ম। তেওঁৰ পিতৃ আছিল লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱা আৰু মাতৃ আছিল ইন্দ্ৰপ্ৰভা বৰুৱা। তেওঁলোকৰ পাঁচটা সন্তানৰ জ্যেষ্ঠ কন্যা গৰিমা হাজৰিকাই গুৱাহাটীতে শিক্ষা জীৱন আৰম্ভ কৰি ১৯৬১ত সন্দিকৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰিছিল। অধ্যয়নৰ লগতে তেওঁৰ নৃত্যৰ চৰ্চাও সমানে আগবঢ়াইছিল। তেওঁ চাৰু বৰদলৈৰ ওচৰত কথক নৃত্য শিকিছিল। আনহাতে, ৰুপেশ্বৰ শইকীয়া বৰবায়ন আৰু ঘনকান্ত বৰা বৰবায়নৰ পৰা সত্ৰীয়া নৃত্যৰ শিক্ষা লৈছিল। নৃত্যৰ ক্ষেত্ৰখনত অধিক আগবাঢ়ি যোৱাৰ লক্ষ্যৰে স্নাতক ডিগ্ৰী অৰ্জনৰ পাছত ১৯৬২ত তেওঁ দিল্লী স্কুল অৱ আৰ্টত নামভৰ্তি কৰে। ১৯৬৮ লৈ তেওঁ দিল্লীত কটায়। সেই সময়ত প্ৰখ্যাত শিল্পী মাধৱ পাণিকৰৰ পৰা কথকৰ উচ্চ শিক্ষা লাভ কৰে। একে সময়তে তেওঁ ছবি তথা ‘পেইণ্টিঙ’ৰ শিক্ষাও গ্ৰহণ কৰে। সত্ৰীয়া আৰু ওড়িচি নৃত্যৰ মাজত সাদৃশ্য দেখি তেওঁ দিল্লীত থকা সময়তে গুৰু সুৰেন্দ্ৰ নাথ জেনাৰ পৰা ওড়িচি নৃত্য শিকে। নৃত্যৰ এনে শিক্ষাৰ সমান্তৰালকৈ প্ৰয়াত যুগল দাসৰ পৰা ভাস্কৰ্য আৰু মুখা শিল্পৰো প্ৰশিক্ষণ লয়।

দিল্লীত থকা সময়তে ভাৰত চৰকাৰৰ তথ্য বিষয়া প্ৰয়াত কৃষ্ণমূৰ্তি হাজৰিকাৰ লগত তেওঁৰ প্ৰেম হয় ১৯৬৪ত তেওঁলোকৰ বিবাহ হয়। কৃষ্ণমূৰ্তি হাজৰিকা নিজেও এগৰাকী শিল্পী আছিল। কৃষ্ণমূৰ্তি হাজৰিকাৰ সহযোগত গৰিমা হাজৰিকাই তেওঁৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰ লাভ কৰে।

### শিল্পৰ পৃথিৱীত

পৰৱৰ্তী সময়ত অসমলৈ উভতি আহি গৰিমা হাজৰিকাই ১৯৮২ত গুৱাহাটীত স্থাপন কৰে ৰাজ্যৰ নৃত্যৰ ক্ষেত্ৰখনৰ আগশাৰীৰ সংগঠন মিতালী কলা কেন্দ্ৰ। শাস্ত্ৰীয় আৰু পৰম্পৰাগত নৃত্যৰ প্ৰশিক্ষণৰ অন্যতম প্ৰতিষ্ঠান এই কেন্দ্ৰটোত সাজসজ্জা, কলা নিৰ্দেশনা, চিত্ৰ, মুখা শিল্প, ৰূপ সজ্জা, আদিৰো প্ৰশিক্ষণ প্ৰদান আৰম্ভ কৰে গৰিমা হাজৰিকাই। মিতালী কলা কেন্দ্ৰৰ মজিয়াৰ পৰাই নৃত্যক লৈ নতুন পৰীক্ষা-নিৰীক্ষাও কৰা হয়। তাৰ ফলশ্ৰুতিতে পণ্ডিতপ্ৰৱৰ প্ৰয়াত মহেশ্বৰ নেওগৰ সহযোগত ওড়িচি আৰু সত্ৰীয়া নৃত্যক লৈ গৰিমা হাজৰিকাই কে’বাখনো নৃত্যালেখ্যৰ সৃষ্টি কৰি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশতো পৰিৱেশন কৰে। সত্ৰীয়া নৃত্যৰ সাজ-পোছাকত ৰঙৰ পয়োভৰেৰে নতুন ৰূপ দিয়া শিল্পীগৰাকীও আছিল গৰিমা হাজৰিকা।

কমেও ১৬ খন নৃত্য নাটিকা ৰচনা কৰা গৰিমা হাজৰিকাই ভ্ৰাম্যমাণ থিয়েটাৰৰ বহু নৃত্য নাটিকা পৰিচালনা কৰিছিল। প্ৰায় ১৬ খন অসমীয়া ছবিত তেওঁ নৃত্য পৰিচালিকা আছিল। পুলক গগৈৰ ‘শ্ৰীমতী মহিমাময়ী’ আছিল তেওঁ প্ৰথম নৃত্য পৰিচালনা কৰা ছবি। কে’বাখনো ছবিত তেওঁ কলা নিৰ্দেশনাও কৰিছিল। ভ্ৰাম্যমাণৰ মঞ্চ সজ্জা, সাজসজ্জাৰ নিৰ্দেশনাও তেওঁ কৰিছিল। অসমীয়া পৰম্পৰাগত মেখেলা চাদৰক নতুন ৰূপ দি জনপ্ৰিয়কৰণত গৰিমা হাজৰিকা আছিল পথ প্ৰদৰ্শক।

সংগীত নাটক একাডেমীৰ বঁটাৰ লগতে আন বহু সন্মান আৰু বঁটা লাভ কৰা প্ৰয়াত হাজৰিকাই ললিত কলা একাডেমীৰ পৰামৰ্শদাতা সমিতিৰ সদস্য। চলচ্চিত্ৰ প্ৰমাণপত্ৰ প্ৰদানৰ ৰাজ্যিক উপদেষ্টা সমিতিৰ সদস্য, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সাধাৰণ পৰিষদৰ সদস্য আদি পদতো কাৰ্যনিৰ্বাহ কৰিছিল।

### মুখ্যমন্ত্ৰীসহ বিভিন্নজনৰ শোক

গৰিমা হাজৰিকাৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে গৰিমা হাজৰিকাৰ মৃত্যুত অসমে এগৰাকী বলিষ্ঠ সাংস্কৃতিক সত্তাক হেৰুৱালে। মুখ্যমন্ত্ৰীয়ে আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জনায়।

অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতায়ো শোক প্ৰকাশ কৰিছে। ড° ভূপেন হাজৰিকা ফাউণ্ডেছন, গুৱাহাটী বিহু সন্মিলনী, প্ৰাগজ্যোতি জ্যোতি কমিউনিকেছনছ আদি অনুষ্ঠানেও গৰিমা হাজৰিকাৰ বিয়োগত শোক প্ৰকাশ কৰিছে।

### গৰিমা হাজৰিকাৰ মৃত্যু সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি ঃ মন্ত্ৰী বিমল বৰা

বিশিষ্ট নৃত্য শিল্পী গৰিমা হাজৰিকাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই। সংগীত নাটক অকাডেমী বঁটা বিজয়ী শাস্ত্ৰীয় নৃত্য পটিয়সী, সত্ৰীয়া আৰু ওড়িছী নৃত্য বিশাৰদ গৰাকীৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি মন্ত্ৰী বৰাই তেওঁৰ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

আনহাতে, সদৌ অসম শিল্পী সমাজৰ সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সম্পাদক দুলাল দাসে গৰিমা হাজৰিকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

# ধুবুৰীত জিলা কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

**ধুবুৰী, ৫ আগষ্ট ঃ** মূল্যবৃদ্ধি, ভয়ংকৰ নিবনুৱা সমস্যা, অসমৰ বান সাহায্যক লৈ ৰাজনীতি আৰু অত্যাৱশ্যকীয় সামগ্ৰীত জিএছটি আৰোপৰ প্ৰতিবাদত আজি ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত ৰাজীৱ ভৱনৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে ‘বিজেপি চৰকাৰ হায় হায়, বিজেপি গো-বেক, নৰেন্দ্ৰ মোদী হায় হায়’ আদি শ্ল’গানেৰে আকাশ বতাহ কপাই তোলে। প্ৰতিবাদকাৰীসকলে আৰক্ষীয়ে দিয়া বেৰিকেড ভাঙি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ অন্তত ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ সভাপতি ছামছুল ইছলাম, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ৰাজ্যিক সদস্য আবেদুৰ জামান (জুৱেল)কে ধৰি দলীয় বিষয়ববীয়াসকল জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইফালে, জিলা কংগ্ৰেছ কমিটীৰ সভাপতি ইছলামে কয় যে ভ্ৰষ্টাচাৰী বিজেপি চৰকাৰে যি প্ৰতিশ্ৰুতি লৈ গাদী দখল কৰিছে সেয়া এটাও ৰক্ষা কৰিব পৰা নাই। দিনক দিনে দ্ৰব্যমূল্য, পেট্ৰ’ল, ডিজেল, ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য বৃদ্ধি হৈছে। দুখীয়া মানুহে যি চিৰা, মুড়ী ব্যৱহাৰ কৰে সেইবোৰ সামগ্ৰীতো জিএছটি লগোৱা হৈছে। এক লাখকৈ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু দেখা গ’ল দেশৰ নৱ প্ৰজন্মক চাকৰিৰ লোভ দেখুৱাই চাৰি বছৰ কাৰ্যকালৰ বাবেহে চাকৰি দিব। তাৰ প্ৰতিবাদত আজি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি তেওঁ সদৰী কৰে।

# শিলচৰত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি মন্ত্ৰী সিংঘালৰ



**শিলচৰ, ৫ আগষ্ট ঃ** শিলচৰত আজি পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন কৰে অভিভাৱক মন্ত্ৰী অশোক সিংঘালে। শিলচৰৰ উপ-পৰিদৰ্শক কাৰ্যালয় চৌহদত এই কেন্দ্ৰ উদ্বোধন কৰে মন্ত্ৰীজনে। উদ্বোধনী অনুষ্ঠানত আৰক্ষীৰ উপ-মহাপৰিদৰ্শক কংকনজ্যোতি শইকীয়া আৰু কাছাৰ জিলাৰ উপায়ুক্ত ৰোহন কুমাৰ ঝা, কাছাৰ আৰক্ষী অধীক্ষক ৰমনদীপ কৌৰ, শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তী, কোনাদ পুৰকায়স্থ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰা হয়। মন্ত্ৰী সিংঘালে সাংবাদিকৰ আগত কয় যে ২৭খন জিলাত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰা হৈছে। যিসকল চৰকাৰী চাকৰিয়াল হৈছে তেওঁলোকে অতি সহজে পেঞ্চনৰ বাবে আবেদন কৰিব পাৰিব।

# তামুলপুৰত বিটিআৰ চৰকাৰৰ ছুপাৰ ৫০ ৰ ইউপিএছচিৰ প্ৰশিক্ষণৰ বাছনি পৰীক্ষা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**


**তামুলপুৰ, ৫ আগষ্ট ঃ** সমগ্ৰ বিটিআৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিটিচি চৰকাৰে ছুপাৰ ৫০ নামেৰে প্ৰতিখন জিলাৰ পৰা অৰ্হতাসম্পন্ন ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক ইউপিএছচি প্ৰশিক্ষণৰ বাবে আজি বাছনি পৰীক্ষা অনুষ্ঠিত কৰে। বিটিচিৰ অন্যান্য অঞ্চলৰ লগতে আজি তামুলপুৰ মহাবিদ্যালয়ত এই বাছনি পৰীক্ষা অনুষ্ঠিত হয়। তামুলপুৰ জিলাৰ সৰ্বমুঠ ১৬৮ গৰাকী ছাত্ৰ-ছাত্ৰী উক্ত পৰীক্ষাৰ বাবে আবেদন কৰাৰ বিপৰীতে ১০৮ গৰাকীয়ে বাছনি পৰীক্ষাত অৱতীৰ্ণ হয়। ইউপিএছচি প্ৰশিক্ষণৰ বাবে বিটিআৰ চৰকাৰৰ উদ্যোগত অনুষ্ঠিত পৰীক্ষাত অৰ্হতা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে দিল্লীস্থিত চাণক্য আইএছ একাডেমীত কোচিং গ্ৰহণ কৰিব পাৰিব।

# গণিত অলিম্পিয়াডৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৫ আগষ্ট ঃ** ৰাজ্যৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম গণিত শিক্ষায়তনে এক ৰাজ্যিক ভিত্তিক গণিত প্ৰতিযোগিতা, ‘অসম গণিত অলিম্পিয়াড’ আয়োজন কৰি আহিছে। ১৯৮৭ৰ পৰা প্ৰতি বছৰে অনুষ্ঠিত হৈ অহা এই পৰীক্ষা চলিত বৰ্ষত ২১ আগষ্টত অনুষ্ঠিত হ’ব। পঞ্চমৰ পৰা একাদশ শ্ৰেণীলৈকে মুঠ তিনিটা শাখাত এই পৰীক্ষা অনুষ্ঠিত হ’ব। অসম গণিত শিক্ষায়তনৰ সম্পাদক ড০ আশীষ পালে জনোৱা মতে এইবাৰৰ পৰীক্ষা ৰাজ্যখনৰ বাইহাটা চাৰিআলি, বৰনগৰ, বৰপেটা, বিজনী, বিশ্বনাথ চাৰিআলি, বোকাজান, বোকাখাত, বকো, বঙাইগাঁও, চাপৰ, ঢকুৱাখনা, ধেমাজি, ধুবুৰী, ডিব্ৰুগড়, ডিগবৈ, দুধনৈ, দুলীয়াজান, গোৱালপাৰা, গোলাঘাট, গুৱাহাটী, হাজো, জাগীৰোড, যোৰহাট, কৰিমগঞ্জ, কোকৰাঝাৰ, লংকা, লামডিং, মাজুলী, মঙলদৈ, মিৰ্জা, মৰিগাঁও, নগাঁও, নলবাৰী, নামৰূপ, উত্তৰ লখিমপুৰ, পাঠশালা, ৰঙিয়া, শদিয়া, শিৱসাগৰ, শিলচৰ, তেজপুৰ আৰু তিনিচুকীয়া, মুঠ ৪৭ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হ’ব। পৰীক্ষাসমূহৰ বাবে ইতিমধ্যে কেন্দ্ৰসমূহত নাম পঞ্জীয়ন চলি আছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে ১৫০ টকা পঞ্জীয়ন মাচুলসহ আঠ আগষ্টৰ ভিতৰত নিজৰ পছন্দৰ যিকোনো এটা পৰীক্ষা কেন্দ্ৰত নাম পঞ্জীয়ন কৰিব পাৰিব। পৰীক্ষাৰ প্ৰপত্ৰ, পৰীক্ষাৰ পাঠ্যক্ৰম, বিগত বৰ্ষসমূহৰ প্ৰশ্নকাকত তথা ওচৰৰ পৰীক্ষা কেন্দ্ৰসমূহৰ বাবে সবিশেষ জানিবৰ ছাত্ৰ-ছাত্ৰীসকলে www.aamonline.org.in ৱেবছাইট চাব পাৰে। ইয়াৰোপৰি, পৰীক্ষা সম্পৰ্কীয় যিকোনো বিষয় জানিবৰ বাবে ৭০০২৯৫৮৮৬৩, ৯৭০৬৫৩৯৯৫, ৭৮৯৬৬২৪০৮৭ নম্বৰ কেইটাত যোগাযোগ কৰিব পাৰে।

**OFFICE OF THE SUPERINTENDENT OF POLICE : UDALGURI : ASSAM : MISSING INFORMATION**



The above is photograph of Sri Diganta Das (22 Yrs) S/O Lt. Madhab Kalita, Vill- Biltari (Dopara), P.S. Barpeta, Dist- Barpeta (Assam) who has been missing since 29/07/2022 from No-1 Patty Harisinga.

This refers to Harisinga PS GDE No-05 Dtd. 01/08/2022 and this office Man Missing Register Entry No.72, Dtd. 02/08/2022.

**Descriptive roll of the missing person:**

1. Complexion - Swarthy
2. Age - 22 yrs.
3. Height - 5 feet.
4. Built - Medium
5. L/known - Assamese
6. W/apparel - Black Pant & Colouring Shirt

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/ 9859427622 (Cell phone).

**Sd/-**
**Superintendent of Police, Udalguri, Assam.**

Janasanyog/D/9917/22

# অখিলে ৰাইজৰ মাজত ভাষাৰ মাধ্যম লৈ ভ্ৰান্ত ধাৰণা প্ৰচাৰ কৰিছে

## কাছাৰত গুণোৎসৱৰ মূল্যায়ন মন্ত্ৰী ডাঃ পেগুৰ

**শিলচৰ, ৫ আগষ্ট ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে আজি উপস্থিত হোৱা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ব্ৰজগোবিন্দ বিদ্যালয় পৰিদৰ্শন কৰে। শালগংগাত আৰু গুণোৎসৱৰ মূল্যায়নত অংশ লৈ মন্ত্ৰীজনে। ছাত্ৰ-ছাত্ৰীসকলৰ অনুশাসনমূলক কাৰ্যসূচী পৰ্যবেক্ষণ কৰি বিদ্যালয়খনৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ স’তে মত বিনিময় কৰি শৈক্ষিক দিশসমূহ পৰ্যালোচনা কৰে তেওঁ। উৎসৱৰ বিভিন্ন দিশৰ বিষয়েও অভিভাৱকসকলৰ স’তে কথা পাতে মন্ত্ৰীজনে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে গুণোৎসৱৰ চূড়ান্ত পৰ্যায় পৰিদৰ্শন কৰিবলৈ আজি শিলচৰ উপস্থিত হৈছে।

এছডিআৰএফৰ অধীনত বানপানীত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহ মেৰামতি কৰাৰ লগতে ৰাজ্য চৰকাৰেও মেৰামতিৰ ব্যৱস্থা কৰিব। তেওঁ কয় যে বিধায়ক অখিল গগৈয়ে মাতৃভাষাৰ সংবাদ মাধ্যমৰ ওপৰত বহু ভুল তথ্য কৰি আছে। শিক্ষাৰ নটা মাধ্যম আছে আৰু ভৱিষ্যতে শিক্ষাৰ ব্যৱস্থা কৰি যাব। ইংৰাজীৰ সমান্তৰালভাৱে মাতৃভাষাকো গুৰুত্ব দিব লাগে বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। কাছাৰত অনুষ্ঠিত হ’বলগীয়া চূড়ান্ত পৰ্যায়ৰ গুণোৎসৱ পৰিদৰ্শন কৰিবলৈ দুদিনীয়া ভ্ৰমণসূচীৰে আজি ৰাজ্যিক শিক্ষামন্ত্ৰীয়ে শিলচৰত উপস্থিত হয়। আজি তেওঁ শিলচৰৰ তিনিখন বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ স’তে মত বিনিময় কৰে।

# অৱশেষত চিন্তামণিগড়ৰ দুৰ্ধৰ্ষ গৰু চোৰ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৫ আগষ্ট ঃ** আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিনে পলাতক হৈ থকা দুৰ্ধৰ্ষ গৰু চোৰ চাহাবুদ্দিন আলী ওৰফে সৰুভাইক আজি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গৌৰীসাগৰ আৰক্ষী । গৌৰীসাগৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যজিৎ বৰঠাকুৰৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে চোৰজনক গ্ৰেপ্তাৰ কৰি থানালৈ আনে। উল্লেখ্য যে আৰক্ষী থানাৰ অন্তৰ্গত ৰূপহীমুখ, খনামুখ, হাতীঘূলী, দিখৌমুখ, চাৰিং আদি বিভিন্ন অঞ্চলত দুৰ্ধৰ্ষ গৰু চোৰজনৰ নেতৃত্বত গৰু চুৰি কাৰ্য সংঘটিত হৈ আছিল। দুৰ্ধৰ্ষ গৰু চোৰটোৱে আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ চিন্তামণিগড়ৰ নিজা ঘৰতে চুৰি গৰুসমূহ মজুত কৰি গোপনে বিক্ৰী কৰি আহিছিল। প্ৰায় চাৰিমাহৰ পূৰ্বে গৌৰীসাগৰ আৰক্ষীয়ে অভিযান চলাই চোৰজনৰ ঘৰৰ পৰা বিক্ৰী কৰিবলৈ মজুত কৰি ৰখা ৪০ টাকৈ গৰু জব্দ কৰিছিল যদিও গৰু চোৰজন পলাই যাবলৈ সক্ষম হৈছিল। তেতিয়াৰে পৰা দুৰ্ধৰ্ষ গৰু চোৰজনৰ বিৰুদ্ধে গৌৰীসাগৰ থানাত গো সুৰক্ষা আইনৰ অধীনত ভাৰতীয় দণ্ড বিধিৰ ৩৭৯/৪১১/৩৪১ ধাৰাৰ অধীনত ৪৭/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰা হৈছিল। সেই গোচৰৰ ভিত্তিতে গৌৰীসাগৰ আৰক্ষীয়ে চোৰজনক আজি গ্ৰেপ্তাৰ কৰি দণ্ডাধীশৰ আগত হাজিৰ কৰায়।

**SHORT TENDER NOTICE**

This is for general information to all concerned that timber lots procured from seized/ departmental/Wind fallen timber lying in various Forest Depots under Sonitpur East Division, Biswanath Chariali are intended to be Re-Sale by e-tender from 05/08/2022 to 19/08/2022 upto 2:00 PM (IST), as per Assam Sale of Forest Produce Coups and Mahal Rules, 1977. The tender will open on the same day at 2:30 PM (IST). If this office does not function on the above day for any reason beyond control, tender will be opened on the next working day. E-tender will be conducted through the web portal www.assamforestonline.in

Interested bidders may obtain details of the sale notice from the website www.assamforestonline.in

**Sd/-**
**Divisional Forest Officer.**
**Sonitpur East Division,**
**Biswanath Chariali.**

Janasanyog/C/7723/22

**NOTICE INVITING QUOTATION**

Sealed quotation in prescribe form enclosing IPO of Rs. 10.00 (Rupees Ten) only is invited from the individual/firm/companies or any other Commercial Organisation interested to carry on their business for running the Toilet Block (Gents & Ladies) at Machkhowa ASTC Station

Details related to quotation may be obtained from the office of the undersigned during office hours from 08/08/2022 to 22/08/2022 upto 3.00 pm. Last date for submission of quotation is 23/08/2022 up to 2.00 pm. Interested parties may **visit ASTC website astc.assam.gov.in**

**Sd/-**
**Managing Director Assam State Transport Corporation.**
**Paribahan Bhawan, Paltanbazar, Guwahati-8**

Janasanyog/CF/1662/22

**NOTIFICATION**

**Dated Dispur, the 22th June, 2022**

**No.UDD(T)228/2022/6**:-In exercise of the powers conferred by the section 9 (nine) of the Assam Town & Country Planning Act, 1959 (Assam Act II of 1960) read with Sub: section I of section 10 (Ten) of Assam Town & Country Planning Act (As amended). the Governor of Assam is pleased to published the following notice regarding the publication of Draft Master plan for Howraghat -2042

**Notice for the Publication of Draft Master Plan for Howraghat:**

1. It is notified that the Draft Master plan for Howraghat prepared by the Directorate of Town & Country Planning. Government of Assam. Town & Country Planning Act. 1959 read with Sub-section I of section 10(Ten) of Assam Town & Country Planning Act (As amended). for the area described in the schedule below is hereby published.

2. Any person or persons affected by the Draft Master plan may submit their objection or opinion in writing to the Director. Town & Country Planning. Government of Assam. Dispur, Guwahati-6 within two months from the date of publication.

3. The Draft Master plan for Howraghat with all relevant papers and maps may be inspected free of cost during office hours at the Office of the Director. Town & Country Planning. Government of Assam. Dispur. Guwahati-6. the Deputy Director: Town & Country Planning, District Office- Diphu. Karbi Anglong. the Circle office. Howraghat Revenue Circle, Howraghat. Office of the Chairman. Howraghat Municipal Board. Howraghat. Copies of the Draft Master plan for Howraghat are available at the office of the Deputy Director. Town & Country Planning. Diphu. Karbi Anglong on payment.

**SCHEDULE-I**

**A. SITUATION AND AREA:**

District:- East Karbi Anglong

Master Plan area : 36.30 sq. km.

Revenue Area included in the Final Master Plan of Howraghat Plan Period: 2042

**1. Howraghat Twon Area**

**2. Other villages included in the proposed Master Plan for Howraghat:**

| | |
|---|---|
| Bali Gaon | Rongkut 1 Block-1,2 |
| Bey Kula | Beloguri |
| Eradighalpani | Miri Bali |
| Dumukhi Dighalipar | Dighali Par |
| Rongkut Block No.4 | |

**3. Description of boundaries within the Master Plan area**

East-Howraghat Bridge (Karkanthi River)

West-Bali Gaon

North- Dumukhi Dighalipar

South-Samuguri - Karkanthi River

**Sd/-**
**(Kavitha Padmanabhan, IAS)**
**Commissioner & Secretary to the Govt. of Assam, Department of Housing and Urban Affairs**

Janasanyog/D/9911/22

# মেদাঘাটত পশু স্বাস্থ্য কেন্দ্ৰৰ উদ্বোধন



**বৰমা, ৫ আগষ্ট ঃ** বৰমাৰ ওচৰৰ মেদাঘাটত আজি নৱ নিৰ্মিত পশু উপ স্বাস্থ্য কেন্দ্ৰ এখন উদ্বোধন কৰে বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই। পশু উপ স্বাস্থ্য কেন্দ্ৰ উদ্বোধন কৰি তেওঁ কয় যে ইয়াৰ দ্বাৰাই এই অঞ্চলৰ ৰাইজৰ বহু উপকাৰ হ'ব। লগতে এই অঞ্চলৰ বেছিভাগলোকে কৃষিজীৱী আৰু কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়ে এই অঞ্চলৰ লোকসকলে জীৱন নিৰ্বাহ কৰে। কৃষিজীৱী লোকসকলৰ বাবে এই পশু চিকিৎসা স্বাস্থ্য কেন্দ্ৰটো গো-পালককে ধৰি সকলো লোকৰ উপকাৰ সাধন কৰিব বুলি কয়। তেওঁ অহা ছমাহৰ ভিতৰত বিপিএফ দলটো দুই মেৰুত বিভক্ত হ'ব বুলিয়ো উল্লেখ কৰে। বিপিএফ নামৰ ৰাজনৈতিক দলৰ ভিতৰ চ'ৰাত ক্ষমতাকেন্দ্ৰিক ৰাজনীতি চলিছে বুলি মন্তব্য কৰে ব্ৰহ্মই। আনহাতে, বিপিএফৰ ৰবিৰাম বড়োৱে বিটিএডিত প্ৰধানমন্ত্ৰী আৱাস গৃহ যোজনাৰ নামত ভিচিডিচিৰ অধ্যক্ষই ধন লোৱাৰো অভিযোগ কৰাৰ প্ৰত্যুত্তৰত ইউপিপিএলৰ কাৰ্যবাহী সদস্য ব্ৰহ্মই কয় যে নাৰ্জাৰীয়ে ভিচিডিচিৰ অধ্যক্ষই ধন লোৱাৰ তথ্য সহকাৰে প্ৰমাণ দিব পাৰিলে লগে লগে অধ্যক্ষৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব।

# গোৱালপাৰাত এবছৰীয়া সন্তানৰ মাতৃ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৫ আগষ্ট ঃ** গোৱালপাৰা চহৰৰ বলদমাৰী শাস্ত্ৰীনগৰৰ পৰা এবছৰীয়া সন্তানৰ মাতৃ নিৰুদ্দেশ হোৱাৰ ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, চহৰৰ বলদমাৰী শাস্ত্ৰীনগৰৰ সন্তেষ আলীৰ পুত্ৰ আব্দুল আৱালৰ পত্নী ৰেছমিনা আকতাৰে যোৱা তিনি আগষ্টৰ দুপৰীয়া ১২-৩০ বজাত ঘৰত এবছৰীয়া সন্তান এৰি নিৰুদ্দেশ হয়। উল্লেখ্য যে যোৱা এসপ্তাহ পূৰ্বে শহুৰেকৰ নিমন্ত্ৰণ মৰ্মে আব্দুল আওৱালে নিজ পত্নীক লগত লৈ শহুৰেকৰ ঘৰত যায়। এদিন পাছতেই লক্ষীপুৰৰ নিদানপুৰৰ শহুৰেকৰ ঘৰত তেওঁৰ পত্নীক এৰি থৈ আহে। পৰহি পত্নীৰ কথা মতে, আব্দুল আওৱালে তেওঁক আনিবলৈ যোৱাৰ পূৰ্বেই পত্নীয়ে অকলেই স্বামীগৃহত উপস্থিত হৈ কোলাত থকা সন্তানক এৰি থৈ নিৰুদ্দেশ হয়। স্বামীগৃহৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি কোনো সন্ধান নাপাই গোৱালপাৰা সদৰ আৰক্ষী থানাত এখন নিৰুদ্দেশ সম্পৰ্কীয় এজাহাৰ দিয়ে। কোনো সদাশয় লোকে বোৱাৰীগৰাকীৰ সন্ধান পালে আব্দুল আওৱালৰ ৭০০২৯৩২১৩৬ নম্বৰ অথবা আৰক্ষীৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# সাংবাদিক অসীমজ্যোতি বৰাক গুণমুগ্ধৰ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড়ৰ যুৱ সাংবাদিক তথা মৰঙি প্ৰেছ ক্লাবৰ সাংগঠনিক সম্পাদক অসীমজ্যোতি বৰা (৩৬)ৰ সৰ্প দংশনৰ ফলত হোৱা অকাল বিয়োগে গোলাঘাট জিলাবাসীক শোকস্তব্ধ কৰি তুলিছে। যোৱা তিনি আগষ্টত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰা সাংবাদিক জনৰ নশ্বৰ দেহ যোৱা চাৰি আগষ্টৰ নিশা নুমলীগড়লৈ আনি বিবেকানন্দ কেন্দ্ৰ হাস্পতালৰ মৰ্গত নিশাটো ৰখা হয়। আজি পুৱাই মৰঙি প্ৰেছ ক্লাবৰ উদ্যোগত অসীমজ্যোতিৰ নশ্বৰ দেহ হাস্পতালৰ পৰা উলিয়াই এক সমদলেৰে তেলগৰম ৰংগমঞ্চলৈ আনি এক বৃহৎ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। মৰঙি প্ৰেছ ক্লাবৰ সম্পাদক প্ৰিয়ংদীপ কাকতিয়ে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সংবাদসেৱাৰ সমান্তৰালভাৱে ৰাইজৰ সেৱাত ব্ৰতী অসীমজ্যোতি বৰাৰ নুমলীগড়, মৰঙি অঞ্চলৰ সকলো সাহিত্য, সংস্কৃতিকে ধৰি সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে থকা সম্পৰ্ক তথা সাংবাদিক জনৰ জীৱন আৰু কৃতিত্ব সম্পৰ্কে আলোকপাত কৰা হয়। তেওঁৰ অকাল মৃত্যুত নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ, ভিকে এন আৰ এল চিকিৎসালয় কৰ্তৃপক্ষ, আপকুৰ গোলাঘাট জিলা সমিতি, বোকাখাত মহকুমা সাংবাদিক সংস্থা, কমাৰগাঁও সাংবাদিক সন্থা, মৰঙি প্ৰেছ ক্লাব, কমাৰগাঁও প্ৰেছ ক্লাব, নুমলীগড় সাংবাদিক সন্থা, গোলাঘাট জিলা সাংবাদিক সন্থা, সদৌ অসম ছাত্ৰ সন্থাৰ মৰঙি আঞ্চলিক সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ৰাজ্যিক সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, গোৰ্খা ছাত্ৰ সন্থা, আটছা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ মৰঙি শাখা, গোলাঘাট জিলা গোৰ্খা সন্মিলন, গোলাঘাট জিলা নেপালী সাহিত্য সভা, অসম সাহিত্য সভাৰ কালীয়নি, মৰঙি, দৈগ্ৰোং আৰু নুমলীগড় শাখাকে ধৰি শতাধিক দল-সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি সাংবাদিক জনৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩৬ বছৰ। তেওঁ পত্নীসহ ডেৰ বছৰীয়া এটি কন্যা সন্তানৰ লগতে দুজন ভ্ৰাতৃ, বৌৱেক আৰু পিতৃৰ লগতে বহুতো গুণমুগ্ধক এৰি যায়। প্ৰয়াত অসীমজ্যোতি বৰাৰ অন্ত্যেষ্টিক্ৰিয়া অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত লবণঘাট ৰাজহুৱা শ্মশানত আজি সম্পন্ন কৰা হয়।

# টিহুত ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ পৰিদৰ্শন নলবাৰীৰ উপায়ুক্ত ফুকনৰ



অগ্ৰদূত বাৰ্তা

**টিহু, ৫ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি দেশত আৰম্ভ হোৱা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান অসমতো আৰম্ভ হৈছে। সমগ্ৰ অসমৰ লগতে নলবাৰী জিলাতো এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ জিলা উপায়ুক্ত গীতিমণি ফুকনে ব্যাপক তৎপৰতা চলাই আছে। এই উদ্দেশ্যে কালি জিলা উপায়ুক্তজন টিহুত উপস্থিত হয়। টিহু উন্নয়ন খণ্ডৰ কাৰ্যালয়ত খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন, টিহুৰ ৰাজহ চক্ৰ বিষয়া (সংলগ্ন) উপাসনা ডেকা, জলখানা-ভঠুৰাখানা গাঁও পঞ্চায়তৰ সভাপতি মীৰা দেৱীৰ লগত আলোচনাত মিলিত হয়। আলোচনাত উপায়ুক্তগৰাকীয়ে টিহু ৰাজহ চক্ৰ অঞ্চলৰ প্ৰতিঘৰ পৰিয়ালকে হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফলতাৰে পালন কৰিবলৈ আহ্বান জনাই হৰ ঘৰ কাৰ্যসূচী সফলতা হ'বলৈ হ'লে সকলোৱে আগবাঢ়ি আহিব লাগিব বুলি মন্তব্য কৰে উপায়ুক্তগৰাকীয়ে। শেষত টিহুৰ ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে।

# ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

## শৈক্ষিক পৰিৱেশ বিনষ্টকাৰী শিক্ষয়িত্ৰীৰ বদলিৰ দাবীত সৰৱ ছাত্ৰ-অভিভাৱকৰ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৫ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী মৰ্জিনা বেগমৰ বিৰুদ্ধে অভিভাৱকসকলে যোৱা তিনি আগষ্টত দ্বিতীয় দিনাও বিদ্যালয় চৌহদত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণী বৰ্জন কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে কালি বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী বেগমৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰি ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ মুখৰ হৈ বিদ্যালয়ৰ প্ৰৱেশত বাধা প্ৰদান কৰিছিল। অভিযোগ মতে, বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী বেগমে দীৰ্ঘদিনৰে পৰা বিদ্যালয়ত পলমকৈ আহি সোনকালে উভতি যোৱা, প্ৰায়ে সহকৰ্মীৰ স'তে অশালীন ভাষা প্ৰয়োগ কৰি কাজিয়াত লিপ্ত হোৱাৰ বাবে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি আহিছে। এনে পৰিপ্ৰেক্ষিততে অভিভাৱক তথা ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলে সমূহীয়া সিদ্ধান্ত মৰ্মে বিদ্যালয় চৌহদত পৰহি শিক্ষয়িত্ৰী বেগমৰ বিৰুদ্ধে সৰৱ হৈ পৰে। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে শিক্ষয়িত্ৰী বেগমক বিদ্যালয়ৰ পৰা শীঘ্ৰে বদলি কৰাৰ বাবে দাবী জনোৱাৰ লগতে বিদ্যালয়ত উপস্থিত হোৱা ছাত্ৰ-ছাত্ৰীসকলে কালি শ্ৰেণী বৰ্জন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হয়। ক্ষুব্ধ অভিভাৱক তথা ৰাইজে বিদ্যালয়খনৰ পৰা বেগমক বদলি নকৰিলে নিজ নিজ সন্তানক অইন বিদ্যালয়ত নামভৰ্তি কৰি দিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিয়ে। ইপিনে, অভিভাৱক আৰু স্থানীয় লোকে শিক্ষয়িত্ৰী বেগমক বদলি কৰি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ ওভতাই অনাৰ উপৰি এজন নিষ্ঠাবান তথা দক্ষ শিক্ষকক বিদ্যালয় পৰিচালনাৰ দায়িত্ব দিবলৈ শিক্ষা বিভাগৰ প্ৰতি আহ্বান জনায়।

# কলিয়াবৰত নিশা বন্যহস্তীৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৫ আগষ্ট ঃ** কলিয়াবৰৰ বিভিন্ন ঠাইত বন্য হাতীয়ে উপদ্ৰৱ চলাই সৰ্বসাধাৰণ ৰাইজক জীয়াতু ভোগাই অহাৰ সময়তে পুনৰ আৰম্ভ হৈছে বন্য হাতীৰ উপদ্ৰৱ। মহকুমাটোৰ হাতীগাঁও চাহ বাগিচাৰ ১৭ নম্বৰ লাইনত যোৱা তিনি আগষ্টৰ নিশা বনৰীয়া হাতীয়ে কে'বাটাও বাসগৃহ ভাঙি তহিলং কৰে।

# যোৰহাটত ভয়ংকৰ অগ্নিকাণ্ড

স্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৫ আগষ্ট ঃ** কালি দুপৰীয়া যোৰহাট নগৰৰ এ টি ৰোডৰ ভোগদৈ নদীৰ সমীপৰ কছাৰী পৰীয়া নামঘৰৰ কাষত ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত দীপক চাহু নামৰ ব্যক্তিজনৰ বাসগৃহ সম্পূৰ্ণৰূপে জুইত জাহ যায়। কালি দিনৰ প্ৰায় ডেৰ বজাত সমীপতে থকা এখন বিদ্যালয়ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে দীপক চাহু নামৰ ব্যক্তিজনৰ বাসগৃহৰ পৰা ধোঁৱা ওলোৱা প্ৰত্যক্ষ কৰি বিদ্যালয়খনৰ এগৰাকী শিক্ষয়িত্ৰীক অৱগত কৰাত শিক্ষয়িত্ৰীগৰাকীয়ে তৎক্ষণাত স্থানীয় লোকক খবৰ দিয়ে। চাহুৰ ঘৰত সেই সময়ত কোনো নথকা বুলি জানিব পৰা গৈছে। মাটিৰ চাকিৰ পৰা ওলোৱা জুইৰ লেলিহান শিখাই নিমিষতে চাহুৰ ঘৰতো আগুৰি ধৰে। ফলত সমগ্ৰ অঞ্চলটোত এক আতংকময় পৰিস্থিতিৰ উদ্ভৱ হয়। পৰিস্থিতি অধিক ভয়ংকৰ হোৱাত সমীপৰ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক তৎক্ষণিকভাৱে ঘৰলৈ যাবলৈ দিয়া হয়। একাংশ লোকে অগ্নি নিৰ্বাপক বাহিনীৰ লোকক খবৰ দিয়াত বাহিনীৰ দুখন গাড়ী আহি বহু সময় জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। ফলত দৈৱক্ৰমে ৰক্ষা পৰে এক বৃহত্তৰ অঞ্চল। অগ্নিকাণ্ডটোৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ জানিব পৰা হোৱা নাই।

# ধুবুৰীৰ গৌৰীপুৰত ড্ৰাগছ সহ এজনক আটক

অগ্ৰদূত বাৰ্তা

**ধুবুৰী, ৫ আগষ্ট ঃ** গৌৰীপুৰ আৰক্ষীৰ অভিযানত নিচাজাতীয় কফ ছিৰাপ সহ এজনক আটক। জানিব পৰা মতে, গৌৰীপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিতু জ্যোতি নাথৰ এক গোপন সূত্ৰৰ পম খেদি গৌৰীপুৰ নগৰ উপ-পৰিদৰ্শক কপিল চন্দ্ৰ দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দলে সন্ধিয়া গৌৰীপুৰৰ খুদিমাৰী বজাৰত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। অভিযানত নুৰ মহম্মদ সেখ (৩৫) নামৰ লোকজনে নিচাজাতীয় কফ ছিৰাপ বিক্ৰী কৰি থকাৰ সময়তে আৰক্ষীয়ে হাতে-লোটে ধৰা পেলাই নিচাজাতীয় কফ ছিৰাপৰ বটলসমূহ জব্দ কৰে। জব্দকৃত নিচাজাতীয় কফ ছিৰাপৰ বটলসহ নুৰ মহম্মদ সেখক আটক কৰি গৌৰীপুৰ থানালৈ লৈ আনে। সম্প্ৰতি ড্ৰাগছ ব্যৱসায়ী নুৰ মহম্মদক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি গৌৰীপুৰ আৰক্ষীয়ে জানিবলৈ দিয়ে।

# পৰমানন্দ জাতীয় বিদ্যালয়ত কৃতীমানক সম্বৰ্ধনা-এককালীন বৃত্তি প্ৰদান



অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৫ আগষ্ট ঃ** তিনিচুকীয়াৰ পৰমানন্দ জাতীয় বিদ্যালয়ত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিদ্যালয় কৰ্তৃপক্ষই বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে শিক্ষানুৰাগী কিৰণ দেৱী শৰ্মাৰ স্মৃতিত এককালীন নগদ ধনৰ বৃত্তি প্ৰদান কৰে। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত উপাচাৰ্য শিক্ষাবিদ ড° মদন শৰ্মা, চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সোমেশ্বৰ মৰাণ, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দ্বীপন মৰাণ, অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰৱন্ধকাৰ পূৰ্ণানন্দ বৰুৱা আৰু পৰমানন্দ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ববিতা শৰ্মা উপস্থিত থাকে। বিশিষ্ট শিক্ষাবিদ ড° মদন শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক স্কুলীয়া পাঠ্যপুথিৰ উপৰি বাহিৰা কিতাপ অধ্যয়ন কৰিবলৈ আৰু দূৰদৰ্শনত নিয়মীয়াকৈ ইংৰাজী শুনিবলৈ পৰামৰ্শ দিয়ে। চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই কয় যে অসমত জাতীয় বিদ্যালয়সমূহে অসমীয়া ভাষা আৰু সংস্কৃতিৰ পথাৰখন জীপাল কৰি ৰাখিছে। জাতীয় বিদ্যালয়ৰ এই উদ্যোগত বিধায়কজনে প্ৰশংসা কৰে। দিহানামেৰে আৰম্ভ হোৱা এই অনুষ্ঠানতে বৰগুৰি অঞ্চলৰ এগৰাকী বিশিষ্ট ব্যক্তি মঙলা বৰাইক গামোচা, ফুলৰ থোপা, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়।

# ধেমাজিত নেছাৰ্চ বেকন ৪০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে সংকল্প গ্ৰহণ

## 'মই পৃথিৱীৰ বাবে মংগলজনক' শ্ল'গানৰ অংগীকাৰ

**ধেমাজি, ৫ আগষ্ট ঃ** 'মই পৃথিৱীৰ বাবে মংগলজনক' শ্ল'গানেৰে ধেমাজি নেচাৰ্চ বেকনৰ ৪০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে এক সংকল্প গ্ৰহণ অনুষ্ঠান সম্পন্ন। প্ৰকৃতি সুৰক্ষা আৰু শিশুসকলক সৰুৰে পৰা প্ৰকৃতিৰ প্ৰতি অনুগত্য শ্ৰীবৃদ্ধি লাভ কৰিবৰ বাবে ৪০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে উত্তৰ-পূব পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্চ বেকনৰ এই বিশাল যাত্ৰা। এই যাত্ৰাৰ অংশ স্বৰূপে ধেমাজি নেচাৰ্চ বেকনে ৰেক্সিক্স বিদ্যালয়ত ব্যতিক্ৰম পদক্ষেপ অনুষ্ঠিত কৰে। চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সম্পৰ্কীয় সজাগতা অনুষ্ঠান পৰিৱেশন আৰু অংগীকাৰবদ্ধ হয় একেলগে। লগতে বিদ্যালয়খনৰ সহযোগত ৭৫ বছৰীয়া অমৃত মহোৎসৱ উপলক্ষে ঘৰ ঘৰ ত্ৰিৰংগা পতাকা স্বৰূপে দেশভক্তি গীত-নৃত্য সমাহাৰেৰে জননীক ভাল পাবলৈ শিকাই উদ্যোক্তাই। অনুষ্ঠানত নেচাৰ্চ বেকনৰ নেতা যুগল সন্দিকৈ, ধেমাজি ৰেক্সিক্স বিদ্যালয়ৰ অধ্যক্ষ ড° বনজিৎ ভট্ট, সঞ্চালক লক্ষী হাজৰিকা, ধেমাজি পৌৰসভাৰ সভানেত্ৰী দীপৰেখা দাস বাগ্মীয়ে অংশগ্ৰহণ কৰে।



*বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ বিৰুদ্ধে টাইপাৰ বিক্ষোভ কাৰ্যসূচী, মৰাণত।*

# হাতীমূৰাত বিদ্যুৎস্পৃষ্ট হৈ আহত এজন

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৫ আগষ্ট ঃ** কলিয়াবৰৰ হাতীমূৰাস্থিত কলং উত্তোলিত জলসিঞ্চন আঁচনিৰ ব্ৰাজত যোৱা চাৰি আগষ্টত বিদ্যুৎস্পৃষ্ট হৈ এজন কৰ্মচাৰী গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বিকল হৈ থকা ব্ৰাজখন পুনৰ কাৰ্যক্ষম কৰি কৃষকক পানী যোগানৰ বাবে কাম কৰি থকা সময়ত বিদ্যুৎস্পৃষ্ট হৈ হিৰণ্য বৰদলৈ নামৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীজন গুৰুতৰভাৱে আহত হয়। লগে লগে তেওঁক সংকটজনক অৱস্থাত জখলাবন্ধা চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

# মাজুলীৰ আৰোহণ সংগীত একাডেমীৰ অভিভাৱক সন্মিলন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৫ আগষ্ট ঃ** মাজুলীৰ ফুলনি অঞ্চলত সাংস্কৃতিক পৰিৱেশ গঢ়ি নতুন প্ৰজন্মক সংগীতৰ ক্ষেত্ৰখনত আগুৱাই নিয়াৰ মানসেৰে ২০১৯ত স্থাপন হোৱা আৰোহণ সংগীত একাডেমীৰ অভিভাৱক সন্মিলনখন ফুলনি চাৰিআলিত অনুষ্ঠিত হয়। তিনি বছৰ অতিক্ৰম কৰা পাছত অনুষ্ঠিত হ'ল অভিভাৱক সন্মিলনখন। অভিভাৱক সন্মিলনখনৰ বন্তি প্ৰজ্বলন আৰম্ভ কৰে ফুলনি অঞ্চলৰ ধৰ্মপ্ৰাণা মহিলা লাহৰি মেধিয়ে। অভিভাৱক সভাখন আৰোহণ সংগীত একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত বৰগীতেৰে উদ্বোধন কৰে। আৰোহণ সংগীত একাডেমীৰ পৰিচালিকা পিংকু বৰাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে কবি-সাহিত্যিক আৰু সমাজ সংগঠক জয়ন্ত হাজৰিকাই। সভাত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ প্ৰদান কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰবক্তা বিনোদ দাস, শিক্ষক হেম কুমাৰ মিলিয়ে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সমাজ সংগঠক ৰাজীৱ শইকীয়া, শিক্ষক তথা সমাজকৰ্মী বিপুল চন্দ্ৰ বৰা, সদৌ অসম গোৰ্খা সন্মিলনৰ সাধাৰণ সম্পাদক মণি কুমাৰ নেৱাৰ। অভিভাৱক সভাখনতেই আৰোহণ সংগীত একাডেমীৰ নতুন সমিতিখন গঠন কৰে। সমিতিখনত ড° মাণিক

# মঙলদৈ মহাবিদ্যালয়ত ইউপিএছচি পৰীক্ষাৰ প্ৰশিক্ষণৰ আয়োজন

বিশেষ সংবাদদাতা

**মঙলদৈ, ৫ আগষ্ট ঃ** মঙলদৈ মহাবিদ্যালয় আৰু দৰং জিলা প্ৰশাসনৰ যুটীয়া উদ্যোগত তিনি মহীয়া এটি ইউপিএছচি/এপিএছচি/ এছএছচি আৰু অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণ আয়োজন কৰা হৈছে। উক্ত পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰাৰ লগতে সক্ষম কৰিবলৈ উক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। উক্ত অনুষ্ঠানটো অহা ছয় আগষ্টত আৰম্ভ হ'ব। সেইদিনা দিনৰ এক বজাত দৰঙৰ উপায়ুক্ত প্ৰণব কুমাৰ শৰ্মাই উক্ত প্ৰশিক্ষণৰ উদ্বোধন কৰিব। লগতে তেওঁ অংশগ্ৰহণকাৰীসকলক সম্বোধন কৰিব বুলি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই জনাইছে। উক্ত প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে সেইদিনা দিনৰ এক বজাৰ আগত উপস্থিত হ'ব লাগিব। আনহাতে, এতিয়াও কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি পঞ্জীয়ন কৰিবলৈ ইচ্ছুক , তেওঁলোকে সেইদিনাও পঞ্জীয়ন কৰিব পাৰিব বুলি অধ্যক্ষ ড° কমলাকান্ত বৰাই জানিবলৈ দিয়ে। আনহাতে, প্ৰতি শনিবাৰে দিনৰ দুই বজাৰ পৰা পাঁচ বজালৈ এই পাঠদান অনুষ্ঠিত হ'ব। উক্ত প্ৰশিক্ষণৰ পাঠদান অহা ৩১ অক্টোবৰলৈ চলিব বুলি জানিব পৰা গৈছে। অধ্যক্ষ ড° বৰাই জানিবলৈ দিয়া মতে, বিভিন্ন শিক্ষা অনুষ্ঠানৰ পৰা ভাল ভাল প্ৰশিক্ষক পাঠদানৰ বাবে অনা হ'ব যাতে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয়।

# টৰেন্ট' আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ৰীমা দাসৰ ছবি ট'ৰাছ হাছবেণ্ড

**ছয়গাঁও, ৫ আগষ্ট ঃ** টৰেন্ট' আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ৱৰ্ল্ড প্ৰেমিয়াৰত স্থান পাইছে ভিলেজ ৰকষ্টাৰছ খ্যাত চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ ছবি ট'ৰাছ হাছবেণ্ড-এ। উক্ত মহোৎসৱত বিশ্বৰ সৰ্বমুঠ ১০ খন বোলছবিক বাছনি কৰা হৈছে। তাৰ মাজত আছে ৰীমা দাসৰ ট'ৰাছ হাছবেণ্ড ছবিখন। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে অভিজিত দাস আৰু তৰালী কলিতাই। অহা আঠ ছেপ্টেম্বৰৰ পৰা ১৮ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হ'ব এই মহোৎসৱ।

# মাখিবাহা গাঁও পঞ্চায়তৰ সভাপতিৰ বিৰুদ্ধে অনাস্থা

অগ্ৰদূত বাৰ্তা

**টিহু, ৫ আগষ্ট ঃ** টিহু মথুৰাপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪১ নম্বৰ মাখিবাহা গাঁও পঞ্চায়তৰ সভাপতি নৱ কুমাৰ শৰ্মাৰ বিৰুদ্ধে কালি পঞ্চায়তৰ নগৰাকীকৈ সদস্য-সদস্যাই অনাস্থা প্ৰস্তাৱ দিছে। পঞ্চায়ত ব্যৱস্থাৰ অন্যতম চালিকা শক্তি সদস্য-সদস্যাসকলক অন্ধকাৰত ৰাখি পঞ্চায়তৰ কাম-কাজ স্ব-ইচ্ছাৰে এককভাৱে পৰিচালনা কৰা, জনতাই নিৰ্বাচিত কৰা সদস্য-সদস্যাসকলৰ চহী জালিয়াতিৰে পঞ্চায়তৰ কাম-কাজ নীতিবহিৰ্ভূতভাৱে পৰিচালনা কৰা, গাঁও পঞ্চায়তৰ ৰাজহুৱা কাম-কাজবোৰ ৰাইজৰ হকে ৰাইজৰ দ্বাৰা নকৰি পঞ্চায়তৰ সদস্য-সদস্যাসকলৰ অজ্ঞাতে ঠিকাদাৰী ৰূপত পৰিচালনা কৰা, মইমতালিৰে শালীনতাৰ সীমা চেৰাই গাঁও পঞ্চায়তৰ সদস্য-সদস্যাসকলক অভদ্ৰ আচৰণ কৰা আদি অভিযোগ উত্থাপন কৰি অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰে। গাঁও পঞ্চায়তৰ সদস্য-সদস্যা ৰূপা বণিয়া, নাৰায়ণ বৰ্মন, স্বপ্না ডেকা, মথুৰ পাঠক, অঞ্জলি ডেকা, যামিনী পাঠক, চাণক্য পাঠক, ভনীতা ৰাজবংশী আৰু মলিন পাঠক স্বাক্ষৰিত অনাস্থা প্ৰস্তাৱৰ কপি মাখিবাহা গাঁও পঞ্চায়তৰ ভাৰপ্ৰাপ্ত সচিব আৰু টিহু-মথুৰাপুৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনক প্ৰদান কৰে।

# প্ৰাক্তনমন্ত্ৰী দিলেশ্বৰ তাঁতীৰ মৃত্যুত শোক প্ৰকাশ

## তিনিদিনীয়াকৈ শোক পালন চাহ মজদুৰ সংঘৰ

**তিতাবৰ, ৫ আগষ্ট ঃ** অসম চাহ মজদুৰ সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক, ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়ক, অসমৰ প্ৰাক্তন শ্ৰম মন্ত্ৰী তথা সংস্কৃতিৰ সাধক, সাহিত্যিক, সংগঠক দিলেশ্বৰ তাঁতীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অসম চাহ মজদুৰ সংঘৰ তিতাবৰ শাখাই। সংঘৰ সম্পাদক নগেন কুৰ্মীয়ে প্ৰেৰণ কৰা এটা শোকবাৰ্তাত বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি তেওঁৰ মৃত্যু অসমৰ সমাজ জীৱনৰ প্ৰতি অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰিছে। প্ৰাক্তন মন্ত্ৰী তথা চাহ জনগোষ্ঠীৰ শক্তিশালী নেতাজনৰ স্মৃতিত কালিৰে পৰা চাহ মজদুৰ সংঘই সংঘৰ পতাকা তিনিদিনলৈ অৰ্ধনমিত কৰি শোক প্ৰকাশ কৰিছে বুলি বিবৃতিটোত উল্লেখ কৰিছে। ইয়াৰ উপৰি কাইলৈ পুৱাৰ ভাগত বাগিচাৰ শ্ৰমিকসকলে নিজ নিজ কৰ্মস্থলীলৈ যোৱাৰ আগত সকলোৱে সমবেত হৈ এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰিব বুলিও অৱগত কৰিছে। একে সময়তে নেতাজনৰ স্মৃতিত গভীৰ সমবেদনা প্ৰকাশ কৰিছে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা আৰু চাহ জনজাতি জাতীয় সন্মিলনীয়ে। এটা শোকাবাৰ্তাত জাতীয় মহাসভাৰ সম্পাদক অৰুণ কোঁৱৰে কয় যে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সামগ্ৰিক দিশতে অৱদান আগবঢ়াই যোৱা নেতাগৰাকীৰ শূন্যতা সদায় অনুভূত হৈ থাকিব।

# ৰঙাপৰাত বিধায়ক তাঁতীয়ে উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰী জন ঔষধি বিপণী কেন্দ্ৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ৫ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত কালি সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে এটি প্ৰধানমন্ত্ৰী জন ঔষধি বিপণী কেন্দ্ৰ উদ্বোধন কৰে। ৰঙাপৰা নগৰৰ বি আৰ দত্ত পথত জন ঔষধি বিপণী উদ্বোধন কৰি বিধায়ক তাঁতীয়ে কয় যে জন ঔষধি পৰিযোজনাৰ ফলত নাগৰিকসকলৰ চিকিৎসা ক্ষেত্ৰত বৃহৎ সঞ্চয় হ'ব। তেওঁ উল্লেখ কৰে যে কম খৰচী আৰু উৎকৃষ্ট মানৰ ঔষধ জন ঔষধি কেন্দ্ৰসমূহত পৰ্যাপ্ত আছে আৰু ইয়াৰ ফলত সাধাৰণ নাগৰিকৰ ব্যয় কমিব। দেশৰ প্ৰতিষ্ঠিত চিকিৎসালয় এপলৰ তত্ত্বাৱধানত এটা স্বাস্থ্য পৰীক্ষাগাৰ মুকলি কৰা হৈছে বুলি বিপণীৰ স্বত্বাধিকাৰী সৌৰভ দাসে উল্লেখ কৰে। কালিৰ উদ্বোধনী অনুষ্ঠানত ৰঙাপৰা সাহিত্য সভাৰ সভাপতি গোবিন্দ দাস, পৌৰসভাৰ উপ-সভানেত্ৰী তৃপ্তি গুহ, ৱাৰ্ড কমিছনাৰ স্বপন ধৰ, গণেশ কৰ্মকাৰ, খীনমায়া ছেত্ৰী, ৰাজবাবু তথা বহু লোকে অংশগ্ৰহণ কৰে।

# টকেয়ামাৰীৰ গুৰুফেলা নদীত মহিলা সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৫ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমাৰ টকেয়ামাৰীত কালি বিয়লি নদীত গা ধুবলৈ গৈ সন্ধানহীন হৈছে এগৰাকী মহিলা। মহিলাগৰাকী টকেয়ামাৰীৰ পালপাৰাৰ নিৱাসী নিৰ্মল পালৰ পত্নী প্ৰতিমা পাল (৩৫) বুলি জানিব পৰা গৈছে। মহিলাগৰাকী নিজ গৃহৰ কাষেদি বৈ যোৱা গুৰুফেলা নদীত বিয়লি তিনি বজাত গা ধুবলৈ যাওঁতে নদীৰ সোঁতত উটি যায়। পৰিয়াল তথা স্থানীয় ৰাইজে ঘটনাৰ খবৰ পাই পানীত বিচাৰে যদিও কোনো সম্ভেদ পোৱা নাই। পাছত খবৰ পাই ভাওৰাগুৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ এছডিআৰএফ বাহিনীৰ দ্বাৰা উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

# বাহাৰঘাট অঞ্চলত ক্ৰমাৎ বৃদ্ধি মদ-ভাং সেৱনকাৰীৰ সংখ্যা

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৫ আগষ্ট ঃ** চহৰাঞ্চলৰ লগতে সম্প্ৰতি গ্ৰামাঞ্চলতো মদ-ভাং সেৱনকাৰীৰ তালিকা দীঘলীয়া হৈ গৈছে। চৰকাৰে গ্ৰামাঞ্চলৰ ঠায়ে ঠায়ে মুকলি বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়াৰ সিদ্ধান্ত লোৱাৰ পাছৰে পৰা গ্ৰামাঞ্চলৰ অলিয়ে গলিয়ে সুৰাপায়ী লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে ভাঙৰ প্ৰচলনো হোৱা হোৰে বৃদ্ধি হৈছে। এই সংক্ৰান্তত ৰাইজ সচেতন হৈছে যদিও একাংশ অসাধু লোকে অধিক মূল্যৰ বিনিময়ত বিদেশী সুৰা আৰু ভাং বিক্ৰী কৰি ব্যাপক ধন ঘটি আছে। আনকি একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজতো ইয়াৰ প্ৰচলনৰ কথা সদৰী হৈছে। ফলত সমাজত অপৰাধ আৰু অপৰাধীৰ তালিকা দীঘলীয়া হৈছে। মন কৰিবলগীয়া যে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী আৰু কামৰূপ জিলা সংযোগী বাহাৰঘাট অঞ্চলতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। অঞ্চলটোৰ কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ কে'বাখনো গাঁৱত বিলাতী সুৰা আৰু চুলাইৰ গোপন বিক্ৰী কেন্দ্ৰ থকাটো সকলোৰে মুখে মুখে। এইসমূহ ব্যৱসায়ীৰ গৃহত মাজে মাজে আৰক্ষীয়ে তালাচী চলাই উৎখাত কৰে যদিও কেইদিনমান পাছত পুনৰ পূৰ্বৰ দৰে বিক্ৰী আৰম্ভ কৰে। উল্লেখ্য যে অঞ্চলটোৰ বাৰাংহাটী গাঁও পঞ্চায়তৰ চকীৰবৰিত এখন ৰাইনশ্বপ (ধাবা)ৰ যো-জা চলিছিল যদিও পশ্চিম বড়িগোগ সচেতন নাগৰিক মঞ্চ আৰু বিভিন্ন দল-সংগঠনৰ দাবীত তাক প্ৰত্যাহাৰ কৰিবলৈ জিলা প্ৰশাসন বাধ্য হ'ল। ইতিমধ্যে মৌজাখনৰ সীমামূৰীয়া ঠাই কত্ৰাখাট আৰু বালিসত্ৰৰ মাজতে ৰঙিয়া সমষ্টিৰ অধীনত এখন ধাবা নিৰ্বিঘ্নে চলি আছে। তাৰ কিছু প্ৰভাৱ মৌজাখনৰ কেইটামান অঞ্চলত পৰিছে। মন কৰিবলগীয়া যে সন্ধিয়া বা দিন-দুপৰতে হওঁক উক্ত ধাবাখনৰ সন্মুখত বহুতো যানবাহন ঠাহখাই থাকে। ইয়াৰ উপৰি অঞ্চলটোৰ নলবাৰী জিলাৰ অন্তৰ্গত দেহাৰকুছি, সানেকুছি আৰু দতৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত কে'বাখনো গাঁৱত অবাধে চলি আছে মদ-ভাঙৰ বেহা। আনকি সম্প্ৰতি একাংশ ই-ৰিক্সাৰ গৰাকীয়ে নিজ ৰিক্সাৰে অবৈধভাৱে চুলাইৰ সৰবৰাহ কৰাটো ৰাইজৰ দৃষ্টিগোচৰ হৈছে। সেইবিলাক ই-ৰিক্সাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে পৰিৱেশ ভয়ানক হোৱাৰ আশংকা প্ৰকাশ কৰিছে সচেতন ৰাইজ তথা দল-সংগঠনৰ প্ৰতিনিধিয়ে। ইতিমধ্যে অঞ্চলটোত সুৰা আৰু ভাং সেৱনকাৰীৰো সংখ্যা বৃদ্ধি হৈছে। উল্লেখনীয় বিষয় যে বৰ্তমানে অঞ্চলটোৰ নিৰ্দিষ্ট অবৈধ চুলাই বা বিলাতী সুৰাৰ ব্যৱসায়ীতকৈ গাঁৱে-ভূঁৱে ফেৰিৱালাৰ ৰূপত আত্মপ্ৰকাশ কৰিছে একাংশ মদ-ভাঙৰ ব্যৱসায়ীয়ে। এইসকলে যাক যিমান লাগে প্ৰয়োজন অনুপাতে যোগান ধৰে। মাত্ৰ হকাৰজন আহি পোৱা নিৰ্দিষ্ট সময়লৈকে ৰৈ থাকে নিচাসক্ত লোকসকল। এইবিলাকৰ ক্ষেত্ৰত প্ৰশাসন তথা সচেতন দল-সংগঠনে বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে ভৱিষ্যতে অঞ্চলটোৰ পৰিৱেশে ভয়াবহ ৰূপ লোৱাৰ দিশে গতি কৰিছে বুলি সচেতন ৰাইজে মন্তব্য কৰিছে।

## ■ উদ্বিগ্ন বৌদ্ধিক সমাজ

# বৰকাপলাত শ্ৰীশ্ৰীমনোহৰদেৱৰ তিথি পালন

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ৫ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ প্ৰিয়তম শিষ্য শ্ৰীশ্ৰী মনোহৰদেৱৰ তিৰোভাৱ তিথি পালনৰ আয়োজন চলিছে। বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত বৰকাপলাত অহা আঠ আৰু ন আগষ্টত শ্ৰীশ্ৰী মনোহৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন কৰাৰ উদ্যোগ গ্ৰহণ কৰিছে বৰকাপলা উন্নয়ন সমিতিয়ে। এই উপলক্ষে ইতিমধ্যে মিন্টু নাথক সভাপতি আৰু সঞ্জীৱ দাসক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। শ্ৰীশ্ৰী মনোহৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপনৰ লগত সংগতি ৰাখি উক্ত দুয়োদিনৰ কাৰ্যসূচী অনুসৰি, গছপুলি ৰোপণ, ভাগৱত শোভাযাত্ৰা, ভাগৱত পাঠ, নাম-প্ৰসংগ, মহিলাৰ দিহানাম প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব বুলি আয়োজকসকলে সদৰী কৰিছে। উল্লেখ্য যে ১৬৬৮ত শ্ৰীশ্ৰী মনোহৰদেৱে সৰুক্ষেত্ৰী মৌজাৰ বৰকাপলাত সত্ৰ স্থাপন কৰি সত্ৰ সংস্কৃতিৰ পোহাৰ মেলিছিল। ইফালে, সৰুক্ষেত্ৰী মৌজাৰ শিংৰাত শ্ৰীশ্ৰী মনোহৰদেৱৰ স্থাপিত সত্ৰত তিনিদিনীয়াকৈ তিৰোভাৱ তিথি উদ্‌যাপন কৰা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে।

# গোৰেশ্বৰত চিপিআই (এম)ৰ দুই শতাধিক কৰ্মীক গ্ৰেপ্তাৰ

## অত্যাৱশ্যকীয় মূল্যবৃদ্ধিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**



**গোৰেশ্বৰ, ৫ আগষ্ট ঃ** পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি ৰোধ কৰা, সকলোকে চাউল, আটা, দাইল, মিঠাতেল, চেনি, নিমখ আদি সস্তা দামত যোগান ধৰা, ডিজিটেল ৰেছন কাৰ্ডৰ নামত হাৰাশাস্তি বন্ধ কৰা আৰু বৰ্ধিত বিদ্যুৎ মাচুল হ্ৰাস কৰা আদি নটা দাবীত কালি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ তামুলপুৰ জিলা কমিটীৰ নিৰ্দেশ মৰ্মে গোৰেশ্বৰ, পূব গোৰেশ্বৰ, কাউৰবাহা, মহৰিপাৰা, পশ্চিম মহৰিপাৰা ডেফেলী চিপিআই (এম) যৌথ আঞ্চলিক কমিটীৰ উদ্যোগত গোৰেশ্বৰত বিক্ষোভ প্ৰদৰ্শন কৰি অসমৰ মুখ্যমন্ত্ৰীলৈ পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ প্ৰদানৰ পাছতে গোৰেশ্বৰ আৰক্ষীয়ে দুই শতাধিক কৰ্মীক আটক কৰে। স্মাৰকপত্ৰত উল্লেখ কৰে যে মানুহৰ জীৱন জীৱিকাৰ অত্যাৱশ্যকীয় সামগ্ৰী চাউল, দাইল, আটা, মিঠাতেল, চেনি আদি কৰি নিত্য ব্যৱহাৰ্য সমাগ্ৰী দিনক দিনে অত্যধিক বৃদ্ধি হৈছে। বিদ্যুতৰ মাচুল বৃদ্ধি হোৱাত দুখীয়া ৰাইজে মাচুল দিব নোৱাৰা হৈছে। দেশে স্বাধীনতাৰ ৭৫ বছৰত ভৰি দিয়াৰ পাছতো কালি পৰ্যন্ত বহু কৃষকে ভোগ দখল কৰি থকা মাটিৰ পৰা শ শ পৰিয়াল উচ্ছেদিত হৈছে। চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ সকলো খালী পদ স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে পূৰণ কৰাৰ ব্যৱস্থা আজিলৈকে হৈ উঠা নাই। খেতিয়কসকলে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য পোৱা নাই। সাৰ, কীটনাশক, বীজ আদিৰ চোৰাং ব্যৱসায় বন্ধ কৰি উচিত মূল্যত খেতিয়কক দিয়াৰ ব্যৱস্থা কৰা, কৰ্মচাৰীসকলৰ নতুন পেঞ্চন আঁচনি বাতিল কৰি পূৰ্বৰ আঁচনি বাহাল ৰখা। চাহ শ্ৰমিক আৰু এমএনৰেগাৰ দৈনিক মজুৰি ৩৫১ টকাৰ পৰিৱৰ্তে ছশ টকা কৰা, গ্ৰাম্য অঞ্চলৰ অনেক বাট-পথ, দলং আদি আজিলৈকে পকীকৰণ হোৱা নাই। বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে শুক্লা আৰু পুঠিমাৰী নৈৰ দুয়োপাৰে বিজ্ঞানসন্মতভাৱে মথাউৰি দিয়াৰ ব্যৱস্থা কৰি কৃষকৰ শস্য পথাৰ সেউজীয়া কৰা ইত্যাদিৰ দাবীত অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদানৰৰ পাছতে অঞ্চলটোত ১৪৪ ধাৰা বলবৎ হৈ থকা হেতুকে প্ৰায় দুই শতাধিক চিপিআইএমৰ কৰ্মীক গ্ৰেপ্তাৰ কৰে গোৰেশ্বৰ আৰক্ষীয়ে। অৱশ্যে প্ৰায় তিনি ঘণ্টাৰ পাছত গ্ৰেপ্তাৰ কৰাসকলক মুকলি কৰি দিয়ে।




*মূলবৃদ্ধি, নিৰনুৱা সমস্যা, বান সাহায্য, অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জিএছটি আৰোপ আদিৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী, নাজিৰাত শুকুৰবাৰে।*

# মৰিগাঁৱত কঠীয়া আৰু কৃষি সামগ্ৰী বিতৰণ কৃষি বিভাগৰ

**অগ্ৰদূত বাৰ্তা**



**মৰিগাঁও, ৫ আগষ্ট ঃ** বানপীড়িত কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে মৰিগাঁও জিলা কৃষি বিভাগে ঔজাৰী কৃষি পামত কঠীয়া আৰু একোখনকৈ ত্ৰিৰংগা পতাকা প্ৰদান। লগতে ৰাজসাহায্য যুক্ত পাৱাৰ টিলাৰ, মহিলা আত্মসহায়ক গোটক ফোডাৰ মেচিন আৰু কে'বাজনো আগশাৰীৰ কৃষকক কৃষি সঁজুলি বিতৰণ কৰে। মৰিগাঁও জিলা কৃষি বিভাগৰ কনিষ্ঠ কৃষি বিষয়া দিব্যজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই কৃষকসকলক কৃষি বিভাগৰ আঁচনিসমূহৰ সঠিক ব্যৱহাৰৰ দ্বাৰা আৰ্থনৈতিকভাৱে লাভবান হ'বলৈ আহ্বান জনাই এই অনুষ্ঠানত উপস্থিত থাকে জিলা কৃষি বিষয়া ইন্দ্ৰমোহন তালুকদাৰ, মহকুমা কৃষি বিষয়া অশোক শৰ্মা, হৰ্টিকালচাৰ ন'ডেল বিষয়া উদ্ধৱ ডেকা, কৃষি উন্নয়ন বিষয়া মোহন বৰা, কৃষি বিভাগৰ মিডিয়া কক্সপাৰ্ট গৌতম নাথ প্ৰমুখ্যে কে'বাগৰাকী কৃষি বিষয়া, প্ৰগতিশীল কৃষক জানমণি মহন্ত, মন্টো ডেকাকে ধৰি কে'বাজন প্লগতিশীল কৃষক।

# ধেমাজি গোগামুখত চাঞ্চল্যকৰ ডকাইতি কাণ্ড

## ■ ডিঙিত চোকা অস্ত্ৰ, মুখত সোপা দি দুই লক্ষাধিক সম্পত্তি লুট

**ধেমাজি, ৫ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখত সংঘটিত হৈছে চাঞ্চল্যকৰ ডকাইতি কাণ্ড। গোগামুখ আৰক্ষী চকীৰ অন্তৰ্গত গোগামুখ নগৰৰ নগাঁৱত নিশাৰ আন্ধাৰত তিনিজনীয়া ডকাইতৰ দলে চোকা অস্ত্ৰ লৈ লুটপাট চলালে ডিছেনমণি গগৈ চেতিয়াৰ গৃহত। ঘটনা অনুসৰি, ধেমাজি কোষাগাৰ বিভাগৰ কৰ্মচাৰী ডিছেনমণিৰ গৃহত কোনো পুৰুষ নথকাৰ সুযোগ লৈ হত্যাৰ ভাবুকি দি দুই লক্ষাধিক সা-সম্পত্তি আৰু নগদ ধন লৈ উধাও হয় ডকাইতৰ দলটোৱে। কেৱল এয়াই নহয় ডিঙিত চোকা অস্ত্ৰৰে ৰেপি, মুখত সোপা দি সংঘটিত কৰিলে এই ডকাইতি কাণ্ড। লগতে ম'বাইল কাঢ়ি লৈ যোৱা বুলি জানিবলৈ দিয়ে ভুক্তভোগী পৰিয়ালে। এই কাণ্ড সংঘটিত হৈছিল গোগামুখ জাতীয় বিদ্যালয়ৰ কাষত আৰু গোগামুখ আৰক্ষী চকীৰ নিচে সমীপত। ইতিমধ্যে গোগামুখ আৰক্ষী চকীত ভুক্তভোগী পৰিয়ালে এক এজাহাৰ দাখিল কৰে।

# সূৰ্যোদয়ৰ প্ৰতিষ্ঠা দিৱসত সমাজৰ বৰেণ্য ব্যক্তিলৈ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**



**ডুমডুমা, ৫ আগষ্ট ঃ** অসমৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান তিনিচুকীয়া মাকুমৰ সূৰ্যোদয়ে ৩৫ বছৰীয়া সোণোৱালী যাত্ৰাত সমাজৰ সৰু-বৰ সেৱাৰ মাজেৰে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ৩১ জুলাইত সূৰ্যোদয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে সাত গৰাকী জিলাখনৰ বৰেণ্য ব্যক্তিক মাকুমৰ যুগল কিশোৰ কেশান ভৱনত ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ওৰে জীৱন শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ সেৱা আগবঢ়াই অহা ব্যক্তি হিৰণ্য হাজৰিকা, কৃষি বিভাগৰ লগতে বিভিন্ন সামাজিক ক্ষেত্ৰত সেৱা আগবঢ়াই অহাৰ বাবে দিলীপ ডেকা, সংগীত জগতৰ বিকাশৰ বাবে জীৱনৰ প্ৰতিটো পল অনুপল মাটি আৰু মানুহৰ শিল্পীৰূপে সেৱা আগবঢ়াই অহা পূৰ্ণেন্দু দাস, প্ৰকৃতিক নিজৰ জীৱনতকৈও সৰ্বাধিক ভাল পোৱা প্ৰকৃতিবিদ জয়নাল আবেদিন, আৰক্ষীৰ অতি নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই অহাৰ লগতে সমাজ জীৱনক জীপাল কৰিবলৈ সক্ষম হোৱা আৰক্ষী বিষয়া সঞ্জীৱ ফুলকোঁৱৰ, সেউজ উদ্যোগীৰূপে পৰ্যটন ক্ষেত্ৰত নিজৰ লগতে আন ১০জনক কৰ্ম প্ৰেৰণা যোগোৱা প্ৰাঞ্জল প্ৰতিম দত্ত আৰু সমাজৰ সৰু সৰু কামবোৰৰ মাজেৰে নিজক জয় কৰা ব্যক্তি পুতুল বৰাক সূৰ্যোদয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সূৰ্যোদয়ৰ প্ৰাক্তন সঞ্চালক অখিল চন্দ্ৰ বৰুৱাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠান সূৰ্যোদয়ৰ অধ্যক্ষ ৰণজিৎ দত্ত, সভাপতি ধ্ৰুৱজ্যোতি কাকতি, সম্পাদক দিলীপ কাকতিৰ লগতে অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ড° গিৰীশ সন্দিকৈ, তিনিচুকীয়া জিলা কবি সন্মিলনৰ উপ-সভানেত্ৰী তথা তিনিচুকীয়া শাখা সাহিত্য সভাৰ সম্পাদিকা অৰুণিমা সন্দিকৈ, মাকুম পৌৰসভাৰ পৌৰপতি বিপাশা বৰা, নাট পৰিচালক ননী গোপাল দত্ত আৰু সহ পৰিচালক গৌতম বৰকটকী, ৰাজু নাথ, পলাশ ডেকা, মানসী বৰুৱা, ৰূপম দাস আদিৰ সহযোগে সম্বৰ্ধনা অনুষ্ঠানটি সৰ্বাংগ-সুন্দৰ কৰি তোলে। পুৱা সূৰ্যোদয়ৰ পতাকা উত্তোলন কৰে সভাপতি ধ্ৰুৱজ্যোতি কাকতিয়ে। সন্ধিয়া নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ 'সাধু ককাৰ চোতাল' শিশুনাটখনে ভূয়সী প্ৰশংসা লাভ কৰে।

# ঘগ্ৰাপাৰত 'হৰ ঘৰ ত্ৰিৰংগা' উত্তোলনৰ ব্যাপক প্ৰচাৰ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ ৫ আগষ্ট ঃ** ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি হৰ ঘৰ ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ বাবে ব্যাপক তৎপৰতা অৱলম্বন কৰা পৰিলক্ষিত হৈছে। এই উপলক্ষে কালি আবেলি ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত মণ্ডল বিজেপিৰ অন্তৰ্গত বুথ সমিতিৰ সভাপতি-সম্পাদক, শক্তিকেন্দ্ৰৰ আহ্বায়ক, সহ আহ্বায়কসকল, পঞ্চায়ত প্ৰভাৰীসকলৰ লগত হৰ ঘৰ ত্ৰিৰংগা শীৰ্ষক বিষয়ৰ ওপৰত গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বড়িগোগ বনভাগ মণ্ডল সমিতিৰ সম্পাদক মৃগেন শৰ্মাই আঁত ধৰা অনুষ্ঠানটো পৰিচালনা কৰে মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই। সভাত পঞ্চায়তসমূহৰ সভাপতি, আঞ্চলিক সদস্যসকল, নলবাৰী জিলা এছটি মৰ্চাৰ সভাপতি হিতেশ ব্ৰহ্ম, মণ্ডল যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস তথা মণ্ডল সমিতিৰ সম্পাদক, বিভিন্ন পঞ্চায়তৰ প্ৰভাৰীসকল উপস্থিত থাকে। সভাৰ সিদ্ধান্ত মৰ্মে অহা ১০ আগষ্টত পুৱা মটৰ চাইকেল সমদল, ১২ আগষ্টত নপ্ৰভাতফেৰী কাৰ্যসূচী ৰূপায়ন কৰিব। আনহাতে, বিভিন্ন পঞ্চায়তত থকা সকলো পৰিয়ালৰ ঘৰৰ সন্মুখত, চৰকাৰী-বেচৰকাৰী, মন্দিৰ, মছজিদ, নামঘৰ আদিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে বড়িগোগ বনভাগ মণ্ডলৰ অন্তৰ্গত পঞ্চায়তসমূহৰ ঘৰে ঘৰে ত্ৰিৰংগা পতাকা বিতৰণ কৰিছে বুলি জানিব পৰা গৈছে।

# টীয়কত ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ৫ আগষ্ট ঃ** যোৰহাট জিলাৰ টীয়ক ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত, টীয়ক পৌৰসভা আৰু টীয়কবাসী ৰাইজৰ সহযোগত অসম ৰাজ্যিক পৰিবহণ নিগম, টীয়কৰ প্ৰাংগণত দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ সন্দৰ্ভত ৰাজহ চক্ৰৰ কাৰ্যালয়ত চক্ৰ বিষয়া শৌভিক ভূএঞাৰ সভাপতিত্বত অলপতে এখন সভা অনুষ্ঠিত হয়। সভাত টীয়ক জ্যেষ্ঠ নাগৰিক সন্থা, টীয়ক, প্ৰেছ ক্লাব, টীয়ক ব্যৱসায় সন্থা, টীয়ক আৰক্ষী থানা, টীয়ক পৌৰসভা, গড়কাপ্তানী (গৃহ) বিভাগৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে। সভাত ৰাজহ চক্ৰ বিষয়া ভূএঞাই বিগত বৰ্ষৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচী ভাগি পাঠ কৰি আগন্তুক স্বাধীনতা দিৱস উদ্‌যাপনৰ ক্ষেত্ৰত চৰকাৰে দিয়া নীতি-নিৰ্দেশনাসমূহ সভাত উপস্থাপন কৰি উপস্থিত সদস্যসকলৰ পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়। সৰ্বসিদ্ধান্ত মতে, ৰাজহ চক্ৰ বিষয়া ভূএঞাক সভাপতি আৰু টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়াক সম্পাদকৰূপে লৈ ২২ জনীয়া এখন উদ্‌যাপন সমিতি গঠন কৰে।

# ডিব্ৰুগড়ত 'আৰণ্যক'ৰ হাতী-মানুহৰ সংঘাত শীৰ্ষক কৰ্মশালা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৫ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ এটি আগশাৰীৰ বেচৰকাৰী অনুষ্ঠান 'আৰণ্যক'ৰ আৰু ব্ৰিটিছ এছিয়ান ট্ৰাষ্টৰ যুটীয়া উদ্যোগত ডিব্ৰুগড়ৰ গাৰ্ডেন ট্ৰীটত উত্তৰ-পূব ভাৰতত হাতী মানুহৰ সংঘাত শীৰ্ষক এক গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হয়। উল্লেখ্য যে দেশৰ বিভিন্ন প্ৰান্তৰৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যত ক্ৰমান্বয়ে হাতী মানুহৰ সংঘাত বৃদ্ধি পোৱাই নহয়, ইয়াৰ জৰিয়তে অনেক সমস্যাৰো সৃষ্টি হৈছে। এনেবোৰ সমস্যা সমাধান তথা নোহোৱা কৰিবৰ বাবে প্ৰকৃতি সম্পৰ্কীয় বেচৰকাৰী অনুষ্ঠান বিশেষকৈ হাতী সংৰক্ষণ আৰু হাতীৰ জৰিয়তে উদ্ভৱ হোৱা সমস্যাবোৰ গৱেষণাৰ জৰিয়তে সমাধানৰ বাবে জন্ম হোৱা আৰণ্যকে বিভিন্ন সময়ত এনেধৰণে আলোচনাচক্ৰ আয়োজন কৰি আহিছে। এই আলোচনাচক্ৰত ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট আৰু মাজুলী জিলাৰ পৰা অহা প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰাই নহয়, হাতী মানুহৰ সংঘাতৰ সমাধান কল্পে গ্ৰহণ কৰিবলগীয়া বিভিন্ন দিশৰ ওপৰত আলোচনা কৰা হয়। আৰণ্যকৰ সঞ্চালক ড° আললিকা সিনহাই আদৰণি জনোৱা এই আলোচনাচক্ৰত ব্ৰিটিছ এছিয়ান ট্ৰাষ্টৰ আৰু শশাস্তে সংগঠনটোৰ কাম-কাজৰ বিষয়ে আলোকপাত কৰে। আৰণ্যকৰ মুৰব্বী ড° বিভূতি প্ৰসাদ লহকৰে হাতী মানুহৰ সংঘাত আৰু উত্তৰ-পূব ভাৰতৰ হটস্পট শীৰ্ষক এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰি সমস্যাসমূহ সমাধান কল্পে গ্ৰহণ কৰিবলগীয়া বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। উপস্থিত প্ৰতিনিধিসকলে হাতী মানুহৰ সংঘাতৰ বিভিন্ন কাৰণ আৰু ইয়াৰ সমাধান কল্পে গ্ৰহণ কৰিবলগীয়া আঁচনিৰ পৰিকল্পনা সম্পৰ্কে ব্যক্ত কৰে। আৰণ্যকৰ সহকাৰী সঞ্চালক জাকিৰ ইছলাম বৰাই সকলোৰে প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱা অনুষ্ঠানৰ জৰিয়তে এক নতুন দিশৰ সূচনা হ'ব বুলি উপস্থিত সকলোৱে মত প্ৰকাশ কৰে।

# শালবাৰীত ইউপিপিএলৰ সহস্ৰাধিক গছপুলি ৰোপণ

**অগ্ৰদূত বাৰ্তা**



**শালবাৰী ৫ আগষ্ট ঃ** ইউপিপিএল দলৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি দলটোৰ শালবাৰী জিলা সমিতিৰ পৃষ্ঠপোষকতাত শালবাৰী মহকুমাৰ ভিন্ন স্থানত গছপুলি ৰোপণ কাৰ্যক্ৰমণিকা ৰূপায়ণ কৰে। দিনৰ ন বজাত শালবাৰী মহকুমা সদৰত গছপুলি ৰোপণ কাৰ্যক্ৰমণিকাৰ শুভ উদ্বোধন কৰে বিটিআৰৰ শালবাৰী টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মছাহাৰীয়ে। উল্লেখ্য যে ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ অন্তৰ্গত দুখন ব্লক সমিতি ক্ৰমে শালবাৰী আৰু মথনগুৰিৰ অন্তৰ্গত ২০ খন প্ৰাথমিক সমিতিয়ে পৃথকে পৃথকে আজি নিজৰ নিজৰ অঞ্চলত তথা শালবাৰী মহকুমাৰ ভিন্ন ৰাজহুৱা স্থানত সহস্ৰাধিক মূল্যবান গছপুলি ৰোপণ কৰে। গছপুলি ৰোপণ কাৰ্যক্ৰমণিকাত ইউপিপিএল শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰী, উপ-সভাপতি প্ৰদীপ সৰকাৰ, সাধাৰণ সম্পাদক সুৰেশ চৰকাৰ, থানেশ্বৰ বসুমতাৰী, দলৰ যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়ো, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আইগাৰাম ৱাৰী, শালবাৰী মহকুমাৰ জনজাতি উন্নয়ন পৰিষদৰ সাধাৰণ সম্পাদিকা বিউটী বসুমতাৰীকে ধৰি দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

# সামাজিক মাধ্যমে দলৰ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে


## ■ নলবাৰীত বিজেপিৰ সামাজিক মাধ্যমৰ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**



**নলবাৰী, ৫ আগষ্ট ঃ** নলবাৰী জিলাৰ যজ্ঞভূমিস্থিত বিজেপিৰ পূব নলবাৰী মণ্ডল কাৰ্যালয়ত আজি সন্ধিয়া সামাজিক মাধ্যমৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বিজেপিৰ সামাজিক মাধ্যমৰ পূব নলবাৰী মণ্ডলৰ আহ্বায়ক নয়নজ্যোতি কৌশিকে আঁত ধৰা সভাত বিজেপিৰ মণ্ডল সভাপতি প্ৰতুল কলিতা, উপ-সভাপতি সৰ্বেশ্বৰ কলিতা, যুৱ মৰ্চাৰ জিলা সাধাৰণ সম্পাদক মৃগাংক দাস, মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ তালুকদাৰ, ভূপেন ডেকা, সামাজিক মাধ্যমৰ জিলা সহ আহ্বায়ক শংকৰ কলিতা, কাৰ্যনিৰ্বাহক ৰূপম তালুকদাৰ সহ ভালেসংখ্যক কৰ্মী উপস্থিত থাকে। সভাত মণ্ডল সভাপতি প্ৰতুল কলিতাই কয় যে ৰাজনৈতিক দল এটাৰ উত্থান প্ৰচাৰত হয়। প্ৰচাৰৰ অন্যতম মাধ্যম হ'ল সামাজিক মাধ্যম অথবা ছ'চিয়েল মিডিয়া। এই মাধ্যমে এটা দলৰ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে। গতিকে কাৰ্যকৰ্তা সকলে সামাজিক মাধ্যমত সক্ৰিয় ভূমিকা ল'ব লাগিব বুলি উল্লেখ কৰে। সভাত যুৱ মৰ্চাৰ জিলা সাধাৰণ সম্পাদক মৃগাংক দাসে কাৰিকৰী দিশত বক্তব্য ৰখাৰ লগতে ম'বাইলত কৰ্মীসকলক সকলো দিশ বুজাই দিয়ে।

# মঙলদৈত মৰানদীৰ পুখুৰীত মেটেকাৰ তলত উদ্ধাৰ চুৰি সামগ্ৰী



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৫ আগষ্ট ঃ** মঙলদৈ চহৰৰ পাঁচ নম্বৰ ৱাৰ্ডৰ সমীপৰ এটা মৰানদীৰ পুখুৰীত চুৰি হোৱা সা-সামগ্ৰী উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। তদুপৰি আৰক্ষীৰ নিৰ্দেশত চোৰে নিজেই মেটেকাৰ তলৰ পৰা উলিয়াই আনে সামগ্ৰীসমূহ। মঙলদৈত পাঁচজনকৈ গভাইত চোৰৰ লগতে কৰায়ত্ত হয় দুই ড্ৰাগছ ব্যৱসায়ী। চোৰ কেইজনৰ পৰা উদ্ধাৰ কৰে চাইকেল, মটৰ, গ্ৰীল মেচিনকে ধৰি বহুকেইবিধ চুৰি সামগ্ৰী। উল্লেখ্য যে চোৰে সামগ্ৰী সমূহ চুৰি কৰি এই মেটেকা ভৰ্তি পুখুৰীটোত লুকুৱাই ৰাখিছিল। ৰাজ আহমেদ নামৰ এজনৰ নেতৃত্বতে এটা দলে এই চুৰি কাৰ্য সংঘটিত কৰি আহিছিল বুলি জানিব দিয়ে মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুট কাকতিয়ে। আনহাতে, মঙলদৈ আৰক্ষীয়ে ড্ৰা'গছ ব্যৱসায়ী দুজনৰ পৰা চাৰিটা কেণ্টেইনাৰ জব্দ কৰাৰ উপৰি এটা ম'বাইল আৰু কিছু নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আটাইকেইজন চোৰ আৰু ড্ৰাগছ ব্যৱসায়ীক আদালতৰ জৰিয়তে জেল হাজোতলৈ প্ৰেৰণ কৰে মঙলদৈ আৰক্ষীয়ে। চোৰ কেইজন মঙলদৈ পাঁচ নম্বৰ ৱাৰ্ডৰ ৰাজ আহমেদ, ৰিংকু দেৱনাথ, ৰাতুল আহমেদ, ওমৰ আলী আৰু কাৱাদঙা অঞ্চলৰ আব্দুল ৰেজ্জাক বুলি আৰক্ষীয়ে জনাইছে।

## চৈয়দ আবু চালেহ আহমেদ-অৰ্চনা বৰুৱালৈ লোকসেৱা বঁটা

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৫ আগষ্ট ঃ** লখিমপুৰ জিলাৰ ২০২২ৰ লোকসেৱা বঁটা জিলা প্ৰশাসনৰ পঞ্চায়ত বিভাগৰ দুগৰাকী জ্যেষ্ঠ সহায়ক অৰ্চনা বৰুৱা আৰু চৈয়দ আবু চালেহ আহমেদলৈ আগবঢ়োৱা হৈছে। সমগ্ৰ ৰাজ্যৰ লগতে লখিমপুৰ জিলাতো অসমৰ প্ৰথম গৰাকী মুখ্যমন্ত্ৰী ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ পূন্য তিথিত জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত লোক কল্যাণ দিৱসত আজি এই বঁটা প্ৰদান কৰা হয়। লখিমপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠান ১৩ পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ পৰা বঞ্চিত বাহাৰঘাট অঞ্চলৰ সহস্ৰাধিক পৰিয়াল

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৫ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ জৰিয়তে 'ঘৰ ঘৰ নল' মূল মন্ত্ৰৰে দেশৰ প্ৰতিটো পৰিয়ালতে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰি থকা হৈছে। এনে অৱস্থাত নলবাৰী সমষ্টিৰ অন্তৰ্গত দেহাৰকুছি, পূৰ্ণকামদেৰ, কিচমদ, পূৰ্ণদেচপৰা, লমমাৰ্টিকুছি আদি গাঁওসমূহৰ সহস্ৰাধিক পৰিয়া প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ নল সংযোগৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত এই গাঁও পাঁচখনৰ মধ্যত এটি পানী যোগান আঁচনি বিভাগটোৱে নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিছিল যদিও আজিকোপতি তেনে কোনো প্ৰাককলন কৰা নহ'ল। যাৰ বাবে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত এই পৰিয়ালকেইটা। নলবাৰী সমষ্টিৰ পূব-দক্ষিণ দিশৰ এক কাষত ক'ব গ'লে সমষ্টিটোৰ শেষ প্ৰান্তত অৱস্থিত উক্ত গাঁওকেইখনৰ বাসিন্দাসকলে বিগত চৰকাৰ কেইখনৰ দিনৰে পৰা বহুতো সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰীভাৱে অৱহেলিত হৈ আছে। এইবেলি উক্ত অঞ্চলৰ পৰা এজন জনপ্ৰতিনিধি পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে সাংসদ তথা বিজেপি ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াৰ জন্মগাঁও উক্ত গাঁওকেইখনৰ মাজৰে এখন। পূৰ্ণকামদেৰ (মোমাইতোলা) সাংসদজনৰ জন্মগাঁও। প্ৰতিটো সমস্যাৰ লগত সাংসদজন ওতঃপ্ৰোতভাৱে জড়িত। ইতিমধ্যে বহুতো জ্বলন্ত সমস্যা সমাধান কৰিছে সাংসদজনে। এইটো জ্বলন্ত সমস্যাটো নিশ্চয় সমাধান কৰিব বুলি ৰাইজে বিশ্বাস ৰাখিছে। কেৱল মাত্ৰ বিভাগীয় প্ৰাককলন প্ৰস্তুত কৰি নীতিগতভাৱে কাম কৰি ৰাইজক আশ্বস্ত কৰিব বুলি ভুক্তভোগী ৰাইজে আহ্বান জনাইছে। ইয়াৰ উপৰি স্থানীয় বিধায়ক জয়ন্তমল্ল বৰুৱাকো এই ক্ষেত্ৰত সৰল স্থিতি গ্ৰহণ কৰি খোৱাপানী টুপিৰ ব্যৱস্থা কৰাৰ বাবেও ৰাইজে দাবী জনাইছে। নহ'লে প্ৰধানমন্ত্ৰী সপোনৰ এখন জনহিতৈষী আঁচনিৰ পৰা উক্ত গাঁওকেইখন বঞ্চিত হ'ব।

## বৰ্ণাঢ্য ৰূপত মধুপুৰ মহোৎসৱৰ প্ৰস্তুতি

### ■ মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ বৃহৎ পদক্ষেপ ■ পৰ্যটন বিভাগৰ পৰ্যালোচনা সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**হাউলী, ৫ আগষ্ট ঃ** অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত কালি পৰ্যটন উন্নয়ন নিগমৰ মুখ্য কাৰ্যালয়ত আগন্তুক শংকৰদেৱ মধুপুৰ মহোৎসৱৰ উদ্যাপন সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্যৰ পৰ্যটনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাই ২২-২৩ৰ শংকৰদেৱ মধুপুৰ মহোৎসৱৰ প্ৰস্তুতি বিভাগৰ উদ্যোগত আৰু মধুপুৰ সত্ৰ সমিতিৰ সহযোগত বৃহৎ পৰিসৰত উদ্যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই মহোৎসৱ মধুপুৰ সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ গোবিন্দ আতৈৰ তিৰোভাৱ তিথি মাঘৰ শুক্লা দ্বিতীয়া তিথিত বৰ্ণাঢ্য আৰু ব্যাপক কাৰ্যসূচীৰে উদ্যাপন কৰাৰ বাবে ধুবুৰী জিলাৰ উপায়ুক্ত আৰু পৰ্যটন বিভাগক ব্যৱস্থা ল'বলৈ মন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বিষয়ত মধুপুৰ সত্ৰ সমিতি, পৰ্যটন বিভাগ আৰু শংকৰদেৱৰ কলাক্ষেত্ৰৰ সচিবৰ লগত আলোচনা কৰি কাৰ্যসূচী প্ৰস্তুত কৰিবলৈ ধুবুৰী জিলা উপায়ুক্তক দায়িত্ব অৰ্পণ কৰা হয়। পৰ্যালোচনা সভাত পৰ্যটন মন্ত্ৰীজনে মধুপুৰ সত্ৰৰ স্বকীয় ঐতিহ্য আৰু সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰা কোনো কাৰণতে যাতে ব্যাহত নহয় তাৰ বাবে দৃষ্টি ৰাখিবলৈ সকলো পক্ষকে আহ্বান জনায়। মন্ত্ৰীজনে লগতে অহা ১০ দিনৰ ভিতৰত পৰ্যটন সঞ্চালক, পৰ্যটন নিগমৰ পৰিচালনা সঞ্চালক, শংকৰদেৱৰ কলাক্ষেত্ৰৰ সচিব শান্তনু ঠাকুৰক মধুপুৰ সত্ৰ সমিতিৰ স'তে মধুপুৰ সত্ৰলৈ গৈ এক ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন আৰু সত্ৰখনৰ উন্নয়নৰ দিশ পৰ্যালোচনা কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ধুবুৰী জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। পৰ্যটন মন্ত্ৰীজনে লগতে মহাপুৰুষ ১৩ পৃষ্ঠাত চাওক

## হোজাই জিলাত 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান, গোটৰ ত্ৰিৰংগা পতাকা বিক্ৰী

**অগ্ৰদূত বাৰ্তা**
**লংকা, ৫ আগষ্ট ঃ** হোজাই জিলাত সমাগত স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰৰ লগতে পালন কৰা হৈছে হৰ ঘৰ ত্ৰিৰংগা অভিযান। উক্ত অভিযানৰ অংশস্বৰূপে কালি হোজাইৰ ঢলপুখুৰী উন্নয়ন খণ্ডৰ উদ্যোগত লংকা ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত জীৱিকা সখী সকলে এখন ত্ৰিৰংগা পতাকাৰ বিপণী মুকলি কৰে। লগতে ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে লংকা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা দুই শতাধিক জীৱিকা সখীয়ে ৰাইজক এইবাৰ পতাকা উত্তোলনৰ বাবে সজাগতা কৰা লক্ষ্যৰে এক শোভাযাত্ৰাও উলিয়াই। আনহাতে, হোজাই জিলাখনত 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান সন্দৰ্ভত হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে কয় যে, হোজাই জিলাৰ আত্মসহায়ক গোটসমূহে প্ৰায় ৯০ হেজাৰ পতাকা তৈয়াৰ কৰিছে। ৯০ হেজাৰ পতাকাৰ ভিতৰত ৮০ হেজাৰ পতাকা ইতিমধ্যেই বিক্ৰী হৈ গ'ল। লগতে হোজাইৰ উপায়ুক্ত কাৰ্যালয়ত, আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত, ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত আৰু ব্লক সমূহতো ত্ৰিৰংগা পতাকা বিক্ৰীৰ বাবে বিক্ৰী কেন্দ্ৰ খোলা হৈছে। লগতে অহা ১৩ আগষ্টত নিলবাগানৰ চেম্বাৰচ অফ কমাৰ্চৰ উদ্যোগত 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ লগত সংগতি ৰাখি জন সজাগতা কৰা লক্ষ্যৰে নিলবাগানৰ পৰা লংকালৈ চাইকেল লৈ এক শোভাযাত্ৰা উলিওৱা হ'ব বুলি জানিব দিয়ে উপায়ুক্তজনে। দৰাচলতে জিলাখনত প্ৰশাসনৰ ফালৰ পৰা ত্ৰিৰংগা পতাকা ক্ৰয় আৰু ৰাইজক সজাগ কৰা ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উপায়ুক্ত অনুপম চৌধুৰীয়ে জানিবলৈ দিয়ে।

## অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জি এছ টি ঃ নাজিৰাত কংগ্ৰেছৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ৫ আগষ্ট ঃ** বৰ্তমান দেশৰ শাসনাধিষ্ঠ চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জি এছ টি বলৱৎ, নিম্নগামী অৰ্থনৈতিক উন্নয়ন, অনিয়ন্ত্ৰিত মূল্যবৃদ্ধি, অৱধাৰিত বান সমস্যা, খহনীয়া আদিৰ ফলত উদ্ভৱ হোৱা জলন্ত সমস্যাৰ বিৰুদ্ধে আজি সৰ্বভাৰতীয় কংগ্ৰেছে আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ স্বৰূপে নাজিৰা পৌৰ আৰু গ্ৰাম্য ব্লক কংগ্ৰেছৰ উদ্যোগত নাজিৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক লক্ষীনাথ সন্দিকৈ, শিৱসাগৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আব্দুল ৰহমান, মায়া বাউৰী, অতুল হৰ, অপূৰ্ব বৰুৱা, দিগন্ত সন্দিকৈ, তুলুমণি কোঁৱৰ, মঞ্জু বড়া, যেছেফ সিং, আৰফান আজম আদিকে ধৰি ভালেকেইজন বিষয়ববীয়াই কয় যে সমগ্ৰ দেশ তথা অসমত ইন্ধনৰ উপৰি নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অভূতপূৰ্ব মূল্যবৃদ্ধি, বিশেষকৈ দাইল, খোৱা তেল, অসমৰ পৰম্পৰাগত খাদ্য সামগ্ৰী চিড়া, গুৰ, দৈ, মুড়ী আদিতো অতি নিৰ্লজভাৱে বৰ্তমানৰ চৰকাৰে জি এছ টি আৰোপ কৰিছে। তাৰ উপৰি দেশৰ নগৰ, চহৰ অঞ্চলত অভূতপূৰ্বভাৱে চৰকাৰী আৰু বে-চৰকাৰী ক্ষেত্ৰসমূহত ভয়াৱহ নিবনুৱা সৃষ্টি কৰিছে। চি এম আই ইৰ তথ্য অনুসৰি সংস্থাপনৰ ক্ষেত্ৰত সকলো বিভাগতে বৃহৎ নিম্নগামী হৈছে। সংস্থাপনৰ অভাৱ আৰু দুৰ্বল সামাজিক গ্ৰাম্য অৰ্থনীতিয়ে শিক্ষিত নিবনুৱাৰ আশা-আকাংক্ষা আৰু মনোবল ভাঙি পেলাইছে। তাৰ উপৰি অ-পৰিপক্ক নীত আৰু খৰখেদাকৈ ৰূপায়ণ কৰা অগ্নিপথ আঁচনিয়ে দেশৰ লাখ লাখ নিবনুৱাক সেনা বাহিনীত ভৰ্তি হোৱাৰ সপোন ভাঙি চুৰমাৰ কৰিছে। আনহাতে, অসমৰ প্ৰলয়ংকৰী বানপানী আৰু খহনীয়া সমস্যা সমাধানৰ ক্ষেত্ৰত শাসনাধিষ্ঠ কেন্দ্ৰীয় চৰকাৰে মাইআই চকুৰে চাই অহাৰ ফলত এই সমস্যা দীৰ্ঘম্যাদী হৈ পৰিছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ এনে নীতিৰ ক্ষুৰধাৰ সমালোচনা কৰে কংগ্ৰেছৰ বিষয়ববীয়াসকলে। পাছত অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জি এছ টি প্ৰত্যাহাৰ, অভূতপূৰ্ব মূল্যবৃদ্ধি, নিবনুৱা, বানপানী, খহনীয়া প্ৰতিৰোধ, অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰাৰ দাবী জনাই নাজিৰা সমষ্টিৰ বিধায়ক তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, গ্ৰাম্য ব্লক কংগ্ৰেছৰ সভাপতি সভাৰাম গগৈ, কাৰ্যকৰী সভাপতি মৃদুল বৰগোহাঁই, সাধাৰণ সম্পাদক অপূৰ্ব বৰুৱা, পৌৰ ব্লক কংগ্ৰেছৰ সভাপতি হৰকান্ত বড়া, কাৰ্যকৰী সভাপতি আব্দুৰ ৰহমান, সাধাৰণ সম্পাদক দিলীপ হাজৰিকা, সেৱা দলৰ তত্বাৱধায়ক মদন ৰয়, সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আৰফান আজম স্বাক্ষৰেৰে নাজিৰা মহকুমাৰ মহকুমাধিপতিৰ যোগেদি অসমৰ ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

## 'অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলৰ সমাজত সেৱা কৰাৰ মনোভাব থাকিব লাগিব'

### ■ নগাঁৱত অৰ্ধ-আইনী স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ সম্পন্ন

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ আগষ্ট ঃ** নগাঁও জিলাৰ আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধীনস্থ নৱনিযুক্ত ৭২ গৰাকী অৰ্ধ-আইনী স্বেচ্ছাসেৱকৰ এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। নগাঁও আদালত ভৱনৰ সভাকক্ষত পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভ কৰে জিলা আৰু সত্ৰ ন্যায়াধীশ ৰক্তিম দুৱৰাই। প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰি তেওঁ অৰ্ধ আইনী স্বেচ্ছাসেৱকসকলক উদ্দেশ্যি কয় যে, 'অৰ্ধ-আইনী স্বেচ্ছাসেৱকসকলৰ সহযোগিতা অবিহনে জিলা আইন সেৱা প্ৰাধিকাৰী আগবাঢ়ি যোৱাত বহু অসুবিধা আছে। সেয়ে সকলো সময়তেই অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলৰ সহযোগিতা জিলা আইন সেৱা প্ৰাধিকাৰী নগাঁৱক লাগিব। অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলেহে আমাৰ সমাজখনক বহু সমস্যাৰ পৰা উদ্ধাৰ কৰি এখন সৰ্বাংগসুন্দৰ সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰি আহিছে। অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলৰ সমাজত সেৱা কৰাৰ মনোভাব থাকিব লাগিব। প্ৰশিক্ষণ কাৰ্যসূচীত নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ প্ৰাক্তন উপ-সচিব গীতালী ৰাভাই আইন সেৱা প্ৰাধিকাৰী আইন ১৯৮৭ৰ ওপৰত অৰ্ধ-আইনী স্বেচ্ছাসেৱকসকলক বিশদভাৱে অৱগত কৰে। লগতে অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলক কাম কৰি যোৱাৰ বাবে বহুকেইটা প্ৰেৰণামূলক ঘটনা আলোকপাত কৰি উৎসাহিত কৰে। জিলা আইন সেৱা প্ৰাধিকাৰী নগাঁৱৰ সম্পাদক মৃণাল নিউপানে অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ সম্পৰ্কে উপস্থিত অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলক আলোকপাত কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত নগাঁৱৰ পেনেল অধিবক্তা মুকুল প্ৰসাদ বৰঠাকুৰে অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলক জিলা আইন সেৱা প্ৰাধিকাৰীৰ তৰফৰ পৰা আগবঢ়োৱা বিনামূলীয়া আইন সেৱা উপস্থিত অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলক ব্যাখ্যা দাঙি ধৰে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলে সমাজখনত কেনেদৰে নিজ নিজ দায়িত্ব নিষ্ঠাৰে পালন কৰিব আৰু কেনেদৰে সেইসকল স্বেচ্ছাসেৱীয়ে পালন কৰিব লগা দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কত নগাঁৱৰ জ্যেষ্ঠ অধিবক্তা মহেশ চন্দ্ৰ দাসে তেওঁৰ বহুমূলীয়া বক্তব্য প্ৰদান কৰি কয় যে অৰ্ধ-আইনী স্বেচ্ছাসেৱীসকলে নিজকে এজন সমাজকৰ্মী হিচাপে সমাজখন আগুৱাই নিব লাগিব। দিনজোৰা প্ৰশিক্ষণ কাৰ্যসূচীটোৰ আঁত ধৰে আইন সেৱা প্ৰাধিকাৰী নগাঁৱৰ ফ্ৰণ্ট অফিচ কোঅ'ৰ্ডিনেটৰ লিজা বৰাই। প্ৰশিক্ষণ কাৰ্যসূচীত ন-পুৰণি ৭২ গৰাকী অৰ্ধআইনী স্বেচ্ছাসেৱীৰ লগতে আইন সেৱা প্ৰাধিকাৰী নগাঁৱৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## গোলাঘাটত পাইপযোগে ৰন্ধন গেছ যোগানৰ কাম আৰম্ভ কৰিলে মন্ত্ৰী নেওগে

### আধাৰশিলাৰ সুদীৰ্ঘ ১৮ বছৰৰ পাছত



**বিশেষ সংবাদদাতা**
**গোলাঘাট, ৫ আগষ্ট ঃ** কংগ্ৰেছ চৰকাৰৰ আমোলত সেই সময়ৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ধুমধামেৰে আধাৰশিলা স্থাপন কৰাৰ সুদীৰ্ঘ ১৮ বছৰৰ পাছত অৱশেষত গোলাঘাট সমষ্টিৰ বিধায়ক তথা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে ফিটা কাটি গোলাঘাট নগৰত পাইপযোগে ৰন্ধন গেছ যোগানৰ ৰাইজৰ প্ৰত্যাশাৰ অভিলাষী আঁচনিৰ কামৰ আজি আৰম্ভণি ঘটালে । এই উপলক্ষে অসম গেছ কোম্পানীৰ উদ্যোগত গোলাঘাট এমেচাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই আৰম্ভণি অনুষ্ঠান। গোলাঘাট নগৰত চিটি গেছ বিতৰণৰ নেটৱৰ্ক স্থাপন, নিৰ্মাণ , পৰিচালনা আৰু সম্প্ৰসাৰণৰ কাম-কাজৰ আনুষ্ঠানিকভাৱ আৰম্ভ ঘটোৱা উক্ত অনুষ্ঠানত অসম গেছ কোম্পানীৰ অধ্যক্ষ বলীন চেতীয়া, অসম গেছ কোম্পানীৰ পৰিচালনা সঞ্চালক গকুল চন্দ্ৰ স্বৰ্গীয়াৰী, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, অসম গেছ কোম্পানীৰ মহাপ্ৰৱন্ধক মনোজ বৰুৱা, জোনাকী নগৰস্থিত অসম গেছ কোম্পানীৰ তত্বাৱধায়ক, অভিযন্তা মনোজ বৰদলৈ আদি উপস্থিত থাকে। উল্লেখ্য যে পাইপযোগে ৰন্ধন গেছ লাভ কৰাটো দূৰৈৰে কথা, গোলাঘাট নগৰত পাইপযোগে ৰন্ধন গেছ যোগানৰ অভিলাষী আঁচনিৰ কাম আৰম্ভ হ'বলৈকে গোলাঘাট নগৰবাসীয়ে ২০০৪ত আধাৰশিলা স্থাপনৰ পাছত ১৮ টা বছৰে প্ৰতীক্ষা কৰিবলগীয়া হয়। ২০০৪ত আধাৰশিলা স্থাপন কৰাৰ সময়ত জোনাকী নগৰত গেছ কোম্পানীৰ এটা কাৰ্যালয় স্থাপন কৰি গোলাঘাট নগৰত উক্ত প্ৰকল্পৰ বাবে অসম গেছ কোম্পানীয়ে বুজন পৰিমাণৰ পাইপো মজুত কৰিছিল; কিন্তু ১৮টা বছৰে ৰহস্যজনকভাৱে বন্ধ হৈ আছিল এই আঁচনিৰ কাম-কাজৰ। ইয়াৰ দাবীত আছু, গোলাঘাট সন্মিলিত নাগৰিক মঞ্চ, অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদ, অসম জাতীয়তাবাদী যুৱ পৰিষদ, গোলাঘাটৰ নাগৰিক সমাজ আদিয়ে ৰাজপথত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈও বাধ্য হৈছিল । আজি নগৰবাসীৰ প্ৰত্যাশাৰ উক্ত আঁচনিৰ কামৰ আৰম্ভণি ঘটোৱাত ৰাইজে অসম গেছ কোম্পানীক ধন্যবাদ জনাইছে । মন্ত্ৰী অজন্তা নেওগেও অসম গেছ কোম্পানীৰ পদক্ষেপক আদৰণি জনাইছে। আনহাতে, পাইপযোগে ৰন্ধন গেছ যোগানৰ প্ৰক্ৰিয়া যাতে গোলাঘাট নগৰৰ ১৩ টা ৱাৰ্ডলৈ সম্প্ৰসাৰিত হয়, ইয়াক নিশ্চিত কৰিবলৈ অসম গেছ কোম্পানীৰ প্ৰতি আহ্বান জনাইছে গোলাঘাট নগৰবাসীয়ে।

## নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত বিশ্ব স্তনপান সপ্তাহ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**নামতি, ৫ আগষ্ট ঃ** নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আজি মৰাণ অংগনৱাড়ী কেন্দ্ৰত বিশ্ব স্তনপান সপ্তাহ উদ্‌যাপন কৰা হয়। প্ৰথম কাৰ্যসূচীৰ অংশস্বৰূপে মাতৃসকলক দুগ্ধপান কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে অংগনৱাড়ী কৰ্মীসকলৰ দ্বাৰা শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ অন্তত পৰ্যবেক্ষিকা নীলাক্ষী দুৱৰাৰ দ্বাৰা ৰচিত এখন বাটৰ নাট অংগনবাদী কৰ্মীসকলে প্ৰদৰ্শন কৰে। নাটকখনত অংশগ্ৰহণ কৰে পাৰিজাত গগৈ, দীপাঞ্জলি বৰগোহাঁই, মিনু চেতিয়াই। ইয়াৰ পাছতেই এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ক্ষেত্ৰ পৰ্যবেক্ষিকা ৰীতা গগৈয়ে। বিশিষ্ট অতিথিৰূপে নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া তৰুণ কুৰ্মীয়ে ভাষণ প্ৰদান কৰে। ক্ষেত্ৰ পৰ্যবেক্ষিকা নীলাক্ষী বৰুৱাই বিশ্ব স্তনপান সপ্তাহ পালনৰ তাৎপৰ্য ব্যাখ্যা কৰে। একেটি অনুষ্ঠানতেই গীত পৰিৱেশন কৰে জোনমণি তামুলীয়ে, কবিতা আবৃত্তি কৰে মিনু চেতিয়াই। সভাত নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ ক্ষেত্ৰ পৰ্যবেক্ষিকা পঞ্চমী বৰগোহাঁই, উপাসনা ভূঞা আৰু গংগা শৰ্মা উপস্থিত থাকে।

## নলীগাঁও সমল কেন্দ্ৰত 'হৰ ঘৰ ত্ৰিৰংগা'ৰ সজাগতা সভা





**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ৫ আগষ্ট ঃ** বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এখন সজাগতা সভা আজি নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছাত অনুষ্ঠিত হয়। সভাত হৰেন্দ্ৰ চিত্ৰা ছিনিয়ৰ ছেকেণ্ডাৰী, দেশভক্ত হাইস্কুল, এন কে হাইস্কুল, দক্ষিণ দেশভক্ত প্ৰি ছিনিয়ৰ মাদ্ৰাছা, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছা, নলীগাঁও হাবিবীয়া প্ৰি ছিনিয়ৰ মাদ্ৰাছা, হেলছা গাঁও প্ৰাথমিক বিদ্যালয়, ১৩ পৃষ্ঠাত চাওক

## মৈদমীয়াস্থিত লখিমপুৰ জিলা সাহিত্য সভা ভৱনৰ দ্বাৰ উদ্‌ঘাটন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৫ আগষ্ট ঃ** লখিমপুৰ নগৰৰ মৈদমীয়াস্থিত লখিমপুৰ জিলা সাহিত্য সভা ভৱনৰ অহা সাত আগষ্টত দ্বাৰ উদ্‌ঘাটন অনুষ্ঠান বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। সেই উপলক্ষে দিনৰ ১১.১৩ বজাত সাহিত্য সভা ভৱনৰ দ্বাৰ উদ্‌ঘাটন কৰিব সাহিত্যিক ড° সূৰ্য হাজৰিকাই। তদুপৰি অনুষ্ঠানৰ মুকলি সভা আৰু সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰিব পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছাই। উল্লেখ্য যে লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি বিপুল শৰ্মা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত লখিমপুৰ জিলা সাহিত্য সভাৰ কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। মুকলি সভাত মুখ্য অতিথিৰূপে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, বিশিষ্ট অতিথিৰূপে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, নিৰ্দিষ্ট বক্তাৰূপে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মাই অংশগ্ৰহণ কৰিব।

## ইউক্ৰেইনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত মুখ্য অতিথিৰূপে অংশগ্ৰহণ ড° গুটিমালী গোস্বামী



**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ৫ আগষ্ট ঃ** শ্ৰীমন্ত শংকৰদেৱৰ ভাবাদৰ্শ, সৃষ্টি ৰাজি তথা একশৰণ নামধৰ্মৰ বিষয়ে আলোচনাৰ বাবে আমন্ত্ৰিত হৈ অলপতে ৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৰ লাভ কৰিছে ড° গুটিমালী গোস্বামীয়ে। গোলাঘাট জিলাৰ অন্তৰ্গত কুৰালগুৰিৰ জীয়ৰী তথা নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা ড° গোস্বামীক যোৱা জুনত ইউক্ৰেইন ৰাষ্ট্ৰীয় জুটুমীৰ পলিটেকনিক ষ্টেট ইউনিভাৰচিটিত আয়োজন কৰা এক আলোচনা সভাত প্ৰতিনিধিত্ব কৰিবলৈ আমন্ত্ৰণ জনায়। 'Srimanta SankarÎdeva & Eka-saran-Naam-Dharma A Philosophy of Peace and Unity in Assam' শীৰ্ষক আলোচনাচক্ৰ অংশগ্ৰহণ কৰি ড° গোস্বামীয়ে মহাপুৰুষজনাৰ আদৰ্শ, ভাবাদৰ্শ, যুগমীয়া সৃষ্টি ৰাজি তথা তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ নামধৰ্মই অসমৰ শান্তি, প্ৰগতি আৰু একতা স্থাপনত লোৱা বহুল ভূমিকাৰ ওপৰত আলোকপাত কৰে। ড° গোস্বামী কুৰালগুৰি নিবাসী কুশল গোস্বামী আৰু কমাৰগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী গোস্বামীৰ কন্যা আৰু গুৱাহাটী নিবাসী সত্যেন্দ্ৰনাথ শৰ্মা, পূৰবী গোস্বামীৰ বোৱাৰী আৰু প্ৰীতম শৰ্মাৰ সহধৰ্মিণী।

## বৰহোলাৰ কবি জয়ন্ত ৰাজখোৱাৰ মৃত্যু



**বিশেষ সংবাদদাতা**
**নগাবাট, ৫ আগষ্ট ঃ** বৰহোলা অঞ্চলৰ এজন পৰিচিত কবি তথা বিশিষ্ট ৰাজনীতিবিদ, সমাজকৰ্মী প্ৰয়াত সোণাধৰ ৰাজখোৱাৰ জ্যেষ্ঠ পুত্ৰ জয়ন্ত ৰাজখোৱা (৫৯)ৰ কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি হয়। কিছুদিনৰ পৰা ৰাজখোৱা গুৰুতৰভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত দুগৰাকী কন্যা, মাতৃ, দুজন ভাই-ভনীসহ বহু আত্মীয়ক এৰি যোৱা ৰাজখোৱাৰ মৃত্যুত বৃহত্তৰ বৰহোলা অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে কাব্যজগতৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত ৰাজখোৱাৰ বিভিন্ন সময়ত বিভিন্ন গ্ৰন্থত কবিতা প্ৰকাশ পোৱাৰ লগতে নিজাকৈয়ো কবিতাপুথি প্ৰকাশ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বৰহোলাৰ পুবেৰণ সংঘৰ স'তে তেওঁ ওতপ্ৰোতভাৱে জড়িত আছিল। দীৰ্ঘদিন ধৰি 'দৈনিক অগ্ৰদূত'ৰ এটা এজেন্সী চলাই কাকতখনক বৰহোলাৰ একাংশ ৰাইজৰ মাজত পৰিচিত কৰোৱাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল ৰাজখোৱাই। আজি পুৱা ৰাজখোৱাৰ নশ্বৰদেহ বৰহোলাস্থিত বাসগৃহ আহি পোৱাৰ লগে লগে বহুসংখ্যক শুভাকংক্ষীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোকাকুল পৰিৱেশৰ মাজতে বৰহোলা মহাবিদ্যালয়, বৰহোলা উচ্চ মাধ্যমিক বিদ্যালয়, বৰহোলা বেছিক প্ৰাথমিক বিদ্যালয়, পুৱেৰুণ সংঘ, কলাকুঞ্জ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰহোলা আঞ্চলিক শাখা, সংঘৰ ৰজাবাহৰ, ইকৰাণি প্ৰাথমিক শাখা, বৰহোলা গাঁও পঞ্চায়ত কাৰ্যালয়, শান্তিপুৰ নামঘৰ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, বৰহোলা চাৰিআলি আৰু তিনিআলি জামাত, বৰহোলা ব্যৱসায়ী সন্থা আদিৰ লগতে বহুকেইটা দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজখোৱাক শ্ৰদ্ধাঞ্জলি জনাই আত্মাৰ চিৰশান্তি কামনা কৰে।

## পবিত্ৰ ভাদ মাহ সমাগত ঃ সজাই তোলা হৈছে পূব যোৰহাটৰ ধৰ্মীয় পীঠস্থানসমূহ

**অগ্ৰদূত বাৰ্তা**
**টীয়ক, ৫ আগষ্ট ঃ** পবিত্ৰ ভাহ মাহলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। অসমীয়া সমাজ জীৱনত এই পবিত্ৰ ভাদৰ এক বিশেষ ঐতিহ্য আছে। দুজনা গুৰুৰ বৈকুণ্ঠ গমন আৰু জগত পতি শ্ৰীকৃষ্ণৰ আৰ্বিভাৱ হয় এই ভাদতে। সেই লৈ অসমৰ প্ৰায়বোৰ সত্ৰ-নামঘৰ মুখৰিত হৈ থাকে হৰি নামৰ মধুৰ ঝাংকাৰত। প্ৰতি বছৰৰ দৰে এইবাৰো মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজ সাজু হৈছে ভকতসকলক আদৰিবলৈ। ইতিমধ্যে পৰিচালনা সমিতিয়ে দূৰ-দূৰণিৰ ভক্তক আপ্যায়ন কৰাৰ লগতে বিভিন্ন সুবিধাসমূহ যাতে দিব পাৰে তাৰ বাবে প্ৰস্তুতি চলাইছে। একেদৰে 'নৃসিংহ মহাপ্ৰভু' মহিমাৰে মহিমামণ্ডিত ঐতিহাসিক মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতিয়েও ভক্তসকলে যাতে কোনো অসুবিধা নোপোৱাকৈ নামঘৰত প্ৰৱেশ কৰি সেৱা আগবঢ়াব পাৰে তাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। মূল তোৰণৰ পৰা আৰম্ভ কৰি নামঘৰৰ চৌপাশ আটক ধুনীয়াকৈ সজাই তোলা হৈছে। এই স্থানটো মাহজোৰা পালনামৰ শেষত 'প্ৰহ্লাদ' চৰিত্ৰ ভাওনাৰ জৰিয়তে নাম সামৰাৰ দিহা কৰিছে। একেদৰে মুদৈজানস্থিত কমলাবাৰী শাখা সত্ৰ আৰু টীয়ক কলীয়াপানীস্থিত আইনি আটি সত্ৰত মাহজোৰা পালনামৰ আয়োজন কৰিছে। ইতিমধ্যে এই দুয়োখন সত্ৰতো ভক্তক আদৰিবলৈ সাধ্যানুসাৰে চেষ্টা অব্যাহত ৰাখিছে। পূব যোৰহাটৰ এই ধৰ্মীয় ক্ষেত্ৰসমূহলৈ অসম তথা ভাৰতৰ বিভিন্ন স্থানৰ পৰা ভকত বৈষ্ণৱসকলে তেল, ধূপ নৈবেদ্য দি নেদেখা জনৰ চৰণত সভক্তিৰে সেৱা জনায়। ঐতিহাসিক এই ক্ষেত্ৰসমূহ অহা এক ভাদৰ পৰা লোকে লোকাৰণ্য হ'ব।

## মনত উদ্যম আৰু দচকুত দুৰ্বাৰ হেঁপাহ থাকিলে ঈপ্সিত লক্ষ্যত উপনীত হ'ব পাৰি

### কলাইগাঁৱত আছুৰ অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ৫ আগষ্ট ঃ** 'কৃতীমান ছাত্ৰ-ছাত্ৰীৰ সন্মুখত যথেষ্ট প্ৰত্যাহ্বান থাকিব যদিও জীৱনৰ বাট বুলিবলৈ আঁসোৱাহপূৰ্ণ শিক্ষা ব্যৱস্থাৰ মাজতো বিদ্যায়তনিক যাত্ৰাত আগবাঢ়ি যাব লাগিব। লক্ষ্য আৰু প্ৰফেছনৰ পাৰ্থক্য আছে, গতিকে জীৱনৰ লক্ষ্য স্থিৰ কৰি হতাশাত নুভুগি হতাশাক সুযোগ হিচাপে গ্ৰহণ কৰি সফলতা অৰ্জন কৰিব পাৰিব লাগিব। মনত উদ্যম আৰু দুচকুত দুৰ্বাৰ হেঁপাহ থাকিলে ঈপ্সিত লক্ষ্যত ১৩ পৃষ্ঠাত চাওক

# মৰিয়নিত কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী ঃ স্মাৰকপত্ৰ প্ৰদান

## মূল্যবৃদ্ধি ৰোধ-নিবনুৱা সমস্যা সমাধান-বান সাহায্য প্ৰদানৰ দাবী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৫ আগষ্ট ঃ** নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি ৰোধ কৰা, ভয়াৱহ গতিত বৃদ্ধি পাই অহা নিবনুৱা সমস্যা সমাধান কৰা, অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত আৰোপ কৰা জি এছ টি প্ৰত্যাহাৰ, বানপানীত ক্ষতিগ্ৰস্ত লোকক যথোপযুক্ত বান সাহায্য প্ৰদান কৰাকে ধৰি কে'বাটাও সমস্যা সমাধানৰ দাবীত ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে আজি মৰিয়নিতো কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। মৰিয়নিৰ কংগ্ৰেছ ভৱনৰ পৰা কংগ্ৰেছী প্ৰতিবাদকাৰীসকলে মৰিয়নি নগৰৰ মাজেৰে সমদল কৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ যায় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰি চৰকাৰ বিৰোধী বিভিন্ন শ্লʼগান দি পৰিৱেশ উত্তাল কৰি তোলে। তাতেই ৰাজহ চক্ৰ বিষয়াৰ যোগেদি অসমৰ ৰাজ্যপাললৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰি এই সমস্যাসমূহ সমাধানৰ দাবী জনায়। এই সন্দৰ্ভত পূব যোৰহাট ব্লক কংগ্ৰেছৰ সভাপতি মণিৰাম গগৈয়ে বিজেপি নেতৃত্বাধীন চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে এইখন চৰকাৰে দুখীয়া জনসাধাৰণৰ তেজ শুহি শুহি খাইছে। জনসাধাৰণৰ ওপৰত ইটোৰ পাছত সিটো বোজা জাপি দি এফালৰ পৰা কোঙা কৰি গৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত কৰ জাপি দি ৰাইজক সমস্যাত পেলাইছে। অথচ বানপানীত ককবকাই থকা লোকক উপযুক্ত সাহায্য প্ৰদান কৰা নাই এইখন চৰকাৰে। তেওঁ লগতে চৰকাৰক নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰি নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিবলৈও চৰকাৰৰ প্ৰতি আহ্বান জনায়। প্ৰতিবাদী কাৰ্যসূচীত পূব যোৰহাট ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি মণিৰাম গগৈ, কাটনি মণ্ডল কংগ্ৰেছৰ সভাপতি তথা প্ৰবীণ কংগ্ৰেছ কৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সোমেশ্বৰ শইকীয়া, পূব যোৰহাট ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক কৰুণজ্যোতি গগৈ, উত্তৰ-পূব নকছাৰী আঞ্চলিক পঞ্চায়তৰ সদস্যা দিপ্তী হাজৰিকা, বাঘচোং ব্লক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক হেমকান্ত বুঢ়াগোহাঁই, যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ সদস্য লোহিত কোঁৱৰ, অসম ৰাজ্যিক মহিলা কংগ্ৰেছ কমিটীৰ সম্পাদিকা প্ৰেৰণা ফুকন, বাঘচোং ব্লকৰ সম্পাদক মুকিব জামাল আহমেদ, মৰিয়নি নগৰ মহিলা কংগ্ৰেছৰ সভানেত্ৰী ৰেবা নাগ, সাধাৰণ সম্পাদিকা হাজিৰা বেগম প্ৰমুখ্যে বহুসংখ্যক কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰে।



# সমাজকৰ্মী দুলাল ডেকাৰ স্মৃতিচাৰণ সভা ঃ স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ৫ আগষ্ট ঃ** সৰ্থেবাৰী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, সুদক্ষ খেলুৱৈ, সৰ্থেবাৰী নগৰ সমিতিৰ প্ৰাক্তন প্ৰশাসক তথা ৰাজনৈতিক ব্যক্তি দুলাল ডেকাৰ এখন স্মৃতিচাৰণ সভা কালি সৰ্থেবাৰী বজাৰস্থিত বাসভৱনত অনুষ্ঠিত হয়। সাংবাদিক নকুল তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজকৰ্মী ইউনুছ আলীয়ে। সভাত অধ্যাপক নুৰ চাহেদ, শিক্ষক গিৰিধৰ শৰ্মা, গৰ্গ নাৰায়ণ পাঠক, কামৰুল জামান, সমাজকৰ্মী ধীৰাজ ভূঞা, ওৱাজুদ্দিন আহমেদ, কাদেৰ আলী, ৰমেশ ডেকা, সাংবাদিক চক্ৰেশ্বৰ ডেকা, গুণজিৎ চৌধুৰী, লাচিত তামুলী, পদুমী ডেকা, প্ৰীতিমনি ভূঞা, নিজৰা ডেকাকে ধৰি কে'বাজনো বক্তাই প্ৰয়াত দুলাল ডেকাৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰে। এই সভাতে প্ৰয়াত দুলাল ডেকাৰ এখন সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু ইয়াৰ বাবে নকুল তালুকদাৰক সভাপতি আৰু ওৱাজুদ্দিন আহমেদক সম্পাদক হিচাপে লৈ এখন স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হয়।

# চৈয়দ আবু চালেহ আহমেদ-অৰ্চনা

*১২ পৃষ্ঠাৰ পৰা* লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত নিমন্ত্ৰিত অতিথিৰূপে অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৃপেন ফুকন, সমাজকৰ্মী ফণীধৰ বৰুৱা, উত্তৰ লখিমপুৰ সাহিত্য সভাৰ সভাপতি ড° প্ৰেমানন্দ হাওবৰাই লোক কল্যাণ দিৱসৰ লগত সংগতি ৰাখি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ কৰ্মজীৱন আৰু অসমলৈ আগবঢ়োৱা উল্লেখনীয় অৱদান সম্পৰ্কে বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই বঁটাত নগদ ২৫ হেজাৰ টকা আগবঢ়োৱা হৈছে। অনুষ্ঠানত জিলা অতিৰিক্ত উপায়ুক্তদ্বয় মনোৰমা মৰাং, গীতালি দুৱৰা, জিলা উপ-আৰক্ষী অধীক্ষক ৰুণা নেওগ প্ৰমুখে বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে।

# নলীগাঁও সমল কেন্দ্ৰত 'হৰ ঘৰ

*১২ পৃষ্ঠাৰ পৰা* ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, নাইন ষ্টাৰ গ'ল্ডেন একাডেমী, ৫৮৪ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, ১৬৩৪ নম্বৰ উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, উত্তৰ নলীগাঁও এম ই মাদ্ৰাছ, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয় আদিৰ প্ৰায় ৬০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। সভাত নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিনে সমল ব্যক্তিৰূপে ভাষণ দিয়ে। সজাগতা সভাত দেশ স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ বাবে চৰকাৰে লোৱা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে লোৱা 'হৰ ঘৰ তিৰংগা'ৰ বিষয়ে বহলাই কয়। এই কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত প্ৰতিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য কি সেই বিষয়ে বহলাই কয়। সংশ্লিষ্ট বিভাগে দিয়া নিৰ্দেশ অনুসৰি প্ৰতিটো কাৰ্যসূচী যাতে সফলতাৰে সম্পন্ন হয় তাৰ বাবে সকলোকে আহ্বান জনায়। বিভাগে বিদ্যালয়সমূহক পাতিবলৈ দিয়া সজাগতা সভা, বিভিন্ন প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীক সজাগ কৰা, কুইজ, জাতীয় পতাকাৰ ছবি অংকন, আকস্মিক বক্তৃতা আদি বিদ্যালয়ে বিদ্যালয়ে অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি আমিনে নিজৰ ভাষণত শিক্ষাৰ লগত জড়িত বিভিন্ন বিষয়ত গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। সভাত এন কে হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াকুব আলী আহমেদ, দেশভক্ত হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুৰ ৰহমান, হৰেন্দ্ৰ-চিত্ৰা ছিনিয়ৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ চৈয়দ তবিবৰ ৰহমান, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বাছেদ আলী খান, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছাৰ সহকাৰী শিক্ষক মাধুৰ্য ডেকা, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক খুৰশেদ আলম, ৫১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সৰবেশ আলী, এন কে হাইস্কুলৰ সহকাৰী শিক্ষক ওহাব আলী আহমেদ আদিয়ে বিভিন্ন বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়।

# মনত উদ্যম আৰু দচকুত দুৰ্বাৰ হেঁপাহ

*১২ পৃষ্ঠাৰ পৰা* উপনীত হোৱাটো সম্ভৱ।' এই ভাষ্য সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ। আজি কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাই কলাইগাঁও জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এই ভাষ্য আগবঢ়ায়। তীব্ৰ বাকচাতুৰ্যতাৰে ছাত্ৰনেতাজনে নানা প্ৰত্যাহ্বানৰ মাজতো চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আগবাঢ়ি যাব লাগিব বুলি কয়। জনপ্ৰিয় ফেচবুকৰ স্ৰষ্টা মাৰ্ক জুকাৰবাৰ্গ আৰু দুখন হাত নথকাকৈয়ে জীৱনৰ লক্ষ্য হিচাপে সুবিশাল আকাশত দুৰন্ত গতিত উৰিব বিচাৰি বিশ্বত 'বিমান চালিকা হিচাপে খ্যাতি অৰ্জন কৰা জেচিকা কৰ্কচ আৰু মিছাইল মেন আব্দুল কালামৰ জীৱন পৰিক্ৰমাৰ ওপৰত আলোকপাত কৰে। লগতে ছাত্ৰনেতাজনে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো কলাইগাঁৰৰ দৰে এখন ঠাইত বিজ্ঞান আৰু বাণিজ্য শাখা নোহোৱা কাৰ্যত আশ্চৰ্য প্ৰকাশ কৰে। কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠান উদ্বোধন কৰি শৈক্ষিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে কলাইগাঁও জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰেজিয়া বেগমে। সভাত আছুৰ কেন্দ্ৰীয় উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, সাংগঠনিক সম্পাদক বিতুপন দাস, বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশীৰ লগতে কলাইগাঁও ব্লকৰ বিষয়া ৰবীন বৰুৱা, ওদালগুৰি জিলা আছুৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰী, দৰং জিলা আছুৰ সভাপতি পৰাগ চহৰীয়া, কলাইগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ জয়ন্ত চহৰীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ৰ আছু গোটৰ সভাপতি কংকন মেধিকে লৈ বিশিষ্ট ব্যক্তিসকল সভাত উপস্থিত থাকে। অনুষ্ঠানত হাইস্কুলক শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ নম্বৰ আৰু ডিষ্টিংছন প্ৰাপ্ত ৩১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়।

# বৰ্ণাঢ্য ৰূপত মধুপুৰ মহোৎসৱৰ প্ৰস্তুতি

*১২ পৃষ্ঠাৰ পৰা* শংকৰদেৱ আৰু মাধৱদেৱৰ মহাপ্ৰয়াণৰ মূল স্থান কাকটকুটা আৰু ভোলাদোবা অঞ্চলটো সংৰক্ষণ কৰি এক পৰ্যটনস্থান ৰূপে গঢ়ি তুলিবলৈ এক বিস্তৃত আঁচনি গ্ৰহণ কৰাৰ বাবে পৰ্যটন বিভাগক নিৰ্দেশ দিয়ে। সভাত অংশগ্ৰহণ কৰি পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা আৰু শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব শান্তনু ঠাকুৰে মধুপুৰ সত্ৰকে ধৰি ইয়াৰ লগত সম্পৰ্কিত হৈ থকা মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে বুলি জানিবলৈ দিয়ে। সভাত মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত আৰু মধুপুৰ সত্ৰ সমিতিৰ সম্পাদক হৰিদেৱ দাস, প্ৰচাৰ সম্পাদক যুগান্ত বায়ন আৰু পুলিন পাঠকে অংশগ্ৰহণ কৰি সত্ৰখনত আধৰুৱা হৈ থকা প্ৰকল্পসমূহ সম্পূৰ্ণ কৰা আৰু সত্ৰখনে সন্মুখীন হোৱা বিত্তীয় সমস্যাকে ধৰি কেতবোৰ সমস্যাৰ বিষয়ে অৱগত কৰে। সত্ৰ সমিতিয়ে বিতৰ্কৰ আৱৰ্তত থকা এক তিনিমহলীয়া ভৱন নিৰ্মাণৰ বিষয়টো মীমাংসা কৰাৰ বাবে পৰ্যটনমন্ত্ৰীক আহ্বান জনায়। সত্ৰ সমিতিয়ে লগতে বৃক্ক ৰোগত আক্ৰান্ত হৈ থকা সত্ৰাধিকাৰজনে চিকিৎসা ব্যয় সম্প্ৰতি ৰাজ্য চৰকাৰে বন্ধ কৰি ৰখা বিষয়টোও মন্ত্ৰীক অৱগত কৰে। মন্ত্ৰীজনে সত্ৰাধিকাৰজনৰ চিকিৎসা ব্যয়ৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি এক ইতিবাচক ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে। পৰ্যটনমন্ত্ৰীয়ে লগতে সত্ৰখনত পৰিচালনা আৰু বিজুলীৰ বাবে প্ৰয়োজন হোৱা খৰচৰ বাবে ৰাজ্য চৰকাৰে বাৰ্ষিক ভিত্তিত এক আৰ্থিক অনুদান দিয়াৰ বিষয়েও বিবেচনা কৰি থকা বুলি জানিবলৈ দিয়ে। মন্ত্ৰীজনে লগতে মধুপুৰ সত্ৰলৈ যোৱা ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত এখন তোৰণ নিৰ্মাণৰ বাবে ইতিমধ্যে পৰ্যটন বিভাগক অনুমোদন হৈ থকা আঁচনিখন ৰূপায়ণ কৰাৰ বাবে পশ্চিমবংগৰ চৰকাৰৰ লগত আলোচনা কৰিবলৈ ধুবুৰী জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত অসম চৰকাৰৰ পৰ্যটনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই মধুপুৰ মহোৎসৱ উদ্‌যাপন আৰু মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে মধুপুৰ সত্ৰকে ধৰি উত্তৰবংগৰ বিভিন্ন অঞ্চলত প্ৰতিষ্ঠিত হৈ থকা আন ১০খন সত্ৰ উন্নয়নৰ বাবেও উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। সত্ৰ সমিতিয়ে এই ক্ষেত্ৰত অসম চৰকাৰক সকলো ধৰণৰ সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে।

# নিবিদাত অংশগ্ৰহণত বাধা থলুৱা জাতৰ ধানৰ বীজ

## ■ চৰকাৰৰ কঠোৰ নীতিত প্ৰতাৰণাৰ বলি অসমৰ দৰিদ্ৰ কৃষক

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৫ আগষ্ট ঃ** ধান খেতিৰ ওপৰত নিৰ্ভৰশীল অসমৰ কৃষকে উৎপাদন কৰা থলুৱা উন্নত জাতৰ ধানৰ বীজ বিক্ৰীত বাধ্যকতা আহিছে অসমত। অসম চৰকাৰৰ পঞ্জীয়নভুক্ত থলুৱা ধানৰ বীজ উৎপাদনকাৰী সংস্থাই চৰকাৰৰ কঠোৰ নিয়মাৱলীৰ বাবে দৰিদ্ৰ কৃষকৰ কষ্টোপাৰ্জিত বীজ বিক্ৰীৰ ক্ষেত্ৰত আহি পৰিছে হেঙাৰ। গোলাঘাট জিলাৰ মেৰাপানীস্থিত চাউদাংপথাৰ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীয়ে বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰা মতে, কোম্পানীটোৱে অসম চৰকাৰৰ অধীনস্থ 'আসাম চীড এণ্ড অৰ্গেনিক চাৰ্টিফিকেছন এজেঞ্চি'ৰ পঞ্জীয়নভুক্ত হৈ দৰিদ্ৰ কৃষকসকলক লগত লৈ কৃষক উৎপাদনকাৰী গোট গঠন কৰি বিগত দুবছৰ ধৰি থলুৱা প্ৰজাতিৰ চাৰ্টিফাইড বীজ উৎপাদন কৰি এলাইড ক্ৰপ কেয়াৰ নামৰ অসমৰে এটা বীজ কোম্পানীৰ লগত সংযুক্ত হৈ অসম চৰকাৰক ধানৰ বীজ যোগান ধৰি আহিছে। যাৰ জৰিয়তে কোম্পানীটোৰ অধীনস্থ অসমৰ দৰিদ্ৰ কৃষকসকলেও আৰ্থিকভাৱে বজাৰ মূল্যতকৈ অধিক দৰ লাভ কৰি লাভান্বিত হৈছে। কিন্তু পৰিতাপৰ বিষয় যে ধানৰ বীজ ক্ৰয় কৰাৰ বাবে অসম চৰকাৰৰ কৃষি বিভাগে এইবাৰ প্ৰৱৰ্তন কৰা ধানৰ বীজ ক্ৰয়ৰ নিবিদাত নাভূত-নাশ্ৰুত চৰ্ত আৰোপ কৰাত বিবুধিত পৰিছে থলুৱা বীজ উৎপাদন কোম্পানীসমূহ। এই ক্ষেত্ৰত দৰিদ্ৰ কৃষকসকলে তেওঁলোকক চৰকাৰী নিবিদাত অংশগ্ৰহণত বাধাৰ সৃষ্টি কৰি থলুৱা কৃষকক বঞ্চনা আৰু প্ৰতাৰণা কৰি ষড়যন্ত্ৰমূলকভাৱে বহিৰাগত চীড কোম্পানীক ৰঙা দলিচা পাৰি অসমৰ কৃষকক ভাতে মৰাৰ পৰিকল্পনাত জড়িত হোৱাৰ অভিযোগ তুলিছে। চাউদাংপথাৰ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীটোৱে অভিযোগ কৰা মতে, চৰকাৰী নিবিদাত স্থানীয় কৃষক আৰু উৎপাদকৰ দ্বাৰা খেতি কৰা প্ৰমাণিত বীজৰ অভিজ্ঞতাৰ প্ৰয়োজন বুলি উল্লেখ কৰি হাইব্ৰিড বীজৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি জনাইছে। সেয়েহে স্থানীয় নতুন আৰু ক্ষুদ্ৰ উদ্যোগীয়ে নিবিদাত অংশগ্ৰহণ কৰিব পৰা নাই। আনহাতে, নিবিদা অংশগ্ৰহণত মুঠ উদ্ধৃত মূল্যৰ ৩০ শতাংশ টাৰ্ণ অভাৰৰ প্ৰয়োজন বুলি উল্লেখ কৰিছে যিটো স্থানীয় উৎপাকন আৰু নতুন ষ্টাৰ্টআপৰ বাবে সম্ভৱ নহয়। এনেবোৰ চৰ্তত এতিয়া উৎপাদিত বীজ মজুত থকাৰ পাছতো নিবিদাত অংশগ্ৰহণ কৰিব পৰা নাই অসমৰ বহু থলুৱা কৃষক গোটে। এনে পৰিপ্ৰেক্ষিতত অসমৰ বীজ উৎপাদনকাৰী কৃষক গোটসমূহে চৰকাৰ তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নিবিদাৰ ক্ষেত্ৰত অসমৰ কৃষকৰ সহায়ক হোৱাকৈ শিথিলতা অনাৰ আহ্বান জনাইছে।

# জ্যেষ্ঠ সহায়ক ডিম্বেশ্বৰ শইকীয়ালৈ লোকসেৱা' বঁটা

## কৰ্তব্যনিষ্ঠা-পাৰদৰ্শিতাৰ বাবে বঁটা প্ৰদান



অগ্ৰদূত বাৰ্তা

**সৰুপথাৰ, ৫ আগষ্ট ঃ** কৰ্মক্ষেত্ৰত আগবঢ়োৱা কৰ্তব্যনিষ্ঠা আৰু পাৰদৰ্শিতাৰ বাবে আজি ধনশিৰি মহকুমাৰ মহাকুমাধিপতি কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক ডিম্বেশ্বৰ শইকীয়াই অসম চৰকাৰৰ 'লোকসেৱা' বঁটা লাভ কৰে। গোলাঘাট জিলাত অনুষ্ঠিত এক অনুষ্ঠানত অসম চৰকাৰৰ বিত্ত তথা মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে তেওঁক এইবঁটা প্ৰদান কৰে।

ধনশিৰি মহকুমাৰ এটি পৰিচিত নাম ডিম্বেশ্বৰ শইকীয়া। ধনশিৰি মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়কৰূপে কৰ্মৰত এই ব্যক্তিজনে নিজা চাকৰিৰ দায়িত্ব সুন্দৰভাৱে কৰাৰ উপৰি কাৰ্যালয়টোৰ বিভিন্ন কামত বিশেষভাৱে সহায়ৰ হাত আগবঢ়াইছিল। চাকৰি জীৱনত নিষ্ঠা সততাৰে প্ৰতিদিনেই সেৱা আগবঢ়াইছিল। অৱসৰ ল'বলৈ কিছুদিন থকাৰ পূৰ্বে এনেদৰে বঁটা লাভ কৰাত আনন্দিত হৈ পৰিছে লোকজন।

# মেৰাপানীত অবৈধ সুৰাসহ নগদ ৫০ হেজাৰ টকা জব্দ ঃ আটক এক



অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৫ আগষ্ট ঃ** আজি সন্ধিয়া মেৰাপানী চি আৰ পি এফ শিবিৰৰ সন্মুখত চলোৱা নিয়মীয়া তালাচীত বহু পৰিমাণৰ অবৈধ সুৰাসহ নগদ পঞ্চাশ হেজাৰ টকা জব্দ কৰাৰ লগতে আকাশ দত্ত নামৰ এজনক আটক কৰে। তথ্য মতে, নম্বৰবিহীন এখন ৰঙা ৰঙৰ বিলাসী গাড়ীত অবৈধ সুৰা লৈ মেৰাপানীৰ পৰা নাগালেণ্ড অভিমুখে গৈ থকাৰ পথত মেৰাপানীস্থিত চি আৰ পি এফ শিবিৰৰ সন্মুখত তালাচী গেটত জব্দ কৰে। জব্দ কৰাৰ পাছত চি আৰ পি এফ ব্যৱসায়ী আকাশ দত্তৰ লগতে অবৈধ সুৰা, বিলাসী বাহন আৰু নগদ ধন মেৰাপানী আৰক্ষী থানাত চমজাই দিয়ে।

# বুঢ়ালিকচন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণ গাঁও, ৫ আগষ্ট ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বুঢ়ালিকচন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ উদ্যোগত আৰু গোলাঘাট জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত থলুৱা ফলমূলৰ সংৰক্ষণ আৰু সংৱৰ্ধনৰ অংশ হিচাপে কালি স্থানীয় মহিলাসকলক লৈ উক্ত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত দিনজোৰা কাৰ্যসূচীৰে এক প্ৰশিক্ষণ অনুষ্ঠিত হয়। কেন্দ্ৰটোৰ মুখ্য বিজ্ঞানী ড° তুলসী প্ৰসাদ শইকীয়াই উদ্বোধন কৰা প্ৰশিক্ষণ শিবিৰৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই কেন্দ্ৰটোৰ প্ৰধান বিজ্ঞানী ড° ধীমানদেৱ সিনহাই। স্থানীয় খনিকৰ উত্তৰণ মহিলা মঞ্চৰ ১০গৰাকী মহিলাই ভাগ লোৱা প্ৰশিক্ষণত কঠালৰ পৰা বিভিন্ন খাদ্য সামগ্ৰী প্ৰস্তুত কৰা বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক খুমটাই কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড° মৃদুস্মিতা বৰঠাকুৰে প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে কঠালৰ পৰা কেক, জাম, আচাৰ প্ৰস্তুত কৰাৰ দিশত হাতে-কামে কৰি দেখুৱায়। প্ৰশিক্ষাৰ্থীসকলক কেন্দ্ৰটোত থকা উন্নত জাতৰ কঠাল গছৰ বাৰীও প্ৰদৰ্শন কৰায়। ড° বৰঠাকুৰক সহযোগিতা আগবঢ়াই কুঁহিয়াৰ গৱেষণাৰ দুই বিজ্ঞানী ক্ৰমে ড° তুলিকা মেধি আৰু ড° স্নিগ্ধা ভট্টাচাৰ্যই।

# আঠ বছৰৰ অন্তত বৰক্ষেত্ৰী মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ নিযুক্তি

অগ্ৰদূত বাৰ্তা

**মুকালমুৱা, ৫ আগষ্ট ঃ** বৰক্ষেত্ৰী সমষ্টিৰ কেইজনমান বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মীৰ প্ৰচেষ্টাত বিগত ১৯৮৩ ত স্থাপন কৰা হৈছিল নলবাৰী জিলাৰ মুকালমুৱাস্থিত উচ্চ শিক্ষানুষ্ঠান বৰক্ষেত্ৰী মহাবিদ্যালয়। মহাবিদ্যলয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল বিশিষ্ট শিক্ষাবিদ শ্বেখ মোবাৰক হুছেইন। গৰিমা আৰু গৌৰৱেৰে সুনাম অৰ্জন কৰা মহাবিদ্যালয়খনৰ দুখ আৰু পৰিতাপৰ কথা এই যে অধ্যক্ষ শ্বেখ হুছেইন অৱসৰৰ আগমুহূৰ্ততে বিনা বেতনে মহাবিদ্যালয়খন এৰিবলগীয়া হয়। তেতিয়াৰে পৰা মহাবিদ্যালয়খন অধ্যক্ষ অবিহনে চলি আহিছে। ইতিমধ্যে মহাবিদ্যালয়খন প্ৰাদ্যেশিকীকৰণ কৰা হয় ২০১৩ত। উক্ত মহাবিদ্যালয়ত বিগত ২০১৬ৰ পৰা কোনো স্থায়ী অধ্যক্ষ বা ভাৰপ্ৰাপ্ত অধ্যক্ষ অবিহনে বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছে কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজ। মহাবিদ্যালযৰ অধ্যক্ষ পদৰ বাবে আদালত পোৱা ঘটনাত ২০১৯ ৰ ২৬ ছেপ্টেম্বৰত এক সাক্ষ্যাতকাৰ ২০০১ ৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে যোৱা ছয় জুলাইত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° ভাস্কৰ কলিতাক স্থায়ী অধ্যক্ষ পদত নিযুক্তি দিয়ে। এই খবৰে সমগ্ৰ বৰক্ষেত্ৰী সমষ্টিতে এক আনন্দৰ জোঁৱাৰ উঠিছে।

# লালুক কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনঃ অভিভাৱক সন্মিলন

অগ্ৰদূত বাৰ্তা

**লালুক, ৫ আগষ্ট ঃ** লালুক অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান লালুক কনিষ্ঠ মহাবিদ্যালয় (বৰ্তমানৰ লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়)ৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি দিনজোৰা কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অভিভাৱক সন্মিলনখনি অনুষ্ঠিত কৰা হয়। ইয়াকে লৈ আজি পুৱা ৮.৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে লালুক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য তথা পৰিচালনা সমিতিৰ প্ৰাক্তন উপ-সভাপতি ভোগৰাম সন্দিকৈয়ে। তেওঁ পতাকা উত্তোলনস্থলীত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ বুৰঞ্জী সোঁৱৰণ কৰি বক্তব্য প্ৰদান কৰি অনাগত দিনত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰে। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ প্ৰদীপ বৰাই। পুৱা ন বজাত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল শইকীয়াই। পুৱা ১০ বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'থাউকতে প্ৰতিভাৰ সন্ধান' শীৰ্ষক এক মনোগ্ৰাহী অনুষ্ঠান ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ পৰিচালনা কৰে প্ৰবক্তা হেমন্ত শইকীয়াই। অনুষ্ঠানত জ্যেষ্ঠ প্ৰবক্তা অচিন্ত্য শইকীয়া, ৰুমী দেৱী, মুহিধৰ শৰ্মা, যাদৱ বৰা, কুসুম শইকীয়া, ৰুনু বৰুৱা, সুশান্ত কুমাৰ বৰদলৈ আদি কৰি শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। দুপৰীয়া ১২ বজাৰ পৰা অভিভাৱক সন্মিলনখনি অনুষ্ঠিত হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল শইকীয়াই সঞ্চালনা কৰা সভাখন মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে উদ্বোধন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ প্ৰদীপ বৰাই ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ স্বনামধন্য ব্যক্তিসকলৰ প্ৰচেষ্টা আৰু ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত 'ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভুমিকা' শীৰ্ষক এক গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোকপাত কৰা হয়। লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি যোগেন শইকীয়া সভাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কৰণীয় সন্দৰ্ভত সুন্দৰ বিশ্লেষণ দাঙি ধৰে। সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য তথা মহাবিদ্যালয়খনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত বিশিষ্ট ব্যক্তি গোপাল গোস্বামী, ভুৱন শইকীয়া, ভুৱন শৰ্মা, জয়ন্ত দাস প্ৰমুখ্যে বহুকেইগৰাকী লোক উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# হাতীক অসুৰক্ষিত কৰা হ'ল ঃ অৰণ্য সুৰক্ষা সমিতি

**গুৱাহাটী, ৫ আগষ্ট ঃ** 'অলপতে লোকসভাত গৃহীত হোৱা বন্যপ্ৰাণী (সুৰক্ষা) বিধেয়কত হাতীৰ সৰবৰাহ আৰু হস্তান্তৰত থকা আইনী বাধা উঠাই দিয়াৰ ফলত হস্তীকুল অসুৰক্ষিত হৈ পৰিল। ইয়ে হাতীৰ ওপৰত মানুহৰ অত্যাচাৰো বৃদ্ধি কৰিব।' প্ৰকৃতিপ্ৰেমী সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে লোকসভাত অলপতে গৃহীত বন্যপ্ৰাণী সুৰক্ষা বিধেয়ক সন্দৰ্ভত এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰকাশ কৰা এক বিজ্ঞপ্তিত অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে কয় যে অসমৰ দৰে হাতী বৈচিত্ৰ্যসমৃদ্ধ ৰাজ্যবোৰৰ বাবে ই অশুভজনক। উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ-বৈচিত্ৰ্য সুৰক্ষাত এই আইনে বিপৰীতে প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি হাতীৰ সুৰক্ষাৰ স্বাৰ্থত আগৰ আইনী ব্যৱস্থা বলৱৎ ৰখাৰ বাবে অৰণ্য সুৰক্ষা সমিতিয়ে দাবী কৰে।

# ধুবুৰীত এছইউচিআই (ক)ৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**ধুবুৰী, ৫ আগষ্ট ঃ** এছইউচিআই (ক)ৰ কেন্দ্ৰীয় কমিটীৰ আহবানত অন্যতম মাৰ্ক্সবাদী দাৰ্শনিক আৰু চিন্তানায়ক সৰ্বহাৰা নেতা কমৰেড শিবদাস ঘোষৰ জন্ম শতবৰ্ষ উপলক্ষে এছইউচিআই (ক)ৰ ধুবুৰী জিলা কমিটীৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ধুবুৰী চহৰৰ মাজমজিয়াত থকা ছোৱালী মহাবিদ্যালয়ৰ ওচৰত কমৰেড শিবদাস ঘোষৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এছইউচিআই (ক)ৰ কেন্দ্ৰীয় কমিটীৰ সদস্য আজাহাৰ হুছেইনে জানিবলৈ দিয়ামতে ১৯২৩ৰ পাঁচ আগষ্টত তৎকালীন অবিভক্ত বংগদেশ (বৰ্তমান বাংলাদেশ)ৰ ঢাকা জিলাত জন্মগ্ৰহণ কৰা এই যুগৰ অন্যতম শ্ৰেষ্ঠ মাক্সবাদী দাৰ্শনিক আৰু চিন্তানায়ক, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ আপোচহীন ধাৰাৰ বিপ্লৱী যোদ্ধা, ভাৰতবৰ্ষৰ মাটিত একমাত্ৰ প্ৰকৃত সাম্যবাদী দল এছইউচিআই (ক)ৰ প্ৰতিষ্ঠাতা সাধাৰণ সম্পাদক কমৰেড শিবদাস ঘোষৰ বিপ্লৱী চিন্তাধাৰা, আদৰ্শ আৰু সংগ্ৰাম সমগ্ৰ বিশ্বতে বিয়পাই দিয়াৰ উদ্দেশ্যে পাঁচ আগষ্টৰ পৰা বছৰজোৰা কাৰ্যসুচীৰে তেওঁৰ জন্ম শতবৰ্ষ যথাযোগ্য মৰ্যাদাৰে উদ্‌যাপন কৰা হ'ব। দেশৰ সকলো জনসাধাৰণকে এই ঐতিহাসিক শতবাৰ্ষিকী উদ্‌যাপন সৰ্বতোভাৱে সফল কৰাৰ বাবে আগুৱাই আহিবলৈ আৰু সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ আহবান জনায়।

# 'ৰুদ্ৰাক্ষী'ৰ সহযোগত দেশৰ প্ৰথমটো সৰ্প দংশন চিকিৎসা সেৱা কক্ষ উদ্বোধন



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৫ আগষ্ট ঃ** 'ৰুদ্ৰাক্ষী এটি নাম সহায়'ৰ বেচৰকাৰী সংস্থাৰ পঞ্চম বাৰ্ষিক দিৱস উপলক্ষে কালি যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ সন্মুখত পুৱা প্ৰাতঃভ্ৰমণ কৰা প্ৰায় ৫০ গৰাকী ব্যক্তিক লেব টেকনিছিয়ান মাইনী বৰুৱাৰ দ্বাৰা বিনামূলীয়াকৈ ব্লাড ছুগাৰ পৰীক্ষা সেৱা প্ৰদান কৰা হয়। ইয়াৰ সমান্তৰালকৈ বিয়লি তিনি বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয় জৰুৰীকালীন চিকিৎসা বিভাগত অধীক্ষক ডাঃ পূৰ্ণিমা বৰুৱা আৰু অধ্যক্ষ ডাঃ ৰত্নেশ্বৰ তালুকদাৰৰ সহযোগত তথা ৰুদ্ৰাক্ষীৰ কাৰ্যকৰী সভাপতি পাৰ্থ সাৰথি হাজৰিকা, মুখ্য উপদেষ্টা ডাঃ ভক্তিময় ভট্টাচাৰ্য, সম্পাদিকা বাবলি দে' আৰু ৰুদ্ৰাক্ষীৰ সমূহ সদস্যৰ উপস্থিতিত

## পঞ্চম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

সৰ্প দংশনৰ চিকিৎসা সেৱা কক্ষৰ আৰম্ভণি কৰা হয়। অনুষ্ঠানত জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে কক্ষটো মুকলি কৰে। ডিমৌ গ্ৰাম্য চিকিৎসালয়ৰ বিশিষ্ট সংজ্ঞাহাৰক বিশেষজ্ঞ তথা সৰ্প দংশনৰ পৰা হেজাৰজন ৰোগীৰ প্ৰাণ ৰক্ষা কৰা চিকিৎসক ডাঃ সুৰজিত গিৰীয়ে চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ আৰু সভাত উপস্থিত সকলোকে সৰ্প দংশন আৰু চিকিৎসাৰ ক্ষেত্ৰত সহায় হোৱাকৈ এক প্ৰশিক্ষণমূলক বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে পাৰ্থ সাৰথি হাজৰিকাৰ দীৰ্ঘদিনীয়া এটা প্ৰচেষ্টাৰ ফলত এয়া সম্ভৱ হৈ উঠে, বিগত বহু কেইটা বছৰ ধৰি তেওঁ সৰ্প উদ্ধাৰ আৰু সুৰক্ষাৰ বাবে কৰ্ম কৰি আহিছে। যাৰ ফলস্বৰূপে ৰুদ্ৰাক্ষীৰ পঞ্চম প্ৰতিষ্ঠা দিৱসৰ এই বিশেষ দিনটোত জনসাধাৰণৰ বাবে এই সেৱা মুকলি কৰি দিয়া হয়।

## ৰাণীত চি আৰ পি এফৰ উদ্যোগত ত্ৰিৰংগা যাত্ৰা



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৫ আগষ্ট ঃ** ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে পালন কৰা পৰিলক্ষিত হৈছে 'আজাদী কা অমৃত মহোৎসৱ' কাৰ্যসূচী। সেই কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি পুৱা পশ্চিম গুৱাহাটীৰ ৰাণীস্থিত ৭৫ নম্বৰ চিআৰপিএফ বাহিনীৰ মুখ্য কাৰ্যালয়ৰ উদ্যোগত বৃহত্তৰ ৰাণী অঞ্চলত 'হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা' শীৰ্ষক কাৰ্যসূচী। ৰাণীৰ ঔদ্যোগিক ক্ষেত্ৰত থকা বাহিনীটোৰ মুখ্য কাৰ্যালয় চৌহদৰ পৰা কাহাৰপাৰা, বাটাবাৰী, ৰঙাপাৰা, গণপতি, নতুন ৰাণী, ৰাণী বজাৰ, নিৰলপুৰ, আল্লীবাৰীকে ধৰি বৃহত্তৰ ৰাণী অঞ্চলৰ মাজেৰে ১৭৫ নম্বৰ চিআৰপিএফ বেটেলিয়ানৰ কমাণ্ডেণ্ট সুভাষ চন্দ্ৰ শৰ্মাৰ নেতৃত্বত উলিওৱা মটৰ চাইকেল ৰেলীত পতাকা আৰি বাহিনীটোৰ ৫০ জন বিষয়া-জোৱানে ভাগ লয়। আনহাতে, এই ত্ৰিৰংগা যাত্ৰাৰ সময়ত অঞ্চলটোৰ ৰাইজে হাত চাপৰি বজাই আৰু ভাৰত মাতা কি জয় ধ্বনিৰে আদৰণি জনায়। কাৰ্যসূচীত ডেপুটী কমাণ্ডেণ্টদ্বয় আব্দুল ৰহিম আৰু ৰবি কুমাৰ শ্ৰীবাস্তৱ, পৰিদৰ্শক অজিত সিঙকে ধৰি ১৭৫ নম্বৰ চিআৰপিএফ বাহিনীৰ ভালেকেইগৰাকী বিষয়ববীয়া, জোৱানসকলৰ লগতে কে'বাজনো সাংবাদিক আৰু ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে ১৩ আগষ্টলৈ বাহিনীটোৱে এই কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি বাহিনীটোৰ কমাণ্ডেণ্ট সুভাষ চন্দ্ৰ শৰ্মাই জানিবলৈ দিছে।

## নিতাইপুখুৰীত বনৰীয়া ম'হৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৫ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নিতাইপুখুৰী মৌজাৰ গৰুখুঁটি গাঁৱত বনৰীয়া ম'হৰ সন্ত্ৰাসত ৰাইজ আতংকিত হৈ পৰে। ৰাইজে জানিব দিয়া মতে, অঞ্চলটোত কিছুদিনৰ পৰা এজাক বনৰীয়া ম'হ বিচৰণ কৰি জনসাধাৰণক সমস্যাত পেলাই আহিছে। বিশেষকৈ জাকটোৱে মানুহ দেখিলে খেদি আহে। ইফালে, অঞ্চলটোত বনৰীয়া ম'হৰ আতংকৰ মাজতে আজি এটা বনৰীয়া ম'হে এটি ঘৰচীয়া ম'হ পোৱালি খুন্দিয়াই মাৰি পেলায়। মৃত ম'হ পোৱালিটোৰ গৰাকী হৈছে দুৱৰীছিগা গাঁৱৰ ফণীধৰ গগৈ। উল্লেখ্য যে গগৈৰ ম'হৰ খুটি গৰুখুঁটি গাঁৱত আছে। ডাঠ হাবিৰে ভৰপুৰ অঞ্চলটোত বনৰীয়া ম'হৰ যিকোনো মুহূৰ্তত আক্ৰমণ হোৱাৰ সম্ভাৱনা আছে বুলি ৰাইজে আতংকিত হৈ পৰিছে।

## 'প্ৰতীতি'ৰ বৰেণ্য ব্যক্তিত্ব বঁটা ২০২২' ঘোষণা

অগ্ৰদূত বাৰ্তা

**চিনামৰা , ৫ আগষ্ট ঃ** সাক্ষাৎকাৰধৰ্মী অনুষ্ঠান প্ৰদৰ্শনৰ মাজত সমাদৃত হোৱা ফেচবুক পেজ 'প্ৰতীতি'-য়ে অহা সাত আগষ্টত তিনিটা বৰ্ষ সম্পূৰ্ণ কৰিব। বৰ্ষপূৰ্তি উপলক্ষে 'প্ৰতীতি'-য়ে বিগত দুটা বৰ্ষত আগবঢ়োৱাৰ দৰে এইবছৰো সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা কে'বাজনো ব্যক্তিক প্ৰদান কৰিব 'বৰেণ্য ব্যক্তিত্ব বঁটা'। এই বছৰৰ 'প্ৰতীতি'ৰ 'বৰেণ্য ব্যক্তিত্ব বঁটা'ৰ বাবে নিৰ্বাচিত হোৱা ব্যক্তিসকল হৈছে সাংস্কৃতিক কৰ্মী অশোক বৰদলৈ, নাট্যকাৰ দেৱব্ৰত মহন্ত, সাহিত্যিক মৃণালিনী গোস্বামী, জ্যেষ্ঠ সাংবাদিক অঞ্জন কুমাৰ বৰা, 'মণিষা বেকাৰী'ৰ স্বত্বাধিকাৰীত্ৰয় পংকজ জ্যোতি বৰুৱা, পল্লৱ জ্যোতি বৰুৱা, পাৰ্থ জ্যোতি বৰুৱা আৰু 'আছাম ফ্লাছ'ৰ অনুষ্ঠান পৰিৱেশক তথা যুৱ সাংবাদিক ৰিয়াৰাণী দত্ত। সাত আগষ্টৰ দিনা বঁটা প্ৰাপকসকলক এই বঁটা প্ৰদান কৰা হ'ব।

## ৰূপহীহাট আৰক্ষীৰ জালত দুই ড্ৰাগছ সৰবৰাহকাৰী



বিশেষ সংবাদদাতা

**নগাঁও, ৫ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ৰূপহীহাট আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আজি ঔঅনাত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজন হ'ল বকুল দাস আৰু ক্ষীৰোদ বৰা। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ পৰা আৰক্ষীয়ে ১০ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে। ড্ৰাগছ সৰবৰাহকাৰী দুজনে ৰূপহীহাটৰ ঔঅনাত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছিল বুলি আৰক্ষী সূত্ৰই জনাইছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখে।

## গোলাঘাটৰ চিংফুৰাত ছোৱাইন ফিভাৰৰ আতংক

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ মক্ৰং পঞ্চায়তৰ অন্তৰ্গত চিংফুৰা গাঁওখনত এতিয়া ছোৱাইন ফিভাৰৰ আতংক বিয়পি পৰিছে। তথ্য অনুসৰি গাঁওখনত ছোৱাইন ফিভাৰত আক্ৰান্ত হৈ কে'বাটাও গাহৰিৰ মৃত্যু হৈছে। গাহৰিৰ এনে অস্বাভাৱিক মৃত্যুত চিন্তিত হৈ পৰিছে গাঁওবাসী। এতিয়ালৈকে গাঁওখনত প্ৰায় ১০ টাৰো অধিক গাহৰিৰ মৃত্যু হৈছে। কমল সোণোৱাল, বিমলা সোণোৱাল, বলিন সোণোৱালকে ধৰি কে'বাজনো ব্যক্তিৰ বহুকেইটা গাহৰি এই ছোৱাইন ফিভাৰ ৰোগত আক্ৰান্ত হৈছে। ইতিমধ্যে মৃত্যু হোৱা গাহৰিসমূহ এটা নিৰ্দিষ্ট স্থানত পুতি থৈছে গাহৰি পালকসকলে। উল্লেখ্য যে কিছুদিনৰ আগত আঠখেলীয়াৰ বৰকছাৰীত এশৰো অধিক গাহৰি এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল। তাৰপাছতে গোলাঘাট জিলা প্ৰশাসনে সম্পূৰ্ণৰূপে গাহৰি সৰবৰাহ আৰু মাংসৰ বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছিল।

**চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা জাঁজীমুখৰ তপতপি গাঁও**

# প্ৰতিবাদী কাৰ্যসূচীৰে স্বাধীনতা দিৱস বৰ্জন কৰাৰ হুংকাৰ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৫ আগষ্ট ঃ** ৰাজ্যৰ ভিতৰতে এশ এটা সমস্যাৰে জৰ্জৰিত এটা সমষ্টি হৈছে টীয়ক বিধানসভা সমষ্টি। সমষ্টিটোৰ অন্তৰ্গত বানে গৰকা জাঁজীমুখৰ তপতপি গাঁৱৰ ৰাইজে চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈ থাকিব লগা হোৱাৰ অভিযোগত ক্ষোভৰ জুই জ্বলিছে। গাঁওখনৰ প্ৰায় ৭৫ টা পৰিয়ালৰ জীৱন জীৱিকাৰ একমাত্ৰ সমল হ'ল খেতি। গৰু, ছাগলী, হাঁহ-কুকুৰা পালন কৰিয়েই পেটে-ভাতে খাই জীৱন নিবাহ কৰিছে এইসকল লোকে। তাৎপৰ্যপূৰ্ণ বিষয় যে চৰকাৰে ঘোষণা কৰা আঁচনিৰ অৰুণোদয়, উজ্বলা, গৃহ, খোৱাপানী তথা দুৰ্গম বাট পথৰ লগতে আজিও বঞ্চিত গাঁওখন বিদ্যুৎ সংযোগৰ পৰা। জনপ্ৰতিনিধি তথা ঊৰ্ধ্বতন কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন কৰাৰ পাছতো আজি স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো এইসকল লোক চৰকাৰী অভিলাষী সা-সুবিধাৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। উপায়হীন ৰাইজে আজি পুৱা গাঁৱৰ নামঘৰ প্ৰাংগণত সমবেত হৈ টীয়ক ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীৰে উত্তাল কৰে পৰিৱেশ। লগতে ১৫ আগষ্টৰ পূৰ্বে জিলা প্ৰশাসন বা সংশ্লিষ্ট কৰ্তৃপক্ষই গাঁওখনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত সিদ্ধান্তত উপনীত নহ'লে আগন্তুক স্বাধীনতা দিৱস বৰ্জন কৰি উক্ত দিনা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।



বঙাইগাঁৱত ট্ৰেক্টৰ চলাই ইউপিপিএলৰ প্ৰতিষ্ঠা দিৱস উদযাপন, শুক্ৰবাৰে।

**ভুৱা চিকিৎসাৰ বলি হৈ বৃদ্ধৰ মৃত্যুক লৈ উত্তপ্ত জুৰীয়াৰ কলাডুবা**

## অবৈধ ফাৰ্মাচী বন্ধৰ দাবীত ফাৰ্মাচী সন্থাৰ উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা


**জুৰীয়া, ৫ আগষ্ট ঃ** জুৰীয়াত কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ ফাৰ্মাচীৰ বাবেই বহুলোকৰ জীৱনলৈ শংকা নমাই অনাৰ আশংকাত ত্ৰস্তমান গ্ৰামাঞ্চলৰ সহজ-সৰল ৰাইজ। বিশেষকৈ জুৰীয়াৰ কলাডুবাত কালি এনে স্বয়ম্ভূ চিকিৎসকৰ হাতত এজন বৃদ্ধৰ মৃত্যু হ'ব লগা হোৱা ঘটনাৰ পাছত আজি অসম পঞ্জীয়নকৃত ফাৰ্মাচী সন্থাই স্থানীয় ৰাইজৰ সহযোগত কলাডুবাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে হুছেইন আলী নামৰ বৃদ্ধজন এক সাধাৰণ অসুখৰ বাবে স্থানীয় ৰিবুল হুছেইন নামৰ স্বয়ম্ভূ চিকিৎসকৰ ফাৰ্মাচীলৈ গৈছিল। বৃদ্ধজনক চেলাইন, বেজী দি ঘৰলৈ পঠিয়াই দিয়াৰ পাছতেই অসুস্থ হৈ পৰে। পাছত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গুৱাহাটীলৈ উন্নত চিকিৎসাৰ বাবে নিয়ে যদিও বুধবাৰে বৃদ্ধজনৰ মৃত্যু হয়। ইয়াকে লৈ ক্ষোভিত হৈ পৰে ৰাইজ। আজি ফাৰ্মাচী সন্থাৰ এটা দল বৃদ্ধজনৰ বাসগৃহত উপস্থিত হৈ বিষয়টোৰ ক্ষেত্ৰত মতামত গ্ৰহণৰ লগতে অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে ৰাইজৰ সহযোগত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

## আছুৰ জিলা সভাপতিৰ জ্যেষ্ঠ ভ্ৰাতৃৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড় জিলা আছুৰ সভাপতি বুলবুল দত্তৰ জ্যেষ্ঠ ভ্ৰাতৃ বাবা দত্ত (৩৮)ৰ মৃত্যুত আজি সমগ্ৰ ৰাজগড় অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। আজি পুৱা চাৰি বজাত ইহসংসাৰ ত্যাগ কৰে। ব্যৱসায়ী তথা কন্যা সন্তানৰ পিতৃ বাবা বিগত প্ৰায় তিনিবছৰ ধৰি যকৃতৰ জটিল ৰোগত আক্ৰান্ত আছিল। জ্যেষ্ঠ ভ্ৰাতৃক সুস্থ কৰি তুলিবলৈ উন্নত চিকিৎসাৰ বাবে বহিঃৰাজ্যতো চিকিৎসা কৰাই আনিছিল বুলবুলে। দুসপ্তাহৰ পূৰ্বে ক্ৰমাৎ স্বাস্থ্যৰ অৱনতি ঘটাত বাবাক অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে আজি পুৱা বাবাই শেষ নিশ্বাস ত্যাগ কৰে। যুৱ ব্যৱসায়ীজনৰ অকাল মৃত্যুত স্থানীয় বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ইপনে, শতাধিক লোকৰ উপস্থিতিত বাবাৰ শেষকৃত্য সম্পন্ন হয়। মৃত্যুৰ সময়ত বাবাই পত্নী, কন্যা, ভ্ৰাতৃসহ ভালে সংখ্যক আত্মীয়ক এৰি যায়।


## খগৰপুৰত বিদ্যুৎস্পৃষ্ট হৈ দুষ্প্ৰাপ্য সোণালী বান্দৰৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৫ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত খগৰপুৰত আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ দুষ্প্ৰাপ্য সোণালী বান্দৰ এটিয়ে মৃত্যুক সাবটি লোৱা ঘটনাই প্ৰকৃতিপ্ৰেমীক ব্যথিত কৰি তুলিছে। তথ্য মতে খাদ্যৰ সন্ধানত নামি আহোতে খগৰপুৰৰ পাহাৰীয়া অঞ্চলত বিদ্যুৎস্পৃষ্ট হৈ বান্দৰটোৱে মৃত্যু হোৱাৰ বিষয়ে জানিব পাৰি অভয়াপুৰীৰ বনকৰ্মীৰ দলে ঘটনাস্থলীলৈ যায়। পাছত মৃত সোণালী বান্দৰটো চমজি লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে অঞ্চলটোৰ কাকৈজানাকে ধৰি খগৰপুৰ, মালেগড় পাহাৰত থকা সোণালী বান্দৰে প্ৰায় খাদ্যৰ সন্ধানত পাহাৰৰ পৰা নামনিলৈ নামি আহোতে বিদ্যুৎস্পৃষ্ট হৈ তথা দুৰ্ঘটনাজনিত কাৰণত ইতিমধ্যে বহুকেইটা সোণালী বান্দৰে প্ৰাণ হেৰুৱাইছে।

## সমাজকৰ্মী কণবাপ ওজাৰ দেহাৱসান



অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৫ আগষ্ট ঃ** দিখৌমুখ অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, দিখৌমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সহশিক্ষক, দিখৌমুখ মহাবিদ্যালয়, দিখৌমুখ মিলিত শিল্পী সমাজ, দিখৌমুখ চিকিৎসালয়কে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়াসকলৰ অন্যতম কণবাপ ওজা (৮৫)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত দিখৌমুখ কৃষ্ণছিগা গাঁৱৰ নিজা বাসভৱনত মৃত্যু হয়। অসম আন্দোলনৰ সক্ৰিয় কৰ্মী আৰু পৰৱৰ্তী সময়ত আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ধৰ্মপ্ৰাণ শিক্ষাবিদজনৰ নশ্বৰদেহ আজি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু গুণমুগ্ধসকলে মৌন সমদল কৰি সুদীৰ্ঘ সময় শিক্ষকতা কৰা দিখৌমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়লৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। প্ৰধান শিক্ষক ৰঞ্জন বড়াৰ নেতৃত্বত বিদ্যালয়ৰ তৰফৰ পৰা নশ্বৰদেহত বিদ্যালয়ৰ পতাকা সমৰ্পিত আৰু পুষ্পাঞ্জলি কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৱে প্ৰতিষ্ঠাপক শিক্ষকজনলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন গগৈ, আৰু আমগুৰি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ প্ৰতিনিধি, গৌৰীসাগৰ জ্যেষ্ঠ নাগৰিক মঞ্চ, আপকু শিৱসাগৰ জিলা সমিতি, টিএমপিকেৰ জিলা সমিতি, দিখৌমুখ আঞ্চলিক ছাত্ৰ সন্থা, দিখৌমুখ মহাবিদ্যালয়, দিখৌমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গৌৰীসাগৰ প্ৰেছ ক্লাব, আধ্যাত্মিক যুৱ সন্মিলন অসম, দিখৌমুখ প্ৰেছ ক্লাব, দিখৌমুখ মিলিত শিল্পী সমাজ, বৰহমথুৰি সাংস্কৃতিক চৰ্চা কেন্দ্ৰ, থেকেৰাতল গাঁও উন্নয়ন সমিতি, আছুৰ প্ৰাক্তন শিক্ষা সম্পাদক শৰৎ হাজৰিকা, দিখৌমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কে'বাগৰাকীও প্ৰধান শিক্ষকৰ লগতে অগপ, বিজেপি, অসম জাতীয় পৰিষদকে ধৰি শতাধিক দল-সংগঠনৰ প্ৰতিনিধিয়ে প্ৰিয় শিক্ষাগুৰুজনলৈ অন্তিম শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত ওজাই দিখৌমুখ প্ৰেছ ক্লাবৰ সম্পাদক সাংবাদিক নৱজ্যোতি ওজাকে ধৰি তিনিজন পুত্ৰ বোৱাৰী, পত্নী, দুগৰাকী জী-জোঁৱাই নাতি-নাতিনী সহ বহু আত্মীয়ক এৰি যায়।

**জামুগুৰিহাটৰ ১৩ বছৰীয়া মুখা শিল্পী নিশান্ত বৰুৱাৰ বিশেষ চৰ্চা লাভ**

## কণমানি শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে ভাওনাৰ বিভিন্ন মুখাৰে

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ আগষ্ট ঃ** এগৰাকী ১৩ বছৰীয়া কণমানি মুখা শিল্পী। নাম নিশান্ত বৰুৱা। যিজন শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে ভগৱান নৰসিংহ, বিষ্ণুৰ লগতে বিভিন্ন ভাওনাত ব্যৱহৃত মুখা। অতি কম বয়সতে শিল্পী নিশান্তৰ এনে প্ৰতিভাই এতিয়া সকলোৰে মাজত বিশেষ চৰ্চা লাভ কৰিছে। শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মুঢ়াদল নিবাসী নাৰাযণ বৰুৱা আৰু দুলুমণি বৰুৱাৰ সুপুত্ৰ তথা



কমমানি মুখা শিল্পী হিচাপে পৰিচিত নিশান্ত বৰুৱা। বিগত তিনি বছৰে ডাঠ কাগজ কাটি কাটি ভাওনাত ব্যৱহৃত বিভিন্ন মুখা নিৰ্মাণ কৰি ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে নিশান্তই। মুখা শিল্পী নিশান্ত নদুৱাৰ জাতীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। ৰাস, ভাওনাত ব্যৱহৃত বিভিন্ন মুখা নিৰ্মাণৰ প্ৰয়াস অব্যাহত ৰাখিছে এইজন কণমানি শিল্পীয়ে। ইয়াৰ উপৰি জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত ভাওনাৰ অভিনয়ৰে নিশান্তই যথেষ্ট সমাদৰ লাভ কৰিবলৈও সক্ষম হৈছে।

## মুছলপুৰত হৰ ঘৰ ত্ৰিৰংগাৰ সমদল

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৫ আগষ্ট ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে আজি বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত বাগ্‌সা ৰাজহ চক্ৰৰ উদ্যোগত এক চাইকেল সমদল উলিওৱা হয়। 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী পালনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুছলপুৰৰ দুৰ্গা মন্দিৰ প্ৰাংগণৰ পৰা চাইকেল সমদল উলিওৱা হয়। বাগ্‌সা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ভাস্কৰজ্যোতি বৰাই 'হৰ ঘৰ ত্ৰিৰংগা সম্পৰ্কে জনতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি চাইকেল সমদল উলিওৱা বুলি মন্তব্য কৰি সকলোকে নিজ নিজ ঘৰ, চৰকাৰী প্ৰতিষ্ঠান আদিত জাতীয় পতাকা উৰুৱাবলৈ আহ্বান জনায়। কাৰ্যসূচীত বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মী, গাঁওবুঢ়া, মণ্ডল, সমাজ সচেতন ব্যক্তি, মহিলা-পুৰুষ আদিয়ে যোগদান কৰে।

## লাহৰীঘাটত আৰক্ষীৰ অভিযানত ১৪ খন চুৰি মটৰ চাইকেল উদ্ধাৰ ঃ পাঁচজনক আটক



অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ৫ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই এখন-দুখন নহয় ১৪খন চুৰি মটৰ চাইকেল উদ্ধাৰ কৰাৰ লগতে পাঁচজন লোকক আটক কৰিবলৈ সক্ষম হয়। মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই বুধবাৰ আৰু বৃহস্পতিবাৰে লাহৰীঘাট থানাৰ অন্তৰ্গত কছাৰীবড়ীত থকা ছাদ্দাম হুছেইনৰ গেৰেজৰ পৰা ১৪ খন চুৰি মটৰ চাইকেল জব্দ কৰে। লগতে গেৰেজৰ মালিক ছাদ্দামকো আটক কৰে। পাছত ছাদ্দামৰ স্বীকাৰোক্তিৰ ভিত্তিত অভিযান চলাই লাহৰীঘাট আৰক্ষীয়ে বাকী চাৰিজন লোকক আটক কৰে। মটৰ চাইকেল চুৰি কাৰ্যৰ লগত জড়িত থকা ধৃত লোককেইজন হৈছে ক্ৰমে ছাদ্দাম হুছেইন (২৪), হজৰত আলী (২৬), হায়াৎ উল্লাহ (২০), বাহাৰুল ইছলাম (২৮) আৰু ছৰিফ ইছলাম (১৮)। আৰক্ষীয়ে জব্দ কৰা বাহনকেইখনৰ ভিতৰত অধিকাংশ নম্বৰপ্লেটবিহীন। উল্লেখ্য যে ধৃত ছাদ্দামৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি চুৰি মটৰ চাইকেলৰ লগত জড়িত থকাৰ অভিযোগ আছিল বুলি আৰক্ষীয়ে সদৰী কৰে। লাহৰীঘাট আৰক্ষীয়ে মটৰ চাইকেল চুৰিৰ লগত জড়িত থকাৰ অভিযোগত আটক কৰা লোককেইজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩৭৯/৪১১/৩৪ ধাৰাৰ অধীনত ৩০৪/২২ নম্বৰত এটি গোচৰ ৰুজু কৰি আটাইকে আজি মৰিগাঁও জেললৈ প্ৰেৰণ কৰে।

## স্বামীৰ দ্বাৰা পত্নীক নৃশংস হত্যাকাণ্ড

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ আগষ্ট ঃ** বিহালীৰ জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ মিজিকাজানত সংঘটিত হৈছে নৃশংস হত্যাকাণ্ড। কাঠৰ টুকুৰাৰে মৰিয়াই স্বামী মুকুন তাঁতীয়ে পত্নী অঞ্জলি তাঁতীক। পাৰিবাৰিক কন্দলৰ বাবেই হত্যাকাণ্ডটো সংঘটিত হয়। জিনজিয়া আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে আটক কৰিছে হত্যাকাৰী স্বামী মুকুনক।

**টিংখাঙৰ লেঙেৰীত পশু চিকিৎসালয়ৰ জৰাজীৰ্ণ ৰূপ**

## দুই দশক ধৰি চিকিৎসাৰ পৰা বঞ্চিত পশু পালক


অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ লেঙেৰী ৰাজ্যিক পশু চিকিৎসালয়খনৰ বৰ্তমান অৱস্থা তেনেই জৰাজীৰ্ণ। দীৰ্ঘদিন ধৰি বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধিয়ে কোনো গুৰুত্ব নিদিয়াত সম্প্ৰতি পশু চিকিৎসালয়খনৰ চাল-বেৰ, দুৱাৰ-খিৰিকী আৰু সকলো আচবাব জহি-খহি এক ভূত বাংলাত পৰিণত হৈছে। ৯০ৰ দশকতে স্থাপন কৰা পশু চিকিৎসালয়খনে প্ৰথমাৱস্থাত অৰ্থাৎ এটা দশক ধৰি কৃষি প্ৰধান অঞ্চলটোৰ পশুপালকক সঠিক মতে সেৱা আগবঢ়াই আহিছিল যদিও আজি দুটা দশকৰ অধিক কাল অঞ্চলটোৰ পশুপালকক চিকিৎসা সেৱা আগবঢ়োৱাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। ফলত অঞ্চলটোৰ পশুপালকসকলে পশুধন পালনত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ উপৰি চিকিৎসাৰ অবিহনে ভিন্ন সময়ত পশুধনসমূহ মৃত্যুৰ মুখত এৰি দিব লগা হৈছে। সততে সকলোৰে চকুত পৰা লেঙেৰী তিনিআলিৰ মাজমজিয়াত অৱস্থিত পশু চিকিৎসালয়খন পুনৰ কাৰ্যক্ষম কৰি তুলিবলৈ অঞ্চলটোৰ পশুপালক তথা ৰাইজে সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী বিমল বৰাক অনুৰোধ জনাইছে অদ্যপৰিমিত কোনো সুফল লাভ কৰা নাই। এনে ক্ষেত্ৰত কৃষি প্ৰধান অঞ্চলটোৰ পশু পালকে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিগত দুই দশক ধৰি জৰাজীৰ্ণ হৈ থকা পশু চিকিৎসায়খন ডাবল ইঞ্জিনৰ চৰকাৰখনে কেতিয়া পুনৰ কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম হ'ব বুলি ইয়াৰ পশুপালকসকলে প্ৰশ্ন উত্থাপন কৰিছে।

## আহোম জনগোষ্ঠীক অপমান ঃ আঙুৰলতাৰ বিৰুদ্ধে নামতিত প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা


**নামতি, ৫ আগষ্ট ঃ** প্ৰাক্তন বিধায়িকা তথা বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত হোৱা সমদলত আহোম জনগোষ্ঠীৰ প্ৰতি বিৰোধ মন্তব্যৰে 'মুৰ্দাবাদ' ধ্বনি দি যি নিকৃষ্টতম কাৰ্য সংঘটিত কৰিলে তাৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যৰ লগতে নামতিতো তীব্ৰ প্ৰতিবাদ জনোৱা হৈছে। সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে হেম গগৈ আৰু অজিত চেতিয়া স্বাক্ষৰিত এক বিবৃতিযোগে বিজেপি নেত্ৰীগৰাকীৰ এই কাৰ্যক তীব্ৰ গৰিহণা দিছে আৰু ভৱিষ্যতে এনে গৰ্হিত কাৰ্যৰ পৰা বিৰত থাকিবলৈ তেওঁক সকীয়াই দিছে। এই উদ্দেশ্যে কালি নামতিদ'ল ছ্যুকাফা উদ্যানৰ সমীপত সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতিৰ এক প্ৰতিবাদী সভাও অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সমিতিৰ সভাপতি হেম গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অজিত চেতিয়াই। সভাত নাজিৰা জিলা আহোম সভাৰ উপ-সভাপতি তৰুণ গগৈৰ উপৰি তাই আহোম সংগঠনৰ কে'বাগৰাকী নেতা উপস্থিত থাকে। সভাত নামতিদ'ল তাই শিক্ষা সংস্কৃতি বিকাশ কেন্দ্ৰ আৰু নামতিদ'ল প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ বিষয়ববীয়াসকলো উপস্থিত থাকে।





# ফাইনেলত ভাৰতৰ পুৰুষ ৰীলে দল

## বাৰ্মিংহাম কমনৱেল্‌থ গেমছ ঃ সিন্ধু-শ্ৰীকান্ত কোৱাৰ্টাৰত ঃ স্বৰ্ণৰ যুঁজত চাৰি মল্লযুঁজাৰু



**নিউজ ব্যুৰ'**
**বাৰ্মিংহাম, ৫ আগষ্ট ঃ** ভাৰতৰ পুৰুষ ৰেলী দলে কমনৱেল্‌থ গেমছৰ ৪x৪০০ মিটাৰ ৰীলেৰ ফাইনেলত প্ৰৱেশ কৰিছে। মহম্মদ আনাছ, নোৱা নিৰ্মল টম, মহম্মদ আজমল আৰু আমোজ জেকবৰে গঠিত ভাৰতৰ ৰীলে দলটোৱে আজিৰ হিটছ দুইত দ্বিতীয় স্থান দখল কৰে। তিনি মিনিট ০৬ঃ৯৭ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি তেওঁলোকে পদকৰ সম্ভাৱনা সজীৱ কৰি ৰাখিবলৈ সক্ষম হয়। অৱশ্যে মহিলাৰ লংজাম্পত ব্যৰ্থ হয় ভাৰতৰ আন্সি ছ'জান।

ইপিনে, বেডমিণ্টনৰ ছিংগল্‌ছত পদকৰ সম্ভাৱনা উজ্জ্বল কৰিলে ভাৰতৰ দুই শীৰ্ষ তাৰকা পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে। আজি দুয়ো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। মহিলাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত সিন্ধুৱে উগাণ্ডাৰ হুছিনা কবুগাবে সহজে ২১-১০, ২১-৯ পইণ্টত পৰাস্ত কৰে। আনহাতে, শ্ৰীকান্তে পুৰুষৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত শ্ৰীলংকাৰ ডুমিণ্ডু আবেইউইক্ৰেমাক ২১-৯, ২১-১২ পইণ্টত হৰুৱায়। ইপিনে, আজি ভাৰতৰ চাৰি মল্লযুঁজাৰুৱে ফাইনেলত প্ৰৱেশ কৰি কমেও ৰূপৰ পদক নিশ্চিত কৰিলে। আজি নিশাই তেওঁলোকে ফাইনেলত অৱতীৰ্ণ হ'ব। মল্লযুঁজাৰুসকল হৈছে অংশু মালিক, বজৰংগ পুনিয়া, দীপক পুনিয়া আৰু সাক্ষী মালিক।



## কাইলৈ জেভেলিন দিৱস প্ৰতিযোগিতা হ'ব সৰুসজাই ষ্টেডিয়ামত

**গুৱাহাটী, ৫ আগষ্ট ঃ** অসম এথলেটিকছ এছ'চিয়েচন আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত সাত আগষ্টত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় জেভেলিন থ্ৰ' প্ৰতিযোগিতা। ভাৰতৰ গৌৰৱ জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই ২০২১ৰ অলিম্পিকত সোণৰ পদক লাভ কৰা সাত আগষ্টৰ দিনটোত ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্তত এই জেভেলিন দিৱস প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীতো ল'ৰা-ছোৱালী উভয়ৰে ১৪ বছৰ অনূৰ্ধ্ব, ১৬ বছৰ অনূৰ্ধ্ব, ১৮ বছৰ অনূৰ্ধ্ব, ২০ বছৰ অনূৰ্ধ্ব আৰু পুৰুষ-মহিলা উভয়ৰে মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলে সাত আগষ্টৰ পুৱা সাত বজাত সৰুসজাই ষ্টেডিয়ামত খেলৰ বাবে উপস্থিত হোৱাৰ লগতে বয়সৰ প্ৰমাণপত্ৰ লগত আনিবলৈ উদ্যোক্তাই অনুৰোধ জনাইছে।

## কাইলৈ সমগ্ৰ দেশত পালন কৰা হ'ব জেভেলিন দিৱস



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ আগষ্ট ঃ** এথলেটিক্‌ছ ফেডাৰেছন অৱ ইণ্ডিয়া (এএফআই)ৰ আৰু তেওঁলোকৰ স্বীকৃতিপ্ৰাপ্ত সন্থাসমূহে অহা সাত আগষ্টত সমগ্ৰ দেশতে 'জেভেলিন দিৱস' পালন কৰিব। ভাৰতৰ ক্ৰীড়াৰ ইতিহাসত অন্যতম বৃহৎ মুহূৰ্তৰূপে বিবেচিত যোৱা বছৰৰ সাত আগষ্টতে নীৰজ চোপ্ৰাই টকিঅ' অলিম্পিকত স্বৰ্ণপদক জয় কৰিছিল। সেয়া আছিল অলিম্পিকৰ ট্ৰেক এণ্ড ফিল্ডত ভাৰতৰ প্ৰথম পদক। সাত আগষ্টত ৰাষ্ট্ৰীয় জেভেলিন দিৱস পালন কৰা হ'ব বুলি নীৰজে টকিঅ'ৰ পৰা উভতি অহাৰ দিনাই এএফআইৰ তৰফৰ পৰা ঘোষণা কৰা হৈছিল। ইয়াৰ দ্বাৰা জেভেলিন খেলবিধক দেশৰ তৃণমূল পৰ্যায়ত সকলোৰে মাজত জনপ্ৰিয় কৰি তোলাৰ স্বাৰ্থতে এই সিদ্ধান্ত লোৱা বুলি এএফআইৰ সভাপতি আদিল্লে জে ছুমাৰিৱালাই জনাইছে। এই দিৱস উপলক্ষে প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলৰ এএফআইৰ স্বীকৃতিপ্ৰাপ্ত সন্থাসমূহে জেভেলিন প্ৰতিযোগিতাৰ আয়োজন কৰিব।

## ভাৰতৰ পদক নিশ্চিত কৰিলে ভাবিনা পেটেলে



**নিউজ ব্যুৰ'**
**বাৰ্মিংহাম, ৫ আগষ্ট ঃ** টকিঅ' পেৰালিম্পিকৰ পদক জয়ী ভাবিনা পেটেলে চলিত কমনৱেল্‌থ গেমছত ভাৰতৰ হৈ পদক নিশ্চিত কৰিছে। আজি পেৰা টেবল টেনিছ ইভেণ্টৰ মহিলাৰ ছিংগল্‌ছ কেটেগৰীৰ ফাইনেলত উপনীত হয় ভাবিনা। ইয়াৰ দ্বাৰা তেওঁ কমেও ৰূপৰ পদক নিশ্চিত কৰিলে। আজিৰ ছেমিফাইনেলত ভাবিনাই ইংলণ্ডৰ ছু বেইলীক ১১-৬, ১১-৬, ১১-৬ গেমত পৰাজিত কৰে। অৱশ্যে পেৰা টেবল টেনিছত ভাৰতৰ আন দুই প্ৰতিযোগী ৰাজ অৰৱিন্দন আৰু ছোনালবেন পেটেল ব্যৰ্থ হয়।

# টেবুল টেনিছত মসৃণ অগ্ৰগতি ভাৰতৰ

## কমনৱেল্‌থৰ ছিংগল্‌ছ-মিক্সড্ ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

**নিউজ ব্যুৰ'**
**বাৰ্মিংহাম, ৫ আগষ্ট ঃ** কমনৱেল্‌থ গেমছৰ টেবুল টেনিছত মসৃণ অগ্ৰগতিৰে আগবাঢ়িছে ভাৰতীয় দল। আজি ভাৰতৰ দুটা মিক্সড্ ডাবল্‌ছ দলৰ লগতে একাধিক খেলুৱৈ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। মিক্সড্ ডাবল্‌ছত ভাৰতৰ মণিকা বাট্ৰা আৰু ছাথিয়ান জ্ঞানশেখৰণে নাইজেৰিয়াৰ অলাজিদ অম'টায়' আৰু আজ'কা অজমুক ১১-৭, ১১-৬, ১১-৭ গেমত পৰাজিত কৰে। তেওঁলোকে আজিয়েই মালয়েছিয়াৰ বিপক্ষে কোৱাৰ্টাৰ ফাইনেল খেলাৰ কথা। আনহাতে, ভাৰতৰ অচন্থা শৰত কমল আৰু আকুজা শ্ৰীজাই মালয়েছিয়াৰ লিয়ণ্ড চী ফেং আৰু হ' ইয়িঙক ৫-১১, ১১-২, ১১-৬, ১১-৫ গেমত হৰুৱায়। তেওঁলোকেও আজি কোৱাৰ্টাৰ ফাইনেল খেলিব।

ইপিনে, মণিকা আৰু শ্ৰীজাই মহিলা ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মণিকাই অষ্ট্ৰেলিয়াৰ জী মিনহিউঙক ১১-৪, ১১-৮, ১১-৬, ১১-১০ গেমত আৰু শ্ৰীজাই ৱেলছৰ চাৰ্লট্টে কেৰীক তুমুল সংঘৰ্ষৰ অন্তত ৮-১১, ১১-৭, ১২-১৪, ৯-১১, ১১-৪, ১৫-১৩, ১২-১০ গেমত পৰাজিত কৰে। অৱশ্যে মহিলা ছিংগল্‌ছৰ পৰা ভাৰতৰ ৰীথ টেনিছনে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় লয়। পুৰুষৰ ছিংগল্‌ছত ছাথিয়ান জ্ঞানশেখৰণে উত্তৰ আয়াৰলেণ্ডৰ পল মেকৰিৰীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ ডাবল্‌ছত ভাৰতৰ মণিকা বাট্ৰা-দিয়া পৰাগ চিটালে যুটি আৰু শ্ৰীজা আকুলা আৰু ৰীথ টেনিছন যুটি কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হৈছে। পুৰুষ ডাবল্‌ছ যুটি এ শৰত কমল আৰু ছাথিয়ান জ্ঞানশেখৰণো কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে।



## নগাঁও আন্তঃক্লাব ফুটবল

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৫ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবে এছটি ক্লাবক ২-১ গ'লত আৰু নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছে ৰেডক্ৰছ ক্লাবক ৪-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে প্ৰথমখন খেলত ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবৰ হৈ কুশ জহৰী আৰু দিব্যজ্যোতি বৰদলৈয়ে গ'ল দুটা দিয়াৰ বিপৰীতে এছটি ক্লাবৰ হৈ বিপুল হাঞ্চৈই একমাত্ৰ গ'লটো দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰয়েল ইছলামক সহায় কৰে শৈলেন ভূঞা, অভিজিৎ ৰংহাং আৰু চতুৰ্থ ৰেফাৰী অ'হিদুজ জামানে। আনহাতে, দ্বিতীয়খন খেলত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ হৈ দীপজ্যোতি বৰদলৈ আৰু ৰাকেশ আমফিয়ে দুটাকৈ গ'ল দিয়াৰ বিপৰীতে ৰেডক্ৰছ ক্লাবৰ হৈ শুভংকৰ ডেকাই একমাত্ৰ গ'লটো দিয়ে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী কল্যাণ বৰুৱাক সহায় কৰে কৃষ্ণকান্ত দাস, পবিত্ৰ বৰা আৰু চতুৰ্থ ৰেফাৰী অ'হিদুজ জামানে।

## মৰিয়নি ফুটবল লীগত হাতীপটীৰ জয়

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৫ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত হাতীপটী চাহ বাগিচা ফুটবল দলে আজিৰ খেলত জয়ী হৈ লীগৰ সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। আজি হাতীপটীয়ে হাতীজুৰি এফ চি একাদশক ৩-২ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলৰ আৰম্ভণিতে হাতীজুৰিয়েই এগ'লত আগবাঢ়ি আছিল যদিও শেষ ৰক্ষা কৰিব নোৱাৰিলে। আনকি দুবাৰকৈ অগ্ৰগতি লৈও মূৰকত পৰাজয়বৰণ কৰিবলগীয়া হয় হাতীজুৰিয়ে। খেলৰ সাত মিনিটতে হাতীজুৰিৰ বিজয় ওৰাঙে এটা গ'ল দি দলক আগুৱাই নিয়ে। কিন্তু ২৩ মিনিটত হাতীপটীৰ চাহিল ওৰাঙে এটা দৰ্শনীয় গ'ল দি সমতা স্থাপন কৰে। দ্বিতীয়াৰ্ধত দুয়োটা দলেই গ'লৰ বাবে অধিক আক্ৰমণাত্মক খেল খেলে। দ্বিতীয়াৰ্ধৰ ৫৬ মিনিটত ৰোহিত তাঁতীৰ গ'লেৰে হাতীজুৰি এফচিয়ে পুনৰ অগ্ৰগতি লাভ কৰে। গ'ল হজম কৰি হাতীপটীয়ে আক্ৰমণৰ চোক বৃদ্ধি কৰে আৰু বিপক্ষৰ ওপৰত অধিক হেঁচা দিয়ে। যাৰ ফলত ৬৫ আৰু ৭১ মিনিটত দুটাকৈ গ'ল দি জয়লাভ কৰে হাতীপটী দলে। ৬৫ মিনিটত বিনন্দ তাঁতী আৰু ৭১ মিনিটত ভৰত কৰ্মকাৰে গ'ল দুটা দি দলক জয়ী কৰোৱাৰ লগতে গুৰুত্বপূৰ্ণ পইণ্ট অৰ্জন কৰে। ইয়াৰ পাছত গ'ল পৰিশোধৰ বাবে আপ্ৰাণ চেষ্টা চলাই যদিও হাতীজুৰিয়ে সফল হ'ব নোৱাৰিলে। আজিৰ খেলখন পৰিচালনা কৰে বাবুল দেৱ, দীপক তাঁতী, অনিল ওৰাং আৰু ৰাজীৱ কৰ্মকাৰে। কাইলৈ খ্ৰীষ্টজ্যোতি এফচিয়ে নগাধূলি চাহ বাগিচাৰ বিপক্ষে খেলিব।

## আজি গুৱাহাটী ক্ৰীড়া সন্থাৰ অনূৰ্ধ্ব-১৩ ফুটবলৰ ফাইনেল

**গুৱাহাটী, ৫ আগষ্ট ঃ** ১৩টা দলৰ অংশগ্ৰহণেৰে ২০ জুলাইৰ পৰা চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ অনূৰ্ধ্ব ১৩ বছৰৰ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল কাইলৈ বিয়লি তিনি বজাৰপৰা নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। বিগত বৰ্ষত ক'ভিডৰ প্ৰকোপৰ মাজতে অহা প্ৰত্যাহ্বানৰ মাজতো মহানগৰীৰ শিশু প্ৰতিভা বিচাৰি উলিওৱা, ক্লাব আৰু একাডেমীসমূহক প্ৰতিযোগিতাৰ সুযোগ দিয়া আৰু গুৱাহাটীৰ জিলা দলটো সুন্দৰকৈ গঢ় দিয়াৰ উদ্দেশ্য আগত ৰাখি গুৱাহাটী ক্ৰীড়া সন্থাই এই প্ৰতিযোগিতা আৰম্ভ কৰিছিল আৰু বিগত বৰ্ষত ১৬টা দলে অংশ লৈছিল। এইবাৰ পুনৰ ক'ভিড পৰিস্থিতিৰ শাম কটাৰ পাছতে সন্থাই আকৌ ফুটবলৰ পৰিৱেশ ঘূৰাই অনাৰ বাবে দুবছৰ স্থগিত হৈ থকা লীগসমূহ আৰম্ভ কৰিছে। 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ড, 'চি' আৰু 'বি' ডিভিজনৰ সফল সমাপ্তিৰ পাছত অনূৰ্ধ্ব ১৩ বছৰৰ প্ৰতিযোগিতাৰ দ্বিতীয় ছিজন আৰম্ভ কৰা হয়। ১৩টা দলৰ তুমুল প্ৰতিদ্বন্দ্বিতাৰ পাছত কাইলৈ যোৱাবাৰৰ চেম্পিয়ন গুৱাহাটী চিটী এফচি আৰু কাজিৰঙা এফচিৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ফাইনেলখনৰ লগতে বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপ-সভাপতি তথা অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ।

## আৰক্ষীৰ প্ৰীতি ফুটবল খেল

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৫ আগষ্ট ঃ** প্ৰধানমন্ত্ৰীৰ আহ্বান মৰ্মে আজাদী কা অমৃত মহোৎসৱ উপলক্ষে বৰপেটা জিলা প্ৰশাসনে আয়োজন কৰে এখন প্ৰীতি ফুটবল খেল। বৰপেটা ৰোড আৰক্ষী আৰু তাৰাবাৰী আৰক্ষীৰ মাজত অনুষ্ঠিত হয় খেলখন। কেৱল ৰাইজৰ সেৱাতে ব্যস্ত নাথাকি এইবাৰ ফুটবল খেল প্ৰদৰ্শনেৰে ক্ৰীড়াপ্ৰেমীক আমোদ দিলে অসম আৰক্ষীয়ে। দুভৰিৰ যাদুৰে বহুসংখ্যক দৰ্শকক আমোদ প্ৰদান কৰি বৰপেটা ৰোড আৰক্ষীয়ে ২-০ গ'লত পৰাজিত কৰে তাৰাবাৰী আৰক্ষীক।

# আজি শৃংখলা জয়ৰ লক্ষ্য ভাৰতৰ

## আমেৰিকাত সমতা স্থাপনৰ চেষ্টা চলাব ৱেষ্টইণ্ডিজে



**নিউজ ব্যুৰ'**
**ফ্ল'ৰিডা, ৫ আগষ্ট ঃ** ৱেষ্টইণ্ডিজৰ বিপক্ষে কাইলৈ টি-২০ শৃংখলাত বিজয় নিশ্চিত কৰাৰ চেষ্টা চলাব ভাৰতে। ইয়াৰ বিপৰীতে ২-১ত পিছ পৰি থকা কেৰিবিয়ান দলে সম্ভাৱনা সজীৱ কৰি ৰখাৰ বাবে কাইলৈ জয়ী হৈ শৃংখলাত সমতা স্থাপন কৰিবলৈ আপ্ৰাণ চেষ্টা চলাব। ভাৰতৰ বাবে পৰিৱেশ সম্পূৰ্ণ অপৰিচিত হোৱাৰ সুযোগ ল'ব পাৰে ৱেষ্টইণ্ডিজে।

উল্লেখ্য যে শৃংখলাৰ বাকী দুখন মেচ অনুষ্ঠিত হ'ব আমেৰিকাৰ ফ্ল'ৰিডাৰ ফৰ্ট লডাৰহিলত। আমেৰিকাত ক্ৰিকেট অধিক জনপ্ৰিয় কৰাৰ স্বাৰ্থতে এই সিদ্ধান্ত লোৱা হৈছে। কাইলৈ শৃংখলাৰ চতুৰ্থ মেচত জয়ী হ'ব পাৰিলে শৃংখলাটো ৰোহিত শৰ্মাৰ দলৰ দখললৈ আহিব। তৃতীয় মেচত আঘাত পোৱা অধিনায়ক ৰোহিতে খেলাটো নিশ্চিত। ভাৰতৰ বাবে চিন্তাৰ কাৰণ হৈছে শ্ৰেয়াছ আয়াৰৰ ব্যৰ্থতা। শৃংখলাৰ তিনিখন মেচত শ্ৰেয়াছৰ সংগ্ৰহ ক্ৰমে ০, ১১টা বলত ১০ আৰু ২৭টা বলত ২৪ ৰাণ। ফলত কাইলৈ তেওঁৰ পৰিৱৰ্তে সুযোগৰ অপেক্ষাত থকা দীপক হুডা মূল একাদশত অন্তৰ্ভুক্ত হ'ব পাৰে। কিয়নো এই পৰ্যন্ত লাভ কৰা সীমিত সুযোগতে দীপকে নিজৰ উপযোগিতা সাব্যস্ত কৰিছে। ইতিমধ্যে তেওঁৰ বেটৰ পৰা আহিছে এটা শতৰাণো। আনহাতে, আঘাতপ্ৰাপ্ত হৰ্ষল পেটেল সুস্থ হ'ব নোৱাৰিলে তৰুণ পেচাৰ আৱেশ খান বা স্পীনাৰ কুলদীপ যাদৱৰ মাজৰ কোনোবা এজনে সুযোগ লাভ কৰিব।

## দক্ষিণ কামৰূপ এ ডিভিজন লীগ

**অগ্ৰদূত বাৰ্তা**
**বকো, ৫ আগষ্ট ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 'এ' ডিভিজন আন্তঃক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ খিতাপৰ যুঁজত কাইলৈ জনজাতীয় স্প'ৰ্টিং ক্লাবে নংবাগ ফুটবল ক্লাবৰ মুখামুখি হ'ব। বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজিৰ খেলত ভলকেনো ফুটবল ক্লাবে জনতা সংঘক ৩-২ গ'লত হৰুৱায়। দুই ফাইনেলিষ্ট জনজাতীয়-নংবাগ ক্লাব সমসংখ্যক পইণ্টত লীগৰ শীৰ্ষত আছে।

### চিৰাঙত ১৭-অনূৰ্ধ্ব ল'ৰা-ছোৱালীৰ আন্তঃস্কুল ফুটবলৰ সামৰণি

# উৰ্বশীব্ৰহ্ম-পাণবাৰী উঃ মাঃ চূড়ান্ত বিজয়ী

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ৫ আগষ্ট ঃ** চিৰাং জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত কাজলগাঁওস্থিত শালঝোৰা খেলপথাৰত অনুষ্ঠিত ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা আৰু ছোৱালীৰ আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। তিনি আগষ্টৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত পাণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছোৱালীৰ শাখাত উৰ্বশী ব্ৰহ্ম মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় দলে খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাত ল'ৰা শাখাৰ ১৩খন বিদ্যালয়ে অংশগ্ৰহণ কৰাৰ বিপৰীতে ছোৱালী শাখাত চাৰিখন বিদ্যালয়ে অংশগ্ৰহণ কৰে।

প্ৰথমে ছোৱালী শাখাৰ চূড়ান্ত খেলখন আজি বিয়লি দুটা বজাৰ পৰা অনুষ্ঠিত হয়। খেলখনত উৰ্বশী ব্ৰহ্ম মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৪-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি খিতাপ অৰ্জন কৰে। উৰ্বশীৰ হৈ প্ৰথমাৰ্ধৰ ১১ মিনিটত ননীবালা বসুমতাৰীয়ে এটা গ'ল স্ক'ৰ কৰে। ইয়াৰ পাছত ৩৫ মিনিটত সমাইনা মুছাহাৰীয়ে এটা গ'ল দিয়াৰ উপৰি ৪২ আৰু ৫৬ মিনিটত মনোশ্ৰী ৰাৰীয়ে গ'ল দিয়ে। চন্দনা বসুমতাৰীয়ে চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। বঁটা প্ৰদান কৰে অসম ক্ৰীড়া সন্থাৰ সদস্য উমেশ ব্ৰহ্মাই। খেলখন পৰিচালনা কৰে ৰেফাৰীৰূপে যোছেফ মাৰ্ডীয়ে। তেওঁক লাইনত সহায় কৰে সৌমদৌন বসুমতাৰী, সৌমখৌৰ বসুমতাৰী আৰু চতুৰ্থ ৰেফাৰীৰূপে থাকে হাবিব ৰাৰী। আনহাতে, বিয়লি তিনি বজাৰ পৰা ল'ৰা শাখাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হয়। খেলখনত পাণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বেংতল উচ্চতৰ মাধ্যমিক বিদ্যালয়ক টাইব্ৰেকাৰৰ সহায়ত ১-০ গ'লত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। মুনিন বড়োৱে চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। খেলখন পৰিচালনা কৰে ৰেফাৰী হাবিব ৰাৰীয়ে। তেওঁক লাইনত সহায় কৰে সৌমদৌন বসুমতাৰী, সৌমখৌৰ বসুমতাৰী আৰু চতুৰ্থ ৰেফাৰীৰূপে থাকে যোছেফ মাৰ্ডী। চূড়ান্ত খেলখনত অতিথিৰূপে উপস্থিত থাকে অসম ক্ৰীড়া সন্থাৰ সদস্য উমেশ ব্ৰহ্ম, পাণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাকেশ্বৰ ব্ৰহ্ম, উৰ্বশী ব্ৰহ্ম হাইস্কুলৰ প্ৰধান শিক্ষক ক্ৰুছেৱ গয়াৰী আদি। উল্লেখ্য যে উৰ্বশীয়ে ২৩ আগষ্টত গুৱাহাটীত নৃপেন্দ্ৰ নাৰায়ণ ট্ৰফীত আৰু পাণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ১৭ আগষ্টত গুৱাহাটীত দেউকণ ট্ৰফীত অংশগ্ৰহণ কৰিব।





## এছিয়া কাপৰ দলত থাকিব কোহলি

**নিউজ ব্যুৰ'**
**মুম্বাই, ৫ আগষ্ট ঃ** বিগত কিছুদিন ধৰি বিশ্ৰামত থাকিলেও আৰু বিভিন্ন পক্ষৰ পৰা বাদ দিয়াৰ দাবী উত্থাপন হ'লেও আগন্তুক এছিয়া কাপৰ দলত থাকিব বিৰাট কোহলি। বিচিচিআইৰ এক শীৰ্ষস্থানীয় সূত্ৰই এই কথা সদৰী কৰিছে। সূত্ৰই স্পষ্ট কৰি দিছে যে প্ৰাক্তন অধিনায়কজনক বাদ দিয়াৰ কথা এতিয়াই ভবা হোৱা নাই। বৰঞ্চ তেওঁক তিনি নম্বৰ স্থানতে খেলোৱা হ'ব। সেইদৰে আঘাতৰ পৰা মুক্ত হোৱা সহঃঅধিনায়ক লোকেশ ৰাহুল আৰু পেচবলাৰ দীপক চাহাৰৰো দললৈ প্ৰত্যাৱৰ্তন ঘটিব। অহা সপ্তাহত আগন্তুক এছিয়া কাপৰ বাবে দল নিৰ্বাচন কৰিব ভাৰতীয় নিৰ্বাচক মণ্ডলীয়ে। সূত্ৰই কয় যে আগন্তুক টি-২০ বিশ্বকাপৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই দল গঠন কৰা হ'ব। সম্প্ৰতি সূৰ্য কুমাৰ যাদৱে অধিনায়ক ৰোহিত শৰ্মাৰ স'তে ইনিংছ অপেন কৰিছে যদিও এছিয়া কাপত তেওঁ ৰাহুলক সেই স্থান এৰি দিব।

### শোণিতপুৰ জিলা মহিলা ফুটবল লীগ

# অসম ৰাইফলছৰ খিতাপ অৰ্জন

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ৫ আগষ্ট ঃ** শোণিতপুৰ আন্তঃজিলা ছিনিয়ৰ মহিলা ফুটবল লীগৰ আজি সামৰণি পৰিছে। লখৰাস্থিত অসম ৰাইফলছৰ খেলপথাৰত যোৱা ২৫ জুলাইৰ পৰা অনুষ্ঠিত হোৱা এই লীগখনত মুঠ পাঁচটা দলে অংশগ্ৰহণ কৰিছিল। অসম ৰাইফলছ, ৰঙাপাৰা কলেজ, সোণাবিল চাহ বাগিচা ফুটবল দল, জে এন ফুটবল একাদশ আৰু ঢেকিয়াজুলি ফুটবল একাদশে অংশগ্ৰহণ কৰা এই মহিলা ফুটবল লীগত অদমনীয় প্ৰদৰ্শনৰে আটাইকেইখন খেলতে জয়লাভ কৰি আছাম ৰাইফলছ দলে লীগৰ পইন্ট তালিকাৰ শীৰ্ষ দলৰূপে খিতাপ অৰ্জন কৰে। শীৰ্ষ দলটোৱে ঘূনোচা দেৱী সোঁৱৰণী বঁটা আৰু তালিকাৰ দ্বিতীয় দল সোণাবিল চাহ বাগিচা দলে নিৰ্মালি বৰা সোঁৱৰণী বঁটা লাভ কৰে। আজি লীগৰ অন্তিমখন খেলত অংশ লোৱা আছাম ৰাইফলছৰ মহিলা ফুটবল দলটোৱে ৰঙাপৰা কলেজ দলক ৬-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু আছাম ৰাইফলছৰ সহযোগত অনুষ্ঠিত লীগখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ৰাইফলছৰ ৰঞ্জনা চানুৱে।



